



গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা






ত্ৰয়োদশ বছৰ ■ সংখ্যা ৫৮ ■ গুৱাহাটী ■ সোমবাৰ, ৩ অক্টোবৰ, ২০২২, ১৬ আহিন, ১৯৪৪ শক    RNP/GH/248/2114-2017    গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in    ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 58 Dainandin Barta ■ Guwahati, Monday ■ 3 October, 2022    ■ RNI REGD. NO. ASSASS/2010/39449    Total Pages =12 ■ Rs. 10.00 Only


ৰান হাজাৰ পূৰ্ণ সূৰ্যৰ ঃ দৰ্শকৰ নেত্ৰ ৩০৬°ত ঘূৰুৱাই নিৰ্ভীকতাৰে চৌদিশে বল প্ৰহাৰ কৰি অবাঞ্চিত ৰান আউট সূৰ্যৰ ঃ সৰ্প ভ্ৰমণ বৰ্ষাপাৰা পথাৰত ঃ পোহৰ-সৰ্পই লিখিলে কাহিনী-বতৰে কৰিলে সহযোগ ঃ ৰাহুল-সূৰ্যৰ অৰ্ধশতক, বিৰাট-ৰোহিত সমীপত ঃ ৪৯ত অপৰাজিত প্ৰাক্তন অধিনায়ক কোহলি



# বৰ্ষাপাৰাত হাঁহি ভাৰতীয় বাহিনীৰ









## ভাৰত ঃ ২৩৭/৩(২০)



ইণ্ডোনেছিয়াত খেলপথাৰত অনুৰাগীৰ আক্ৰমণ

## নিহত ১২৯ লোক, আহত ১৮০ জন

দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২ অক্টোবৰ ঃ দেওবাৰে আৰক্ষীয়ে জনোৱা মতে, ইণ্ডোনেছিয়াত এক ফুটবল খেলত দাংগাৰ সময়ত হুলস্থুলৰ ফলত কমেও ১২৯জন লোক নিহত হোৱাৰ লগতে ১৮০জন আহত হয়। শনিবাৰে নিশা আৰেমা এফ চি আৰু পাৰ্ছেবায়া চুৰাবায়াৰ মাজত খেলখন সমাপ্ত হোৱাৰ পিছত পৰাজিত দলটোৰ সমৰ্থকসকলে খেলপথাৰত আক্ৰমণ চলায় আৰু আৰক্ষীয়ে কন্দুৱা গেছ নিক্ষেপ কৰে। যাৰ ফলত হুলস্থুলৰ সৃষ্টি হয় আৰু শ্বাসৰুদ্ধ হোৱাৰ গোচৰ ৰুজু হয় বুলি আৰক্ষীয়ে জনায়।

## কৰ্মহীনতা, জটিল সমস্যা

### মিছ ইণ্ডিয়াৰ ৰানাৰ্ছ আপ এতিয়া বিগ বছৰ প্ৰতিযোগী মান্যায়া সিঙে নিজৰ সংগ্ৰামৰ বিষয়ে ক'লে— দুবছৰ ধৰি কাম পাব নোৱাৰিলে কাৰণ...

দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২ অক্টোবৰ ঃ ফেমিনা মিছ ইণ্ডিয়া ২০২০ৰ ৰানাৰ্ছ আপ মান্যা সিঙক এতিয়া দেখা যাব ছুপাৰষ্টাৰ ছলমান খানৰ দ্বাৰা আয়োজিত ৰিয়েলিটী শ্ব' 'বিগ বছ ১৬'ত। জীৱনত হোৱা সংগ্ৰাম আৰু ছালৰ ৰঙৰ বাবে উদ্যোগটোত কোনো কাম নোপোৱাৰ বিষয়ে বিতংভাৱে ক'লে। অটো ৰিক্সাচালকৰ কন্যা হোৱাৰ বাবে জীৱনটো কেতিয়াও সহজ নাছিল তাইৰ বাবে আৰু তাই গৃহস্থক কৈছিল যে তাইৰ দেউতাকে এতিয়াও অটো ৰিক্সা চলায় আৰু মাকে স্থানীয় ৰে'লত যাত্ৰা কৰে, কাৰণ তেওঁলোকে নিবিচাৰে যে তাইক অতিৰিক্ত বোজাত পেলাওক। মিছ ইণ্ডিয়া ২০২০ৰ ৰানাৰ্ছ আপ হোৱাৰ পূৰ্বে মন্যাই ৬ বছৰ ধৰি সংগ্ৰাম কৰিবলগীয়া হৈছিল। তেওঁ দৃঢ়তাৰে কয় যে প্ৰায়ে মানুহে এই প্ৰতিযোগিতাত জয়ী হোৱাৰ পিছত জীৱনটো সহজ বুলি ভাবে কিন্তু বাস্তৱতা বেলেগ আৰু তেওঁ দুবছৰ ধৰি কাম নকৰাকৈ ■ ৮ পৃষ্ঠাত



**বিগ বছ ১৬**

আন প্ৰতিযোগীসকল— নিমৃত কৌৰ আহলুৱালিয়া, আব্দু ৰ'জিক, শলিন ভানোট, অংকিত গুপ্তা, প্ৰিয়ংকা চাহাৰ চৌধুৰী, সুমবুল টৌকী

## গুৰুতৰভাৱে অসুস্থ উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মুলায়েম সিং যাদৱ

দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২ অক্টোবৰ ঃ সমাজবাদী পাৰ্টীৰ প্ৰতিষ্ঠাপক তথা উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মুলায়েম সিং যাদৱ গুৰুতৰভাৱে অসুস্থ। ৮৯ বছৰীয়া মুলায়েম সিঙক মঙলবাৰে গুৰগাঁৱৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ পিছত পুনৰ গাজিয়াবাদৰ আন এখন চিকিৎসালয়লৈ স্থানান্তৰ কৰা হয়। মূত্ৰজনিত ৰোগত আক্ৰান্ত সিঙক অচিৰেই অস্ত্ৰোপচাৰ কৰা হ'ব বুলি চিকিৎসকে জানিবলৈ দিছে। বিগত কেইবাদিনো ধৰি অসুস্থ হৈ আছিল সিং। থুলিয়াম লেজাৰ প্ৰক্ৰিয়াৰে অস্ত্ৰোপচাৰ সম্পন্ন হ'ব সিঙৰ। উল্লেখ্য যে মুলায়েম সিং যাদৱে পূৰ্বে দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীৰূপেও ■ ৮ পৃষ্ঠাত



### জাননী



শাৰদীয় দুৰ্গা পূজা উপলক্ষে 'দৈনন্দিন বাৰ্তা' কাকতৰ শুভাকাংক্ষী, পাঠক, সংবাদদাতা, বিজ্ঞাপনদাতা, কাকত বিতৰকক ধৰি ৰাজ্যবাসীলৈ শুভেচ্ছা জনালোঁ। দুৰ্গা পূজা উপলক্ষে কাৰ্যালয় সোমবাৰ আৰু মঙলবাৰে বন্ধ থাকিব। পৰৱৰ্তী সংখ্যা বৃহস্পতিবাৰৰ পৰা নিয়মীয়াকৈ প্ৰকাশ পাব।



জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

গান্ধী জয়ন্তী উপলক্ষে মহামানৱ মহাত্মা গান্ধীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন মুখ্যমন্ত্ৰীৰ

## আধ্যাত্মিকতা আৰু নৈতিকতাবোধ আছিল মহাত্মা গান্ধীৰ জীৱনাদৰ্শ

- গান্ধী মণ্ডপত ভিউ পইণ্ট, পাৰ্কিং আদিকে ধৰি দৰ্শনাৰ্থীৰ বাবে অনাগত দিনত বহু ব্যৱস্থা লোৱা হ'ব
- গুৱাহাটী স্মাৰ্ট চিটী প্ৰকল্পৰ অধীনত অব্যাহত থকা গীতা মন্দিৰৰ উন্নয়নৰ কাম এবছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ
- মহানগৰীৰ বাবে ১০০খন চি এন জি বাছ আৰু ২০০ খন ইলেক্ট্ৰিক বাছ গুৱাহাটী স্মাৰ্ট চিটী প্ৰকল্পৰ অধীনত ক্ৰয় কৰিব ৰাজ্য চৰকাৰে





### শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপক পৰ্যটকৰ আকৰ্ষণৰ স্থলীৰূপে গঢ় দিয়াৰ উপৰি অসমৰ গৌৰৱৰ এক প্ৰতীক হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ লৈছে ঃ মুখ্যমন্ত্ৰী

দৈনন্দিন বাৰ্তাৰ সেৱা, ২ অক্টোবৰ ঃ গান্ধী জয়ন্তী উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ উদ্যোগত শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপত আয়োজন কৰা অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ লগতে অহিংসাৰ পূজাৰী, মহান ৰাষ্ট্ৰ নেতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণেৰে গভীৰ শ্ৰদ্ধা নিবেদন ■ ৮ পৃষ্ঠাত

## ৰাজস্থানত ৩ কিলোগ্ৰামতকৈও অধিক হেৰ'ইন পেলাই থৈ গ'ল পাকিস্তানৰ ড্ৰোনে

দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২ অক্টোবৰ ঃ ভাৰতত পাকিস্তানৰ ড্ৰোন প্ৰৱেশ কৰাৰ ঘটনা এতিয়া আৰু নতুন হৈ থকা নাই। কাশ্মীৰকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত পাকিস্তানৰ ড্ৰোন প্ৰৱেশ কৰাৰ খবৰ ইতিমধ্যে বহুবাৰ প্ৰকাশ পাইছে। ইয়াৰ মাজতে পাকিস্তানৰ পৰা প্ৰেৰণ কৰা এখন ড্ৰোনে ৰাজস্থানৰ শ্ৰীগংগা নগৰৰ সীমান্তলৈ আহি ৩ কিলোগ্ৰামতকৈও অধিক হেৰ'ইন পেলাই থৈ যায়। বিএছএফে চলোৱা তালাচীত ৩ কিলোগ্ৰামৰো অধিক হেৰ'ইন থকা চাৰিটা পেকেট উদ্ধাৰ হয়। ভাৰত-পাকিস্তান সীমান্তত ড্ৰাগ্ছৰ চোৰাং ব্যৱসায় পাকিস্তানৰ উদ্যোগত চলি থকাৰ তথ্য পোহৰলৈ আহিছে। সীমান্তত পাকিস্তানী ড্ৰোনখন দেখি বি এছ এফৰ জোৱানসকলে গুলীচালনা কৰে যদিও ড্ৰোনখন পলাই যাবলৈ বাধ্য কৰে। কিন্তু এই সমগ্ৰ কাৰ্যৰ সময়ত পাক চোৰাং ব্যৱসায়ীসকলে ভাৰতীয় সীমান্তলৈ ড্ৰাগ্ছ যোগান ধৰাত সফল হৈছিল। পাকিস্তানৰ ফালৰ পৰা ড্ৰোনৰ দ্বাৰা ড্ৰাগ্ছ সৰবৰাহৰ ঘটনা এয়াই প্ৰথম নহয়। ইয়াৰ আগতেও বহুবাৰ এনেকুৱা হৈছে। তথ্য অনুসৰি, শেহতীয়াকৈ শ্ৰীগংগা নগৰ জিলাৰ অনুপগড় অঞ্চলত সংঘটিত হৈছে এনে এক ঘটনা। অনুপগড়ৰ কৈলাস পোষ্টত থকা ভাৰত-পাকিস্তান ■ ৮ পৃষ্ঠাত



### নগাঁৱৰ ৰাজ্যিক নাৰী আৰু শিশু গৃহৰ আৱাসীক পূজা দৰ্শন কৰোৱালে বিধায়ক ৰূপক শৰ্মাই

#### শিশু গৃহৰ শিশুসকলৰ সৈতে একলগে গ্ৰহণ কৰিলে দুপৰীয়াৰ আহাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ অক্টোবৰ ঃ শাৰদীয় দুৰ্গোৎসৱৰ আজি মহাসপ্তমীৰ পুৱা নগাঁও চহৰৰ আমোলাপট্টী অঞ্চলস্থিত ৰাজ্যিক নাৰী আৰু শিশু গৃহত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত হৈ শিশুগৃহ আৰু নাৰী গৃহত থকা আৱাসীসকলক পূজাৰ অভিনন্দন জ্ঞাপন কৰে। পূজা আহিলেই বিশেষকৈ শিশুসকলৰ মন উখল-মাখল হৈ পৰে। পৰিয়ালৰ লগত পূজা চাবলৈ যোৱা, ■ ৮ পৃষ্ঠাত



ঢকুৱাখনাত দেৱীৰ প্ৰতিমূৰ্তিত ভক্তৰ পূজা-অৰ্চনা

ভাৰতত টাইৱানৰ ৰাষ্ট্ৰদূতে চীনক লক্ষ্য কৰি কৰিলে মন্তব্য

## ভাৰত-টাইৱান আধিপত্যবাদৰ ভাবুকিৰ সন্মুখীন হৈছে

দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২ অক্টোবৰ ঃ ভাৰত আৰু টাইৱান 'আধিপত্যবাদ'ৰ দ্বাৰা ভাবুকিৰ সন্মুখীন হৈছে আৰু দুয়োপক্ষই 'কৌশলগত সহযোগিতা'ত জড়িত হোৱাৰ সময় আহি পৰিছে। তাইপেইৰ ৰাষ্ট্ৰদূত বাউচুয়ান গেৰে দেওবাৰে অঞ্চলটোত চীনৰ আক্ৰমণাত্মক



আচৰণৰ কথা উল্লেখ কৰি এনেদৰে কয়। সংবাদ মাধ্যমক দিয়া এক সাক্ষাৎকাৰত গেৰেই কয় যে টাইৱান আৰু ভাৰতে 'স্বৈৰাচাৰৰ সম্প্ৰসাৰণ' প্ৰতিহত কৰিবলৈ হাতে হাত মিলাব লাগিব। এই বৃহৎ অঞ্চলটোত উত্তেজনাৰ কাৰণবোৰৰ ভিতৰত পূব আৰু দক্ষিণ চীন সাগৰ, ■ ৮ পৃষ্ঠাত



### ধুবুৰীত ভয়ংকৰ নাও দুৰ্ঘটনাত নিখোঁজ হৈ থকা ধুবুৰীৰ চক্ৰ বিষয়া সঞ্জু দাসৰ মৃতদেহ উদ্ধাৰ

দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২ অক্টোবৰ ঃ ধুবুৰীত ভয়ংকৰ নাও দুৰ্ঘটনাত সন্ধানহীন হোৱা ধুবুৰীৰ চক্ৰ বিষয়া সঞ্জু দাসৰ সন্ধান উলিয়াবলৈ সক্ষম হ'ল ■ ৮ পৃষ্ঠাত

## পৰ্যটকৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি

উখল-মাখল পৰিৱেশৰ মাজেৰে পৰ্যটকৰ বাবে মুকলি হ'ল মানাহ ৰাষ্ট্ৰীয় উদ্যান ঃ অনলাইন বুকিঙেৰে পৰ্যটকে প্ৰৱেশ কৰিব লাগিব মানাহত ঃঃ মানাহৰ বেদখলকাৰীৰ ওপৰত পাথৰৰ খুন্দা মাৰিম ঃ ৰঞ্জিত বসুমতাৰী

দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ২ অক্টোবৰ ঃ আজি পুৱাৰে পৰা পৰ্যটকৰ বাবে মুকলি কৰা হয় কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা আৰু বাগৰি বনাঞ্চলৰ আংশিক এলেকা ২০২২-২৩ পৰ্যটন বৰ্ষৰ বাবে মুকলি কৰা হয়। উল্লেখ্য যে ২৪ ছেপ্টেম্বৰৰ পৰা ২৬ ছেপ্টেম্বৰলৈ কাজিৰঙাত অনুষ্ঠিত হোৱা অসম চৰকাৰৰ চিন্তন বৈঠকৰ প্ৰথমদিনা উপস্থিত থকা আধ্যাত্মিক গুৰু সদগুৰুৱে চিন্তন বৈঠকত অংশ লোৱাৰ পিছতেই কাজিৰঙাৰ মুখ্য প্ৰৱেশদ্বাৰ মিহিমুখত গঁড়ৰ খড়্গৰ ছাইৰে নিৰ্মিত তিনিটাকৈ গঁড়ৰ স্মাৰক উদ্বোধন কৰে। ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি হ'ল বুলি। ইপিনে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি হোৱাৰ বাতৰি সম্প্ৰচাৰ ■ ৮ পৃষ্ঠাত



### অসম মহাপুৰুষীয়া সত্ৰ সমাজ, বৰছলা আঞ্চলিকৰ সহযোগত গৰুবান্ধা জামুগুৰিত ধৰ্মালোচনা সভা

# ৫৭৪সংখ্যক গুৰু জয়ন্তী উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২ অক্টোবৰ ঃ** অসম মহাপুৰুষীয়া সত্ৰ সমাজ, বৰছলা আঞ্চলিকৰ সহযোগত আৰু ওদালগুৰি গৰুবান্ধা জামুগুৰি চক্ৰপাণি খেল সত্ৰৰ উদ্যোগত ৫৭৪সংখ্যক গুৰু জয়ন্তী উদযাপনৰ প্ৰস্তুতি। ৪,৫,৬ আৰু ৭ অক্টোবৰত চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া গুৰু জয়ন্তীৰ ৪ অক্টোবৰৰ ৰাতিপুৱা ৫ বজাত জামুগুৰি চক্ৰপাণি খেল সত্ৰৰ বাপ,আইমাতৃ সকলৰ সমূহীয়া নাম প্ৰসঙ্গ, প্ৰৰিবেশ নিকাকৰণ, ৯ বজাত গৰুবান্ধা জামুগুৰি বিভিন্ন অঞ্চলৰ অনুষ্ঠান প্ৰতিষ্ঠানত বৃক্ষৰোপণ কাৰ্যসূচীৰ লগতে সন্ধিয়া বন্তি প্ৰজ্বলনেৰে গুৰু জয়ন্তীৰ প্ৰথম দিনৰ কাৰ্যসূচী সমাপ্ত হোৱাৰ পাছত ৫ অক্টোবৰৰ পুৱা ৫ বজাত উষা কীৰ্তন, ৬ বজাত পৰিৱেশ নিকাকৰণ আৰু ৭ বজাত ধৰ্মধ্বজা উত্তোলন। অসম মহাপুৰুষীয়া সত্ৰ সমাজ, ৰাজিক সমিতিৰ উপ-সভাপতি কনক চন্দ্ৰ নাথে এই ধৰ্মধ্বজা উত্তোলন কৰাৰ পাছত ৮.১৫ বজাত ভাগৱত শোভাযাত্ৰা। উদ্বোধন কৰিব চলণ নাৰ্জৰীয়ে। ১০ বজাত সমূহীয়া নাম প্ৰসংগৰে গুৰু জয়ন্তীৰ কাৰ্যক্ৰমণিকাৰ ওৰ পৰিব। ৬ অক্টোবৰ তৃতীয় দিনৰ ৰাতিপুৱা ৫ বজাত গুৰু জয়ন্তীৰ কাৰ্যসূচী প্ৰাতঃপ্ৰসংগৰে শুভাৰম্ভ হ'ব। ৬ বজাত পৰিৱেশ নিকাকৰণ আৰু ৭ বজাত বৃক্ষৰোপণ। ১১ বজাত অসম মহাপুৰুষীয়া সত্ৰ সমাজ, পশ্চিম শোণিতপুৰ জিলাৰ একাদশ বাৰ্ষিক ধৰ্মালোচনা সভা। পশ্চিম শোণিতপুৰ জিলা সমিতি, মহাপুৰুষীয়া সত্ৰ সমাজৰ বাপ খগেন কোচৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া ধৰ্মালোচনা সভাখন উদ্বোধন কৰিব চমং মজুমদে লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। বকৃতীত পৰিবেশন কৰাৰ পাছতে আদৰণী ভাষণ প্ৰদান কৰিব অসম মহাপুৰুষীয়া সত্ৰ সমাজৰ উপদেষ্টা ললিত বৰাই। আনহাতে, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব টংকেশ্বৰ নাথ, শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট। তদুপৰি বিশিষ্ট বক্তা হিচাপে উপস্থিত থাকি ধৰ্মালোচনা সভাৰ আসন অলংকৃত কৰিব সমাজকৰ্মী কোযেশ্বৰ বৰাই। আবেলি ৪ বজাৰ পৰা বৰগীত, সত্ৰীয়া নৃত্য, কৃষ্ণ নৃত্য প্ৰদৰ্শন। চাৰিদিনীয়া কাৰ্যসূচীত অনুষ্ঠিত হ'বলগীয়া এই গুৰু জয়ন্তীৰ সকলো কাৰ্যসূচী সফল সমাপ্তিৰ পাছত ৭ অক্টোবৰ শুকুৰবাৰে মহাপুৰুষীয়া সত্ৰ সমাজ, জামুগুৰি খেল সত্ৰৰ প্ৰাংগণত দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত হ'ব দিহানাম প্ৰতিযোগিতা। সকলো ৰাইজৰ সহায়-সহযোগিতা কামনা কৰি দিহানামত অংশ গ্ৰহণ কৰিব বিচৰা দিহানাম দলসমূহক ৯১০১১-১২৮৪৮/৮১৩৪৯-২০৮৬২/৯৬৭৮৩-৫৬০২৯/৬৯০০৬-৮৩৮০০ নম্বৰত যোগাযোগ কৰিববৈলে উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

### লোকাৰণ্য ৰংদৈ শাৰদীয় দুৰ্গোৎসৱ

# বৰ্ণিল কাৰ্যসূচীৰে ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২ অক্টোবৰ ঃ** উত্তৰ-পূব যোৰহাটৰ ৰংদৈত অনুষ্ঠিত দুৰ্গোৎসৱ লোকাৰণ্য হৈ পৰা দেখিবলৈ পোৱা গৈছে। এইবাৰ ৰপালী জয়ন্তী বৰ্ষ মহাআড়ম্বৰপূৰ্ণভাৱে অতি ভক্তিমূলকভাৱে উদ্‌যাপন কৰিছে ৰংদৈ সাৰ্বজনীন দুৰ্গোৎসৱ উদ্‌যাপন সমিতিয়ে। ১৯৯৭ চনতে প্ৰথমে অস্থায়ীভাৱে আৰম্ভ কৰা বিভিন্নজনৰ দান-অনুদানেৰে, চৰকাৰী আৰ্থিক অনুদান আৰু দুৰ্গা পূজা উদযাপন সমিতিৰ তৎপৰতাত বৰ্তমান স্থায়ীভাৱে নিৰ্মাণ হোৱা সাৰ্বজনীন দুৰ্গা মন্দিৰত জীৰেশ্বৰ বৰুৱা আৰু অনিল শৰ্মাৰ সোঁৱৰণী দুটা কোঠাও বৰ্তমান সম্পূৰ্ণ কৰি উলহ-মালহেৰে দুৰ্গা পূজাৰ আয়োজন কৰিছে। ৮ আহিনৰ দিনা মহালয়া উপলক্ষে এক সাংস্কৃতিক শোভাযাত্ৰাৰে ৰূপালী জয়ন্তীৰ কাৰ্যসূচী আৰম্ভ কৰি স্বৰ্গগামীসকলৰ প্ৰতি স্মৃতিমাল্য প্ৰদান কৰে যতীন শৰ্মাই। সেইদিনাই জীৰেশ্বৰ বৰুৱা আৰু অনিল শৰ্মাৰ সোঁৱৰণী গৃহৰ দ্বাৰ মুকলি কৰে প্ৰকৃতিপ্ৰেমী অপূৰ্ববল্লভ গোস্বামীয়ে। সামান্তৰালকৈ ১ অক্টোবৰৰ দিনৰ ভাগত চিত্ৰাংকণ প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ কল্পাৰম্ভ, ষষ্ঠী বিহিত পূজা, সন্ধ্যা সাংস্কৃতিক অনুষ্ঠান। ২ অক্টোবৰত ধৰ্মালোচনী সভা, সম্বৰ্ধনা সভা, সন্ধ্যা নাট্যানুষ্ঠান। ৩ অক্টোবৰত মহাষ্টমী বিহিত পূজা, ৰত্নাৱলী সন্মিলীত শিল্পী সমাজৰ দ্বাৰা 'মৎস্য অৱতাৰ' ভাওনা প্ৰদৰ্শন। ৪ অক্টোবৰ মহা নৱমী বিহিত পূজা, সন্ধ্যা শিল্পী ৰিণ্টু শইকীয়াৰ সংগীতানুষ্ঠান। ৫ অক্টোবৰ বিভিন্ন কাৰ্যসূচীৰ প্ৰতিমা বিষৰ্জন আৰু প্ৰতিদিনেই সন্ধিয়া কুমাৰীসকলৰ সামূহিক আৰতি পৰিৱেশন আয়োজন কৰিছে।

# স্নাতকোত্তৰত প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগত সাগৰিকা গোস্বামী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ২ অক্টোবৰ ঃ** টিহুৰ নাথকুছিৰ নিৱাসী হেমন্ত কুমাৰ গোস্বামী আৰু অনামিকা গোস্বামীৰ কন্যা সাগৰিকা গোস্বামীয়ে আজি কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰীৰ পৰা সংস্কৃত সাহিত্য বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে । শংকৰদেৱ শিশু নিকেতন পাটাছাৰকুছিত শিক্ষা জীৱনৰ পাতনি মেলি, শংকৰদেৱ শিশু বিদ্যা নিকেতন, টিহুৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কৃষ্ণকান্ত সন্দিকৈ জুনিয়ৰ কলেজ পাঠশালাৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত



উত্তীৰ্ণ হৈ নলবাৰী সংস্কৃত বিশ্ববিদ্যালয়ৰ পৰা সংহত স্নাতকোত্তৰ পাঠ্যক্ৰমত সংস্কৃত সাহিত্যৰ এই বৰ্ষৰ সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰী হিচাপে স্বীকৃতি পায়। সাহিত্য, সংস্কৃতিৰ লগত নিজ মেধাক সমানে আগুৱাই লৈ যোৱা সাগৰিকাই ইতিমধ্যেই কে'বাটাও প্ৰাদেশিক আৰু ৰাষ্ট্ৰীয় সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। তথা ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় ৰেকৰ্ড লাভ কৰিও সমাজৰ আদৰ লাভ কৰিছে। তেওঁৰ এই শেহতীয়া সফলতাৰ বাবে সাগৰিকাই বিশ্ববিদ্যালয়ৰ বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী, পৰিয়াল তথা সহপাঠীলৈ কৃতজ্ঞতা প্ৰকাশ কৰিছে।

### মৰাণৰ সাহিত্য চৰ্চাৰ অনুষ্ঠান জোনাকী মেলৰ ১৯৩ সংখ্যক বৈঠক সম্পন্ন

# 'অসমীয়া সাহিত্য আৰু শৰৎ' শীৰ্ষক আলোচনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২ অক্টোবৰ ঃ** ২০০৬ত প্ৰতিষ্ঠা লাভ কৰা মৰাণ অঞ্চলৰ সাহিত্য চৰ্চাৰ অনুষ্ঠান জোনাকী মেলৰ ১৯৩সংখ্যক বৈঠকখন যোৱা ৩০ ছেপ্টেম্বৰত সন্ধিয়া মৰাণৰ সেউজপুৰ নিৱাসী ধেমাজি দিচাংপানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ ভূপেন নাথ আৰু তুলিকা নাথ চেতিয়াৰ পৰিয়ালৰ আতিথ্যত সেউজপুৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। বিশিষ্ট লেখক ডাঃ বিৰিঞ্চি কুমাৰ গগৈয়ে বৰমেলুৰে কৰা বৈঠকখনৰ আৰম্ভণীতে উদ্দেশ্য ব্যাখ্যা দাঙি ধৰে জোনাকী মেলৰ মুখ্য উদ্যোক্তা তথা সাংবাদিক বাছা বৰাই। এইবাৰ জোনাকী মেলত আলোচ্য বিষয় আছিল 'অসমীয়া সাহিত্য আৰু শৰৎ'। বিষয়টোৰ ওপৰত মুখ্য আলোচক হিচাপে বক্তব্য প্ৰদান কৰে বিশিষ্ট সাহিত্যিক, লেঙেৰী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ নীলকান্ত গগৈয়ে। আলোচকগৰাকীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে অসমীয়া সাহিত্যত কবিতা আৰু গীতত উল্লেখ থকা শৰতৰ বৰ্ণনা সম্পৰ্কে এটি মনোজ্ঞ আলোচনা আগবঢ়ায়। উক্ত বিষয়টোৰ ওপৰতে বিশিষ্ট সাহিত্যিক ডাঃ লোহিত কুমাৰ বৰায়ো এটি সাৰুৱা বক্তব্য প্ৰদান কৰে। শিল্পী মুনিন ওজা আৰু প্ৰবীণ বৰাই মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ এটি প্ৰাৰ্থনা ঘোষাৰে শুভ উদ্বোধন কৰা বৈঠকখনত অসম চৰকাৰৰ কৃতী শিক্ষকৰ ৰাজ্যিক বঁটা পাই মৰাণলৈ গৌৰৱ কঢ়িয়াই অনা জিতেন দাসক জোনাকী মেলৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ভূপেন নাথে আদৰণী ভাষণ আগবঢ়োৱা বৈঠকখনত কবিতা পাঠ কৰে বিশিষ্ট কবি ডাঃ নিৰঞ্জন দাস, অঞ্জু দত্ত বৰুৱা, নিভা গগৈ, দেৱযানী সন্দিকৈ, বীণা কোঁৱৰ, সত্যনাথ শৰ্মা আৰু যোগেন সিঙে। বৈঠকত কে'বাগৰাকিও জনপ্ৰিয় কণ্ঠশিল্পী ক্ৰমে শিৱসাগৰৰ ৰণ কোঁৱৰ, মৰাণৰ স্বপ্নীল বৰুৱা, অংকিতা কলিতা, অলস্মিতা আদিত্যবৰ্ণা, প্ৰাঞ্জনা চুতীয়াই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰাৰ লগতে শিল্পী শৰত মহন, ভূপেন নাথে মুনিন দত্ত আৰু লোকনাথ গোস্বামীৰ গীত পৰিৱেশন কৰি সৌষ্ঠৱ বৃদ্ধি কৰি তোলে। শতাধিক ৰাইজ সমবেত হোৱা বৈঠকখনত, জনপ্ৰিয় কণ্ঠশিল্পী বিপিন চাউদাং, সমাজকৰ্মী সত্যৰঞ্জন বুঢ়াগোহাঁই মহেন্দ্ৰ বৰা, ৰত্নেশ্বৰ বৰবৰুৱা, ৰঞ্জুমণি বৰা, মনোজ কলিতা, উত্তম দেউৰী, শৈলেন কলিতা, নমিতা দত্ত, মনমোহন চিক, প্ৰবীণ কোঁৱৰ, ভোগেশ্বৰ শইকীয়া, প্ৰফুল্ল গগৈকে মুখ্য কৰি বহুকেইজন গুণী-জ্ঞানী ব্যক্তি উপস্থিত আছিল। শেষত বাছা বৰাই শলাগৰ শৰাই আগবঢ়োৱাৰ পাছতে জাতীয় সংগীত পৰিৱেশনেৰে কাৰ্যসূচীৰ সামৰণি মৰা হয়।

# কামৰূপ জিলাৰ ১২গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক অৱসৰকালীন লাভালাভৰ মঞ্জুৰী প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২ অক্টোবৰ ঃ** আমিনগাঁৱস্থিত কামৰূপ জিলাৰ সংহত উপায়ুক্ত কাৰ্যালয়ৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত এক অনুষ্ঠানত জিলাখনৰ বিভিন্ন উচ্চ আৰু মাধ্যমিক বিদ্যালয়ৰ পৰা কালি অৱসৰ গ্ৰহণ কৰা ১২গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক তেওঁলোকৰ জিআইএছ আৰু লিভ ছেলাৰীৰ মঞ্জুৰীৰ আদেশ প্ৰদান কৰে বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই। এই উপলক্ষে আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই ২০১৯ বৰ্ষৰ ৩১ মাৰ্চৰ পৰা এম ই স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে আৰম্ভ কৰা এই প্ৰক্ৰিয়া পৰৱৰ্তী সময়ত হাইস্কুল তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ সম্প্ৰসাৰিত কৰি এতিয়ালৈকে অবিৰত ৰূপত ৰূপায়ণ কৰি থকা হৈছে বুলি কয়। তেওঁ লগতে অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলক 'বিদ্যাঞ্জলি' আঁচনিৰ জৰিয়তে অৱসৰৰ পিছত ওচৰৰ বিদ্যালয়ত শিক্ষাদান কৰি সমাজলৈ ইতিবাচক অৰিহণা আগবঢ়োৱাৰ বাবে আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ লগতে বৰ্তমানৰ ৰাজ্য চৰকাৰে অৱসৰৰ দিনাখনেই যাতে কৰ্মচাৰীয়ে অৱসৰকালীন লাভালাভ প্ৰাপ্ত কৰিব পাৰে তাৰ বাবে লোৱা ব্যৱস্থাৱলীৰ সম্পৰ্কেও বিস্তৃিতভাৱে সদৰী কৰে। অনুষ্ঠানত কামৰূপ জিলাৰ তথ্য আৰু জনসংযোগ বিষয়া বংকিম ভাগৱতী, কামৰূপ জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক ৰফিকউদ্দিন আহমেদ, সমগ্ৰ শিক্ষা, কামৰূপৰ আঁচনি বিষয়া ফুলপাহি নাথেও বক্তব্য প্ৰদান কৰাৰ লগতে অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলেও বৰ্তমানৰ ৰাজ্য চৰকাৰখনে পেঞ্চনাৰসকলৰ বাবে লোৱা উদ্যোগৰ শলাগ লৈ নিজৰ বক্তব্য প্ৰদান কৰে।

## ৰাশিফলত আজিৰ দিনটো

**১৬ আহিন, সোমবাৰ, ৩ অক্টোবৰ, ১৪২৯ ভাস্কৰাব্দ**

**সূৰ্যোদয়- ৫-২০-০৮ সূৰ্যাস্ত- ৫-৬-২৭**



■ **মেষ** ঃ কৰ্মব্যস্ততা বৃদ্ধি ■ **বৃষ** ঃ ৰাইজৰ লগত ■ **মিথুন** ঃ আত্মীয়জনৰ কাষত ■ **কৰ্কট** ঃ উৎসৱত অংশগ্ৰহণ ■ **সিংহ** ঃ তৃপ্তিৰে ভোজন ■ **কন্যা** ঃ উত্তম বস্ত্ৰ লাভ ■ **তুলা** ঃ উৎসৱমুখৰ পৰিৱেশ ■ **বৃশ্চিক** ঃ সাংবাদিকৰ সুনাম ■ **ধনু** ঃ ধনৰ নাটনি ■ **মকৰ** ঃ পুৰণি বন্ধুৰ লগ ■ **কুম্ভ** ঃ ৰাজসাহায্য ■ **মীন** ঃ প্ৰেমত আনন্দ।

# শুৱালকুছি সাংবাদিক সন্থাৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ ঃ স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২ অক্টোবৰ ঃ** বস্ত্ৰনগৰী শুৱালকুছি আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলৰ সাংবাদিকসকলৰ মঞ্চ শুৱালকুছি সাংবাদিক সন্থাৰ এটা প্ৰতিনিধি দলে কালি অসম সচিবালয়ৰ সভাকক্ষত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। সন্থাৰ সঁজাতী দলটোৱে সাক্ষাৎ কালত 'ঐতিহাসিক শুৱালকুছিৰ তাঁতশিল্প পুনৰুজ্জীৱিত কৰা, শুৱালকুছিস্থ মহাত্মা গান্ধী ৩০খন বিছনাযুক্ত চিকিৎসালয়ত আইচিইউ বিছনাৰ ব্যৱস্থা কৰা, শুৱালকুছি সাংবাদিক সন্থাৰ স্থায়ী কাৰ্যালয়ৰ বাবে সন্থাৰ নামত চৰকাৰী ভূমি আবন্টন দিয়া, শুৱালকুছিত স্থায়ী বাছ আস্থানৰ ব্যৱস্থা কৰা, শুৱালকুছি-পলাশবাৰীৰ মাজত প্ৰস্তাৱিত দলংখন সম্পূৰ্ণ নোহোৱালৈ শুৱালকুছি পলাশবাৰী পাৰঘাটত উন্নতমানৰ এখন জাহাজৰ ব্যৱস্থা কৰা, বৃহত্তৰ শুৱালকুছিত বৰলাহ পানী যোগানৰ পানী পৰ্যাপ্ত পৰিমানৰ যোগান ধৰা আৰু শুৱালকুছি, বংশৰ, শিঙিমাৰী, দদৰা, পছৰীয়া আদি অঞ্চলৰ বাবে প্ৰস্তাৱিত ৰাজহ চক্ৰটো 'শুৱালকুছি ৰাজহ চক্ৰ নামকৰণ কৰা আদি আঠটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱসম্বলিত দাবীপত্ৰ মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰে। স্মাৰক-পত্ৰ গ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে পৰ্যায়ক্ৰমে সমস্যাসমূহ সমাধানৰ আশ্বাস দিয়ে। সাংবাদিক সন্থাই ৰাজ্যৰ প্ৰধান তথা স্থানীয় বিধায়কগৰাকীক এই সুযোগতে ফুলাম গামোচা, শৰাই আৰু সম্বৰ্ধনা-পত্ৰৰে সম্বৰ্ধনাও জনায়। শুৱালকুছি সাংবাদিক সন্থাৰ সভাপতি হৰিপ্ৰসাদ দাস আৰু সম্পাদক বিশ্বজিৎ দাসৰ নেতৃত্বত মুখ্যমন্ত্ৰীক সাক্ষাতৰ সময়ত সাংবাদিক সন্থাৰ উপদেষ্টা কিশোৰ গোস্বামী, কাৰ্যকৰী সভাপতি প্ৰবীণ কুমাৰ দাস, উপ-সভাপতি কনক বৈশ্য, সহকৰী সম্পাদক হেমেন বৈশ্য আৰু সন্থাৰ প্ৰাক্তন সম্পাদক ৰত্ন কুমাৰ দাস উপস্থিত আছিল।

# কবি সাহিত্যিক দেৱৰাজ কলিতাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ অক্টোবৰ ঃ** হেঙেৰাবাৰী নিৱাসী কবি-সাহিত্যিক, অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ অৱসৰপ্ৰাপ্ত পৰিসংখ্যা বিষয়া দেৱৰাজ কলিতাৰ কালি দিনৰ প্ৰায় ১২ বজাত হঠাৎ অসুস্থ হৈ নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৪ বছৰ। ১ মাৰ্চ ১৯৪৮ত তেওঁৰ জন্ম হৈছিল কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত তেঁতেলীয়া গাঁৱত। তেওঁৰ পিতৃৰ নাম আছিল ৰাজু কলিতা আৰু মাতৃৰ নাম আছিল পদ্মা কলিতা। ১৯৯৬ চনৰ পৰা তেওঁ দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈয়ো অসমৰ বিভিন্ন সাহিত্য অনুষ্ঠানৰ লগত জড়িত হৈ আছিল। তাৰ ভিতৰত অসম সাহিত্য সভা, গুৱাহাটী মহানগৰ কবি কানন, সদৌ অসম কবি চক্ৰ, উত্তৰ পুৰুষৰ মঞ্চ, অসম, সন্মিলিত সাহিত্য-সংস্কৃতিৰ মঞ্চ সৃষ্টি, অসম কাব্য কানন, সহযোগী কবি মঞ্চ, সাহিত্য সংস্কৃতিৰ বৃহত্তৰ মঞ্চ, গুৱাহাটী কবি চক্ৰ আদি অন্যতম। তেওঁৰ বিভিন্ন বিষয়ৰ পৰা যোল্লখন গ্ৰন্থ প্ৰকাশ পাইছে। তেওঁ অসমৰ বিভিন্ন সভা-সমিতিত শাৰীৰিক অসুস্থতাৰ



সত্বেও প্ৰায়ে অংশগ্ৰহণ কৰিছিল। তেওঁৰ মৃত্যুত উত্তৰ পুৰুষৰ মঞ্চৰ মুখ্য সম্পাদক দিবাকৰ ৰেণুৱে মঞ্চৰ হৈ গভীৰ শোক প্ৰকাশ কৰি কয় যে-দেৱৰাজ কলিতা আছিল উত্তৰ পুৰুষৰ মঞ্চৰ মুখ্য উপদেষ্টা আৰু প্ৰথমগৰাকী অক্লান্ত উত্তৰ পুৰুষ বঁটাপ্ৰাপক সাহিত্যিক। মঞ্চক অন্তঃকৰণেৰে ভাল পোৱা কলিতাৰ বিয়োগত অসমে এগৰাকী মহান কৰ্তব্যপৰায়ণ আদৰ্শবাদী পুৰুষক হেৰুৱালে। এই স্থান পূৰণ কেতিয়াও নহ'ব। কালি কবিগৰাকীৰ মৃত্যুৰ সময়ত গুৱাহাটী মহানগৰ কবি কাননৰ সভাপতি কমলজিৎ কলিতা, কাৰ্যকৰী সভাপতি সুৰেন্দ্ৰ মোহন দাস, সম্পাদক উত্তম কুমাৰ দত্ত, কাব্যশ্ৰী বৰপাত্ৰ, বিশিষ্ট সমালোচক বিপুল শৰ্মা, সদৌ অসম কবি চক্ৰৰ সভাপতি অনুপ কুমাৰ তালুকদাৰ, প্ৰধান সম্পাদক বিতুমণি গোস্বামী, স্বৰ্গজ্যোতি চেতিয়া, জোনাক আলোচনীৰ মুখ্য সম্পাদক পুলকেশ ৰায় বৰুৱা, উত্তৰ পুৰুষৰ মঞ্চৰ উপ-সভানেত্ৰী ববিতা বৈশ্য লহকৰ প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তিয়ে তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত পুত্ৰ সিদ্ধাৰ্থ কলিতা, বোৱাৰী বৰ্ণালী বৰা কলিতা, জীয়ৰী জুৰি কলিতা, নাতি কৌস্তভ কলিতা আৰু নাতিনী ধৃতি কলিতাকে ধৰি বহুতো আত্মীয় স্বজন আৰু বহু গুণমুগ্ধক ইহ সংসাৰত এৰি যায়।

### বকোত আমছুৰ কেন্দ্ৰীয় সমিতিৰ বৰ্ধিত কাৰ্যকৰী সভা সম্পন্ন

# জনগোষ্ঠীটোৰ বিকাশৰ ওপৰত আলোকপাত




**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২ অক্টোবৰ ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ কেন্দ্ৰীয় সমিতিৰ বৰ্ধিত কাৰ্যকৰী সভা এখন কালি কামৰূপ জিলাৰ বকোত অনুষ্ঠিত হয়। আমছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক মাণিক আলী আহমেদে জনোৱা মতে বকোস্থিত সাহিত্য সভা ভৱনত আয়োজন কৰা হয় বৰ্ধিত কাৰ্যকৰী সভাখন। বকোৰ সভাত অসমৰ সাম্প্ৰতিক সময়ত বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত ৰাজ্যখনৰ ভিন্ন জাতি জনগোষ্ঠীৰ লগত মিলা-প্ৰীতিৰে অসম মাতৃৰ সেৱা কৰি অসমক আগবঢ়াই লৈ যোৱা সন্দৰ্ভত আলোকপাত কৰা হয়। কালিৰ বৰ্ধিত কাৰ্যকৰী সভাত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ইকবাল হুছেইন; উপ-সভাপতি জালাল আহমেদ, সাধাৰণ সম্পাদকসকল ক্ৰমে—মানিক আলী আহমেদ, কাজী ছাদিক আখতাৰ, নজৰুল ইছলাম, সহকাৰী সম্পাদক ফিৰাজুল হকসহ আমছুৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকলৰ উপৰিও সংগঠনটোৰ সাংগাঠনিক জিলা সমিতিৰ সভাপতিসহ বিষয়ববীয়াসকল উপস্থিত থাকে। সভাত কামৰূপ জিলা সমিতিৰ সকলো বিষয়ববীয়াই সহায-সহযোগ কৰে। সংখ্যালঘু ছাত্ৰ সংগঠনটোৰ সভাত জনগোষ্ঠীটোৰ সামগ্ৰিক বিকাশৰ ওপৰত আলোকপাত কৰি মৌলিক অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত ল'ব লগা ব্যৱস্থাৰ ওপৰত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে।

# লাহৰীঘাটৰ তিনিচুকীয়াত ২ ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২ অক্টোবৰ ঃ** মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীৰ ড্ৰাগ্‌ছবিৰোধী অভিযানত কালি লাহৰীঘাটৰ তিনিচুকীয়াত ৩০টাকৈ ড্ৰাগ্‌ছভৰ্তি কণ্টেইনাৰ, ম'বাইল ফোনসহ আজাহাৰুল ইছলাম আৰু আশ্বাদুল ইছলাম নামৰ দুটা ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰী দুটাই অঞ্চলটোত চলাই আহিছিল ড্ৰাগ্‌ছৰ বেহা। আৰক্ষীয়ে জব্দ কৰা সন্দেহযুক্ত ড্ৰাগ্‌ছভৰ্তি কণ্টেইনাৰসহ ওজন ৪১.১ গ্ৰাম। অৱশ্যে এখন বাইকো জব্দ কৰা হৈছে।




# অলিম্পিকা মেধিক প্ৰয়াত উৎপল দেৱৰয় গণিত মেধা বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তা সেৱা, ডুমডুমা, ২ অক্টোবৰ ঃ** আজি ডুমডুমা শাখা সাহিত্য সভা ভৱনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এটি অনুষ্ঠানত ফিল'বাৰী চিকৰাজান নিৱাসী তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ স্নাতকোত্তৰ মহলাৰ শিক্ষাৰ্থী অলিম্পিকা মেধিক প্ৰথম বাৰ্ষিক প্ৰয়াত উৎপল দেৱৰয় গণিত মেধা বঁটা প্ৰদান কৰা হয়। অলিম্পিকা মেধি চিকৰাজান নিৱাসী সঞ্জয় মেধি আৰু কুঞ্জলতা মেধিৰ সন্তান। ২০২২ বৰ্ষৰ স্নাতক মহলাৰ চূড়ান্ত পৰীক্ষাত গণিতত উচ্চমানসহ সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ বাবে তেওঁক এই বঁটা প্ৰদান কৰা হয়। বঁটাত আছে— নগদ ধনৰাশি, এখন মানপত্ৰ, এটি স্মাৰক আৰু এখনি পুথি। এই বঁটা প্ৰতি বছৰে প্ৰদান কৰা হ'ব বুলি এই বঁটাৰ প্ৰৱৰ্তক তথা উৎপল দেৱৰয়ৰ প্ৰাক্তন ছাত্ৰ নবোত্তম শৰ্মাই জানিবলৈ দিয়ে। বঁটাটিৰ সৈতে সংলগ্ন স্মাৰকটি আগবঢ়াইছে আন এগৰাকী প্ৰাক্তন ছাত্ৰ পলাশ গগৈয়ে। বঁটা প্ৰদান অনুষ্ঠানটো আয়োজন কৰে উৎপল দেৱৰয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ক্ৰমে- পলাশ গগৈ, মানসপ্ৰতিম শৰ্মা, উদয়াদিত্য চাংমাই, বিকাশ মৰাণ, বিকিয়ান বাইলুং আৰু মানসী বৰুৱাই। সভাখন সঞ্চালনা কৰে প্ৰাক্তন ছাত্ৰ নবোত্তম শৰ্মাই। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মুখ্য অতিথি ৰূপে উপস্থিত থাকে- প্ৰয়াত উৎপল দেৱৰয়ৰ মাতৃ তথা সমাজ কৰ্মী অনিমা কাকতি দেবৰয়, প্ৰয়াত উৎপল দেৱৰয়ৰ সহধৰ্মিনী তথা ডুমডুমা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যাপিকা সীমা ফাটোৱালী দেৱৰয়, ডুমডুমা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ তিনিগৰাকীকৈ অধ্যাপক ক্ৰমে—স্বপ্না ডেকা, মনোজ দত্ত আৰু ৰাকেশ শুক্লা। সভাখনত মনোজ দত্ত, স্বপ্না ডেকা, সমাজকৰ্মী গোবিন্দ ফুকন, প্ৰয়াত উৎপল দেৱৰয়ৰ সহপাঠী অভিজিৎ খাটনিয়াৰে বক্তব্য ৰাখি গণিত শিক্ষক হিচাপে উৎপল দেৱৰয়ে সমাজলৈ আগবঢ়োৱা অৱদানসমূহৰ ওপৰত আলোকপাত কৰে। বঁটাপ্ৰাপক অলিম্পিকা মেধিৰ পিতৃ সঞ্জয় মেধিয়ে সমাজত স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তা আৰু এইক্ষেত্ৰত তেখেতে কৃষক হৈয়ো নিজ সন্তানৰ শিক্ষা আগবঢ়াই নিছে সেই সন্দৰ্ভত তাৎপৰ্যপূৰ্ণ আৰু হৃদয়স্পৰ্শী বক্তব্য ৰাখে। অলিম্পিকা মেধিক বঁটাসমূহ প্ৰদান কৰে অধ্যাপিকা স্বপ্না ডেকা, প্ৰয়াত উৎপল দেৱৰয়ৰ মাতৃ অনিমা কাকতি দেৱৰয়, সহধৰ্মিণী সীমা ফাটোৱালী দেৱৰয় আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি অৰ্জুন বৰুৱাই। সভাখনত সক্ৰিয় সহযোগ আগবঢ়োৱা সকলো পক্ষলৈ আয়োজক তথা উৎপল দেৱৰয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে ধন্যবাদ জ্ঞাপন কৰে। এই বঁটা প্ৰতি বছৰে গণিতত স্নাতক ডিগ্ৰী লাভ কৰা একোগৰাকী মেধাৱী শিক্ষাৰ্থীক প্ৰদান কৰা হ'ব বুলি প্ৰাক্তন ছাত্ৰ নবোত্তম শৰ্মাই জানিবলৈ দিয়ে। সভাখনতে সদৌ মৰাণ কলা কৃষ্টি বিকাশ সমিতিৰ সভাপতি লম্বেশ্বৰ মৰাণে এখনি পৰম্পৰাগত গামোচা আৰু এটি বকুল পুলিৰে অলিম্পিকা মেধিক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী দেবেন ডেকা, অজিত পাঠক, অনন্ত শৰ্মা, দীপ্তি গোহাঁই প্ৰমুখ্যে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ অধিনায়ক উজ্জ্বলপ্ৰতিম বৰুৱালৈ আৰক্ষী সঞ্চালকপ্ৰধানৰ সোণৰ পদক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ২ অক্টোবৰ ঃ** অসম আৰক্ষী দিৱস উপলক্ষে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানৰ বিশেষ প্ৰশস্তি প্ৰশংসা ২০২১-২২ বৰ্ষৰ সোণ আৰু ৰূপৰ পদকপ্ৰাপ্ত বিভিন্ন পৰ্যায়ত কৰ্মৰত আৰক্ষী বিষয়া-জোৱানৰ নাম ঘোষণা কৰা হৈছে। অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ৰ পৰা কালি ঘোষণা কৰা হৈছিল পদকপ্ৰাপ্তৰ তালিকা। অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানৰ বিশেষ প্ৰশস্তি-প্ৰশংসা ২০২১-২২ বৰ্ষৰ সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে নলবাৰী জিলাৰ দৌলাশালস্থিত চতুৰ্দ্দশ অসম আৰক্ষী বাহিনীৰ অধিনায়ক উজ্জ্বল প্ৰতিম বৰুৱাই। অধিনায়ক উজ্জ্বল প্ৰতিম বৰুৱাই সোণৰ পদক লাভ কৰাত বাহিনীটোৰ বিষয়া-কৰ্মচাৰী-জোৱানসকলৰ মাজত আনন্দৰ জোৱাৰ উঠিছে। যোৱা জুলাই মাহত দৌলাশালস্থিত চতুৰ্দ্দশ অসম আৰক্ষী বাহিনীৰ অধিনায়ক হিচাপে যোগদান কৰিছিল উজ্জ্বলপ্ৰতিম বৰুৱাই। ইয়াৰ পূৰ্বে বাক্সা জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ দায়িত্ব পালন কৰি নিজৰ কৰ্মদক্ষতাৰ পৰিচয় দিছিল উজ্জ্বল প্ৰতিম বৰুৱাই। সম্প্ৰতি চতুৰ্দ্দশ অসম আৰক্ষী বাহিনীৰ অধিনায়কৰ দায়িত্বত আছে উজ্জ্বল প্ৰতিম বৰুৱা। অতি কম সময়ৰ ভিতৰতে বাহিনীটোৰ কেইবাটাও গুৰুত্বপূৰ্ণ কাম কৰিবলৈ সক্ষম হৈছে অধিনায়ক উজ্জ্বলপ্ৰতিম বৰুৱাই। জোৱানসকলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত সদায়েই গুৰুত্ব আৰোপ কৰি অহা এইগৰাকী কৰ্মদক্ষ আৰক্ষী বিষয়া উজ্জ্বল প্ৰতিম বৰুৱাই জনসাধাৰণৰ লগতো গঢ়ি তুলিছে সু-সম্পৰ্ক। বাহিনীটোত অনুষ্ঠিত হোৱা প্ৰতিটো কাৰ্যসূচীত নিকটৱৰ্তী গাঁৱৰ সচেতন লোকসকলক নিমন্ত্ৰণ কৰি মত-বিনিময় কৰা দেখা গৈছে। 'স্বাধীনতাৰ অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি ইতিমধ্যে কে'বাগৰাকীও জ্যেষ্ঠ নাগৰিকৰ ঘৰে ঘৰে গৈ ফলৰ টোপোলা, গামোচা, জাতীয় পতাকা প্ৰদান কৰিছিল এইগৰাকী সুদক্ষ আৰক্ষী বিষয়াই। লগতে বাহিনীটোৰ শ্বহীদ পৰিয়ালৰ ঘৰে ঘৰে গৈ প্ৰদান কৰিছিল খদ্দৰৰ জাতীয় পতাকা। ইয়াৰ উপৰিও অসম আৰক্ষী দিৱসৰ লগত সংগতি ৰাখি আৰক্ষী আৰু জনসাধাৰণৰ মাজত এক মধুৰ সম্পৰ্ক গঢ়ি তোলাৰ লক্ষ্য লৈ দৌলাশাল অঞ্চলৰ কে'বাখনো গাঁৱৰ জনসাধাৰণৰ লগত মত বিনিময় কৰাৰ উপৰি জনসাধাৰণৰ মাজত বিতৰণ কৰি



আহিছে খাদ্য সামগ্ৰী। ইতিমধ্যেই দুই হাজাৰ পৰিয়ালক খাদ্য সামগ্ৰী প্ৰদান কৰিছে আৰু দুৰ্গা পূজাৰ পাছত পাঁচ হাজাৰ পৰিয়ালক খাদ্য সামগ্ৰী প্ৰদান কৰাৰ লক্ষ্য লৈছে অধিনায়ক উজ্জ্বলপ্ৰতিম বৰুৱাই। অধিনায়কগৰাকীৰ কাম-কাজ, চিন্তা-চৰ্চাৰ শলাগ লৈছে অঞ্চলটোৰ বিভিন্ন মহলে। ইয়াৰ উপৰিও বাহিনীটোৰ হাবিলদাৰ (এবি) মহিধৰ কলিতা, হাবিলদাৰ (এবি) জ্যোতিষ শইকীয়া আৰু এবিচি বিমল গিৰিয়ে লাভ কৰিছে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানৰ বিশেষ প্ৰশস্তি-প্ৰশংসা ২০২১-২২ বৰ্ষৰ ৰূপৰ পদক।

# নগাঁৱত সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ অক্টোবৰ ঃ** সমগ্ৰ দেশৰ লগতে নগাঁৱতো ৰাষ্ট্ৰীয় যুৱ বঁটা বিজয়ী সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত উদ্‌যাপন কৰা হয় আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱস। সেই উপলক্ষে সন্থাৰ সহকাৰী সম্পাদক খগেন চন্দ্ৰ নাথৰ সঞ্চালনাত সন্থাৰ প্ৰধান কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হয় এখনি জ্যেষ্ঠ নাগৰিক সন্মিলন। ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সশক্তি মন্ত্ৰালয়ৰ সাহায্যত সন্থাই পৰিচালনা কৰি থকা সন্ত বিনোৱাজী জ্যেষ্ঠ নাগৰিক আৱাসৰ জ্যেষ্ঠ আৱাসীসকলৰ উপৰিও স্থানীয় জ্যেষ্ঠ নাগৰিকসকলে অংশগ্ৰহণ কৰা উক্ত সন্মিলনত মুখ্য বক্তা হিচাপে উপস্থিত থাকি বিষয়বস্তুৰ ওপৰত বক্তব্য আগবঢ়ায় ক্ৰমে কলংপাৰ কাকতৰ মুখ্য সম্পাদক গুৰমাইল সিং আৰু সম্পাদক ভৱেন বৰা, শিক্ষয়িত্ৰী ৰশ্মিৰেখা গগৈয়ে। সন্মিলনত জ্যেষ্ঠ নাগৰিকসকলৰ অন্তৰঙ্গ আলোচনাত অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে ক্ৰমে—সন্থাৰ প্ৰকল্প বিষয়া কনজুন বৰা, আৱাসৰ অধীক্ষক ঘনকান্ত দাস, সন্থাৰ স্বাস্থকৰ্মী সন্ধ্যাৰাণী দুৱৰা, সন্থাৰ কৰ্মী অনামিকা বৰা, পংখী দাস আৰু আৱাসী জ্যেষ্ঠ নাগৰিক হেমপ্ৰভা শৰ্মাই। দিৱস উপলক্ষে জ্যেষ্ঠ নাগৰিকসকলক গামোচা আৰু অংগবস্ত্ৰ উপহাৰ দিয়া সন্মিলনৰ শেষত শলাগৰ শৰাই আগবঢ়াই সন্থাৰ পৰামৰ্শদাতা ডেইজী সেনাপতিয়ে আৰু এটি ঘোষা প্ৰাৰ্থনা পৰিৱেশনেৰে সন্মিলনখন সামৰণি মৰা হয়। ইপিনে, সন্থাই ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু স-শক্তি মন্ত্ৰালয়ৰ সাহায্যত তিনিচুকীয়া জিলাত পৰিচালনা কৰি থকা আইদেউ সন্দিকৈ জ্যেষ্ঠ নাগৰিক জিৰণি আলয় গৃহতো তিনিচুকীয়া জিলা সন্থাৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে এই দিৱসটি উদ্‌যাপন কৰা হয়। তদুপলক্ষে আৱাসৰ জ্যেষ্ঠ আৱাসীসকল আৰু সমবেত স্থানীয় জ্যেষ্ঠ নাগৰিকসকলক গামোচাৰে সন্মান যচাৰ উপৰিও জ্যেষ্ঠ নাগৰিকসকলৰ মাজত খেল-ধেমালি, অন্তৰঙ্গ আলাপ, গীত-মাত পৰিৱেশন আৰু মুকলি সভা আদি অনুষ্ঠিত কৰা হয়। ইয়াৰ উপৰিও সন্থাৰ প্ৰধান সম্পাদক বল্লদেৱ শৰ্মা, সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ধেনুৰাম নাথ আৰু সন্থাৰ সমাজসেৱক গৌতম বৰদলৈৰ নেতৃত্বত অসম চৰকাৰ জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ আৰু সামাজিক ন্যায় আৰু সবলীকৰণ সঞ্চালকালয় অসমে গুৱাহাটী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাজ্যিক ভিত্তিত দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱসত সন্থাৰ তৰফৰ পৰা ৩০জনীয়া এটি জ্যেষ্ঠ নাগৰিকৰ প্ৰতিনিধি দলে অংশগ্ৰহণ কৰে।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
৩ অক্টোবৰ, ২০২২ ■ সোমবাৰ ■ ১৬ আহিন ১৯৪৪ শক



## অসম আৰক্ষী দিৱস উপলক্ষে দৌলাশালত পাঁচশ পৰিয়ালক খাদ্য সামগ্ৰী যোগান চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ২ অক্টোবৰ ঃ** অসম আৰক্ষী দিৱসৰ লগত সংগতি ৰাখি আইন-শৃংখলা পৰিস্থিতি বজাই ৰখাৰ স্বাৰ্থত আৰক্ষী আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক মধুৰ কৰাৰ লক্ষ্য লৈ কালি নলবাৰী জিলাৰ দৌলাশালস্থিত চতুৰ্দশ অসম আৰক্ষী বাহিনীয়ে দৌলাশাল গাঁৱৰ জনসাধাৰণৰ লগত মত-বিনিময় কৰাৰ উপৰি গাঁওখনৰ পাঁচ শতাধিক পৰিয়ালক খাদ্য-সামগ্ৰী যোগান ধৰে। চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ অধিনায়ক উজ্জ্বল প্ৰতিম বৰুৱাৰ নিৰ্দেশত বাহিনীৰ এটি সঁজাতী দলে গৈ গাঁওখনৰ পাঁচশ পৰিয়ালক খাদ্য-সামগ্ৰী যোগান ধৰে। শিশুৰ চকলেট, বিস্কুট, চিপছৰ পৰা আৰম্ভ কৰি মানৱ জীৱনৰ দৈনন্দিন ব্যৱহাৰিক প্ৰয়োজনীয় চাউল, দাইল আদি কেঁচা সামগ্ৰী যোগান ধৰে চতুৰ্দশ অসম আৰক্ষী বাহিনীয়ে। উল্লেখ্য, অসম আৰক্ষী দিৱসৰ লগত সংগতি ৰাখি বাহিনীটোৱে দৌলাশালৰ নিকটৱৰ্তী কেইবাখনো গাঁৱৰ জনসাধাৰণৰ লগত মত-বিনিময় আৰু খাদ্য-সামগ্ৰী যোগান ধৰাৰ এক অভিনৱ কাৰ্যসূচী হাতত লৈছে। তাৰে অংশ হিচাপে ইতিমধ্যে বিগত সপ্তাহত বৰক্ষেত্ৰীৰ বৰতলা গাঁৱৰ ছশ পৰিয়ালক খাদ্য-সামগ্ৰী যোগান ধৰিছিল। দুৰ্গা পূজাৰ পিছত আৰু পাঁচ হাজাৰ পৰিয়ালক খাদ্য-সামগ্ৰী যোগান ধৰিব বুলি জানিবলৈ দিয়ে বাহিনীটোৰ অধিনায়ক উজ্জ্বল প্ৰতিম বৰুৱাই। লক্ষণীয় যে ১৯৫১ চনৰ ১ অক্টোবৰত অসম আৰক্ষীৰ মুৰব্বী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল আই পি এছ কে আৰ চৌধুৰীয়ে। তেতিয়াৰে পৰা পহিলা অক্টোবৰৰ দিনটো অসম আৰক্ষী দিৱস হিচাপে পালন কৰি অহা হৈছে। আৰক্ষী আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক সহজ হোৱাৰ লক্ষ্য লৈ আমি চতুৰ্দশ অসম আৰক্ষী বাহিনীয়ে এই ধৰণৰ এক নিষ্ঠা আৰু প্ৰচেষ্টাৰে জনসাধাৰণৰ হকে কাম কৰাৰ বাবে সংকল্পবদ্ধ হোৱা বুলি আজি উপস্থিত থকা বিষয়া আৰু জোৱানসকলে জানিবলৈ দিয়ে। আজিৰ কাৰ্যসূচীত দৌলাশাল গাঁৱৰ গাঁওপ্ৰধান প্ৰাঞ্জল বৰ্মন উপৰি বাহিনীটোৰ বয়োল শইকীয়া, জ্যোতিষ শইকীয়া, মনোজ কুমাৰ চৌধুৰী, পুলক কুমাৰ নাথ, হিমাংশু পাটগিৰি, ছফিকুৰ ৰহমান, ৰিনাৰা বেগম শইকীয়া, উৰ্মিলা নাৰ্জাৰী, জোন বৰুৱাকে ধৰি কেইবাগৰাকীও বিষয়া-জোৱান উপস্থিত থাকে। উল্লেখ্য যে দৌলাশাল গাঁৱৰ জনসাধাৰণৰ লগত চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ যি সু-সম্পৰ্ক অতীতৰে পৰা আছিল তাক অধিক সুদৃঢ় কৰাৰ বাবে বাহিনীটোৰ অধিনায়ক উজ্জ্বল প্ৰতিম বৰুৱাই গ্ৰহণ কৰা পদক্ষেপক গ্ৰহণ কৰি আহিছে। বাহিনীৰ এই পদক্ষেপক প্ৰশংসা কৰিছে বিভিন্ন মহলে।

## শিক্ষয়িত্ৰীক শাৰীৰিক-মানসিক নিৰ্যাতন কৰা সাংবাদিক ৰঞ্জিত ৰাজবংশীক গ্ৰেপ্তাৰ কৰক —ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি


**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলেশ্বৰ, ২ অক্টোবৰ ঃ** তামুলপুৰ জিলাৰ গোলেশ্বৰ ২৩ ছেপ্টেম্বৰত পুৱা প্ৰায় ৮.৩০ বজাত প্ৰেম প্ৰত্যাখ্যান কৰাৰ বাবে এখন ব্যক্তিগত খণ্ডৰ জুনিয়ৰ কলেজৰ এগৰাকী শিক্ষয়িত্ৰীক বিদ্যালয়লৈ যোৱাৰ পথত গোলেশ্বৰ প্ৰাগ নিউজৰ সাংবাদিক ৰঞ্জিত ৰাজবংশীয়ে শিক্ষয়িত্ৰীগৰাকীক দুচকীয়া মটৰচাইকেলেৰে পিছা কৰি গৈ আগভেটি খুজিছিল, কিন্তু শিক্ষয়িত্ৰীগৰাকীয়ে নিজক বচাবলৈ তেওঁৰ বান্ধৱী এগৰাকীৰ ঘৰত সোমাইছিল। কিন্তু পাষণ্ড সাংবাদিকগৰাকীয়ে তেওঁৰ বান্ধৱীৰ ঘৰলৈ খেদি গৈ শাৰীৰিকভাৱে আক্ৰমণ কৰি তাৰ পৰা পলায়ন কৰে। সাংবাদিক ৰঞ্জিত ৰাজবংশী এনে কাৰ্যত গোলেশ্বৰ আঞ্চলিক ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি ভৃগুজ্যোতি ডেকা আৰু সম্পাদক সংকজ ৰাজবংশীয়ে কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত সাংবাদিক ৰঞ্জিত ৰাজবংশীক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে সাংবাদিকতাৰ দৰে পবিত্ৰ বৃত্তিত কালিমা সনা ৰঞ্জিত ৰাজবংশীক শীঘ্ৰে কৰায়ত্ত কৰি যথাবিহিত শাস্তি প্ৰদানৰ বাবে দাবী উত্থাপন কৰিছে। উল্লেখ্য যে নিৰ্যাতনৰ বলি হোৱা শিক্ষয়িত্ৰীগৰাকীয়ে এজাহাৰ দাখিল কৰা ১০ দিন পাৰ হৈ যোৱাৰ পিছতো গোলেশ্বৰ আৰক্ষীয়ে সাংবাদিক ৰঞ্জিত ৰাজবংশীক কৰায়ত্ত কৰিব পৰা নাই। জানিব পৰা মতে সাংবাদিক ৰঞ্জিত ৰাজবংশীক গোলেশ্বৰৰ দুই-এজন ব্যক্তিয়ে দেখা পাইছে যদিও স্মাৰ্ট অসম আৰক্ষীয়ে বাতৰি লিখা পৰলৈ কৰায়ত্ত কৰিব পৰা নাই। উল্লেখ্য যে ইয়াৰ আগতেও সাংবাদিক ৰঞ্জিত ৰাজবংশীয়ে এগৰাকী মহিলাক অশ্লীল প্ৰস্তাৱ দি থানাৰ আলহী হ'ব লগা হৈছিল। পুনৰ তেওঁ এগৰাকী যুৱতী তথা শিক্ষয়িত্ৰীক শাৰীৰিক আৰু মানসিক নিৰ্যাতন কৰা সাংবাদিকজনৰ বিৰুদ্ধে আৰক্ষীয়ে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি গোলেশ্বৰ আঞ্চলিক কমিটিয়ে।

## লাচন চাপৰিত যাদৱ সন্থাই নিজে মেৰামতি কৰিলে ১৫০০ মিটাৰ দৈৰ্ঘ্যৰ চৰকাৰী পথ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাবজাৰ, ১ অক্টোবৰ ঃ** উজনি মাজুলীৰ লুইতপৰীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত লাচন চাপৰি গাঁৱৰ যাদৱ সন্থাৰ প্ৰশংসনীয় পদক্ষেপ। যাদৱ সন্থাই নিজে মেৰামতি কৰিলে ১৫০০ মিটাৰ দৈৰ্ঘ্যৰ চৰকাৰী পথ। নিকদেশ নিৰ্বাচনৰ সময়ত মিছা প্ৰতিশ্ৰুতি দিয়া বিভাগীয় কৰ্তৃপক্ষসমূহ। বহুৰ বছৰ ধৰি উপেক্ষা কৰিলে চৰকাৰী কৰ্তৃপক্ষই। উল্লেখ্য যে, এপ-এবুবি সমস্যাজৰ্জৰ পিছপৰা অঞ্চল লাচন চাপৰিত আজি পৰ্যন্ত এম জি এনৰেগাৰ দৰে আঁচনিয়ে চুকি নাপালে। কোৱা বাহুল্য যে ২০১২ চনতে বিজেপি চৰকাৰে মিছা প্ৰতিশ্ৰুতিৰে ভোট বেংকৰ স্বাৰ্থত অতি পিছপৰা লাচন চাপৰিৰ শোচনীয় বাট-পথৰ নিৰ্মাণৰ বাবে জোখমাখ লৈছিল যদিও আজি বাস্তৱত দুবাৰকৈ বিজেপিয়ে চৰকাৰ গঠন কৰাৰ পিছতো এইসমূহ অঞ্চলৰ এপ-এবুবি সমস্যা সমাধানতো বাদেই জনসাধাৰণ তথা ছাত্ৰ-ছাত্ৰীয়ে বহু আশাৰে অপেক্ষা কৰা এম জি এনৰেগাৰ অধীনৰ নিৰ্মাণ হ'ব লগা পথৰ আজি পৰ্যন্ত নিৰ্মাণ নোহোৱা কাৰণে চিন্তিত কৰি তুলিছে জনতাক। উপায়হীন হৈ চৰকাৰলৈ অপেক্ষা নকৰি লাচন চাপৰি গাঁৱৰ একাংশ সচেতন ব্যক্তি যাদৱ সন্থাই ১৫০ মিটাৰ দৈৰ্ঘ্যৰ পথ নিজে মেৰামতি কৰি থকা হৈছে। বহু আশাৰে ভোট দি নিৰ্বাচিত কৰা জয়ী কৰোৱা মাজুলীৰ বিধায়ক ভুৱন গামক গাঁওখনলৈ আহি ৰাইজৰ দুৰৱস্থাৰ খবৰ ল'বলৈ অনুৰোধ জনাইছে গাঁওবাসীয়ে।

## মৈৰাবাৰীত জল জীৱন আঁচনিৰ নামত ব্যাপক দুৰ্নীতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২ অক্টোবৰ ঃ** যি সময়ত ভাৰত চৰকাৰে জল জীৱন আঁচনিৰ দ্বাৰা ঘৰে ঘৰে বিশুদ্ধ পানী যোগান দিয়াৰ প্ৰতিশ্ৰুতি বদ্ধ কৰি ঘৰে ঘৰে পানী যোগান ব্যৱস্থা কৰিছে সেই সময়তে একাংশ ঠিকাদাৰৰ গাফিলতিৰ বাবে ভুংগত উঠিছে চৰকাৰৰ জল জীৱন আঁচনিৰ কাম। মৰিগাঁও জিলাৰ মৈৰাবাৰী উন্নয়ন খণ্ডৰ অন্তৰ্ভুক্ত, হিং পানী যোগান উপ-সমমণ্ডলৰ মৈৰাবাৰী গাঁও পঞ্চায়তৰ অধীনস্থ প্ৰায়সংখ্যক বাটিৰ ছাপ্পাই পোষ্ট এক মাহতে ভাঙি পৰিছে। জল জীৱন আঁচনিৰ অন্তৰ্ভুক্ত পানী পোষ্টবোৰ ঠায়ে ঠায়ে আন্ত গাঁথনি অতি নিম্নমানৰ হোৱা বাবে এক মাহতে খহি পৰিছে বেছিসংখ্যক পানী ছাপ্পাই পোষ্ট।



আনহাতে, পাইপবোৰ ৰাস্তাৰ কাষতে পুতি সেই গাঁতবোৰ মাটিৰে ভৰ্তি নকৰি অসম্পূৰ্ণ অৱস্থাতে ৰাখি থোৱাত ইতিমধ্যে কেইবাটাও দুৰ্ঘটনা সংঘটিত হৈছে অঞ্চলটোত। পাইপ লাইনত পানী অহাৰ পূৰ্বে পোষ্টবোৰ এনেকৈ ভাঙি পৰাত সম্প্ৰতি সন্দেহৰ আঙুলি গৈছে একাংশ অভিযন্তা আৰু ঠিকাদাৰৰ ওপৰত। ৰাইজৰ অভিযোগ— অঞ্চলটোৰ একাংশ ঠিকাদাৰে গোপনে অভিযন্তাক মেনেজ কৰি অতি নিম্নমানৰ আন্ত গাঁথনিৰে পোষ্টবোৰ প্ৰস্তুত কৰি ধন আত্মসাৎ কৰিছে। কোটি কোটি টকা আৱণ্টনৰে ৰাইজক বিশুদ্ধ খোৱাপানী যোগানৰ প্ৰতিশ্ৰুতি দিয়া চৰকাৰক অৱহেলা কৰা এনে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ আৰু অভিযন্তাৰ বিৰুদ্ধে বিভাগীয় কৰ্তৃপক্ষই কি ব্যৱস্থা ল'ব সেয়া সময়ত হ'ব লক্ষণীয়। আনহাতে, বিভাগীয় কৰ্তৃপক্ষই মৈৰাবাৰী অঞ্চলত চলি থকা জল জীৱন আঁচনিৰ পোষ্টবোৰ স্ব-চকুৰে পৰ্যবেক্ষণ কৰিবলৈ স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে দাবী জনায়।

## গন্ধমৌত ভয়ানক পথ দুৰ্ঘটনাত নিহত এজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২ অক্টোবৰ ঃ** শুৱালকুছি থানাৰ অন্তৰ্গত গন্ধমৌত যোৱানিশা হোৱা এক পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ বিপৰীতে আন এজন গুৰুতৰভাৱে আহত হয়। আৰক্ষীয়ে জানিবলৈ দিয়া মতে যোৱানিশা প্ৰায় ১০মান বজাত কুলহাটীৰ বীৰেন্দ্ৰ কুমাৰ দাসৰ পুত্ৰ বিশাল প্ৰতিম দাস (২৪) আৰু একে গাঁৱৰ মদন চন্দ্ৰ পাঠকৰ পুত্ৰ মেক মিলন পাঠকে শিঙিমাৰীৰ পৰা বংশৰৰ দিশত এ এছ-২৫ এছ-৩৭৭৩ নম্বৰ পাল্ছাৰ বাইকে তীব্ৰ বেগেৰে আহি গন্ধমৌৰ কেঁকুৰিৰ ৰাস্তাৰ পদপথত খুন্দা মাৰি ছিটিকি পৰে। গাড়ীৰ গতিবেগ ইমানেই তীব্ৰ আছিল যে দুৰ্ঘটনাৰ পিছত বাইক আৰোহী বিশাল প্ৰতিমক স্থানীয় ৰাইজ আৰু শুৱালকুছিৰ আৰক্ষী দলে দুপৰ নিশালৈ বিচাৰিও কোনো শুংসূত্ৰ নাপালে। আহত মেক মিলন পাঠকক ততালিকে চিকিৎসা প্ৰদান কৰে। আজি পুৱা দুৰ্ঘটনাস্থলীত থকা বিশাল পুখুৰীত ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগৰ দুবাৰুৰে বিশাল প্ৰতিমক মৃত অৱস্থাত উদ্ধাৰ কৰে। দুৰ্ঘটনাগ্ৰস্ত গাড়ীখন ঘণ্টাত প্ৰায় ১৬০ কিলোমিটাৰ বেগত আহি কেঁকুৰিটোত নিয়ন্ত্ৰণ হেৰুৱাই খুন্দা মৰাত বিশাল উফৰি গৈ প্ৰায় দুশ মিটাৰ দূৰত পুখুৰীৰ পানী পৰি মৃত্যু হয়। আৰক্ষীয়ে আজি মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে।

## দুধনৈত সাৰ্বজনীন দুৰ্গা পূজাৰ হীৰক জয়ন্তী উপলক্ষে বৰ্ণাঢ্য শোভাযাত্ৰা




**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২ অক্টোবৰ ঃ** দুধনৈ সাৰ্বজনীন দুৰ্গা পূজাৰ হীৰক জয়ন্তী উপলক্ষে আজি দুধনৈ চহৰত বৰ্ণাঢ্য শোভাযাত্ৰা উলিওৱা হয়। পতাকা জোকাৰি শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে দুধনৈ সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে। শোভাযাত্ৰাৰ সময়ত সু-সজ্জিত ৰূপত জীৱন্ত দেৱী দুৰ্গা, মহিষাসুৰ, লক্ষ্মী, সৰস্বতী, গণেশ আৰু কাৰ্তিকৰ জীৱন্ত ৰূপে সকলোকে আকৰ্ষণ কৰে। দিনৰ চাৰে দহ বজাত দুধনৈ সাৰ্বজনীন দুৰ্গা পূজা মণ্ডপৰ পৰা শোভাযাত্ৰা উলিয়াই দুধনৈ চহৰ পৰিভ্ৰমণ কৰে। ইপিনে এই শোভাযাত্ৰাত বৃহত্তৰ দুধনৈ অঞ্চলৰ দুৰ্গা পূজা কমিটীসমূহে অংশগ্ৰহণ কৰাৰ উপৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টিৰ লগতে হীৰক জয়ন্তী উপলক্ষে ৭৫গৰাকী যুৱতীয়ে কাষত ঘট লৈ অংশগ্ৰহণ কৰা দৃশ্যই সকলোকে মোহিত কৰে। ইপিনে আজি পুৱা পূজা মণ্ডপৰ চৌহদত ধৰ্মধ্বজা উত্তোলন কৰে দুধনৈ সাৰ্বজনীন দুৰ্গা পূজা সমিতিৰ সভাপতি কৰ্মেশ্বৰ বড়োৱে। উল্লেখ্য যে ১৯৪৮ চনত দুধনৈৰ বুকুত প্ৰতিষ্ঠা লাভ কৰা দুধনৈ সাৰ্বজনীন দুৰ্গা পূজা সমিতিয়ে এইবেলি হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। আজি মহাসপ্তমীৰ দিনা সাৰ্বজনীন পূজাথলীত ভক্তপ্ৰাণ ৰাইজৰ সমাগম দেখিবলৈ পোৱা যায়। হীৰক জয়ন্তী বৰ্ষ উপলক্ষে পূজা সমিতিয়ে আটকধুনীয়াকৈ প্ৰকাশ কৰা স্মৃতিগ্ৰন্থখন কাইলৈ দিনৰ ১২ বজাত উন্মোচন কৰিব ৰাভা হাচং পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই।

### এছ চি চিৰ কেন্দ্ৰীয় সমিতিৰ সম্প্ৰসাৰণ
## পাচুৰ্য ৰাড়ু বৰদলৈ, মনোজ দাসসহ মৰিগাঁৱৰ ১৭জনৰে স্থান লাভ কেন্দ্ৰীয় সমিতিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২ অক্টোবৰ ঃ** ৰাজ্যখনৰ অন্যতম শিক্ষামূলক অনুষ্ঠান ষ্টুডেণ্ট কেডেট কৰ্পছ চমুকৈ এছ চি চিৰ ৰাজ্যিক সভাপতিৰ সভাপতিত্বত ২৭ ছেপ্টেম্বৰত কেন্দ্ৰীয় সমিতিৰ সম্প্ৰসাৰণ হয়। উক্ত অনুষ্ঠানত ৰাজ্যৰ প্ৰায় ১০খন জিলাৰ এছ চি চিৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানত উপস্থিত আছিল এছ চি চিৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুছেইন, সাধাৰণ সম্পাদক সঞ্জয় শৰ্মা, উপ-সভাপতি মাস্তোফা কামাল, প্ৰশিক্ষণ সম্পাদক হিৰামণি ৰহমান, প্ৰচাৰ বিভাগৰ মুৰব্বী দিলীপ কলিতা, ওদালগুৰি জিলাৰ উপ-সভাপতি গোলাম মাস্তোফা, বৰপেটা জিলাৰ মুখ্য উপদেষ্টা ড° ইফটিকাৰ আলী আহমেদ আৰু বিভিন্ন ব্যক্তিসকল। কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সভাৰ সিদ্ধান্ত মৰ্মে এছ চি চি নামমাত্ৰ স্থান লাভ কৰি থকা প্ৰায় ১২গৰাকী ব্যক্তিক বহিষ্কাৰ কৰা হয়। আনহাতে, বিগত দিনত মৰিগাঁও জিলাই ভাল পাৰদৰ্শিতা দেখুওৱাৰ কাৰণে মৰিগাঁও জিলাৰ ১৭গৰাকী ব্যক্তিক এছ চি চি কেন্দ্ৰীয় সমিতিত স্থান লাভ কৰিছে। মৰিগাঁও জিলাৰ স্থান লাভ কৰা ব্যক্তিসকল হৈছে পাচুৰ্য ৰাড়ু বৰদলৈ (ৰাজ্যিক সহঃ সম্পাদক), মনোজ দাস (ৰাজ্যিক প্ৰশিক্ষণ সম্পাদক), মনোজ দত্ত (ৰাজ্যিক ক্ৰীড়া সম্পাদক), হিমাশ্ৰী মেধি (ৰাজ্যিক সাংস্কৃতিক সম্পাদিকা), চিৰঞ্জীৱ বৰদলৈ, সুৰজ বৰদলৈ, উত্তম মেধি, শংকমিতা কোঁৱৰ, কুশল নাথ, ডলি ডেকা, চিণ্টু আলী, গৌতম দাস, মৰমী দাস, সৌৰভ নাথ, উত্তম মেধি, নিতন চৰায়, বিপ্ৰফা আমফি, সুনামণি আমফি, নিৰঞ্জন বিশ্বাস আদি। দৰং জিলাৰ পৰা স্থান লাভ কৰাসকল হৈছে আছিফ আলম, মতিউৰ ৰহমান, ইনামুল হক। ওদালগুৰি জিলাৰ পৰা মামণি বেগমে ৰাজ্যিকত স্থান লাভ কৰে। স্থান লাভ কৰা ব্যক্তিসকলক শুভেচ্ছা জনাই এছ চি চিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে কয় যে আগন্তুক দিনত আমি সকলোৱে নিষ্ঠা আৰু সততাৰে নিজৰ কাম সুচাৰুৰূপে পালন কৰিলে নিজৰ লক্ষ্যত কম দিনৰ ভিতৰত উপনীত হ'ব পাৰিম।

## অসমীয়া কেঁচা সোণৰ প্ৰতিষ্ঠান ডুগডুগীৰ উদ্যোগত দুৰ্গা পূজা উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ অক্টোবৰ ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো অধিক আটকধুনীয়াকৈ ১২টাকৈ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় সন্মানেৰে অসমলৈ গৌৰৱ কঢ়িয়াই অনা সকলোৰে পৰিচিত শুদ্ধ অসমীয়া কেঁচা সোণৰ গহনাৰ অন্যতম প্ৰতিষ্ঠান ডুগডুগীয়ে এইবাৰ সপ্তম বৰ্ষৰ বাবে দুৰ্গা পূজা অনুষ্ঠিত কৰিছে। ডুগডুগী প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী উৎপল বণিয়াৰ নগাঁৱৰ ৰণথলীৰ ২নং নামঘৰ সমীপত অৱস্থিত নিজ বাসগৃহৰ চৌহদত মণ্ডপ সাজি দেৱী দুৰ্গা পূজা অনুষ্ঠিত কৰিছে। আনহাতে, এই পূজাৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। দুৰ্গা পূজাৰ পৰম্পৰাগত পূজা-অৰ্চনা অনুষ্ঠিত কৰাৰ উপৰি নগাঁও কলংপৰীয়া শিল্পী সমাজ আৰু বড়মপুৰ আঞ্চলিক হৰি ভকতি সমাজৰ দ্বাৰা আজি দিহানাম পৰিৱেশন কৰাৰ লগতে কাইলৈও এই দিহা নাম পৰিৱেশন কৰা হ'ব। ৪ অক্টোবৰত বিয়লি ৬.৩০ বজাৰ পৰা গুৰুকুলৰ অধ্যক্ষ নিৰ্মাণ জ্যোতি মুক্তিয়াৰৰ পৰিচালনাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজি কেলিগোপাল নাটকৰ অধাৰত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰৰ্দশন কৰা হ'ব। উল্লেখ্য যে এইবাৰ পূজাৰ মূল মণ্ডপ তামিলনাড়ুত অৱস্থিত বৃহৎ আদিযোগী শিৱ মূৰ্তি আৰ্হিৰে নিৰ্মিত কৰাৰ লগতেসমূহ প্ৰতিমাক অসমীয়া গহনাৰে সা-সজ্জিত কৰা হয়। প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰ উৎপল বণিয়াই পূজাৰ কেইদিনত সমূহ ৰাইজৰ উপস্থিতি কামনা কৰিছে।

## আজি নগাঁৱলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ অক্টোবৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা কাইলৈ পুৱাৰ ভাগতেই নগাঁৱত উপস্থিত হ'ব। কাইলৈ দুৰ্গা পূজাৰ মহাঅষ্টমী। মহাঅষ্টমীত মুখ্যমন্ত্ৰীগৰাকীয়ে নগাঁও চহৰৰ শতবৰ্ষ অতিক্ৰম কৰা কেইবাখনো দুৰ্গা পূজাত অংশগ্ৰহণ কৰি মা দুৰ্গাৰ আশিস গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কাইলৈ পুৱা প্ৰথমতে ১২৬ বছৰীয়া আমোলাপট্টী পূজা সমিতিৰ পূজাত অংশগ্ৰহণ কৰি মা দুৰ্গাৰ আশিস গ্ৰহণ কৰিব। ইয়াৰ পিছত মুখ্যমন্ত্ৰীগৰাকীয়ে হিন্দু মিলন মন্দিৰ, নগাঁও বেংগলী পূজা সমিতি, ৰামকৃষ্ণ মিছন পূজা সমিতি, বীণাপাণি নাট্যমন্দিৰ পূজা সমিতি, হয়বৰগাঁও বেংগলী পূজা সমিতি আৰু ফৌজদাৰীপট্টী কলা মন্দিৰ পূজা সমিতিৰ অষ্টমী পূজাত অংশ ল'ব। মুখ্যমন্ত্ৰীৰ নগাঁও ভ্ৰমণক কেন্দ্ৰ কৰি এই পূজা সমিতিসমূহ উৎফুলিত হৈ পৰিছে। নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই জানিবলৈ দিয়ে যে মুখ্যমন্ত্ৰীগৰাকীক আদৰিবৰ বাবে নগাঁওবাসীয়ে আগ্ৰহেৰে অপেক্ষা কৰি আছে।

## মৰিগাঁৱত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শান্তি সমদল যাত্ৰাত পাঁচ সহস্ৰাধিক আই মাতৃৰ অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ২ অক্টোবৰ ঃ** ১৫৪সংখ্যক গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় শিশু, আইমাতৃ কল্যাণ শাখা সমিতিৰ উদ্যোগত প্ৰথমবাৰৰ বাবে মৰিগাঁৱত দুদিনীয়াকৈ অনুষ্ঠিত কৰিলে কেন্দ্ৰীয় শান্তি দিৱস আৰু শান্তি সমদল যাত্ৰা। দ্বিতীয় দিনা পুৱা ১০ বজাৰ পৰা মৰিগাঁও জিলা শাখাৰ মূল নামঘৰৰ পৰা উলিওৱা শান্তি সমদল যাত্ৰাত সংঘৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় পাঁচ সহস্ৰাধিক আই মাতৃয়ে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। উক্ত কাৰ্যসূচীত সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ, প্ৰধান সম্পাদক বাবুল বৰা, শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল হাজৰিকা উপস্থিত থাকি প্ৰতিগৰাকী আই-বাপ সমস্তক উদ্দেশ্যি বক্তব্য আগবঢ়ায়।




### সত্ৰনগৰী বৰপেটাত আঞ্চলিক ৰাজনৈতিক দল অগপৰ প্ৰতিষ্ঠা দিৱসৰ আয়োজন
## মূল মণ্ডপৰ লাইখুঁটা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২ অক্টোবৰ ঃ** ১৪ অক্টোবৰত বৰপেটা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা হৈছে ৩৮-সংখ্যক প্ৰতিষ্ঠা দিৱস। দেওবাৰে দলটোৰ প্ৰতিষ্ঠা দিৱসৰ মূল মণ্ডপৰ লাইখুঁটা স্থাপন কৰা হয়। অগপ নেতা-কৰ্মীসকলৰ উপস্থিতিত লাইখুঁটা স্থাপন কৰে বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠক বাপজনাই। লাইখুঁটা স্থাপন অনুষ্ঠানত অগপ নেতা তথা প্ৰাক্তন মন্ত্ৰী ফণীভূষণ চৌধুৰী, প্ৰাক্তন বিধায়ক ভূপেন ৰয়, গুণীন্দ্ৰ নাথ দাস আদি উপস্থিত থাকে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত এক লাখ লোকৰ সমাগম হ'ব বুলি জানিবলৈ দিয়ে বৰপেটা জিলা অগপৰ সভাপতি গুণীন্দ্ৰ নাথ দাসে। তেওঁ কয় যে অসমৰ ৰাইজৰ দুখ-বেদনা কেৱল আঞ্চলিক দলেহে হৃদয়ংগম কৰিব পাৰে। আগন্তুক প্ৰতিষ্ঠা দিৱসৰ জৰিয়তে দলটোক ন-ৰূপত সজাই-পৰাই তোলা হ'ব বুলি ঘোষণা কৰে গুণীন্দ্ৰ নাথ দাসে। আঞ্চলিকতাবাদ শক্তিশালী হ'লেহে ৰাষ্ট্ৰীয়তাবাদ শক্তিশালী হ'ব বুলিও মন্তব্য কৰে বৰপেটা সমষ্টিৰ প্ৰাক্তন বিধায়কগৰাকীয়ে। ইপিনে ২০২৪ চনৰ লোকসভা নিৰ্বাচনত বৰপেটা সমষ্টিটো অগপ দলক এৰি দিলে অগপ-বিজেপি মিত্ৰজোঁটে সংখ্যালঘু ৰাইজৰ সমৰ্থনেৰে সমষ্টিটো নিজৰ দখললৈ অনাটো নিশ্চিত বুলি দাবী কৰে গুণীন্দ্ৰ নাথ দাসে।

## ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় কেইবাটাও বঁটাপ্ৰাপ্ত অসমীয়া ছবি ৰাইজিং ছানৰ শুভমুক্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেল্লা, ২ অক্টোবৰ ঃ** কেইবাটাও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত নতুন অসমীয়া ছবি 'ৰাইজিং ছান' সমগ্ৰ অসমতে মুক্তি দিয়া হৈছে। মনোজ বৈশ্য পৰিচালিত ছবিখন ৩০ অক্টোবৰত গুৱাহাটীৰ জ্যোতি চিত্ৰবনত জুবিন গাৰ্গৰ উপস্থিতিত মুক্তি দিয়া হয়। গীত ফিল্ম মেকাৰ্ছৰ বেনাৰত নিৰ্মিত নতুন অসমীয়া ছবি 'ৰাইজিং ছান'ত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা দিব্যাংগসকলে জীৱন যুদ্ধত কিদৰে সমাজৰ অৱহেলা, লাঞ্ছনাৰ বলি হয়, সমাজত নিজৰ অধিকাৰ বিচাৰি যাওঁতে সমাজ আৰু প্ৰশাসনৰ পৰা কিদৰে নিৰ্যাতিত হয় তাৰ এক প্ৰতিচ্ছবি দাঙি ধৰা হৈছে। কথাছবিখনৰ বিশেষ বৈশিষ্ট্য এই যে ছবিখনত অভিনয় কৰা প্ৰত্যেকজন দিব্যাংগ চৰিত্ৰৰ ব্যক্তিয়েই সঁচা অৰ্থত একো একোজন দিব্যাংগ। আমেৰিকাৰ Accolade Global Film Competitionত ৪৩ হাজাৰ ছবিৰ ভিতৰত প্ৰতিবন্ধী শিতানত 'ৰাইজিং ছানে' শ্ৰেষ্ঠ ছবিৰ খিতাপ বুটলিবলৈ সক্ষম হৈছে। তদুপৰি Crown wood International Film Festivalত শ্ৰেষ্ঠ ভাৰতীয় ছবিৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে, Unicorn International Film Festival তো শ্ৰেষ্ঠ ছবিৰ সন্মান লাভ কৰে ছবিখনে। আনকি দুগৰাকী প্ৰতিবন্ধী ব্যক্তি নৃপেন মালাকাৰ আৰু বিউটী গগৈয়ে ছবিখনত অভিনয় কৰি শ্ৰেষ্ঠ অভিনেতা আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটাৰ বাবে Crown wood International Film Festivalত নিৰ্বাচিত হোৱাৰ উপৰি মুম্বাইৰ 8th Indian Cine Film Festival, 2020- Best debut Director খিতাপ ছবিখনৰ পৰিচালক মনোজ বৈশ্যই লাভ কৰিবলৈ সক্ষম হৈছে। শাৰীৰিক বাধাকো নেওচি এবুকু আশা লৈ জীয়াই থকাৰ সপোন দেখা যুৱক-যুৱতীৰ জীৱনৰ আধাৰত নিৰ্মাণ কৰা এই ছবিখন অসমৰ বিভিন্ন লোকেচনত চিত্ৰগ্ৰহণ কৰা হৈছে। নৃপেন মালাকাৰ প্ৰযোজিত মনোজ বৈশ্যৰ কাহিনী, চিত্ৰনাট্য আৰু পৰিচালিত 'ৰাইজিং ছান'ৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে— জয়ন্ত ভাগৱতী, পৰাণ কমল, দ্বিবন কুমাৰ বৈশ্য, বিপুল দাস, নৃপেন মালাকাৰ, বিউটী গগৈ, ৰবীন হালৈ, ৰিমঝিম শৰ্মা, ৰঞ্জন দাস, বিপুল দাস, তপন ডেকা, নৱজ্যোতি কাশ্যপ, মুকুল, ভৱেশ দাস, প্ৰিন্সী গগৈ, কুলধৰ বৰুৱা, অৰুণ ভূঞা, দ্বিপেন ভূঞা, সুখদেৱ মণ্ডল, পংকজ নাথ, অনু দাস, অভিজিত মহাপাত্ৰ, নিপুল কলিতা, ৰাজেন বণিয়া, চন্দন দাস, হিমাংশু নাথ, চিত্তৰঞ্জন কলিতা, অমৃত শৰ্মা, ৰাজেন বণিয়া, প্ৰসন্ন শৰ্মা, ৰাজু ছেত্ৰী, ৰঞ্জিত ছেত্ৰী, বীৰেন মালাকাৰ, সম্প্ৰীদ বি মালাকাৰ, ড° অৰুণজ্যোতি দত্ত, সুনীল দাস, হৰেন বৰ্মন, ৰীতা দাস আৰু বহুতো। ছবিখনৰ সম্পাদনা- মনোজ বৈশ্য, গ্ৰাফিক্স- টুটুল, লাইভ ছাউণ্ড- ৰূপম জামান, ছাউণ্ড ডিজাইন আৰু আৱহ সংগীত হৃদয় ৰঞ্জন চৌধুৰী, থীম মিউজিক- উৎপল দাস, কেমেৰা- বীৰেন দাস, মনোজ বৈশ্যৰ।

NEMCARE
Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ESTD: 2017

ADMISSION OPEN FOR 2022-23

OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration

CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available

98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

৩ অক্টোবৰ ■ ২০২২ ■ ১৬ আহিন

## গান্ধীজীৰ স্বদেশী চিন্তাধাৰণা আৰু দেশবাসীৰ কৰ্তব্য

ভাৰতৰ স্বাধীনতাৰ আন্দোলনত দেশবাসীয়ে যি কষ্ট ত্যাগ স্বীকাৰ কৰিছিল তাৰ কথা বিশ্ববাসীৰ অৱগত। এই আন্দোলন আৰম্ভ হৈছিল অস্ত্ৰ-শস্ত্ৰ অবিহনে ব্ৰিটিছৰ বিশাল আৰক্ষী তথা সৈন্য বাহিনীৰ বিপক্ষে যুঁজিছিল। দীৰ্ঘদিনীয়া আন্দোলনৰ নেতৃত্ব দিছিল মহামানৱ মহাত্মা গান্ধীয়ে। তেখেতে দেশ স্বাধীনতাৰ বাবে বিভিন্ন কাৰ্যসূচী হাতত লৈছিল। তাৰ ভিতৰত বিদেশী বস্তু বৰ্জনৰ কাৰ্যসূচী ৰূপায়ণ কৰি দেশজুৰি স্বদেশী জাগৰণৰ সৃষ্টি কৰিছিল। কংগ্ৰেছী নেতা, পালি-পহৰীয়াসকলে খাদী বস্ত্ৰ উৎপাদন আৰু পৰিধানৰ বাবে দেশৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰচাৰ চলাইছিল। এই চিন্তাৰ মূলতে গান্ধীজীয়ে দেশবাসীৰ মনত স্বদেশী ধাৰণা প্ৰবল কৰা স্বদেশৰ জনসাধাৰণৰ মনত অৰ্থনৈতিক চেতনাৰ ভেটি প্ৰতিষ্ঠা কৰা। তেওঁ ধাৰণা কৰিছিল এই অৰ্থনৈতিক জাগৰণে যেতিয়াই মহাজাগৰণৰ ৰূপ ল'লে, তেতিয়াই ইংৰাজৰ খোপনি একপ্ৰকাৰ শিথিল হৈ আহিছিল। গান্ধীজীৰ চিন্তাধাৰাত ভাৰতীয় অৰ্থনৈতিক মেৰুদণ্ড শক্তিশালী হওক আৰু স্বদেশী আন্দোলনে সাৰ্থক ৰূপ লওক। অৱশেষত দেশৰ এই অহিংস আন্দোলনে জয়ৰ পথ সুচল কৰিলে। দেশ স্বাধীন হ'ল আৰু ৭৫ বছৰো অতিক্ৰম কৰিলে। গান্ধীৰ আঁঠুমূৰীয়া ধুতী পৰিধানৰ বিদেহ হোৱাৰ পিছৰ পৰা স্বাধীন ভাৰতত বস্ত্ৰৰ পৰা আৰম্ভ কৰি সকলোতে স্বদেশী স্বৰাজৰ সু-চিন্তাৰ বন্তি গছিৰ পোহৰ কমি আহিবলৈ ধৰিলে। পৰনিৰ্ভৰশীলতাৰ ধাৰণা প্ৰকট হৈ আহিবলৈ ধৰিলে। দেশত উৎসৱৰ আনন্দৰ দিন বাঢ়িবলৈ ধৰিলে আৰু সেইবোৰ অতি জাকজমকতাৰে আৰম্ভ হ'বলৈ ধৰিলে। বিভিন্ন দেৱ-দেৱীৰ পূজা এটাৰ পিছত আন এটা উদ্‌যাপনৰ নামত বছৰ বছৰ ধৰি কোটি কোটি টকা ব্যয় হ'বলৈ ধৰিলে। বয়-বস্তু, বস্ত্ৰ আদিৰ পৰা ৰং-বিৰিঙৰ বিদ্যুৎ আলোকসজ্জালৈকে দেশবাসী নিজৰ উপৰি পৰৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ ধৰিলে। যাৰ বাবে দেশৰ অৰ্থনৈতিকৰ বৃহৎ অংশ এটা অন্য ৰাষ্ট্ৰই লাভ কৰিলে। ই ইমানেই বাঢ়িবলৈ ধৰিলে যে পৰৰাষ্ট্ৰৰ সামগ্ৰীৰ বস্তুৰে দেশখন ভৰি পৰিবলৈ ধৰিলে। পৰৰাষ্ট্ৰৰ সামগ্ৰীৰ আলোচনা প্ৰবল হৈছে যদিও নেতৃত্বই এইবোৰ বন্ধ কৰিবলৈ পৰিকল্পিত ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই। তৎসত্বেও বিজেপি চৰকাৰে পৰিস্থিতিৰ গুৰুত্বলৈ লক্ষ্য কৰি দেশত আকৌ স্বদেশী জাগৰণৰ আহ্বান জনাইছে। স্বয়ং প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতাৰ পঁইসত্তৰ বছৰৰ পিছত আহ্বান দিছে দেশীয় সামগ্ৰীৰ মহত্বৰ উপলব্ধিৰে। প্ৰধানমন্ত্ৰীৰ চিন্তাধাৰা উল্লেখযোগ্য। পৰনিৰ্ভৰশীলতাৰ এনে ধ্যান-ধাৰণা গুৰুত্ব লাভ কৰিবলৈ সময়ৰ প্ৰয়োজন হ'ব নিশ্চয়। তৎসত্বেও পৰৰাষ্ট্ৰৰ সামগ্ৰীৰ বজাৰখন নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে নিষ্ঠাৰে দায়িত্ব পালন কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰচেষ্টা চৰকাৰেই ল'ব লাগিব। কাৰণ দেশৰ জনসাধাৰণে উৎসৱৰ বতৰত জনসাধাৰণৰ এইবোৰ সামগ্ৰীৰ লোভ সহজেই পৰিত্যাগ কৰাটো সম্ভৱ নহ'ব। সেয়েহে চৰকাৰৰ একান্ত নিষ্ঠা আৰু সততাইহে স্বদেশী ধাৰণাক মহীয়ান কৰি তুলিব। এইক্ষেত্ৰত চৰকাৰক জনসাধাৰণে সহযোগ কৰিব লাগিব। গান্ধী জয়ন্তীৰ দিনা এই কথাষাৰেই দেশবাসীয়ে উপলব্ধি কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। ইয়েই হয়তো দেশত স্বদেশী অৰ্থনৈতিক জাগৰণৰ ধাৰণাটোও সফল ৰূপত ৰূপায়ণ হ'ব।

■ এতিয়াও কমিউনিষ্ট জীয়াই আছে! ■

# আত্মপৰিচয় আৰু ৰাজনৈতিক সমীকৰণ



■ বিমান শইকীয়া

কমিউনিষ্ট ভাবাদৰ্শৰ মানুহক ভালপোৱা মানুহৰ সংখ্যা তাকৰ নহয়। একালত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী জ্যোতি বসুৰ যোৱা পাওঁ বুলি কোৱা মানুহৰ সংখ্যা হয়তো তেতিয়া নাছিল। ৰাজনৈতিক স্বাৰ্থৰ বাবে কিজানি কমিউনিষ্টক ভোট নিদিয়ে। কিন্তু সমাজ জীৱনত মানুহৰ সমাজকৰণ জ্যোতি বসু পশ্চিমবংগৰ ৰাজনীতিৰ নহয়, সমগ্ৰ ভাৰতবৰ্ষত জ্যোতি বসুৰ প্ৰতি স্বাভাৱিক আন্তৰিকতা সৰ্বজনবিদিত। যাৰ ফলত তেওঁ পশ্চিমবংগৰ ৰাজনীতিত ২৫ বছৰ এক প্ৰকাৰ অপ্ৰতিৰোধ্য সেনাপতিৰূপে ৰাজনৈতিক ছবিখন স্পষ্ট হৈ পৰিছিল। তেনেদৰেই ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী হৈ থাকোতে মাণিক চৰকাৰক শলাগ নোলোৱা ৰাজনৈতিক নেতা অথবা সমাজ সচেতন নাগৰিক নাছিল বুলি ক'ব পাৰি। কেৰালাৰ বামপন্থী চৰকাৰৰ ভূমিকা ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপটত অপৰাজেয় হৈ আছে আজিও। গুজৰাট মডেল উফৰি গৈছে কেৰালা মডেলৰ ওচৰত। কাৰণ দৰিদ্ৰতাই কোঙা কৰা ভাৰতবৰ্ষত কেৰালাত বামপন্থী চৰকাৰে দৰিদ্ৰতা নিৰ্মূলত কৃতিত্ব লাভ কৰিছে। নীতি আয়োগৰ প্ৰতিবেদনে এই কথা উদঙাই দিয়ে। জ্যোতি বসুৰ জনপ্ৰিয়তা ইমানেই বৃদ্ধি পাইছিল যে ইউ পি এৰ সমৰ্থনত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ পদ তেওঁক যাচিছিল। অসমতো হয়তো কমিউনিষ্টৰ ভিতৰত হেমেন দাসৰ ভূমিকা নমস্য। সৰভোগ সমষ্টিৰ পৰা ১৯৭৮ চনত অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। বৰ্তমান তেওঁৰ বয়স ৯১ বছৰ। এতিয়াও কমিউনিষ্টৰ আদৰ্শ শিৰত লৈ শ্ৰমজীৱী জনসাধাৰণৰ হকে সংগ্ৰাম সহযোগিতা কৰি আছে। ১৯৬৭ চনত ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টীৰ সৰ্বক্ষণ কৰ্মী হিচাপে পাৰ্টীত যোগদান কৰিছিল কমৰেড হেমেন দাসে। ১৯৭৮ চনৰ পৰা একেৰাহে ৪বাৰ বিধায়ক হিচাপে অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। অসম বিধানসভাত ১৯৭৮ চনত ১১ চিপিএমৰ বিধায়কসহ মুঠ ২৯জন বামপন্থী বিধায়ক আছিল। বিপ্লৱপ্ৰসাদ বাৰুৱা কমিউনিষ্ট আছিল। কিন্তু অসমৰ জনগণে, তেজপুৰ সমষ্টিৰ ভোটাৰসকলে তেওঁক নিৰ্বাচনী হিচাপেহে অসম বিধানসভালৈ নিৰ্বাচিত কৰিছিল। বৰাক উপত্যকাত চিপিএমৰ ৪ বিধায়ক আছিল ১৯৭৮ চনত। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰভোগত হেমেন দাস, ৰঙিয়াত পূৰ্ণ বড়ো, শদিয়াত বিপিন হাজৰিকা, নাহৰকটীয়াত শশ কমল সন্দিকৈ, লামডিঙত বীৰেশ মিশ্ৰ, নলবাৰীত নৰেন্দ্ৰ নাথ দত্ত, গোৱালপাৰা পূবত বীৰেন্দ্ৰ নাথ চৌধুৰী, চিপিএমৰ বিধায়ক আছিল। চিপিআইৰ ৫ বিধায়ক, পি টি চিৰ ৪ বিধায়ক আৰু আৰ চি পি আইৰ ৪ বিধায়ক আছিল। তিতাবৰত চি পি আইৰ গিৰিধৰ ঠেঙাল, শিৱসাগৰত প্ৰমোদ গগৈ, থাওৰাত যোগেন গগৈ, গোলোকগঞ্জত আলাউদ্দিন সৰকাৰ, লখিমপুৰত শূল বৰা বিধায়ক নিৰ্বাচিত হৈছিল। পৰৱৰ্তী সময়ত ৰঙাপৰাত ধনীৰাম খোচলা আৰু সৰুক্ষেত্ৰী সমষ্টিৰ পৰা নিজামুদ্দিন খান চি পি এমৰ বিধায়ক নিৰ্বাচিত হৈছিল। কিন্তু কি কাৰণে, কাৰ দোষৰ বাবে কমিউনিষ্টৰ প্ৰতি অসমত জনসাধাৰণৰ বিৰাগ ভাব উপজিল। বৰ্ষীয়ান কমিউনিষ্ট নেতা হেমেন দাসে এইক্ষেত্ৰত ৰাজনৈতিক পৰিস্থিতিৰ কথা দোহাৰিছে। তেওঁৰ মতে কমিউনিষ্ট মেনিফেষ্টুৰ জন্মৰ পৰাই অৰ্থাৎ কাৰ্ল মাৰ্ক্সে শ্ৰমজীৱী জনগণৰ বাবে পুঁজিবাদৰ বিপৰীতে সমাজবাদ প্ৰতিষ্ঠাৰ মতবাদ সৃষ্টি কৰোতেই কমিউনিষ্টৰ শত্ৰু আছিল, এতিয়াও আছে আৰু ভৱিষ্যতেও থাকিব। কাৰণ পুঁজিবাদী সমাজ ব্যৱস্থাত শ্ৰমজীৱী জনগণক শোষণ-নিষ্পেষণ কৰে পুঁজিপতিসকলে আৰু কমিউনিষ্টসকলে এই শোষণ-নিষ্পেষণৰ পৰা শ্ৰমজীৱী জনগণক মুক্ত কৰিবলৈ বিচাৰে। কাজেই পুঁজিবাদ আৰু সমাজবাদৰ মাজত পাৰ্থক্য ইমানেই। তেওঁৰ মতে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে বিদেশী নাগৰিকৰ সমস্যাটোৰ ওপৰত সংগঠিত আন্দোলনৰ হঠকাৰিতাৰ ফলতে সৃষ্টি হোৱা নৈৰাজ্যবাদী ৰাজনৈতিক প্ৰেক্ষাপটত কমিউনিষ্ট আন্দোলন আৰু গণতান্ত্ৰিক মূল্যবোধৰ আন্দোলন ক্ষতিগ্ৰস্ত হৈছিল। ৰাজনৈতিক ফেচিবাদৰ জন্ম হ'ল। আন্দোলনবিৰোধীসকলক বিশেষকৈ কমিউনিষ্টসকলৰ ওপৰত আক্ৰমণ চলিল। এই ক্ষেত্ৰত মাৰ্ক্সিস্ট চিন্তাই এৰ দ্বাৰা পৰিচালিত আন্দোলনে কমিউনিষ্টৰ ভিত দেখিছিল। কাজেই কমিউনিষ্টৰ কঁকাল ভাগিল।

তিতাবৰ এসময়ত কমিউনিষ্টৰ ঘাটি আছিল। চি পি এম আৰু চি পি আইৰ দুয়োটা দলৰে সংগঠন শক্তিশালী আছিল ১৯৮০ চনৰ আগতে। কমিউনিষ্ট পাৰ্টীৰ গিৰিধৰ ঠেঙাল তিতাবৰ সমষ্টিৰ বিধায়ক আছিল। চি পি এম দলে তিতাবৰত কেইবাবাৰো নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। প্ৰাৰ্থী আছিল সুৰেন হাজৰিকা। যোৰহাট সমষ্টিৰ সংগঠনো শক্তিশালী আছিল। তাত প্ৰতিদ্বন্দ্বিতা কৰিছিল এড্‌ভোকেট দিলীপ কুমাৰ ভট্টাচাৰ্য। এই সমগ্ৰ পৰিস্থিতিৰ মই সাক্ষী আছিলো প্ৰত্যক্ষদৰ্শী। কাৰণ মোৰ দেউতা প্ৰয়াত মুক্তানাথ শইকীয়া চি পি এমৰ সৰ্বক্ষণ কৰ্মী আছিল আৰু যোৰহাট জিলা কিষাণ সভাৰ সম্পাদক আছিল। তিতাবৰত অগ্ৰণী নেতা আছিল। কাজেই দুবাৰ জে'ল খাটিছিল মোৰ দেউতাই। আমাৰ ঘৰখনত চি পি এমৰ পশ্চিমবংগৰ ভূমি আৰু ভূমি ৰাজহ মন্ত্ৰী হৰেকৃষ্ণ কোঙাৰক লগ পোৱাৰ সৌভাগ্য হৈছিল। অসমৰ কমিউনিষ্ট নেতা (চিপিএম) হেমেন দাসক আমাৰ ঘৰত ভালদৰেই লগ পাইছিলো। কাৰণ তেওঁ তিতাবৰত জনতা কলেজত শিক্ষক প্ৰশিক্ষণত আছিল।

এতিয়া মই ক'বলৈ বিচৰা মূল কথাটো হ'ল— এটা দীঘলীয়া সময় কমিউনিষ্টৰ অস্তিত্বহীন পৰিৱেশৰ পিছত এইবাৰ অসম বিধানসভাত প্ৰৱেশ কৰিলে সৰভোগ সমষ্টিৰ পৰা চিপিএমৰ কমৰেড মনোৰঞ্জন তালুকদাৰ। পূৰ্বতে অসমৰ পৰা লোকসভাৰ বৰপেটা সমষ্টিৰ পৰা উদ্ধৱ বৰ্মন আৰু শিলচৰ সমষ্টিৰ পৰা লোকসভালৈ নিৰ্বাচিত হৈছিল নুৰুল হুদা। উদ্ধৱ বৰ্মন পূৰ্বতে হেমেন দাস পিছত সৰভোগ সমষ্টিৰ বিধায়ক নিৰ্বাচিত হৈছিল। মাজৰ শূন্যতা দূৰ কৰি কমিউনিষ্টৰ উত্থানৰ কাৰণ দেখিলো অসম বিধানসভাত। কমিউনিষ্ট নেতা হেমেন দাসে ক'বৰ দৰে এতিয়া অৱশ্যে সততাৰ ৰাজনীতি অথবা মূল্যবোধৰ ৰাজনীতি দেখিবলৈ নাই। এতিয়া ধৰ্মৰ নামত, জাতি-জনগোষ্ঠীৰ নামত, সম্প্ৰদায়ৰ নামতহে অসমৰ ৰাজনৈতিক পৰিস্থিতি নিৰ্ভৰ কৰিছে। তিতাবৰৰ ১৯ ডিচেম্বৰত কমিউনিষ্টৰ এখন জনসভা আৰু এটা মিছিল দেখিলো। বোধকৰো কুৰি বছৰৰো অধিক কাল তিতাবৰত বাইজে ৰাজপথত লালফাণ্ডা দেখা নাছিল। সিদিনা তিতাবৰত চি পি এমৰ যোৰহাট জিলা সন্মিলন হৈছিল আৰু চি পি এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ আৰু চি পি এমৰ কেন্দ্ৰীয় কমিটীৰ সদস্য কমৰেড সুপ্ৰকাশ তালুকদাৰৰ উত্তপ্ত ভাষণ শুনিবলৈ পালে তিতাবৰবাসীয়ে। কমিউনিষ্টসকলৰ ৰণনীতি আৰু ৰণ-কৌশল সলনি কৰিছে। কাজেই কমিউনিষ্ট পাৰ্টীৰ আত্মপৰিচয় ঘূৰি আহিছে। ৰাজনৈতিক প্ৰেক্ষাপটত ৰাজনৈতিক সমীকৰণ বিজেপিৰ ৰাজনৈতিক চিত্ৰায়নে হয়তোবা সুযোগ দিছে। কাৰণ অসমৰ জনসাধাৰণ ধৰ্মান্ধ নহয়, ধৰ্ম ভীৰুও নহয়।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### ৰাছিয়া-ইউক্ৰেইন যুদ্ধ আৰু আমেৰিকা নেতৃত্বাধীন নাটোৰ ভূমিকা

বৰ্তমান বিশ্বৰ জীৱশ্ৰেষ্ঠ মানৰ সমাজে তৃতীয় বিশ্বযুদ্ধৰ সন্মুখীন হ'বলৈ গৈ আছে নেকি? আমাৰ অজ্ঞাতে পৃথিৱী নামৰ সুন্দৰ গ্ৰহটোত তৃতীয় বিশ্বযুদ্ধৰ আৰম্ভ হৈছে নেকি? এনেবোৰ প্ৰশ্নই এতিয়া সমগ্ৰ মানৱ জাতিক চিন্তিত কৰি তুলিছে। বৰ্তমান বিশ্বক ইউৰোপ আৰু এছিয়া মহাদেশৰ অন্তৰ্গত ৰাছিয়া আৰু ইউৰোপ মহাদেশৰ ইউক্ৰেইন নামৰ দেশৰ মাজত হোৱা ভয়াৱহ যুদ্ধই এক সংকটৰ মুখলৈ ঠেলি দিছে। এই ভয়াৱহ যুদ্ধৰ মূল খলনায়ক হৈছে শক্তিশালী ৰাষ্ট্ৰ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন আৰু ৰাছিয়াতকৈ তুলনামূলকভাৱে কম শক্তিধৰ ৰাষ্ট্ৰ তথা ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলোডিমিৰ জেলেনেস্কি। এই দুখন ৰাষ্ট্ৰৰ মাজত যে আজিহে মতানৈক্য হৈ যুদ্ধ হৈছে এনে নহয়। সময়ে সময়ে যুদ্ধ হৈ আহিছে আৰু ৰাছিয়াই আধিপত্য বিস্তাৰ কৰিছে। আনকি ইউক্ৰেইনে নিজৰ দেশৰ কিছুমান অৰ্থনৈতিকভাৱে অতি মূল্যবান অঞ্চল আগতেই হেৰুৱাবলগীয়া হৈছে। এসময়ত ইউক্ৰেইন নামৰ ইউৰোপৰ দেশখন অবিভক্ত ৰাছিয়াৰ অন্তৰ্গত আছিল। কালক্ৰমত সংবিধানৰ আসোঁৱাহ নীতিয়ে হওক বা অন্য কাৰণতে হওক এসময়ৰ বৃহত্তৰ ছোভিয়েট ৰাছিয়া খণ্ড-বিখণ্ড হৈ কেইবাখনো সাৰ্বভৌম ৰাষ্ট্ৰলৈ পৰিণত হয়। আৰু বৰ্তমান বিশ্বৰ অন্যতম শক্তিশালী তথা বিচক্ষণ ৰাজনৈতিক নেতা ভ্লাডিমিৰ পুটিনৰ লক্ষ্য হ'ল খণ্ড-বিখণ্ড হোৱা বৃহত্তৰ ছোভিয়েট ৰাষ্ট্ৰক পুনৰ একত্ৰিত কৰা (বিভিন্ন ৰাষ্ট্ৰীয় চেনেলত পোৱা তথ্য মতে) আৰু বৃহত্তৰ ৰাছিয়াৰ একচ্ছত্ৰী সম্ৰাট হোৱা তথা বিশ্বত নিজ দেশক সামৰিক, পাৰমাণৱিক বা অৰ্থনৈতিকভাৱে শক্তিশালী কৰা। ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধত জ্বলা জুইত ঘি ঢলাৰ দৰে কাম কৰি আছে আমেৰিকা নেতৃত্বাধীন নাটোৱে। NATO (The North Atlantic Treaty Organization) হ'ল দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ৩০খন দেশে নিজৰ সুৰক্ষাৰ বাবে সংগঠিত হোৱা এটা সংগঠন। স্পষ্টকৈ নক'লেও এই সংগঠনৰ প্ৰধান নীতি হৈছে শক্তিশালী ৰাষ্ট্ৰ আমেৰিকাৰ সাম্ৰাজ্যবাদী নীতিৰ বিস্তাৰ তথা শক্তিশালী কৰা আৰু ৰাছিয়াৰ শক্তিক সীমিত কৰা। নাটো দেশৰ মূল নীতি হৈছে তেওঁলোকৰ সদস্য ৰাষ্ট্ৰসমূহক কোনোবাই আক্ৰমণ কৰিলে সকলোকেইখন ৰাষ্ট্ৰ একে লগ হৈ সেই ৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ কৰা। সেই নীতিৰে নাটোৱে আগুৱাই গৈ আছে আৰু নিজৰ শক্তি বৃদ্ধি কৰিছে। আনহাতে, ৰাছিয়াৰ প্ৰতিৱেশী সাৰ্বভৌম ৰাষ্ট্ৰ হৈছে ইউক্ৰেইন। ইউক্ৰেইন তুলনামূলকভাৱে ৰাছিয়াতকৈ বহুত দুৰ্বল। আৰু আমি যদি ইতিহাসৰ পৃষ্ঠা লুটিয়াই চাওঁ ইউক্ৰেইনে ইতিমধ্যে ৰাছিয়াৰ হাতত বহুতো অঞ্চল তথা সম্পত্তি হেৰুওৱাৰ কথা জানিব পাৰো। সেয়েহে নিজক সুৰক্ষাৰ বাবেই হওক বা অন্য কাৰণতে হওক ইউক্ৰেইনে নাটোত ভৰ্তি হোৱাৰ মন মেলিছিল আৰু আমেৰিকাই সেউজ সংকেত দিয়া বুলি জানিব পৰা গৈছিল। আমেৰিকাৰ প্ৰধান লক্ষ্যই হৈছে ৰাছিয়াক সীমিত কৰি ৰখা। ইউক্ৰেইন যদি নাটোৰ দেশসমূহৰ লগত চামিল হয় তেতিয়াহ'লে নাটোৰ দেশসমূহৰ বাবে এয়া হ'ব এক সুবৰ্ণ সুযোগ। তেওঁলোকে নিজ ইচ্ছা মতে নিজৰ সামৰিক শক্তি বা পাৰমাণৱিক শক্তি ৰাছিয়াৰ সীমান্ত ৰাষ্ট্ৰ ইউক্ৰেইনত মোতায়েন কৰিব পাৰিব। কেতিয়াবা যদি আমেৰিকা আৰু ৰাছিয়াৰ মাজত যুদ্ধসদৃশ পৰিৱেশৰ সৃষ্টি হয় তেতিয়াহ'লে আমেৰিকা শক্তিশালী স্থিতিত থাকিব। যিটো ৰাছিয়াই কোনো কাৰণতে মানি ল'ব নোৱাৰে। আনহাতে, আমেৰিকাই প্ৰতিক্ষণ ৰাছিয়াৰ প্ৰতিৱেশী দেশসমূহক (বেলাৰুছক বাদ দি) নাটোত চামিল কৰাৰ বাবে অহৰ্নিশে প্ৰচেষ্টা অব্যাহত ৰাখিছে। কথাটো যেতিয়া ৰাছিয়াই (ইউক্ৰেইন নাটোত ভৰ্তি হোৱা) সম্পূৰ্ণৰূপে অৱগত হ'ল তেতিয়াই এখন যুদ্ধৰ সূচনা কৰিলে। ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধই এতিয়া চৰম পৰ্যায়ত উপনীত হৈছে। যিকোনো মুহূৰ্ততে বিশ্বই তৃতীয় বিশ্বযুদ্ধৰ ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰে। এই যুদ্ধত ৰাছিয়াই নিজ দেশৰ ভিতৰত বিশেষ ক্ষতিৰ সন্মুখীন হোৱা নাই যদিও ইউক্ৰেইনৰ হাজাৰ হাজাৰ সৈন্যবাহিনীৰ লগতে নিৰীহ জনতাও মৃত্যুমুখত পৰিছে। সৈন্যবাহিনী মৃত্যুৰ ক্ষেত্ৰত ৰাছিয়াও পিছপৰি থকা নাই। হাজাৰ হাজাৰ সৈন্যবাহিনীৰ ইতিমধ্যে মৃত্যু হৈছে। এই যুদ্ধৰ মূল সূত্ৰধাৰ আমেৰিকা বা নাটো দেশসমূহ বুলিলেও ভুল কোৱা নহ'ব, কাৰণ আমেৰিকা আৰু নাটো দেশৰ সহায়ৰ অবিহনে ইউক্ৰেইনে ইমান দেৰিলৈকে যুদ্ধত থিয় হৈ থকাৰ শক্তি নাথাকিলে হয়। এই শক্তিশালী নেতাবোৰে নিজকে বিশ্বৰ একচ্ছত্ৰী সম্ৰাট কৰাৰ স্বাৰ্থতে আজি দুয়োখন দেশৰ হাজাৰ হাজাৰ মানুহ মৃত্যুমুখত পৰিছে। আজি আপোনালোকৰ সন্মানীয় কাকতৰ মাধ্যমেৰে নেদেখাজনক প্ৰাৰ্থনা কৰোঁ যে অতি সোনকালে যেন যুদ্ধৰ সমাধান সূত্ৰ ওলায় আৰু বিশ্বত শান্তিৰ পৰিৱেশ ঘূৰি আহে।

■ কমলেশ কাঞ্চন

*ফোন: ৭০০২৪-২৩৭৯৯*

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### দুৰ্গা পূজা আৰু ইটো সিটো

■ ৰমেশ চন্দ্ৰ চৰেণ

শাৰদীয় দুৰ্গোৎসৱ কেৱল অসমতেই নহয়। প্ৰায়কেইখন ৰাজ্যতেই এই উৎসৱ অতি উলহ-মালহেৰে পালন কৰা হয়। দুৰ্গা পূজা ৰাজকীয়ভাৱে পালন কৰা আনন্দ উৎসৱলৈ পৰিণত হৈ আহিছে পূৰ্বৰে পৰাই। জাকজমকতা আৰু পশ্চিমীয়া সভ্যতা আৰু সংস্কৃতিৰ বাবে পূজা এতিয়া হৈ পৰিছে গৌণ। মুখ্যতঃ বেছিকৈ জাকজমকতাৰ প্ৰতি গুৰুত্ব আৰোপ কৰা হৈছে। পূজা মণ্ডপক কি দৰে সুন্দৰ আৰু চকুত লগাকৈ সজাব পাৰি ইয়াৰে যেন হৈ পৰিছে এক অঘোষিত প্ৰতিযোগিতা। পূজাৰ আড়ম্বৰতাৰ বাবে কোটি কোটি টকা ব্যয় কৰা হৈছে। কিন্তু লক্ষণীয়ভাৱে পূজাৰ স্বৰূপাৰ্থত লক্ষ্য আৰু উদ্দেশ্যক গুৰুত্বহীন কৰি তোলা হৈছে। দেৱী দুৰ্গাৰ প্ৰকৃত আদৰ্শক প্ৰতিষ্ঠা কৰাৰ বিপৰীতে মানুহে নামি পৰে বিভিন্ন অসামাজিক কামত। পূজা কেৱল মাথোঁ উপলক্ষহে। ভক্তিৰ নাম গোন্ধ নাই। নাম-কীৰ্তন, দেৱী আৰাধনাৰ সলনি মানুহে ভিৰ কৰেহি পূজাৰ নামত হোৱা বিভিন্ন ধৰণৰ জুৱা খেলত। ইয়াৰ ভিতৰত ডাইচ নামৰ জুৱা খেল বিশেষভাৱে উল্লেখযোগ্য। ডাইচ, জুৱা, তাচপাত নহ'লে যেন কিছু লোকৰ বাবে পূজা আধাৰুৱা। ক'ব, এইবাৰ পূজাত আনন্দ-স্ফূৰ্তি নাই। কাৰণ ডাইচ নাই। কিছু লোকে আকৌ হাহাকাৰ কৰি ফুৰে মদৰ বাবে। মদেই যেন তেওঁলোকৰ বাবে পূজা। মদ এটোপা গিলিব নাপালে কিহৰ পূজা বুলি সততে কোৱা শুনা যায়। বৰ্তমান মানুহৰ এনে ধৰণৰ মতি-গতি গঢ় লৈ উঠিছে। বহু পূজাস্থলীত দেখা যায় মদ খাই উদ্ভণ্ডালি কৰা। আজিকালি আকৌ এটুপি নধৰিলে মন ৰঙীণ নহয় বুলি বহু লোকে ক'ব খোজে। এটুপি গিলাৰ পিছতহে পৃথিৱীখনক সৰগ যেন দেখা পায়। স্বাভাৱিকতে এনে লোকৰ সংখ্যা অত্যধিক হোৱাৰ বাবে বিশেষকৈ জীয়ৰী-বোৱাৰীসকলৰ বাবে পূজা উপভোগ কৰাটো এক প্ৰকাৰ সমস্যা হৈ পৰিছে। এচাম মাতাল লোকে পূজা-মেলাৰ ভিৰৰ সুবিধা বুজি ছোৱালী-বোৱাৰীক নিজৰ অসৎ মনৰ চৰিতাৰ্থ পূৰণৰ বাবে পাং পাতি থাকে। এনে ধৰণৰ কু-চৰিত্ৰৰ লোকে সুযোগ-সুবিধা বুজি কৰা এনে অনুৰূপ ঘটনাও সচৰাচৰ হোৱা দেখা যায়। ইপিনে উদণ্ড লোক কিছুমানে বাইক, গাড়ী চলোৱাৰ ষ্টাইলেই সলনি হৈ পৰে। এটুপি লৈ এনে ধৰণৰ অসভ্যালি কৰাৰ বাবেই অতিষ্ঠ কৰি তোলে সভ্য সমাজক। পূজাৰ নামত বাৰ ডান্স খোলা থাকে। ৰংমেলাত অশ্লীল নৃত্য। মুঠতে পূজা উপভোগৰ নামত অসামাজিক কাৰ্যকলাপৰ খোলা বেপাৰ হৈ পৰে। নিশাৰ ভাগত পূজা উৎসৱস্থলীত বিলাতী সুৰাৰ প্ৰচলন বেছি। কিছুমানে লুকাই-চুৰকৈ বেচে। কিছুমানে পকেট বা মোনা এখন লৈ বিলাতী সুৰা বিক্ৰী কৰা দেখা যায়। আন কিছুমানে আকৌ পুলিচক মেনেজ কৰি বেচে। পুলিচে পিছে দেখিও নজনাৰ ভাও জোৰে। বহু উঠি অহা যুৱকে আকৌ লুকাই চুৰকৈ ৰঙীন টোপা ধৰাৰ প্ৰয়াস কৰে। আন কিছুমানক দেখা যায় নিজৰ শিক্ষা গুৰু সকলক সন্মুখতেই চিগাৰেটৰ ধোঁৱা ফুঁ মাৰি ওপৰলৈ উৰাই দি পৈশাচিক আনন্দ উপভোগ কৰে। পিছে এনে ধৰণৰ পূজা উৎসৱে সমাজক কোন দিশে লৈ গৈ আছে। সেয়া সমাজৰ বিচাৰ্যৰ বিষয়। *(পূৰ্বৰ কিছুমান ঘটনাৰ আলম লৈ লিখা হৈছে)*

### দুৰ্গা পূজাত ল'ব লগা সাৱধানতা

■ মুনীন্দ্ৰ পেগু

দুৰ্গা পূজাৰ বতৰ। পূজা আহিলেই আমাৰ মন আনন্দত মতলীয়া হয়। মনবোৰ ফৰকাল ফৰকাল লাগে। আজিৰ পৰা কেইদশকমান আগলৈকে অসমত দুৰ্গা পূজা সীমিতভাৱে উদ্‌যাপন কৰিছিল। প্ৰায় নগৰ-চহৰসমূহত সীমাবদ্ধ আছিল। কিন্তু আজিকালি দেখাক দেখি সকলোৱে গাঁৱে-ভূএগু উদ্‌যাপন কৰিবলৈ লৈছে। ফলত গোটেই অসমতে পূজা বুলিলে আকাশ-বতাহ ৰজনজনাই থাকে। দুৰ্গা পূজাৰ আনন্দ উপভোগৰ লগতে আমিবোৰে কিছুমান কথাত সাৱধানতা অৱলম্বন কৰাটো অতি দৰকাৰ।

স্নেপশ্বট ১) প্ৰাতঃভ্ৰমণলৈ যাওঁতে বন্ধু পৰিত্ৰই কথাষাৰ উলিয়ালে। 'শইকীয়াৰ ল'ৰাটোৰ কালি বাইক এক্সিডেণ্ট হ'ল নহয়। মূৰত বৰ বেয়াকৈ আঘাত পালে হেনো। হেলমেট পিন্ধা নাছিল বোলে। এতিয়া বৰুৱা ছাৰ্জিকেলৰ আইচিইউত আছে। এজনক খুন্দিয়ালেও বোলে। পিছে সেইজনৰ বৰ বেছি জখম ন'হল।' কি যে হৈছে নহয়, আজিকালিৰ ল'ৰাবোৰৰ। কিহে পাইছিল ইমান জোৰত বাইক চলাবলৈ। ভাবিলো — ল'ৰাজনক পূজাৰ আনন্দই পালে।

স্নেপশ্বট ২) মাখনদাৰ ৩ বছৰীয়া ল'ৰটোৰ খুব চৰ্দি হৈ আছে, লগতে জ্বৰ। নাকেৰে উশাহ লোৱাত কষ্ট হৈছে। কালি মাকৰ লগত পূজা চাবলৈ গৈছিল। পূজাস্থলীত বহু মানুহৰ সমাগম হৈছিল। নিশ্চয় ধূলি-ধোঁৱা নাকেৰে সোমাই গ'ল। ডাক্তৰৰ ওচৰলৈ নিব বোলে। ভাবিলো- মাস্ক পৰিধান নকৰাৰ ফল।

স্নেপশ্বট ৩) ধ্ৰুৱৰ ঘৰত যোৱাৰাতি হুলস্থুল শুনিলো। পিছদিনাখন বন্ধু পৰিত্ৰকে সুধিলো কথাটো। পৰিত্ৰই ক'লে— 'কি ক'বাহে, ধ্ৰুৱই এসোপা খাই আহি নিচাত মতলীয়া হৈ ৰাতি ঘৈণীয়েকৰ লগত দুৰ্বাৰদল কাজিয়া লাগিল। চিঞৰ-বাখৰ কি শুনিবা আৰু। ঘৈণীয়েকক কিছু পিটন দিলে চাগে। সেই নিমাখিত মানুহজনীয়ে মিছাতেই মাৰ খালে। পূজা আহিল বুলিয়েই ইমান খাব লাগেনে ? ভাবিলো- ৰাগিয়াল দ্ৰব্য সেৱনৰ ফল এয়া।

স্নেপশ্ব ৪) টাউনৰ পৰা ঘূৰি আহোতে বাটত অনিল বৰতাক লগ পালো। ক'ত যায় সুধিলো। থানালৈ যাওঁ বুলি ক'লে। কিয়? ক'লে — কি ক'বাহে, বৰ দুখ লগা কথা। কালি পূজা চাবলৈ গৈ নাতি পোৱালিটো হেৰাই থাকিল। মানে ঘৰলৈ এতিয়াও ঘূৰি অহা নাই। কোনোবাই অপহৰণেই কৰিলে নেকি, বিচাৰি ফুৰিছো ক'তো পোৱা নাই। মাক-বাপেকৰ মুখলৈকে চাব পৰা নাই। এতিয়া থানাতে খবৰটো জনাই দিওঁগৈ বুজিছা। নহ'লে উপায় নাই আৰু'। বাৰু যাওক যাওক বুলি বিদাই দি ঘৰলৈ গুচি আহিলো। ভাবিলো— সন্তানৰ ওপৰত চকু নিদিয়াৰ ফল, তাকো পূজাৰ বতৰত।

স্নেপশ্বট ৫) যোৱা বছৰ পূজাৰ ১০ দিন মানৰ পিছত। দেৱযানীৰ ঘৰলৈ গৈছিলো। সিহঁতৰ ল'ৰাটো ২ দিন হ'ল বোলে গা বেয়া হোৱা। ডাক্তৰৰ ওচৰলৈ নিয়া নাই নেকি বুলি সুধিলত ক'লে যে ঘৰত টকাৰ ফুটাকড়ি এটাও নাই। ডাক্তৰৰ ওচৰলৈ কেনেকৈ নিম। মানুহজনৰো এতিয়া একদম উপাৰ্জন নাই'। মই মনতে ভাবিলো, টকা যদি নাছিলেই সিহঁতে পূজাৰ বজাৰ কিয় ইমান বেছিকৈ কৰিছিল। সিহঁতে পূজাৰ বজাৰ TRANDS নামৰ শ্বপিং মলত বজাৰ কৰি থাকোতে মই লগ পাইছিলো। মোক কৈছিল— '৫০০০ টকাৰ বজাৰ কৰিলো আৰু এটা হট কেছ ফ্ৰীকৈ পালো'। মই ৫০০ টকা দি ডাক্তৰৰ ওচৰলৈ নিবা বুলি কৈ গুচি আহিলো। ভাবিলো— পূজাৰ বতৰত মিতব্যয়ী নোহোৱাৰ ফল এয়া। এইবোৰ একো একোটা সৰু সৰু উদাহৰণহে মাথোঁ। উচিত সময়ত উচিত সাৱধানতা অৱলম্বন নকৰিলে বিপদত পৰাটো অনিবাৰ্য। আহক আমি এই দুৰ্গা পূজাটি আনন্দৰে আৰু সাৱধানতাৰে উদ্‌যাপন কৰো।

*ফোন: ৭০০২৫-৯৯৫০৭*

■ গাঁৱত বিলাতী সুৰাৰ অনুজ্ঞা-পত্ৰ ■

## চৰকাৰৰ এটা ভুল সিদ্ধান্ত

সুৰাৰ প্ৰচলনে কিদৰে বহু পৰিয়াল ধ্বংস কৰিছে, কিমান প্ৰতিভাৰ অকালতে মৃত্যু ঘটিছে, কিমান আধা বয়সতে বিধৱা হৈছে আমি সকলোৱে দেখি আহিছোঁ। কিন্তু ইয়াৰ পিছতো আমি প্ৰায়বোৰ মানুহেই সুৰাৰ অবাধ প্ৰচলনক লৈ শংকিত নহওঁ। ইতিমধ্যে গাঁৱৰ অঞ্চলবোৰ প্ৰায়বোৰতেই আজি-কালি সকলো ধৰণৰ সুৰা উপলব্ধ। ইয়াৰে বেছি ভাগ অবৈধ। কিন্তু এইবিলাকৰ চাওঁতা কোনো নাই। যদি কোনোবাই ধৰিবলৈ যায় তেতিয়া তেওঁলোকে প্ৰশ্ন কৰে— 'আমাক বেলেগ সংস্থাপন দিয়ক', আমি কোনো চৰকাৰী সুবিধা নাপাওঁ, গতিকে আমি এই ধৰণৰ কাম কৰিবলগীয়া হৈছে। বহু মানুহে আকৌ নিজৰ ঘৰতে চুলাই বনোৱা কাৰখানা বনাই লয়। মাজে মাজে আবকাৰী বিভাগৰ মানুহে আহি আহি সকলো উঠাই লৈ যায় কিন্তু দুদিনমান পিছত আকৌ আৰম্ভ হয়। আৰক্ষী বিভাগকো অভিযোগ দিলে দুদিনমান থানালৈ মাতি দুটকামান লৈ আকৌ ঘূৰাই পঠায়। এনে ধৰণে অবৈধ সুৰা, চুলাই গাঁওবোৰত প্ৰচলনে উঠি অহা যুৱ প্ৰজন্ম বহুতকে ধ্বংস কৰিছে চকুৰ আগতে, কিন্তু ইয়াৰ প্ৰবল প্ৰতিবাদ কৰোতা নাই। মাজতে অসমভিত্তিক অবৈধ সুৰাৰ প্ৰচলন বন্ধ কৰাৰ বাবে দুই-এটা সংগঠনৰ জন্ম হৈছিল কিন্তু ৰাজনৈতিক স্বাৰ্থৰ বাবে সেইবোৰ নিস্ক্ৰিয় হ'ল। ইয়াৰ কিছুমান নেতাই কিছুমান সুবিধাও লাভ কৰিলে। আটাইতকৈ দুখৰ কথা হ'ল যে সুৰাৰ বাবে বিভিন্ন সময়ত যোৱা কিছুদিনত কিছুমান বিশেষ ব্যৱস্থা লোৱা দেখি ভাল লাগিছিল যেনে— ইংৰাজী নৱবৰ্ষ, বিহু আদি সময়ত গাড়ীবোৰত পাইপ লগাই পৰীক্ষা কৰিছিল। আৰু ইয়াৰ প্ৰভাৱত বহু পৰিমাণে দুৰ্ঘটনা কমিছিল। এক তথ্য মতে অসমত প্ৰতিবৰ্ষতে ৩১ ডিচেম্বৰৰ ৰাতি ১২ বজাৰ ভিতৰত কমেও ১৫০টা দুৰ্ঘটনা হয়। সেই সংখ্যাটো কিন্তু ২০২২ বৰ্ষত কম আছিল। ইয়াৰ কাৰণ আছিল সুৰা সেৱন কৰি গাড়ী চলালে ১০,০০০ টকালৈ জৰিমনা আৰু লাইচেঞ্চ কৰ্তনৰ ঘোষণা। মুখ্যমন্ত্ৰীৰ এনে পদক্ষেপক সকলোৱে আদৰণি জনাইছিল। গাঁও অঞ্চলত সেই দিনকেইটাত অকণমান ধৰি জোৰকৈ মটৰচাইকেল চলাই নিজৰ বীৰত্ব দেখুওৱা চেঙেলীয়া ল'ৰাকেইটাও ঘৰতে আছিল। গাঁৱত আলোচনা হৈছিল এইবাৰ অলপ শান্তিত নতুন বছৰটো আৰম্ভ হ'ল দেই। কাজিয়া-পেচালো কম। কিন্তু সেইবোৰ বেছি দিন নাথাকিল। আকৌ একে দিন আৰম্ভ হ'ল। ইয়াত আকৌ গাখীৰতে ম'হৰ খুঁটি কৰি বিলাতী সুৰাৰ অনুজ্ঞা-পত্ৰ গাঁও অঞ্চলত দিয়াৰ কথা বোলে চিন্তা চৰ্চা চলিছে। ইতিমধ্যে বহু ব্যক্তিয়ে আৱেদনো কৰিছে। চৰকাৰে বহু পৰিমাণৰ ৰাজহ সুৰাৰ দোকানৰ পৰা পায়। সেইটো সকলোৱে জানে, কিন্তু নগৰ আৰু গাঁৱৰ মাজত কিছু পাৰ্থক্য আছে। গাঁৱৰ সকলো মানুহ আজিও শিক্ষিত হোৱা নাই, বেছি ভাগ মানুহ খেতিৰ ওপৰত নিৰ্ভৰশীল, গতিকে সকলোৱে ভাল-বেয়া বিচাৰ কৰিব নোৱাৰে, গতিকে গাঁৱত ইয়াৰ কু-প্ৰভাৱ পৰাটো নিশ্চিত। ই চৰকাৰৰ এটা ভুল সিদ্ধান্ত। ই গাঁৱৰ সমাজ ধ্বংস কৰিব, গাঁৱৰ অৰ্থনীতি ধ্বংস কৰিব, কৃষিত প্ৰভাৱ পৰিব। যাৰ বাবে এটা সময় আহিব আমাৰ বৰ্তমানৰ মূল্যবৃদ্ধিয়ে উচ্চ শিখৰ পাব আৰু বৰ্তমান শ্ৰীলংকাসদৃশ পৰিৱেশৰ সৃষ্টি হ'ব। গতিকে চৰকাৰে সময় থাকোতেই এনে সিদ্ধান্ত বাতিল কৰা উচিত আৰু এতিয়াও চলি থকা অবৈধ সুৰাৰ প্ৰচলনো বন্ধ কৰিব লাগে।

■ ধ্ৰুৱজ্যোতি শইকীয়া

*ফোন: ৯৪৩৫২-৯২০২৭*

## আজিৰ দুৰ্গা পূজা - এক অনুভৱ

■ হৰেন গগৈ

হিন্দু ধৰ্মাৱলম্বী লোকসকলে পূজা-অৰ্চনা কৰা বিভিন্ন দেৱ-দেৱীৰ ভিতৰত অন্যতম দুৰ্গা দেৱী। সাধাৰণতে শৰৎ ঋতুৰ অন্তৰ্গত আহিন মাহৰ কৃষ্ণপক্ষৰ অমাৱস্যাৰ দিনা মহালয়াৰ দ্বাৰা সূচনা কৰা দুৰ্গা পূজাৰ দেৱীৰ মৃন্ময় প্ৰতিমা শুক্লপক্ষৰ ষষ্ঠ দিনা বেলবৰণৰ দ্বাৰা থাপনাত প্ৰতিষ্ঠা কৰি সপ্তমী, অষ্টমী আৰু নৱমী দিনা পূজা-অৰ্চনা কৰি দশমীৰ দিনা কোনো এক বোৱঁতী নদীত বিসৰ্জন দিয়া হয়। অতীতৰে পৰাই নলবাৰীৰ বেলশৰৰ বিল্বেশ্বৰ দেৱালয়, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয় আৰু গুৱাহাটীৰ উগ্ৰতাৰা দেৱালয় আৰু কামাখ্যা মন্দিৰকে আদি কৰি অসমৰ কেতবোৰ অঞ্চলত থকা মন্দিৰ বা দেৱালয়ত থকা স্থায়ী দেৱীৰ পীঠ বা প্ৰতিমাক পূজা কৰি অহাৰ উপৰি বৰ্তমান বিভিন্ন অঞ্চলত ৰাজহুৱাভাৱে দুৰ্গা পূজাৰ আয়োজন কৰা হয়। অৱশ্যে বৰ্তমান আৰ্থিক সংকটৰ দিনত ৰাজহুৱাভাৱে আয়োজিত দুৰ্গা পূজাৰ উদ্যোক্তাস্বৰূপ পূজা সমিতিৰ প্ৰায়ভাগেই সমালোচনাৰ সন্মুখীন নোহোৱাকৈ থকা নাই। বিশেষকৈ একেটা অঞ্চলতে একাধিক পূজাৰ আয়োজন কৰাৰ মূলতেই ব্যক্তিগত স্বাৰ্থ বুলি আমাৰ অনুভৱ হয়। আনহাতে, অত্যধিক বিজুলী বাতি ব্যৱহাৰ কৰি নিৰ্মাণ কৰা কেতবিলাক পূজা মণ্ডপত পূজাৰ লগত সম্পৰ্ক নথকা দৃশ্য তথা চিত্ৰ প্ৰদৰ্শন কৰা দেখা যায়। এনে কাৰ্যই পূজাৰ স্বকীয়তা হ্ৰাস হোৱা বুলি অনুভৱ হয়। তদুপৰি প্ৰতিমাৰ আকাৰক লৈ কিছুমান পূজা মণ্ডপৰ মাজত হোৱা অঘোষিত প্ৰতিযোগিতাই পূজাৰ মান হ্ৰাস পোৱা বুলি আমাৰ অনুভৱ হয়। এইখিনিতে এটা কথা উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো যে দুৰ্গা পূজা সম্পৰ্কীয় নানা লিখনি সন্নিৱিষ্ট কৰি কেতবোৰ পূজা সমিতিয়ে প্ৰকাশ কৰা স্মৰণিকাৰ লেখকসকলক মাননি নিদিয়াৰ অভিযোগ নোপোৱাকৈ থকা নাই। ঘাইকৈ উপৰোক্ত কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন অঞ্চলত ৰাজহুৱাভাৱে আয়োজিত দুৰ্গা পূজাৰ বাহ্যিক জাকজমকতা পৰিহাৰ কৰি স্বকীয়তা পালন কৰি থকাৰ বাবে ধৰ্মপ্ৰাণ সমাজ সচেতন ব্যক্তিসকলে যথোচিত ব্যৱস্থা ল'ব বুলি শেষত আশা কৰা হ'ল।

## পূজাৰ চান্দা আৰু মুখ্যমন্ত্ৰীৰ আহ্বান

■ ৰাতুল শৰ্মা

চান্দা অপ-সংস্কৃতিৰ বিৰুদ্ধে শেহতীয়াকৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰীগৰাকীয়ে গ্ৰহণ কৰা বলিষ্ঠ ভূমিকা সঁচাকৈয়ে আদৰণীয়। বিহু, পূজা আদি যিকোনো উৎসৱৰ নামত ডাবি-ধমকিৰে বাধ্যতামূলকভাৱে চান্দা আদায় কৰাটো নিশ্চিতভাৱে এক অপ-সংস্কৃতি। এয়া কাৰো কাম্য নহয়। অৱশ্যে যিকোনো অনুষ্ঠান, উৎসৱ-পাৰ্বণ আদি অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত ৰাইজৰ দান-বৰঙণি নিতান্তই প্ৰয়োজন। কিন্তু ৰাইজক দান-বৰঙণি দিবলৈ বাধ্য কৰাটো কোনো কাৰণতে যুক্তিসংগত নহয়।

আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱা ব'হাগ বিহুৰ সময়ৰ পৰাই চান্দা সংস্কৃতি ৰোধ কৰাৰ অৰ্থে গ্ৰহণ কৰা ভূমিকাক গৰিষ্ঠসংখ্যক ৰাইজে একেমুখে প্ৰশংসা কৰিছে। অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ এমাহৰ আগৰে পৰাই চান্দা সংস্কৃতি পৰিত্যাগ কৰিবলৈ বিহু কমিটীসমূহক আহ্বান জনোৱা হৈছিল আৰু তাৰ প্ৰভাৱো পৰিলক্ষিত হৈছিল। আগৰ দৰে ডাবি-ধমকি তথা জোৰ-জবৰদস্তি বহুখিনি হ্ৰাস পাইছিল। বিহুৰ দৰে দুৰ্গা পূজাৰ সময়তো চান্দা অপ-সংস্কৃতিৰ ব্যাপক প্ৰভাৱ পৰিলক্ষিত হয়। নগৰ-চহৰসমূহত এশ-দুশ মিটাৰৰ ভিতৰত কেইবাখনো পূজা অনুষ্ঠিত হয়। তদুপৰি কোনে কিমান জাকজমকতাৰে পূজা আয়োজন কৰিব পাৰে, তাৰে প্ৰতিযোগিতাতো আছেই। যাৰ কাৰণে পূজা কমিটীসমূহক প্ৰয়োজন হয় ব্যাপক অৰ্থৰ। সেয়েহে বিহুৰ দৰে পূজাৰ নামতো বহু কমিটীয়ে ডাবি-ধমকিৰে চান্দা আদায় কৰি আহিছে। যিটো কথা একেবাৰে সমৰ্থনযোগ্য নহয়। মুখ্যমন্ত্ৰীয়ে পূজাৰ নামত বাধ্যতামূলকভাৱে বৰঙণি আদায় ল'বলৈ বাধা দিছে। কিন্তু লক্ষ্য কৰিব লগা কথাটো হ'ল ৰঙালী বিহুৰ এমাহৰ আগৰে পৰাই বাধ্যতামূলকভাৱে চান্দা নুতুলিবলৈ কমিটীসমূহক আহ্বান জনোৱাৰ পৰিৱৰ্তে দুৰ্গা পূজাৰ মহালয়া অতিক্ৰম কৰাৰ কেইবাদিন পিছতহে মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা ঘোষণা কৰিছে। যিটো সময়ত বেছি ভাগ পূজা কমিটীৰে ৯০ শতাংশ চান্দা বা বৰঙণি তোলা ইতিমধ্যে হৈ গৈছে। তেনে সময়ত মুখ্যমন্ত্ৰীগৰাকীৰ এই আহ্বান কিমান প্ৰাসংগিক।!এই আহ্বান ইমান পলমকৈ কিয়? বিহুৰ নিচিনাকৈ পূজাৰ এমাহ আগত এই ঘোষণা কৰিলে নিশ্চয় ফলপ্ৰসু হ'লহেঁতেন। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কাৰোবাক সন্তুষ্ট কৰিবলৈ গৈ সাপো নমৰক লাঠিও নাভাঙক নীতি অনুসৰণ কৰা নাইতো!

## কামৰূপ জিলাত ব্ৰহ্মপুত্ৰ নদত নাও বা মেকানাইজড কান্ট্ৰী ব'টৰ চলাচলত নিষেধাজ্ঞা জাৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২ অক্টোবৰ ঃ** জনসাধাৰণৰ সুৰক্ষা, তথা ২০২০ বৰ্ষৰ ১৫ ফেব্ৰুৱাৰীত পৰিবহণ বিভাগে জাৰি কৰা আদেশৰ ভিত্তিত কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা কামৰূপ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীৰ মুখ্য কাৰ্যবাহী বিষয়াই কালি জাৰি কৰা এক আদেশৰ জৰিয়তে জিলাখনত ব্ৰহ্মপুত্ৰত ভুটভুটি নাও অথবা যান্ত্ৰিক কান্ট্ৰী ব'টৰ চলাচলত থকা নিষেধাজ্ঞা পুনৰ বাহাল ৰাখিছে। এই নিৰ্দেশ অমান্যকাৰী এনেধৰণৰ নাও চলাচল কৰাসকলৰ বিপৰীতে কঠোৰ আইনী ব্যৱস্থা লোৱা হ'ব বুলি আদেশটোত কোৱা হৈছে। আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে ব্ৰহ্মপুত্ৰত চলাচল কৰা এনে অকৃতৰ্শীল নাও অবিৰতভাৱে নিৰীক্ষণ কৰি সংশ্লিষ্ট এলেকাৰ চক্ৰ বিষয়াক অৱগত কৰিব আৰু সংশ্লিষ্ট চক্ৰ বিষয়াই আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ সৈতে এনেধৰণৰ অবৈধভাৱে চলাচল কৰা নাৱৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। কালিৰ পৰা তাৎক্ষণিকভাৱে জাৰি কৰা এই আদেশ সমগ্ৰ জিলাখনত বাহাল থাকিব বুলি আদেশটোত কোৱা হৈছে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান নগাঁও জিলাত গুৰুজনাৰ ৫৭৪সংখ্যক জন্মোৎসৱ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলিছে। শ্ৰীমন্ত শংকৰদেৱ সংঘ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজ, অসম, বৈদিক সমাজকে ধৰি বিভিন্ন অনুষ্ঠান, সত্ৰ-নামঘৰ আদিত গুৰুজনাৰ জন্মোৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ উদ্যোগত জিলা শাখাৰ নামঘৰত ৮ আৰু ৯ অক্টোবৰত দুদিনীয়াকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জয়ন্তী উদ্‌যাপনৰ দিহা কৰা হৈছে। সেই অনুসৰি ৮ অক্টোবৰৰ পুৱা প্ৰাতঃপ্ৰসংগ, পৰিৱেশ নিকাকৰণ, নাম প্ৰসংগ, প্ৰাচীৰ পত্ৰিকা উন্মোচন, শংকৰী সংগীতৰ অনুষ্ঠান, বিয়লি পাঁচ বজাত বন্তি প্ৰজ্বলন আৰু সন্ধিয়া পাৰিজাত হৰণ অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হ'ব। ৯ অক্টোবৰৰ পুৱা সংঘৰ পতাকা উত্তোলন কৰিব জিলা শাখাৰ সভাপতি জ্যোতিপ্ৰসাদ ভূঞাই। পুৱা ১০ বজাত নগাঁও চহৰত ভাগৱত সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। দিনৰ ১১ বজাৰ পৰা ধৰ্মালোচনী সভা আৰু বিয়লি বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব। সংঘৰ জিলা শাখাই প্ৰদান কৰি অহা ৰমাকান্ত মুক্তিয়াৰ বঁটা এইবাৰ মৰণোত্তৰভাৱে মিহিৰাম আতাক আৰু হলধৰ ভূঞা বঁটা মৰণোত্তৰভাৱে শৰৎ শইকীয়াক প্ৰদান কৰা হ'ব। অনুষ্ঠানত কেঁবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। উক্ত অনুষ্ঠানত জিলা শাখাৰ বাৰ্ষিক আলোচনী 'শতকোটি বাৰেক কৰোঁহে প্ৰণাম' উন্মোচন কৰা হ'ব। বিয়লি ৰামবিজয় আৰু সন্ধিয়া কালীয় দমন অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হ'ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ জয়ন্তীৰ সকলো কাৰ্যসূচীত উদ্যোক্তাসকলে ৰাইজৰ সহযোগিতা কামনা কৰিছে।

## স্বচ্ছ অমৃত মহোৎসৱৰ কাৰ্যসূচীৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, টীয়ক, ২ অক্টোবৰ ঃ** যোৰহাট জিলাৰ টিয়ক সমষ্টিৰ কলিয়াপানী উন্নয়ন খণ্ড এলেকাৰ বিভিন্ন স্থানত স্বচ্ছতাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ লক্ষ্যৰে ১৭ ছেপ্টেম্বৰৰ পৰা ০২ অক্টোবৰলৈকে কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ অধীনস্থ নেহৰু যুৱ কেন্দ্ৰ, যোৰহাটৰ উদ্যোগত আৰু জ্যোতি যুথ ক্লাবৰ সহযোগত স্বচ্ছ অমৃত মহোৎসৱ উপলক্ষে এলানি স্বচ্ছতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিদিনে তিনি ঘণ্টা পৰ্যন্ত শ্ৰমদানেৰে ৰূপায়ন কৰা এই কাৰ্যসূচী ২ অক্টোবৰত এটি ৰেলী প্ৰদৰ্শন কৰি সফলতাৰে সামৰণি মৰা হয়। কলিয়াপানী উন্নয়ন খণ্ডৰ অন্তৰ্গত বিভিন্ন গ্ৰাম্যাঞ্চলত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত যোৰহাট নেহৰু যুৱ কেন্দ্ৰৰ মুখ্য গাণনিক বিষয়া বুলি হাতীবৰুৱা, জ্যোতি যুথ ক্লাবৰ কাৰ্যকৰী সভাপতি দেৱজিৎ শইকীয়া আৰু স্থানীয় ৰাইজে অংশ গ্ৰহণ কৰে।




## চাবুৱাত প্ৰয়াত সাহিত্যিক সয়ম্বৰ ঘৰফলীয়াৰ স্মৃতিচাৰণ অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ২ অক্টোবৰ ঃ** অসমৰ সাহিত্য জগতখনলৈ অৰিহণা আগবঢ়াই যোৱা বিশিষ্ট সাহিত্যিক, চিন্তাবিদ তথা অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰয়াত সয়ম্বৰ ঘৰফলীয়াৰ ৯৩সংখ্যক জন্ম দিন পৰিয়ালবৰ্গ আৰু স্মৃতিচাৰণ উদ্‌যাপন কমিটীৰ উদ্যোগত ১ অক্টোবৰত 'বিশেষ স্মৃতিচাৰণ অনুষ্ঠান' হিচাপে পালন কৰে। চাবুৱা নৰ্থ-ইষ্টাৰ্ন ইঞ্জিনীয়াৰিং ইন্সটিটিউটৰ প্ৰাংগণত সন্ধিয়া নিৰ্দিষ্ট কাৰ্যসূচীৰে অনুষ্ঠিত আৰু চাবুৱা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভাগ্যেশ্বৰ গগৈয়ে আঁত ধৰা উক্ত অনুষ্ঠানত প্ৰথমে প্ৰয়াত সয়ম্বৰ ঘৰফলীয়াৰ প্ৰতিচ্ছবিত এগছি বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, শিক্ষাবিদ হৰনাথ দুৱৰা আৰু নৰ্থ-ইষ্ট জুনিয়ৰ একাডেমীৰ অধ্যক্ষ প্ৰশান্ত নেওগে। মল্যাৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক লাচিত মাউতে। ইয়াৰ পিছতে চাবুৱা সংগীত বিদ্যালয়ৰ শ্যামলী গোহাঁই আৰু অদ্ৰিজা গোহাঁইৰ দ্বৈত কণ্ঠত দুটি বৰগীত পৰিৱেশন হয়। ইয়াৰ পিছতে হৰনাথ দুৱৰা, নৰেশ্বৰ হাজৰিকা, ভৱেন শৰ্মা, ঘনেন দুৱৰা, বিপিন দত্ত আৰু প্ৰশান্ত নেওগে প্ৰয়াত সয়ম্বৰ ঘৰফলীয়াৰ জীৱনৰ লগত জড়িত বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত লাচিত মাউত, হৰেণ গগৈ, ভূপেন দাস, শিক্ষক জগজীৱন গগৈ, পৌৰপতি ব্ৰজেন বৰুৱা, ড° দিগন্ত দত্ত, সত্য দুৱৰা, দিগন্ত বৰুৱা, মনোজ দিহিংগীয়াকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। পৰিয়ালবৰ্গৰ হৈ ঘৰফলীয়াৰ তৃতীয় পুত্ৰ প্ৰদ্যুৎ ৰঞ্জন ঘৰফলীয়াই বক্তব্য প্ৰদান কৰে। সভাৰ মাজত বিশাল অনুৰাগে দুটা কবিতা পাঠৰ বিপৰীতে সাৰদা বৰুৱাই এটি ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। চতুৰ্থ পুত্ৰ বিদ্যুৎ ৰঞ্জন ঘৰয়ফলীয়াই শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত প্ৰয়াত সয়ম্বৰ ঘৰফলীয়াৰ নামত এটা মেম'ৰিয়েল ট্ৰাষ্ট গঠন কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

## হাটশিঙিমাৰী ভাৰত-বাংলা সীমান্তত চোৰাং গৰু জব্দ ঃ আটক ১

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাটশিঙিমাৰী, ২ অক্টোবৰ ঃ** চোৰাং পশুধনৰ বিৰুদ্ধে হাটশিঙিমাৰীৰ খাৰুৱাবান্ধা আৰক্ষীৰ অভিযান। যোৱানিশা গোপন সূত্ৰৰ আধাৰত অভিযান চলাই হাটশিঙিমাৰী ভাৰত-বাংলা সমীপৰ কোকৰাডাঙাৰ পৰা ২টা চোৰাং গৰু জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰী আটক কৰে আৰক্ষীয়ে। ধৃত সৰবৰাহকাৰী জন সুখচৰ গাঁৱৰ বাসিন্দা ছবুৰ খাৰ পুত্ৰ ছাইফুল ইছলাম (২৮) বুলি খাৰুৱাবান্ধা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হীৰেন বাংৰুৱে সদৰী কৰে। নদীপথেৰে চোৰাংভাৱে গৰু দুটা বাংলাদেশ লৈ পাৰ কৰাৰ যো-জা চলাওঁতে আৰক্ষীয়ে জব্দ কৰে। অধিক তথ্যৰ বাবে ধৃত সৰবৰাহকাৰীজনক খাৰুৱাবান্ধা আৰক্ষীয়ে সোধা-পোছাৰ অন্তত তেওঁৰ বিৰুদ্ধে এটি গোচৰ ৰুজু কৰি আজি দিনত মানকাচৰ জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতত হাজিৰ কৰে। লক্ষণীয় যে মানকাচৰ ভাৰত-বাংলা সীমান্ত সুৰুক্ষা বাহিনী আৰু আৰক্ষীয়ে অভিযান চলাই চলিত বছৰত জাকে জাকে পশুধন জব্দ কৰাৰ লগতে বহুকেইজন সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছে যদিও একাংশ চোৰাং পশুধন সৰবৰাহকাৰী বিএছএফ আৰু আৰক্ষীৰ চকুত ধূলি দি চোৰাংভাৱে পশুধনৰ বেহা অব্যাহত ৰখা পৰিলক্ষিত হৈছে।

## অসমৰ কোচ-ৰাজবংশী জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান নকৰাত তীব্ৰ ক্ষোভ কোচ-ৰাজবংশী সন্মিলনীৰ

### বকোত কেন্দ্ৰীয় সমিতিৰ বৈথক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২ অক্টোবৰ ঃ** দেশৰ কেন্দ্ৰীয় আৰু ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ চৰম হেমাহিৰ বাবে আজিৰ তাৰিখতো কোচ-ৰাজবংশীসকল বঞ্চিত আৰু লাঞ্ছিত হৈ আছে। চৰকাৰৰ দুমুখীয়া নীতিৰ বিৰুদ্ধে আৰু কোচ-ৰাজবংশীসকলক প্ৰতাৰণা কৰি বঞ্চনা কৰি অহাৰ বাবে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ বাবে কালি কামৰূপ জিলাৰ বকোত আয়োজন কৰে এক বিশেষ বৈঠক। উল্লেখ্য যে অসমৰ কোচ-ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ দাবীৰ কাৰ্যসূচী গ্ৰহণৰ বৈঠকত উপস্থিত থাকে সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীৰ কেন্দ্ৰীয় সভাপতি প্ৰণৱ নাৰায়ণ দেৱ। প্ৰকাশ যে সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীৰ গুৱাহাটী জিলা সমিতিৰ সাধাৰণ সম্পাদক দীপক কুমাৰ ৰয়ে আঁত ধৰা সভাত পৌৰোহিত্য কৰে জিলা সমিতিৰ কাৰ্যকৰী সভাপতি পৱিত্ৰ কুমাৰ দাসে। বকোস্থিত চিলাৰায় ভৱনত আয়োজন কৰা সভাৰ উদ্দ্যেশ্য ব্যাখ্যা কৰে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰাণাদিত্য বৰ্মনে। কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি খগেন্দ্ৰজিৎ ঠাকুৰীয়াসহ বহুসংখ্যক বিষয়ববীয়াৰ উপস্থিতিত যুৱ ছাত্ৰ সন্মিলনী আৰু মহিলা সন্মিলনীৰ কেন্দ্ৰীয় বিষয়ববীয়া উপস্থিত থাকে। সভাত কোচ ৰাজবংশীসকলক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাৰ ক্ষেত্ৰত কোচ-ৰাজবংশী সমাজক উদ্বুদ্ধ কৰিবলৈ চৰকাৰৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰে। বৈথকত কামৰূপ (গুৱাহাটী) অথবা গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী জাতীয় সংগঠনৰ কাম-কাজ পৰিচালনা কৰিবলৈ গঠন কৰে এখন সমন্বয়ৰক্ষী সমিতি। বৈঠকত দৰং, গুৱাহাটী আৰু গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী সন্মিলনীৰ নেতৃবৃন্দ উপস্থিত থাকে।

# বোৰ্কাৰ সমন্বয় সাহিত্য সভাৰ হস্তলিখিত কবিতা সংকলন 'সমন্বয়' উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২ অক্টোবৰ ঃ** চাংসাৰিৰ সমীপৱৰ্তী বোৰ্কা-মণিয়েৰীস্থিত দেৱৰ্ষি বিদ্যাপীঠত উন্মোচন হয় এখন হাতে লিখা কবিতা সংকলন 'সমন্বয়'। অসম সাহিত্য সভাৰ শাখা সমন্বয় শাখা সাহিত্য সভাই প্ৰকাশ কৰা কবিতা সংকলনখন উন্মোচন কৰে দৈনিক অসম কাকতৰ উপ-সম্পাদক শিৱপ্ৰসাদ ডেকাই। উন্মোচন উপলক্ষে আয়োজন কৰা সভাখনত সভাপতিত্ব কৰে ভুবনেশ্বৰ ডেকাই। শাখা সাহিত্য সভাৰ সম্পাদক কনক চন্দ্ৰ নাথে আঁত ধৰা সভাখনত মাণিক কাকতি, বসন্ত কুমাৰ দাস, নগেন মেধি, প্ৰবীণ কলিতা, ভৃগু নাথ, যতীন নাথ, খনীন্দ্ৰ নাথৰ উপৰিও বহুকেইগৰাকী সাহিত্যনুৰাগী ব্যক্তি উপস্থিত আছিল। কবিতা সংকলনখনত ৩৮টা কবিতা সন্নিৱিষ্ট হৈছে।

# ভৈৰৱকুণ্ডস্থিত ভূটানৰ জামোৎসাংখা গেটত ভাৰতীয় নাগৰিকক হাৰাশাস্তি

### ভূটানিষ্ট নাগৰিকৰ বাবে ভাৰতৰ দ্বাৰ ২৪ ঘণ্টা খোলা, ভাৰতীয় নাগৰিকক সীমিত সময়

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৈৰবকুণ্ড, ২ অক্টোবৰ ঃ** যোৱা তিনি বছৰ ধৰি কোৰোনা ভাইৰাছৰ অজুহাতত বন্ধ হৈ থকা ভাৰত -ভূটান সীমান্তৰ ভূটান গেটটো ভাৰতীয় নাগৰিকৰ প্ৰৱেশৰ বাবে বন্ধ কৰি দিয়া হৈছিল যদিও ভূটানৰ সকলোধৰণৰ যান-বাহন ভাৰতৰ অসম ৰাজ্যৰ বিটিচিৰ ওদালগুৰি, তামুলপুৰ, বাক্সা, চিৰাং, কোকৰাঝাৰ হৈ যিকোনো সময়ত পশ্চিম ভূটানত প্ৰৱেশ কৰিয়েই আছিল। তাত ভাৰত চৰকাৰে কোনো অসুবিধা ব্যক্ত কৰা নাছিল আৰু পৰাপক্ষত ভূটানক সহযোগ কৰিহে আহিছিল। সুদীৰ্ঘ ৩ বছৰৰ ব্যৱধানত ভূটান চৰকাৰে যোৱা ২৩ ছেপ্টেম্বৰত সীমান্তত থকা গেটবোৰ খুলি দিয়ে যদিও উক্ত গেটসমূহত ভাৰতৰ অসম ৰাজ্যৰ নাগৰিকসকলক ভূটানত প্ৰৱেশ কৰিবলৈ সীমিত সময় বান্ধি দিয়াৰ লগতে উক্ত গেটসমূহত অসমৰ বাসিন্দাই ভূটানত প্ৰৱেশ কৰোঁতে নিজৰ অৰিজিনেল ভোটাৰ কাৰ্ড গেটত জমা দি ভূটানলৈ প্ৰৱেশ কৰিব লাগিব, আৰু যদি কেনেবাকৈ অসমৰ বাসিন্দা ভূটানৰ পৰা ওলাওঁতে পলম হয় অসমীয়া নাগৰিকৰ পৰা ১,২০০ (বাৰশ) টকা জৰিমনা হিচাপে আদায় দিব লাগিব বুলি গেটত থকা ভূটান প্ৰশাসনে জানিবলৈ দিয়াৰ লগতে ভূটানলৈ প্ৰৱেশ কৰা সময় ৰাতিপুৱা ১০ বজাৰ পৰা আবেলি ২ বজালৈহে সীমিত কৰি দিয়া বুলি ভূটান প্ৰশাসনৰ পৰা জানিব পৰা গৈছে। উল্লেখ্য যে যদি ভূটানৰ নাগৰিকে ভাৰতৰ অসম ৰাজ্য হৈ যিকোনো সময়ত বিনা পৰিচয়-পত্ৰৰে অহা-যোৱা কৰিব পাৰিব কিন্তু অসমৰ জনতাই কিয় অৰিজিনেল ভোটাৰ কাৰ্ড গেটত জমা থৈ যাব লাগিব আৰু অসমীয়া জনতাৰ বাবে কিয় সীমিত সময় বান্ধি দিয়া হ'ল বুলি অসমৰ জনতাই আপত্তি দৰ্শোৱাৰ লগতে যদি ভূটান চৰকাৰে তেওঁলোকৰ ৰাষ্ট্ৰৰ নিয়মত অসমৰ জনতাক হাৰাশাস্তি প্ৰদান কৰে তেন্তে ভাৰতেও অসম ৰাজ্যক ভূটানিষ্ট নাগৰিকসকলক একে নিয়ম লগোৱা যাওক বুলি ভৈৰৱকুণ্ডস্থিত ভূটানৰ জামোৎসাংখা গেটত উত্তাল প্ৰতিবাদ কৰে।

## ঢেকীয়াখোৱা বৰনামঘৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জয়ন্তীৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ স্থাপিত ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰত পূৰ্বৰ দৰে এইবাৰো অহা ৫ অক্টোবৰত জগতবৰেণ্য গুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জয়ন্তী উদ্‌যাপনৰ আয়োজন কৰা হৈছে। সেই উপলক্ষে পুৱা ঊষা কীৰ্তন, ভাগৱতসহ শোভাযাত্ৰা আৰু দিনৰ ভাগত দেৱ বাদ্য চৰ্চা, নাম প্ৰসংগৰ পিছতে মাধৱদেৱ সঙ্গীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা গুৰুজনাৰ সৃষ্ট সত্ৰীয়া নৃত্য, বৰগীত, খোলবাদন আদি পৰিবেশন কৰা হ'ব। সন্ধ্যা বন্তি প্ৰজ্বলনৰ পিছতে গুৰুজনাৰ আৰ্হিৰে কূৰ্ম অৱতাৰ ভাওনা প্ৰদৰ্শনেৰে অনুষ্ঠানৰ সামৰণি পৰিব। উক্ত জন্মজয়ন্তী ভাগ সাফল্যমণ্ডিত কৰি তুলিবলৈ বৰনামঘৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰবীন কলিতা, সম্পাদক দিগন্ত শইকীয়া প্ৰমুখ্যে বিষয়ববীয়া সকলে অসমবাসী ৰাইজক সাদৰেৰে নিমন্ত্ৰণ জনাইছে।

## ব্যাস সংগীতৰ শিল্পী ৰুদ্ৰমণি নাথক সম্বৰ্ধনা জ্ঞাপন অসম সত্ৰ মহাসভাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দৰং, ২ অক্টোবৰ ঃ** দৰঙী লোক সংস্কৃতিৰ অন্যতম বাহক ব্যাস সংগীতৰ বিশিষ্ট শিল্পী ৰুদ্ৰমণি নাথক অসম সত্ৰ মহাসভাই সম্বৰ্ধনা জ্ঞাপন কৰিছ। অসম সত্ৰ মহাসভাৰ দ্বাৰা পৰিচালিত বৰমপুৰ (সৰু ঔতলা) সংগীত মহাবিদ্যালয় আৰু বিষ্ণু প্ৰভু সেৱাশ্ৰমৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা মুকলি সভাত শিল্পীগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। দৰঙী কলা-সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত যোগীপাৰা গাঁৱৰ ব্যাস সংগীতৰ শিল্পী ৰুদ্ৰমণি নাথক এই সন্মান প্ৰদান কৰা হয়। অসম সত্ৰ মহাসভাৰ কাৰ্যকৰী সদস্যদ্বয় কনক চন্দ্ৰ তালুকদাৰ আৰু বাবুল চন্দ্ৰ ডেকা,অসম চৰকাৰৰ অৱৰ সচিব বালিৰাম নাথ, নৃত্য প্ৰতিয়সী দৰ্শন বৰুৱা, হেমন্ত কুমাৰ বায়নে অংশগ্ৰহণ কৰা মুকলি সভাত অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্তই ফুলাম গামোচা মানপত্ৰ অংগবস্ত্ৰ আদিৰে শিল্পী গৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে।

### জটিল ৰোগত আক্ৰান্ত ঈশান নিউজৰ সাংবাদিক মিৰাজ ৰায়

## আজমল ফাউণ্ডচনৰ হৈ পঞ্চাশ হাজাৰৰ চেক প্ৰদান বিধায়ক ছামচুল হুদাৰ

**দৈনন্দিন বাৰ্তাৰ সেয়া, চাপৰ, ২ অক্টোবৰ ঃ** বিগত বহু মাহ ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ আছে চাপৰৰ এটা ব্যক্তিগত প'ৰ্টেলৰ সংবাদদাতা মিৰাজ ৰায়। ৰাজ্যৰ লগতে বহিঃৰাজ্যত চিকিৎসা কৰি পোৱা নাই সুফল। ফলত তীব্ৰ আৰ্থিক অনাটনত ভুগিছে সাংবাদিকগৰাকীৰ লগতে পৰিয়ালবৰ্গ। সাংবাদিকগৰাকীৰ আৰ্থিক অনাটন কিছু পৰিমাণে সকাহ দিয়াৰ অৰ্থে আগবাঢ়ি আহিল আজমল ফাউণ্ডেচন। শনিবাৰে আজমল ফাউণ্ডেচনৰ হৈ সাংবাদিকগৰাকীৰ বাসভৱনত উপস্থিত হয় ২৭নং পূব বিলাসীপাৰা সমষ্টিৰ বিধায়ক ছামছুল হুদা। বিধায়কগৰাকীয়ে সাংবাদিক মিৰাজ ৰায়ৰ উন্নত চিকিৎসাৰ বাবে আজমল ফাউণ্ডেচনৰ পৰা এখন ৫০ হেজাৰ টকাৰ চেক প্ৰদান কৰে।

### অসম চাহ কৰ্মচাৰী সংঘৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

## ২০জন অৱসৰপ্ৰাপ্ত বিষয়ববীয়াক ৰাজহুৱা সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২ অক্টোবৰ ঃ** অসমৰ চাহ উদ্যোগৰ অন্যতম শক্তিশালী শ্ৰমিক সংগঠন অসম চাহ কৰ্মচাৰী সংঘৰ নাজিৰা শাখাৰ শাখাৰ প্ৰতিষ্ঠা দিৱসটো আজি দিনজোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয়। ১৯৪৭ চনৰ ২ অক্টোবৰ তাৰিখে প্ৰতিষ্ঠা হোৱা সংগঠনটোৰ আজি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত সংঘৰ নাজিৰা শাখাৰ সভাপতি ধৰমদেৱ কৰ্মকাৰে স্মৃতি তৰ্পণেৰে শুভাৰম্ভ কৰে। ইয়াৰ পাছতে প্ৰাক্তন উপ-সভাপতি তথা আজি অনুষ্ঠানৰ সঞ্চালক অনন্ত দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত সংগঠনটোৰ প্ৰয়াত সদস্যসকলৰ স্মৃতিত মৌন প্ৰাৰ্থনা কৰা হয়। অনুষ্ঠানটিত সংগঠনটোৰ হৈ ত্যাগ স্বীকাৰ কৰা ২০ জনকৈ প্ৰাক্তন তথা জ্যেষ্ঠ বিষয়ববীয়াক ফুলাম গামোচা, সম্বৰ্ধনা-পত্ৰ আৰু এটা স্মাৰকেৰে ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। অসম চাহ কৰ্মচাৰী সংঘৰ নাজিৰা শাখাৰ সম্পাদক চিন্ময় বৰাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ প্ৰতিষ্ঠা দিৱসৰ ঃ অনুষ্ঠানটিত সঞ্চালক অনন্ত দত্তই সংগঠনটোৰ প্ৰতিষ্ঠাৰ ইতিবৃত্ত আৰু কৰ্মৰাজিৰ ওপৰত সুন্দৰ আলোকপাত কৰে। অসম চাহ কৰ্মচাৰী সংঘৰ, নাজিৰা শাখাৰ প্ৰতিষ্ঠা দিৱসৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত উপস্থিত সকলোৱে শলাগ লয়।



### সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ উদ্যোগত ৰতনজুলিত ১৪তম কৰম উৎসৱ উদ্‌যাপন

## নিজৰ কলা-কৃষ্টি জীয়াই ৰাখিলেহে আদিবাসী জাতিৰ পৰিচয় থাকিবঃ নুৱাছ বাৰ্লা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি, ২ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ ৰতনজুলিত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ উদ্যোগত ১৪তম্ কৰম উৎসৱ ১ অক্টোবৰত দিনজোৱা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ৰতনজুলি প্ৰাথমিক গোটৰ উদ্যোগত উদ্‌যাপন কৰা কৰম উৎসৱত ১ অক্টোবৰ তাৰিখে ৰাতিপুৱা ৮ বজাত সংগঠনৰ পতাকা উত্তোলন, ৮.৩০ মিনিটত শ্বহীদ তৰ্পণ, ৰাতিপুৱা ৯ বজাত জাবা জাগৰণ, ১০ বজাত খেলধেমালি আৰু লক্ষ্যভেদ, বিয়লি ৪ বজাত বন্তি প্ৰজ্জলন, ৫ বজাত কৰম ডাল আদৰণি, সন্ধিয়া ৬ বজাত কৰম উৎসৱৰ কাহিনী পাঠ, সন্ধিয়া ৭ বজাত মুকলি সভা অনুষ্ঠিত হয়। আদিবাসী ছাত্ৰ সন্থাৰ বৰছলা আঞ্চলিকৰ সভাপতি যোচন মুণ্ডাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত উপস্থিত হয় সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক নুৱাছ বাৰ্লা। নুৱাছ বাৰ্লাই মুকলি সভাত চাহ শ্ৰমিকৰ বিভিন্ন সমস্যাৰ ওপৰত বক্তব্য আগবঢ়াই কয় দীৰ্ঘদিনীয়া আন্দোলনৰ অন্তত আদিবাসীসকলে নিজৰ অধিকাৰৰ কিছু অংশ পাবলৈ সক্ষম হৈছে। নুৱাছ বাৰ্লাই মুকলি সভাতে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰক অভিনন্দন জনায়। উক্ত অনুষ্ঠানটিত আদিবাসী ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলাৰ সভাপতি অমৰজিত কেৰ্কেটা, ভাৰতীয় জনতা পাৰ্টীৰ চাহ জনগোষ্ঠীয় মৰ্চাৰ বৰছলা মণ্ডলৰ সভাপতি চানু কৰ্মকাৰ, আদিবাসী ছাত্ৰ সন্থাৰ বৰছলা আঞ্চলিকৰ সম্পাদক বচ্চন পান্না, ৰতনজুলি প্ৰাথমিক গোটৰ সভাপতি ৰঘুবিৰ গোড়, উপ-সভাপতি চুমন টপ্প, সাধাৰণ সম্পাদক ৰচনজন কাণ্ডুলনা, সহঃ সম্পাদক আৰবিণ কাণ্ডুলনা, উদ্‌যাপন সমিতিৰ উপ-সভাপতি হীৰালাল গোৱালা, সম্পাদক ক্ষেমতি টপ্প, সহঃ সম্পাদক চামুৰেল হৰৰ লগতে সমাজকৰ্মী ৰাজু কৰ্মকাৰ উপস্থিত থাকে।



### ১০ৰ পৰা ১৬ অক্টোবৰলৈ মঙলদৈ গ্ৰন্থ মেলাৰ ব্যাপক আয়োজন

# সাহিত্য, সংগীত আৰু কবিতাৰে মুখৰ হ'ব মঙলদৈৰ গান্ধী ময়দান বাকৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২ অক্টোবৰ ঃ** ১০ অক্টোবৰৰ পৰা ১৬ অক্টোবৰলৈ সাত দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব মঙলদৈ গ্ৰন্থমেলা - ২০২২। মঙলদৈ প্ৰেছক্লাবৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সহযোগত অনুষ্ঠিত হ'ব লগীয়া উক্ত গ্ৰন্থমেলা উদ্বোধন কৰিব শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। গ্ৰন্থমেলাৰ উদ্‌যাপন সমিতিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী সভাত অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱী, বিশিষ্ট গীতিকাৰ তথা সাহিত্যক ইদ্ৰিছ আলী, দৰং জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিটিএডিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, আছুৰ সভাপতি দীপাংক নাথ, অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতা, সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সভাপতি নগেন শৰ্মা, যুৱ-ছাত্ৰ পৰিষদৰ উপ-সভাপতি ভৱেশ কাকতি, মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ কমলাকান্ত বৰাসহ বিশিষ্ট ব্যক্তিসকলে অংশ গ্ৰহণ কৰিব। সেইদৰে ১১ অক্টোবৰত দিনৰ ১০ বজাত বিশিষ্ট, কবি সাহিত্যিক ড° মঞ্জু দেৱী পেগুৰ সভাপতিত্বত অনুষ্ঠিত হ'ব কবি সন্মিলন। বিয়লি ৪ বজাত অনুষ্ঠিত হ'ব কে'বাগৰাকী নবীন-প্ৰবীণ লেখকৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠান। গ্ৰন্থ মেলাৰ আয়োজন সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকাৰ সঞ্চালনত অনুষ্ঠিত হ'বলগীয়া গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোত গ্ৰন্থ উন্মোচন কৰিব ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমনন্দ ৰাজবংশীয়ে। সেইদৰে ১২ অক্টোবৰ পুৱা ১০বজাত অনুষ্ঠিত হ'ব সাধু কোৱা আৰু চিত্ৰাংকন প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতা উদ্বোধন কৰিব বিশিষ্ট চিত্ৰ শিল্পী দাদুল চলিহাই। উক্ত দিনাই দিনৰ ১১ বজাত দৰং জিলাৰ সাহিত্য সভাৰ আকাশৰ সৌজন্যত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। দুপৰীয়া ১২বজাত অনুস্থিত হ'ব সাহিত্য আলাপ অনুষ্ঠান। ইয়াৰ পিছতে অনুষ্ঠিত হ'ব ৰাজ্যখনৰ বিশিষ্ট সাহিত্যিকসকলক লৈ সাহিত্য সন্মিলন। বিশিষ্ট সাহিত্যিক ড° প্ৰসন্ন কুমাৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া সন্মিলনখন উদ্বোধন কৰিব অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই। সন্মিলনত বিশিষ্ট সাহিত্যিক থানেশ্বৰ মালাকৰ, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিশিষ্ট লেখক ডাঃ জয়ন্ত বিশ্ব শৰ্মা, অসম চৰকাৰৰ বিত্ত সচিব দিলীপ বৰা আদিয়ে অংশগ্ৰহণ কৰিব । ১৩ অক্টোবৰ বৃহস্পতিবাৰে দিনৰ ২ বজাত অনুষ্ঠিত হ'ব সাহিত্য, সংস্কৃতি, স্বদেশ আৰু যুৱ সমাজ শীৰ্ষক অনুষ্ঠান। ছিপাঝৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰাম চন্দ্ৰ ডেকাৰ সঞ্চলনাত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত মন্ত্ৰী পীযূষ হাজৰিকা আৰু বিশিষ্ট চিন্তাবিদ দিগন্ত বিশ্ব শৰ্মাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব নিয়মীয়া বাৰ্তা কাকতৰ সম্পাদক নৰেশ কলিতা, অসমীয়া খবৰৰ সম্পাদক বিশ্বজিৎ দাস আৰু বিশিষ্ট লেখিকা গীতালী শইকীয়াই। ১৪ অক্টোবৰত অনুষ্ঠিত হ'ব কুইজ প্ৰতিযোগিতা আৰু কেৰিয়াৰ পৰামৰ্শ অনুষ্ঠান। উক্ত দিনাই বিয়ালি তিনি বজাত কে'বাজনো নবীন-প্ৰবীণ লেখকৰ গ্ৰন্থ উন্মোচন হ'ব। আনহাতে, ১৫ অক্টোবৰ শনিবাৰে গ্ৰন্থমেলা আয়োজন সমিতিৰ সম্পাদক ৰাজীৱ কুমাৰ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া দৰঙৰ আৰ্থ-সামাজিক উন্নয়নত ক্লাব, সংঘসমূহৰ ভূমিকা শীৰ্ষক আলোচনা-চক্ৰ উদ্বোধন কৰিব ৰাণা আলমে। দিনৰ ২ বজাত অনুষ্ঠিত হ'ব সাংবাদিক , লেখক আৰু বিশিষ্ট নাগৰিকৰ মাজত অন্তৰংগ আলাপ। প্ৰেছক্লাবৰ সভাপতি মদন চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগীয়া উক্ত অনুষ্ঠানটি উদ্বোধন কৰিব জ্যেষ্ঠ সাংবাদিক মধু সূধন মেধিয়ে। সভাত মঙলদৈ বি এড কলেজৰ অৱসৰী অধ্যক্ষ ড° বীৰেন্দ্ৰ নাথ ডেকা, মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° আমানুল্লা হক, বিশিষ্ট সাহিত্যিক লক্ষ্মী নাৰায়ণ কোঁৱৰ, গীতিকাৰ প্ৰভাত নাৰায়ণ চৌধুৰী, সমাজ সেৱিকা ৰাণী দেৱী, ৰামেশ্বৰ শৰ্মা, অৱসৰী কৃতী শিক্ষক দীনেশ্বৰ চহৰীয়া, ক্ৰিড়া সংগঠক বীৰেন মেধি, সাংবাদিক পেন্সনাৰ ইমৰান হুছেইন আৰু প্ৰদীপ ঘোষক সম্বৰ্ধনা জনোৱা হ'ব। গ্ৰন্থমেলাৰ অন্তিম দিনা দিনৰ ১২ বজাত সাংসদ দিলীপ শইকীয়াৰ সভাপতিত্বত সামৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব। উক্ত সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা দৈনিক অগ্ৰদূত কাকতৰ সম্পাদক কনকসেন ডেকা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সাহিত্যিক সূৰ্য হাজৰিকা, আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা আৰু সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটাই অংশ গ্ৰহণ কৰিব। উক্ত অনুষ্ঠানতেই স্মৃতি গ্ৰন্থ উন্মোচন কৰিব বিটিএডিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীয়ে। সভাত বিশিষ্ট নাট্যকাৰ হেমন্ত দত্তলৈ নাট্যসূৰ্য বঁটা প্ৰদান কৰা হ'ব। আনহাতে, গ্ৰন্থ মেলাৰ প্ৰত্যেক সন্ধিয়া অনুষ্ঠিত হ'ব সংগীতানুষ্ঠান। গ্ৰন্থমেলাৰ সফল ৰূপায়ণৰ বাবে ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে গ্ৰন্থমেলাৰ আয়োজক সমিতিৰ সাধাৰণ সম্পাদক ৰাজীৱ কুমাৰ ডেকা, সম্পাদক লক্ষ্মীনন্দন কলিতা আৰু সমন্নয়ক মুকুট ৰাজ শৰ্মাই।

# ৰূপকোঁৱৰৰ জয়মতী আৰু আইদেউ সন্দিকৈ



■ বনশ্ৰী শৰ্মা

বৰ্তমান সময়ত বোলছবি, অভিনেতা, অভিনেত্ৰী বুলি ক'লে আমাৰ সকলোৰে প্ৰিয়, হিয়াৰ আমঠু। এই সমাদৰৰ আঁৰত থকা এগৰাকী শিল্পীৰ ত্যাগক আমি সদায় স্মৰণ কৰাটো উচিত। যাৰ ত্যাগ অবিহনে অসমীয়া ছবি জগতৰ আজিৰ এই ৰূপ আধৰুৱা তেওঁ হ'ল আইদেউ সন্দিকৈ।

আইদেউ সন্দিকৈৰ জন্ম হৈছিল ১৯২০ চনত গোলাঘাটৰ পানীদিহিঙীয়া গাঁৱত। তেওঁৰ পিতৃৰ নাম আছিল নীলাম্বৰ সন্দিকৈ আৰু মাতৃৰ নাম লক্ষ্মী সন্দিকৈ। সেই সময়ত স্ত্ৰী শিক্ষাৰ প্ৰচলন তেনেকৈ নাছিল বুলিয়েই ক'ব পাৰি যাৰ ফলস্বৰূপে আইদেউ সন্দিকৈয়ে লিখা-পঢ়া নাজানিছিল।

জাৰ্মানীত চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰশিক্ষণ লৈ উভতি অহা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জয়মতী কুঁৱৰী নাটকৰ আলমত জয়মতী নামৰ এখন বোলছবি নিৰ্মাণৰ চিন্তা-চৰ্চা কৰে। ১৯৩৩ চনত জ্যোতিপ্ৰসাদ আগৰৱালাই তেজপুৰৰ ওচৰৰ ভোলাগুৰি চাহ বাগিচাত চিত্ৰবন নামেৰে এটি ষ্টুডিঅ' সাজি লৈ তাত জয়মতী বোলছবি নিৰ্মাণৰ কাৰ্য আৰম্ভ কৰে। তেখেতে বোলছবিত সহ-অভিনয়ৰ বাবে নাৰী-চৰিত্ৰৰ কথা ভাবিছিল। নাম-ভূমিকাৰ বাবে তেখেতে বাতৰি কাকতত বিজ্ঞাপনো দিছিল যদিও সেই বিজ্ঞাপনৰ কোনো ফল ধৰা নাছিল। তাৰ মাজতে আইদেউ সন্দিকৈৰ সম্বন্ধীয় এজন ব্যক্তিয়ে আগৰৱালাক চিনি পাইছিল আৰু আইদেউৰ আলোক ছবি আগৰৱালাক দেখুৱাইছিল। আগৰৱালাই সেই ছবি চাই আইদেউক জয়মতীৰ চৰিত্ৰৰ বাবে উপযুক্ত হ'ব বুলি ধাৰণা কৰে। সেই সম্বন্ধীয় ব্যক্তিজনে জাহাজ দেখুওৱাৰ চলেৰে আইদেউক ভোলাগুৰি চাহ বাগিচাৰ চিত্ৰবনলৈ লৈ যায়। তাতেই জ্যোতিপ্ৰসাদে আইদেউক জয়মতী চৰিত্ৰৰ বাবে নিৰ্বাচন কৰে।

প্ৰথমে আইদেৱে বোলছবিত অভিনয় কৰিবলৈ মান্তি হোৱা নাছিল যদিও পিছলৈ দেউতাকৰ সম্মতিক্ৰমে ছবিত অভিনয় কৰে। জ্যোতিপ্ৰসাদ আগৰৱালাই তেখেতক অভিনয়ৰ কলা-কৌশল শিকাই লৈছিল। জয়নতীত অভিনয় কৰাৰ সময়ত আইদেউৰ বয়স আছিল প্ৰায় চৈধ্য বছৰ কি পোন্ধৰ বছৰ। লাহোৰৰ ষ্টুডিঅ'ত সম্পাদনাৰ কাম কৰি কলকাতাৰ ৰাউনাক প্ৰেক্ষাগৃহত ছবিখনৰ প্ৰথম দৰ্শনীৰ কাম আৰম্ভ কৰিছিল ১৯৩৫ চনৰ ১০ মাৰ্চ তাৰিখে। ছবিখনে গুৱাহাটীত মুক্তি লাভ কৰিছিল সেই একে মাহৰ ২০ তাৰিখে। প্ৰথম অসমীয়া ছবি কাৰণে জয়মতীৰ প্ৰতি ৰাইজৰ আগ্ৰহ আছিল অসীম কিন্তু ছবি পৰিৱেশনৰ বাবে প্ৰয়োজনীয় পৰিকাঠামোৰ অভাৱ আৰু ছবিখনৰ নিৰ্মাণত হোৱা অভাৱনীয় ব্যয়ৰ বাবে ছবিখনে বহু টকা লোকচান ভৰিবলগীয়া হৈছিল।

বোলছবিখন নিৰ্মাণ হোৱাৰ পাছত আইদেউ পুনৰ পানীদিহিঙীয়া গাঁৱলৈ উভতে যদিও আইদেউ আৰু তেওঁৰ পৰিয়ালক সমাজে এঘৰীয়া কৰে। বোলছবিত অভিনয় কৰাটোক সেই সময়ত এটা লাজ লগা কথা বুলি গণ্য কৰা হৈছিল। এমাহে ঘৰৰ পৰা বাহিৰত বিভিন্ন মানুহৰ লগত একেটা কেম্পতে থকাটোকো পাপ কাম বুলি গণ্য কৰা হৈছিল। তদুপৰি জয়মতীৰ চৰিত্ৰ ৰূপায়ন কৰোঁতে জয়মতীৰ স্বামী গদাপাণিৰ চৰিত্ৰত অভিনয় কৰা ফুনু বৰুৱাক বঙহৰদেউ অৰ্থাৎ মৰমৰ স্বামী বুলি সম্বোধন কৰাটোও এটা দোষৰ কথা বুলি গণ্য কৰা হৈছিল। যাৰ ফলত সমাজে এঘৰীয়া কৰিছিল আইদেউ সন্দিকৈৰ পৰিয়ালক। ৰাইজৰ ওচৰত ক্ষমা খুজিও নিস্তাৰ পোৱা নাছিল আইদেউৰ পৰিয়ালে। উপায়ন্তৰ হৈ সমাজৰ পৰা আঁতৰি নথকাৰ সিদ্ধান্ত গ্ৰহণ কৰি আইদেউক বৰ্জন কৰিলে নিজ পৰিয়ালে। আছুতীয়াকৈ এটা পঁজাঘৰ সাজি দিয়া হ'ল তেওঁক পৃথকে থাকিবলৈ। পৃথক মানে সম্পূৰ্ণ পৃথক যিটো কোৱা হয় জুয়ে পানীয়ে নিষেধ কৰা। আইদেউৰ খবৰ ল'বলৈও কোনো অহা নাছিল আনকি তেওঁ পানী খোৱা পুখুৰীৰ পৰা কোনেও পানী সংগ্ৰহ নকৰিছিল। বোলছবিত অভিনয় কৰাৰ অপৰাধত (সেই সময়ত সমাজে অপৰাধ বুলিয়েই গণ্য কৰিছিল) আইদেউ আজীৱন আবিয়ৈ হৈ থাকিবলগীয়া হৈছিল। সমাজ তথা নিজ পৰিয়ালে এলাগী কৰা আইদেউৰ খবৰ কোনেও লোৱা নাছিল, আনকি জ্যোতিপ্ৰসাদ আগৰৱালায়ো। আইদেৱে চাবলৈ নাপালে নিজে অভিনয় কৰা সম্পূৰ্ণ ছবিখন। ১৯৮৫ চনত অসম চৰকাৰে আয়োজন কৰা অসমীয়া চলচ্চিত্ৰৰ ৫০ বছৰীয়া জয়ন্তীৰ সময়তহে আইদেৱে দেখিবলৈ পালে জয়মতীৰ কেইটামান দৃশ্য।

অসম চৰকাৰে আইদেউ সন্দিকৈক প্ৰতি মাহে ১০০০ টকাকৈ প্ৰদান কৰিছিল আৰু পৰৱৰ্তী সময়ত সেই পেঞ্চনৰ পৰিমাণ ১৫০০ টকা হয়। জীৱনৰ বিয়লি বেলাত আইদেউক সামৰি লৈছিল ভতিজাকহঁতে। The East Indian Motion Picture Association-এ প্ৰদান কৰা এখন হুইল চেয়াৰত বহিয়েই শেষ বয়স পাৰ কৰিছিল আইদেৱে। জয়মতীত অভিনয় এইগৰাকী শিল্পীৰ বাবে খ্যাতি আছিল যদিও সেই খ্যাতিয়ে তেওঁক দিলে এটা দুৰ্বিসহ জীৱন। জীৱনৰ তিক্ততাপূৰ্ণ স্মৃতিক সাৱটি ২০০২ চনৰ ১৭ ডিচেম্বৰত গোলাঘাটৰ কমাৰগাঁৱত এই জীৱনৰ পৰা বিদায় লয় আইদেউ সন্দিকৈয়ে। অৰূপ মান্নাৰ চিত্ৰনাট্য আৰু পৰিচালনাত ২০০৭ চনত 'আইদেউ' নামৰ আইদেউ সন্দিকৈৰ জীৱনভিত্তিক কাহিনী চিত্ৰ এখনে মুক্তি লাভ কৰে। নামভূমিকাত অভিনয় কৰে চন্দনা শৰ্মাই। অসমীয়া চলচ্চিত্ৰ উৎসৱ, ২০০৭ চনত এই ছবিখনে শ্ৰেষ্ঠ ছবি, শ্ৰেষ্ঠ পৰিচালক আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰে। ২০১৩ চনৰ ২০ আগষ্টত উত্তৰ-পূৰ্ব ভাৰতৰ প্ৰথমটো ভ্ৰাম্যমাণ ছবি ঘৰ 'আইদেউ টকিজ' আইদেউ সন্দিকৈৰ স্মৃতিত জন্ম লাভ কৰে।

বি.বৰুৱা মহাবিদ্যালয়
প্ৰথম যাণ্মাসিক,অসমীয়া বিভাগ



# অ' শ্যামা চৰাই



অ' শ্যামা চৰাই, অ' শ্যামা চৰাই তুমি হেনো ভনী দহিকতৰাৰ। পিছে অকণো বোলে ভাল নোপোৱা নেজডাল জোকাৰি তোমাৰ। শুনিছো তুমি হেনো বৰ লাজুকীয়া। জান-জুৰি-নৈ-নিজৰাৰ সতে হে গান গাই ভাল পোৱা। ভয় খালেই তুমি হেনো থিতাতে উৰা মাৰা গছলৈ ।নামি আহা আকৌ পিছে মাটিত সৰা ফলমূল খাবলৈ। তোমাৰ মাতটো বাঁহীৰ দৰে, ইমান সুৰীয়া। বসন্ত কালত গানেৰে অৰণ্য ওপচাই পেলোৱা।বাঁহ গছৰ গুৰিত তুমি বোলে সাজা তোমাৰ বাহ ।বাদামী ৰঙৰ চকুৰ বাবে সকলোৰে পৰা পোৱা বাঃবাঃ। লগৰীয়াৰ সতে চুপতা-চুপতি কৰি বোলে তুমি ভাল পোৱা বৰ।পলকতেই ভাগে বোলে কাজিয়া মৰমৰ। তোমাৰ পৰা শিকিম আমি মিঠা মাতৰ পাঠ। মিলাপ্ৰীতিৰে থাকিলে আমাৰো বাঢ়িব সাহ ।গছ- গছনি আৰু অৰণ্যক ভাল পাবলৈ আমি শিকিম তোমাৰ পৰা। পৃথিৱীখন আমাৰ আকৌ হ'ব সেউজীয়াৰে ভৰা।

■ গায়ত্ৰী দেৱী বৰঠাকুৰ

ফোন ঃ ৮৮২২৯৪৩০৬৪

# মোবাইল, নৱপ্ৰজন্ম আৰু কিছু অনুভৱ

■ মৌচুমী ভট্টাচাৰ্য



সিদিনা ওচৰৰে মানুহ এঘৰৰ তাত ফুৰিবলৈ গ'লোঁ। মানুহগৰাকীৰ সৈতে বিভিন্ন কথা পাতি থকাৰ মাজতে কথা প্ৰসংগত তেওঁ ক'লে, তেওঁ সেইখন ঘৰলৈ বিয়া হৈ অহাৰ কথা। তেওঁ ক'লে, তেওঁ হেনো ১৭ বছৰ বয়সতে বিয়া হৈ আহিছিল। সেই কম বয়সতে তেওঁ সেইখন ঘৰৰ চোতাল মোচাৰ পৰা ভাত ৰন্ধালৈ আটাইখিনি কৰিছিল। ইমানখিনিলৈ বাৰু ঠিকেই আছিল। কিন্তু তাৰ পিছত তেওঁ ক'লে, "আজিকালিৰ ছোৱালীয়ে এইবোৰ পাৰিব জানো? আমি ১৭ বছৰ বয়সতে বিয়া হৈ ঘৰৰ সমস্ত কাম কৰাৰ উপৰিও আন বহুতো কাম জানিছিলোঁ। আজিকালিতো ইমান কষ্ট নাইয়েই তথাপিও আজিকালিৰ ছোৱালীয়ে এইবোৰ নাজানে। কেৱল মোবাইল টিপাৰ বাহিৰে একোৱেই নাই নৱপ্ৰজন্মৰ।" তেওঁৰ এইখিনি কথা শুনাৰ পিছত মই এই কথাখিনি নিলিখি নোৱাৰিলোঁ। বৰ্তমান সময়ত প্ৰায়ে শুনো তেওঁৰ দৰে বয়সৰ লোকে আমাৰ নৱপ্ৰজন্মৰ বিষয়ে বিভিন্ন সংজ্ঞা দিয়ে। পোন প্ৰথমে মই এটা কথাই ক'ম যে, বৰ্তমান যুগৰ বহু পৰিৱৰ্তন হৈছে। আগৰ সেই কম বয়সতে বিয়া দিয়া পিতৃ-মাতৃ আজিকালি আৰু পাবলৈ নাই। তেওঁলোকৰ সময়ত অভিভাৱক সকলৰ প্ৰায়ভাগৰেই বিশেষ আনুষ্ঠানিক শিক্ষা নাছিল বুলি ক'লেও অত্যুক্তি কৰা নহয়। তেনে স্থলত ঘৰৰ এজনী ছোৱালী বিয়া দিব পৰা মানেই বহু সকাহ পোৱা বুলি ভাবি তেওঁলোকে কম বয়সতে ছোৱালী বিয়া দিছিল। অজ্ঞানতাৰ বাবেই তেওঁলোকে ছোৱালী জনীৰ ভৱিষ্যতৰ ভয়লগা ছবিখন কল্পনা কৰিব পৰা নাছিল। ফলত বহুতেই কম বয়সত বিয়া হৈ মাতৃত্বৰ কষ্ট সহিব নোৱাৰি অকাল মৃত্যুক সাৱতি লৈছিল। কিন্তু বৰ্তমানৰ অভিভাৱকে তেনে নকৰে। আজিৰ অভিভাৱক সকলে ভালদৰে উপলব্ধি কৰিব পাৰে নিজ সন্তানৰ ভৱিষ্যতৰ কথা। সন্তান সকলো ফালৰ পৰা উপযুক্ত নোহোৱালৈকে অভিভাৱকে বিয়াৰ বোজা জাপি নিদিয়ে। দুই এগৰাকী ব্যতিক্ৰম হ'ব পাৰে । কিন্তু বেছিভাগেই নিজৰ ল'ৰা-ছোৱালীক আগতে মানুহ কৰি নিজে জীয়াই থকাৰ



শিক্ষা দিয়ে । দ্বিতীয়তে, তেওঁ কোৱাৰ ধৰণে তেওঁলোকৰ দিনত যি থলুৱা খাদ্য সম্পৰ্কে তেওঁলোকে জানিছিল সেইয়া আজিৰ নৱপ্ৰজন্মযড়ো জানে আৰু হয়তো ভৱিষ্যত প্ৰজন্মযড়ো নিশ্চয় জানিব। আৰু আজিৰ প্ৰজন্মৰ বহু ল'ৰা-ছোৱালীয়ে আগৰ বহু কথা জানিবলৈ আগ্ৰহী । যুগৰ পৰিৱৰ্তন হ'বই ।সদায় আমি এটা বস্তুকেই ব্যৱহাৰ কৰিব লাগিব বুলি কোনো কথা নাই। যুগৰ লগত নিজকে খাপ খোৱাই চলিব জনাটোৱেই সফল ব্যক্তিৰ পৰিচয়। তাৰ বাবে নৱপ্ৰজন্ম দোষী হ'ব নোৱাৰে । তেওঁ কৈছিল নৱপ্ৰজন্মই পঢ়াৰ বাহিৰে আন একোতে পাৰ্গত নহয়। এইখিনিতে এটা প্ৰশ্ন হয়-আগৰ যুগত কেইজনী ছোৱালীয়ে নিজে স্বাৱলম্বী হৈ বিয়াত বহিছিল? ইমানখিনি সাহস আছিল নে সেই প্ৰজন্মৰ? আজিৰ যুগত পঢ়াৰ ক্ষেত্ৰত কিমান প্ৰতিযোগিতা আহি পৰিছে সেইয়া সকলোৰে জ্ঞাত। আগৰ দিনত সামান্য মেট্ৰিক পাছ কৰিলেই চাকৰি কৰিবলৈ মাতি নিছিল। কিন্তু বৰ্তমানে ব্যক্তি এগৰাকীয়ে স্নাতকোত্তৰ হ'লেও চাকৰি নাপায়। তেনে স্থলত কিছুমান অযুক্তিকৰ কথা কৈ নৱপ্ৰজন্মৰ উঠি অহা প্ৰতিভা সমূহক কলিতে উভালি নেপেলাব। সমাজ তথা যুগৰ পৰিৱৰ্তনৰ এটা উল্লেখযোগ্য উপাদান হৈছে প্ৰযুক্তিমূলক উপাদান। আগবাৰ্ণৰ মতে, " প্ৰযুক্তিয়ে আমাৰ পৰিৱেশৰ পৰিৱৰ্তন সাধন কৰি সমাজৰ পৰিৱৰ্তন আনিছে যিটো আমি গ্ৰহণ কৰিব বাধ্য।" বৰ্তমান প্ৰযুক্তিবিদ্যাৰ যুগ। আগৰ সেই সাত সাগৰ তেৰ নদী পাৰ হৈ পঢ়িবলৈ যোৱাৰ সংজ্ঞা আজি সলনি হ'ল। বৰ্তমান সময়ত যিকোনো প্ৰয়োজনীয় বিষয় সম্পৰ্কে ইন্টাৰনেটত চাৰ্চ কৰিলেই বিষয়টো সম্পৰ্কে আমি জ্ঞান লাভ কৰিব পাৰোঁ । কোনোবা অচিনাকি ঠাই এখনলৈ যাবলৈ আজি কাৰো সহায়ৰ প্ৰয়োজন নহয় । গুগল মেপৰ জৰিয়তে আমি অচিনাকি ঠাই সমূহ অতি সহজে বিচাৰি উলিয়াব পাৰোঁ। বিভিন্ন ধৰণৰ পৰীক্ষা সমূহৰ বাবে আজিকালি এই মোবাইলতেই ইন্টাৰনেটৰ সহায় লৈ বিষয়বস্তু সম্পৰ্কে অৱগত হৈ বহুতে সফল হোৱাৰ উদাহৰণ বহু আছে। ইমান এটা ভাল সুবিধা হাতৰ মুঠিতে পাই দায়িত্বশীল নৱপ্ৰজন্মই অথলে যাবলৈ নিদিয়ে । তেনে স্থলত তেওঁলোকে মোবাইলৰ যোগেদি কি কি দিশত আগবাঢ়িছে এইবোৰ কোনোদিনে জানিবলৈ চেষ্টা নকৰাকৈ এচামে পোনচাটেই নৱপ্ৰজন্মক দোষাৰোপ কৰিছে। সকলোৰে কথা মই কোৱা নাই। কিছুৱে মোবাইলৰ বেয়া দিশটোৰ প্ৰতি আকৰ্ষিত হৈ নিজৰ ধ্বংস নিজে মাতিছে। কিন্তু


সেই সকলৰ মাজৰ বহু এনেও আছে যি সামান্য মোবাইলটোৰ জৰিয়তে নিজকে জিলিকাইছে। কোনো এক বস্তুৰ সঠিক ব্যৱহাৰ সম্পৰ্কে কোনো ধাৰণা নোহোৱাকৈ নৱপ্ৰজন্মক দোষাৰোপ কৰাৰ যুক্তি ক'ত? তেতিয়াৰ যুগত তেওঁলোকে যিখিনি পাইছিল তেনেকৈ চলিছিল আৰু এতিয়া আমি যিখিনি পাইছোঁ তাৰ সৈতে পাৰ্যমানে নিজকে খাপ খুৱাবলৈ চেষ্টা কৰিছোঁ। আমাৰ ভৱিষ্যত প্ৰজন্মই হয়তো আৰু নতুন উদ্ভাৱনৰ সৈতে চিনাকি হ'ব। এইটোৱেই নিয়ম। এটা বস্তুকেই খামুচি ধৰি থাকিলে পৰিৱৰ্তন তথা বিকাশ কাহানিও সম্ভৱ নহয় । হেৰী জনচনৰ মতে,"মানুহৰ কাৰ্যপদ্ধতি আৰু চিন্তাচৰ্চাৰ সংশোধনেই হ'ল সামাজিক পৰিৱৰ্তন।" আগৰ কিছু নিয়ম সংশোধন হৈ শুদ্ধ হ'লেহে পৰিৱৰ্তন সম্ভৱ হ'ব। আমি সকলোৱে সংগ্ৰহালয় দেখিছোঁ। ভালদৰে মন কৰিলে দেখা যায় যে, এই সংগ্ৰহালয় সমূহৰ এটা উল্লেখযোগ্য কাৰণ হ'ল যুগৰ পৰিৱৰ্তন। আমি সংগ্ৰহালয়লৈ গ'লে দেখিবলৈ পাওঁ আগৰ দিনত ব্যৱহৃত কিছুমান বস্তু তাত থৈ দিয়ে যাতে সকলোৱে আমাৰ উত্তৰ প্ৰজন্মৰ জীৱন শৈলী তথা তেওঁলোকৰ ব্যৱহৃত বিভিন্ন বস্তু সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰোঁ। বহু বস্তু যিবোৰ আমাৰ মাজত বৰ্তমানে ব্যৱহৃত নহয় সেইবোৰ বস্তু আমি সংগ্ৰহালয়ত দেখিবলৈ পাওঁ। তাহানিৰ পৰাই প্ৰতিদিনে পৃথিৱীয়ে নতুন বস্তুৰ সৈতে চিনাকি হৈছে বাবেই বহু টান কামো আজিৰ যুগত উজু হৈ পৰিছে। এই ক্ষেত্ৰত আমি নতুনক দলিয়াই পুৰণিবোৰকেই আজীৱন খামুচি থাকিলে কাহানিও আগবাঢ়িব নোৱাৰিম নতুনৰ দিশে। যুগৰ পৰিৱৰ্তন আমি স্বীকাৰ কৰিবই লাগিব । আমি যদি দেশৰ শাসন ব্যৱস্থাৰ কথাই চাবলৈ যাওঁ তেনেহ'লে আমি দেখা পাম যুগৰ পৰিৱৰ্তনৰ লগে লগে শাসন ব্যৱস্থাৰো বহু পৰিৱৰ্তন আহিছে। আগতে ৰাজতন্ত্ৰ আছিল এতিয়া গণতন্ত্ৰ হ'ল। আমি যদি এতিয়াও গণতন্ত্ৰক অমান্য কৰি ৰাজতন্ত্ৰক শুদ্ধ বুলি ধৰি থাকোঁ আমাৰ উন্নতি কেতিয়াও নহয় । তেতিয়াৰ যুগত ৰাজতন্ত্ৰই সঠিক আৰু শুদ্ধ আছিল, কিন্তু বৰ্তমান যুগৰ পৰিৱৰ্তনৰ লগে লগে গণতন্ত্ৰই বেছি প্ৰাধান্য পালে।

সেয়ে কওঁ, সকলো কথাতে নৱপ্ৰজন্ম আৰু তেওঁলোকৰ মোবাইলটোক দোষাৰোপ কৰাৰ আগতে এটা কথা ভবা উচিত যে, তেওঁলোকে জীৱনৰ এই বয়সলৈকে যিখিনি কৰিব নোৱাৰিলে তেনে কাম আজিৰ প্ৰজন্মই অনায়াসে সম্পাদন কৰে। বৰ্তমান মোবাইলটোৰ বাবে বহুতেই ফেচবুকৰ জৰিয়তে নিজ নিজ প্ৰতিভা সমূহৰ যিটো হাৰত বিকাশ কৰিছে সেইয়া হয়তো তেওঁলোকৰ দৰে লোকে কোনোদিনে কল্পনা কৰিব নোৱাৰে। সামান্য মোবাইলটোৰ জৰিয়তে কোনোবাই যদি নিজ জীৱনত সফল হৈছে, কোনোবাই আকৌ স্বাৱলম্বিতাৰ দিশে আগবাঢ়ি গৈছে। কোনোবাই যদি দহৰ হকে কিবা কৰিছে, কোনোবাই আকৌ সাহিত্যৰ পথাৰত নিজকে জিলিকাই তুলিছে। সম্বল একমাত্ৰ সেই মোবাইলটো। মোবাইলটো যে সকলোৱে ভাল কামত খটুৱাইছে সেই কথা মই ক'বলৈ নাযাওঁ। কিন্তু কেইটামানৰ বাবে নৱপ্ৰজন্মৰ সকলো ল'ৰা-ছোৱালীক দোষাৰোপ নকৰিব। নৱপ্ৰজন্মক উৎসাহ দিব নোৱাৰিলেও হেয় জ্ঞান নকৰিব।

ফোন:- ৮০১১৯০৭৬১৫

# মহাত্মা গান্ধীৰ স্বৰাজৰ ধাৰণা আৰু বৰ্তমান ইয়াৰ প্ৰাসংগিকতা

■ দেৱীনা পামেগাম পেগু



মহাত্মা গান্ধী আমাৰ সকলোৰে মাজত জনপ্ৰিয় আৰু এক পৰিচিত নাম । তেওঁৰ আঁচল নাম হৈছে মোহনদাস কৰমচাঁদ গান্ধী। মহাত্মা গান্ধীৰ জন্ম ১৮৬৯ চনৰ ২ অ'ক্টোবৰত গুজৰাটৰ পোৰবন্দৰত হৈছিল ।মহাত্মা গান্ধীৰ দেউতাক ৰাজকুটৰ দেৱান আছিল। আৰু মাক এগৰাকী ধৰ্মপ্ৰাণ মহিলা হোৱাৰ বাবে তেওঁৰ ওপৰত সৰুৰে পৰা মাকে ধৰ্মৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। ঠিক তেনেদৰে দেউতাকো ধাৰ্মিক লোক আছিল সেইয়ে তেওঁ ধাৰ্মিক বাতাবৰণৰ মাজত থাকি ডাঙৰ দীঘল হোৱাৰ সুবিধা পাইছিল।

আমি সাধাৰণ অৰ্থত 'স্বৰাজ' শব্দই স্ব শাসন বা স্ব নিয়ন্ত্ৰণক বুজোঁ। কিন্তু মহাত্মা গান্ধীৰ মতাদৰ্শৰে বিশ্লেষণ কৰিলে স্বৰাজৰ শব্দৰ অৰ্থ অতি ব্যাপক। সহজ ভাষাত স্বৰাজ বুলিলে পৰাধীনতাৰ শিকলি ছিঙি এটা জাতিৰ স্বাধীনতা লাভৰ কথাকে বুজায়। আমাৰ ভাৰতীয় সকলৰ ক্ষেত্ৰত স্বৰাজ মানে হ'ল ব্ৰিটিছৰ শাসনৰ অৱসান ঘটাই স্বাধীনতা লাভ কৰা। ব্ৰিটিছৰ পৰাধীনতাৰ কবলৰ পৰা মুক্ত হ'বলৈ কৰা স্বাধীনতা আন্দোলনৰ বহু নেতাই স্বৰাজ শব্দটো ব্যৱহাৰ কৰিছিল। ঠিক তেনেকৈ জাতীয়তাবাদী নেতা বাল গংগাধৰ তিলকে মুক্ত কন্ঠে ঘোষণা কৰিছিল স্বৰাজ আমাৰ জন্ম স্বত্ব অধিকাৰ।


মহামানৱ মহাত্মা গান্ধীৰ মতে,স্বৰাজ হ'ল অহিংস পথেৰে অৰ্জন কৰা স্ব শাসন বা স্বাধীনতা।স্বৰাজৰ ধাৰণা ব্যাখ্যা কৰি গান্ধীয়ে কৈছিল সম্ভৱ হলে ব্ৰিটিছৰ সাম্ৰাজ্যৰ অধীনত থাকিয়েই স্বাধীনতা লাভ কৰা আৰু ই যদি নহয় ব্ৰিটিছৰ সাম্ৰাজ্যৰ পৰা ওলাই আহি আহি স্বাধীনতা অৰ্জন কৰা। মহাত্মা গান্ধীয়ে তেওঁৰ ৰচনা 'হিন্দ স্বৰাজ' (১৯০৯) তেওঁৰ স্বৰাজৰ সম্পৰ্কে ব্যাখ্যা আছে। তেওঁৰ মতে বস্তুগত সুখ লাভ বা ক্ষমতাৰ হস্তান্তৰ মানেই 'হিন্দ স্বৰাজ ' নহয় ।সকলোৱে নোপোৱা পৰ্যন্ত ময়ো একো নলও এই চেতনা আমাৰ মাজত আহিলেহে স্বৰাজ আহিব।সকলোৰে বাবে সকলো সমাজেই হ'ল স্বৰাজ। এই সমাজত জাতপাত, সক্ষম -অক্ষম ,ধনী- দুখীয়া, উচ্চ-নীচ এই ধৰণৰ কোনো জাতিভেদ নাথাকিব। মহাত্মা গান্ধীৰ মতে স্বৰাজৰ উদ্দেশ্য হ'ল বৈদেশিক শাসনৰ অপসাৰণ ,নৈতিকতাৰ বিকাশ,পূৰণ অৰ্থনৈতিক সহযোগিতা আদি। কেইজনমান মানুহ ক্ষমতাৰ অধিকাৰী হ'লেই স্বৰজ বুলি নকয়। ক্ষমতাৰ অপব্যৱহাৰ ৰোধ কৰাত কৰাত প্ৰতিগৰাকী লোক সমৰ্থবান হ'ব লাগিব, তেতিয়াহে স্বৰাজৰ সৃষ্টি হ'ব।

গান্ধীজীৰ মতে , স্বৰাজ এক কাল্পনিক আদৰ্শৰ নহয়।স্বৰাজ বুলিলে এক আদৰ্শ চৰকাৰক বুজায়,যি গণতান্ত্ৰিক আদৰ্শৰে পৰিচালিত। এনেধৰণৰ চৰকাৰ সকলো শ্ৰেণীৰ লোকৰ প্ৰতিনিধিত্বৰে স্থাপিত এখন চৰকাৰ। এনে প্ৰকৃতিৰ চৰকাৰ কোনো দুৰ্নীতি নাথাকে বা ক্ষমতাৰ অপব্যৱহাৰ নহব। মহাত্মা গান্ধীৰ নিজৰ ভাষাত " স্বৰাজ বুলিলে মই এনে এখন ভাৰত চৰকাৰক বুজোঁ যিখন চৰকাৰ জনসাধাৰণৰ মতামতৰ ওপৰত প্ৰতিষ্ঠিত, যিখন ৰাষ্ট্ৰত অধিক সংখ্যক প্ৰাপ্তবয়স্ক লোকে ,পুৰুষ - মহিলা উভয়ে সেৱা আগবঢ়াইছে আৰু নিজকে নাগৰিক হিচাপে পৰিচয় দিছে। " তেওঁ পুনৰ কয় যে মুষ্টিমেয় কেইজনমান লোকৰদ্বাৰা চৰকাৰ গঠনৰ ক্ষমতা পালেই স্বৰাজ লাভ কৰাটো নুবুজায়। অধিকসংখ্যাক লোকে ৰাজনৈতিক ক্ষমতা পালেহে প্ৰকৃত অৰ্থত স্বৰাজ প্ৰতিষ্ঠা হ'ব। তেওঁৰ মতে বেলেগ দেশৰ শাসন ব্যৱস্থাৰ আলমত ভাৰবৰ্ষৰ ৰাজনৈতিক ব্যৱস্থা গঢ়ি তোলা মানেই স্বাধীনতা লাভ কৰা নুবুজায়।এই দেশৰ পৰিৱেশ পৰিস্থিতি অনুযায়ী ৰাজনৈতিক ব্যৱস্থা গঢ়ি উঠাটো দৰকাৰ। তেওঁ এনে এক শাসন ব্যৱস্থাৰ পোষকতা কৰিছিল য'ত সকলো লোকৰে অংশ থাকে, মৰ্যাদা থাকে,য'ত দুৰ্নীতি নাথাকে ,ক্ষমতাৰ অপব্যৱহাৰ নহয়। এনে ব্যৱস্থাত ৰাষ্ট্ৰৰ সকলো ক্ষমতা জনসাধাৰণৰ হাতত নিহিত থাকিব।জনসাধাৰণৰ শক্তিয়ে সৰ্বোচ্চ শক্তি। ইচ্ছা কৰিলেই যেন জনসাধাৰনে সত্যাগ্ৰহৰদ্বাৰা আইন অমান্য কৰি বিধানমণ্ডল নিষ্ক্ৰিয় কৰিব । অৰ্থাৎ শাসন সদায় জনসাধাৰণৰ নামত উছৰ্গিত হ'ব লাগিব। এনে শাসন ব্যৱস্থাক 'ৰাম ৰাজ্য ' অভিহিত কৰিছিল। তেওঁৰ মতে আদৰ্শ ৰাষ্ট্ৰই ৰাম ৰাজ্য। এনে ৰাষ্ট্ৰত কোনো ৰাজনৈতিক ক্ষমতা নাথাকে । "স্বৰাজৰ ৰাজনৈতিক ক্ষমতাই এটা লক্ষ্য হ'ব নোৱাৰে বুলি তেওঁ ইয়ং ইণ্ডিয়া কাকত লিখিছিল। স্বৰাজৰ উদ্দেশ্য হৈছে জাতীয় প্ৰতিনিধিৰ জৰিয়তে জাতীয় জীৱন স্ব নিয়ন্ত্ৰিত কৰা। এনে হ'লে ৰাজনৈতিক প্ৰতিনিধিৰ কোনো প্ৰয়োজন নাথাকিব।প্ৰত্যেক মানুহে নিজে নিজক শাসন কৰিব। উচ্চ চেতনা বিশিষ্ট নৈৰাজ্য বুলি তেতিয়া অভিহিত কৰিব পাৰিব।

মুঠৰ ওপৰত মহাত্মা গান্ধীৰ মতে যি শাসন ব্যৱস্থাত চৰকাৰৰ ন্যূনতম অংশ গ্ৰহণ আৰু শাসন ব্যৱস্থাত চৰকাৰৰ ন্যূনতম নিয়ন্ত্ৰণ থাকে তেনে শাসনেই সৰ্বোৎকৃষ্ট। শাসনত জনসাধাৰণৰ নিয়ন্ত্ৰণ থাকিব ,জনসাধাৰনে কৰ্তৃপক্ষক নিয়ন্ত্ৰণ কৰিব। নিয়ন্ত্ৰণ কৰাৰ যেতিয়া সম্পূৰ্ণ ক্ষমতা জনসাধাৰণে লাভ কৰিব তেতিয়াই স্বৰাজ প্ৰতিষ্ঠা হ'ব। তেওঁৰ মতে এই স্বৰাজেই আদৰ্শ ৰাষ্ট্ৰ । তেনে ৰাষ্ট্ৰ তেওঁৰ ভাষাত ৰাম ৰাজ্য। তেওঁৰ ৰামৰাজ্যত অহিংসা নীতি অৱলম্বন সকলোৰে ভোটাধিকাৰ ,সকলোৰে বাবে শিক্ষা,জনকল্যাণ আদৰ্শৰ আৰু ক্ষমতাৰ বিকেন্দ্ৰিকৰন নীতি থাকিব। এই নীতিসমূহে একোখন স্বয়ং সম্পুৰ্ণ গ্ৰাম্যৰাজ্য প্ৰতিষ্ঠা কৰিব ।এই স্বয়ং সম্পূৰ্ণ গাওঁসমূহক লৈয়ে ৰামৰাজ্য গঠন হ'ব ।তেওঁৰ মতে প্ৰত্যেক গাঁও একোখন স্বয়ং সম্পূৰ্ণ গাঁও হ'লেহে প্ৰকৃত গণৰাজ্য প্ৰতিষ্ঠা হ'ব।

বৰ্তমানৰ প্ৰেক্ষাপটটো কেতিয়াবা বাৰুকৈয়ে অনুভৱ কৰোঁ মহাত্মা গান্ধীৰ স্বৰাজৰ প্ৰয়োজনীয়তা। য'ত জাতি ,বৰ্ণ ,ধৰ্ম একাকাৰ হৈ মুক্তকন্ঠে গাব পাৰিব স্বাধীনতাৰ গান। য'ত মুষ্টিমেয় লোকৰ হাতত ক্ষমতাৰ ভাগ বিতৰণ নহয় সমগ্ৰ জনসাধাৰণৰ উন্নয়নৰ স্বাৰ্থত সকলো অৰ্পণ কৰে। ব্যক্তিগত স্বাৰ্থতকৈ ৰাজহুৱা উন্নয়নৰ কথা ভাৱে। ৰাজনীতিৰ বিষ বাষ্পবোৰ আঁতৰাই সমাজত হিংসা বিদ্বেষ,হত্যা,লুণ্ঠন ,ধৰ্ষণ আদিবোৰ ত্যাগ কৰি সৰ্বমংগলময় নীতিৰে গঢ়ি উঠক শান্তি সম্প্ৰীতিৰ এখন দেশ । নিঃশেষ হওক অন্যায়-অনীতি, খহি পৰক ধনী দুখীয়াৰ উচ্চ পাহাৰ। সুনিশ্চিত, সুৰক্ষিত ও সুস্থিৰ হওক সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক বাতাবৰণ। সম্প্ৰীতিৰ এনাজৰীডাল অটুট ৰাখি সকলো জনসাধাৰণৰ আশা ,আকাংক্ষাবোৰ পূৰ্ণ কৰি ভাৰতবৰ্ষৰ নাম বিশ্বৰ দৰবাৰত খোদিত হওক।

ফোন: ৯৮৬৪১৬৮৮৬২



# সোৱৰণীৰ দস্তাবেজ আৰু পৰিৱৰ্তনগামী সমাজ

■ কৰবী ভুঞা

কোনে ৰিঙিয়াই পদূলিৰ নঙলা খুলি আইৰ কোলাত বনৰীয়া ফুল বঙাল আমেজক পাহৰিম কিদৰে ল'ৰালি মানেই যেন জীৱনৰ স্বাদনা। ক'ত স্মৃতিৰ ৰঙীণ পৃষ্ঠাই আমনি ক'লে চকুৰ সমুখত। অতীত সদায় অনিন্দ্যসুন্দৰ ।সময়ৰ বোকোছাত উঠি আমি মানৱ জীৱনৰ বিভিন্ন পৰ্যায় অতিক্ৰম কৰো ।এই স্তৰসমূহৰ মাজত শৈশৱৰ সময় অতি ৰাগিলগা।

আবেলি ৰ'দালি; ক'তনো ধেমালি যয আহ উভতি আহ সোনালী ল'ৰালি যয কিমান ব্যস্তময় আমাৰ দিনবোৰ।পুৱা উঠি সময় নিৰ্ধাৰণ কৰা একমাত্ৰ আহিলা আছিল দেউতাৰ মৰমৰ ফিল্পিছৰ ৰেডিঅটো। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ভক্তিগীতি অনুষ্ঠানৰ পুৱাটো আৰম্ভ হৈছিল। বিদ্যাৰ্থী অনুষ্ঠান,আজিৰ দিনটো মনোযোগেৰে উঠি আঁঠ বজাৰ লগেঞ্জ লগে ইংৰাজী ভাষা বাতৰি শুনি শুনি গা ধুই , গীতাঞ্জলি অনুষ্ঠানত আধুনিক গীত দিলেই নাকে-কাণে ভাত গুজি ৮.৪৫ ৰ বাতৰি শুনি বিদ্যালয়লৈ দৌৰ মাঁৰো। বিদ্যালয়ৰ পৰা উভতি আহি আবেলিটো সমনীয়া লগত ক'ত কি ধেমালি, চেংগুটি, ৰুমাল দিয়া, টেকেলি ভঙা ,দৌৰা ক'তনো কি খেলৰ আবিৰ।

সন্ধিয়া ভৰি -হাত ধুই গোঁসাই-থাপনাত চিঞৰি গোৱা সেই প্ৰাৰ্থনা, তুমি চিও বৃত্তি মোৰ য বক্ষা আদি কৰি য কিমতে ভকতি য মই দুৰাচাৰ য তাৰপিছত পঢ়িবলৈ পাকঘৰত মাৰ ওছৰত থৈলা বস্তা পাৰি লেম্পৰ পোহৰত চিঞৰি গাও " নোৱাৰো কথাটি হেৰা বেয়া কথা বৰ" ,"একোকে নাখাওঞ্জ আজি একেবাৰে ভোক নাই" এতিয়াও মনত পৰিলে হাঁহি এটা বাগৰি যায়। সময়ে বাট ল'লে। পৰিবৰ্তনৰ কোবাল বতাহে ঢুৱালে সেই তাহানিৰ দিনবোৰক। জোনাক নিশা চোতালত তৰাঞ্জগণি সাধুঞ্জ শুনা দিনবোৰ,বৰষুণৰ দিনবোৰত কাগজৰ নাঁও খেলা সময়ক পৰা হ'লে বান্ধি ৰাখিলোঁ হেতেন।

সময় বাগৰিল, আজিৰ পৰিবৰ্তনৰ গৰাহত সকলো সলনি হ'ল। কিন্তু আজিৰ প্ৰজন্মৰ মাজত মোৰ অতীতক বিছাৰি নাপাওঁ আজিৰ প্ৰজন্মৰ শৈশৱটো ভিডিঅ গেম, অনলাইন শ্ৰেণী, মবাইলৰ বিভিন্ন এপছৰ মাজতে সীমাবদ্ধ।সাধু শুনাৰ সময় নাই পুৱাই পিঠিত কঢ়িয়াই গধুৰ বোজা,সময় নাই মুকলি আকাশত বতাহৰ বা ল'বলৈ। সকলো ফালে শ্বাসৰুদ্ধ পৰিবেশ ।সকলো দৌৰিছে প্ৰতিযোগীতাৰ দৌৰত। আধুনিকীকৰণৰ, গোলকীয় পৃথিৱীত মানবীয়তা,মমতা সকলো বজাৰৰ দৰঞ্জ-দাম কৰা সামগ্ৰী দৰে।

সময় এনেকুৱাই,পাৰ হৈ যায়। তথাপিও আমাৰ দায়িত্ব নিজক হাউলি নপৰাকৈ ধৰি ৰখাটো ।এজন ব্যক্তি যিমানেই প্ৰতিষ্ঠিত নহওক কিন্তু তেওঁৰ নিজৰ শিপাদাল সবল হ'লেহে সকলোতে সন্মান লাভ কৰিব। গতিকে সময় থাকোঁতেই বিচাৰ বিবেকৰ দ্বাৰা সুস্থ মানসিকতাৰে উঠি অহা প্ৰজন্মক আমাৰ নিজৰ শিপাডাল সবল, সুস্থিৰ কৰা শিক্ষা দিয়াটো প্ৰয়োজনীয়।

# কোনো দিনে উভতি নহা বাটেৰে বিদায় ল'লে অক্লান্ত উত্তৰ পুৰুষ দেৱৰাজ কলিতাই



মৰিতে চাহিনা আমি
এই সুন্দৰ ভূৱনে
মানৱৰ মাজে আমি বাচিবাৰ চাই
— (ৰবীন্দ্ৰনাথ ঠাকুৰ)

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে তেখেতৰ এটি কবিতাত মানৱতাৰ জয়গান এইদৰে গাইছিল।মানুহ কেতিয়াও পৰাজিত হ'ব নোৱাৰে।মানুহৰ আত্মা-বিবেকত আছে অমোঘ শক্তি।আমি যাৰ বাবে এই কলম তুলি লৈছোঁ,তেখেতো এগৰাকী তেনেই ব্যক্তি।তেখেত দেৱৰাজ কলিতা। ২০১৫ চনৰ ৩১ অ'ৈবৰত "উত্তৰ পুৰুষৰ মঞ্চ"ৰ উত্তৰ পূব গ্ৰন্থমেলাত অনুষ্ঠিত এখন গ্ৰন্থ উন্মোচনী সভাত তেখেতক প্ৰথম লগ পাইছিলোঁ।সিদিনাই তেখেতক মঞ্চলৈ আদৰি আনিছিলোঁ।তাৰ পিছত আৰু তেখেত ৰৈ থকা নাই।ইখনৰ পিছত সিখন সভাত মঞ্চৰ হৈ উপস্থিত হৈছে আৰু মঞ্চক গৌৰৱান্বিত কৰি আহিছিল।কিন্তু এই গৰাকী মহান ব্যক্তিয়ে কালি আমাৰ মাজৰ পৰা চিৰবিদায় ল'লে।

আত্মা অজৰ অমৰ,দেহৰ মৃত্যু হ'লেও আত্মা সদায় জীয়াই থাকে।মৃত্যু এক গভীৰ সত্য।মৃত্যুৰ পৰা কোনেও হাত সাৰিব নোৱাৰে।তথাপিও মানুহে নৰনাটত অনেক যশ কৃতিত্বক সামৰি লয় আৰু পৃথিৱীক এটি বৰ্ণাঢ্য জীৱনৰ সঁঞ্জফুৰা দি যায়। উত্তৰ পুৰুষৰ মঞ্চৰ প্ৰতি আস্থা আৰু সৌহাৰ্দ্য দেখুৱাই অহা সকলো ব্যক্তিয়ে আমাৰ বাবে শ্ৰদ্ধাৰ আৰু নমস্য।শ্ৰদ্ধাৰ দেৱৰাজ কলিতাদেৱো আমাৰ সকলোৰে শ্ৰদ্ধাৰ আৰু নমস্য।অনেক সমস্যা,দুখ যন্ত্ৰনাৰ মাজতো মঞ্চক অন্তঃকৰণেৰে ভাল পোৱা ব্যক্তিগৰাকীকো মঞ্চই শ্ৰদ্ধাৰে মঞ্চৰ মুখ্য উপদেষ্টাৰ পদত অধিষ্ঠিত কৰিছিল।মঞ্চই তেখেতক শ্ৰেষ্ঠ উপহাৰ হিচাপে তেখেতৰ জীৱনৰ সকলো ঘটনা-পৰিঘটনাক একত্ৰ কৰি "অক্লান্ত উত্তৰ পুৰুষ" নামৰ এখন গ্ৰন্থ জীৱন কালতেই দিবলৈ পাই ধন্য হৈছিল।মঞ্চৰ বাবে সদায় আগতেই মাত মতা ,আৰু আগবাঢ়ি যোৱা দেৱৰাজ কলিতাদেৱৰ ওচৰত মঞ্চৰ সকলো ব্যক্তিয়ে ঋণী।মঞ্চৰ প্ৰতিজনৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক থকাৰ উপৰিও প্ৰতিজন ব্যক্তিৰ ঘৰত তেখেতৰ পুন্য পদাৰ্পণ হৈছিল।আপোনভোলা ব্যক্তিজনে ক্ষণিকতে অভিমান কৰিলেও কেতিয়াও কাৰো প্ৰতিয়ে তিলমানে খেদভাব নাৰাখিল।কাজেই মানুহজন হৈ পৰিছিল,এটি শ্ৰদ্ধা আৰু আদৰ্শৰ প্ৰতীক।সেই গৰাকী ব্যক্তিক মঞ্চৰ বহুতেই পিতামহ,দেউতা,খুৰা,দাদা বুলিয়েই মাতিছিল।দুৰাৰোগ্য কৰ্কটৰোগত তেখেতে কণ্ঠ হেৰুৱাই পেলালেও সদায় অনিৰুদ্ধ হৈ চিলেট আৰু গণমাধ্যমৰ জড়িয়তে নিজৰ স্থিতি প্ৰকাশ কৰি আহিছিল। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত ব্যক্তি গৰাকী আছিল অসম পৰিসংখ্যা বিভাগৰ এগৰাকী বিষয়া।বিভিন্ন গ্ৰন্থৰ ৰচিয়তা কলিতাদেৱৰ আজি আকস্মিক বিয়োগ হোৱাত উত্তৰ পুৰুষৰ মঞ্চৰ লগতে সমগ্ৰ অসমবাসীয়ে মৃয়মান হৈছে।অন্তহীন প্ৰেৰণাৰ উৎস দেৱৰাজ কলিতাদেৱৰ ওপজা দিন হ'ল ১ মাৰ্চ।এই দিনটোক মঞ্চই প্ৰতিবছৰে সমতাৰ দিন হিচাপে পালন কৰি আহিছে।হাজোৰ বৰ্ষৈৰ শান্তি আশ্ৰমত অত্যন্ত আধ্যাত্মিক পৰিৱেশত ডাঙৰ দীঘল হোৱা দুৰন্ত তৰুণ কলিতাদেৱৰ পিতৃ ৰাজু ৰাম কলিতা আৰু মাতৃ পদ্মাবালা কলিতা।তেখেত আছিল তিনি ভাই-ভনীৰ জ্যেষ্ঠ সন্তান।সৰুৰে পৰা অত্যন্ত জটিল জীৱন যাপন কৰা দেৱৰাজ কলিতাদেৱে সেয়ে জীৱনৰ পূৰ্ণ বয়সত অনেক বঁঞ্চটা-সন্মান বুটলিবলৈ সক্ষম হৈছিল।আজি বিদায় বেলাত মঞ্চৰ তৰফৰ পৰা তেখেতৰ বিদেহ আত্মালৈ জনালোঁ সশ্ৰদ্ধ প্ৰণাম। এইগৰাকী সমাজকৰ্মীয়ে অন্তিম সময়ত তেখেতৰ একমাত্ৰ পুত্ৰ,বোৱাৰী,এগৰাকী কন্যা , নাতি-নাতিনী আৰু অনেক আত্মীয় গুণমুগ্ধক এৰি বৈকুণ্ঠগামী হয় । এই গৰাকী ব্যক্তিৰ জীৱনৰ পৰিসমাপ্তিত আমি সকলোৱে মৰ্মাহত হৈছোঁ।উত্তৰ পুৰুষৰ মঞ্চই তেখেতৰ আত্মাৰ সংগতি কামনা কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গৰ ওচৰত সমবেদনা জ্ঞাপন কৰিলোঁ — এই শব্দৰ মালিতাৰে

**অক্লান্ত উত্তৰ পুৰুষ**

মৌন ওঁঠত শিলৰ কবিতা
প্ৰতিনিয়ত লৈ ফুৰা শিলাময়
কবিতাৰ
অনলব্ধ গাথা

তেৱেঁই দেৱৰাজ কলিতা
তেৱেঁই অক্লান্ত
যোগাত্মক চিন্তাৰ প্ৰতিভূ তুমি
তুমি বিপদৰ এষাৰি মাত
যদিওবা মৌন তোমাৰ কণ্ঠ
তুমি এক কল্লোল
মানৱ সাগৰৰ

তুমি ভাল পোৱা মানুহক
তুমি নিৰ্বিবাদে এক আন্দোলন
উচ্চ স্বৰৰ

তুমি এক প্ৰতিবাদ
ভূলুণ্ঠিত মানৱতাৰ
তুমি স্বাধীনতাৰ প্ৰিয় শব্দ

তুমিয়ে দেৱৰাজ
তুমি মহাসংগ্ৰাম
তুমি ক্লান্তহীন পুৰুষ

তোমাক প্ৰণাম
কোনো দিনেই আৰু নাহিব
এই মৰতত তোমাৰ প্ৰতিজন
তুমি এক আৰু অনন্য।
অশ্ৰু অঞ্জলিৰে—

**দিবাকৰ ৰেণু**
ফোন: ৮৬৩৮১৪৩৮১৫

# বিশিষ্ট সমাজকৰ্মী ধীৰেন কুমাৰ বৰ্মন

## এক সাংস্কৃতিক সত্তা

■ ধ্ৰুৱজোতি মালাকাৰ

নলবাৰী জিলাৰ ইতিহাস প্ৰসিদ্ধ ঠাই বেলশৰ অৰ্থাৎ ঐতিহ্যমণ্ডিত বিল্বেশ্বৰ দেৱালয় ।ইতিহাস লিপিবদ্ধ হৈ থকা পশ্চিম নলবাৰীৰ এখন প্ৰাচীন গাঁও । আহোম ৰজাৰ ৰাজত্ব কালৰে পৰা গৰিমা মণ্ডিত সেই বিল্লেশ্বৰ দেৱালয় আজিও স্বৰ্ণসৌধ হিচাপে জিলিকি আছে । চালে দৃষ্টি আকৰ্ষণ কৰা, নান্দনিক ধৰ্মীয় পৰিৱেশত জিলিকি থকা ঐতিহ্যমণ্ডিত এই বিল্বেশ্বৰ দেৱালয় । এয়াই আধ্যাত্মিক চিন্তা আৰু চেতনা এটি বিশেষ থলী । এই গাওঁতে এটি সাংস্কৃতিক পৰিবেশত জন্ম হৈছিল ধীৰেন কুমাৰ বৰ্মনৰ । যিটো সময়ত কেঁচুৱা ভূমিষ্ঠ হোৱাৰ লগে লগে মাকে নিচুকনি গীত গাই শুৱাই থয়,সেই সময়ত ধীৰেন কুমাৰ বৰ্মনক দেউতাকে হয়তো নাটকৰ সংলাপ বিবেক গান আদি শুনাই নিচুকাই টোপনি নিয়াইছিল । কাৰণ বৰ্মন দেৱৰ পিতৃ প্ৰয়াত পৰশুৰাম বৰ্মন আছিল সেই সময়ৰ এজন প্ৰক্ষাত যাত্ৰা দলৰ শিল্পী । সুদীৰ্ঘ ৩৫ বছৰ কাল অসমৰ বিভিন্ন যাত্ৰা নাট্য দলত বিবেক গায়ক , অভিনেতা আৰু দল পৰিচালক হিচাবে নিষ্ঠা আৰু সততাৰে কাৰ্যনিৰ্বাহক কৰিছিল। বছৰৰ অধিক সময় নাট্য দল সমূহত লাগি থকান কাৰণে প্ৰয়াত পৰশুৰাম বৰ্মনে কিছু পৰিমানে ঘৰ সাংসাৰৰ প্ৰতি উদাসীন হৈ পৰিছিল । সেই কাৰণে ধীৰেন কুমাৰ বৰ্মনৰ মাতৃয়ে স্থানীয় প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্ত্তি কৰিছিল । জন্মস্থান পশ্চিম নলবাৰীৰ বেলশৰত চতুৰ্থশ্ৰেণীলৈ পঢ়াৰ পিছত পঞ্চম শ্ৰেণীৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষালৈ তেখেতে মোমায়েকৰ লগত থাকি কলিয়াবৰত পঢ়িবলৈ লৈছিল । তাৰ পিছত পুনৰ জন্ম ঠাই বেলশৰৰ পৰা নলবাৰীলৈ আহি নলবাৰীত নিগাজীকৈ থাকি নলবাৰী মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে ।


হাইস্কুলত পঢ়ি থকা দিনৰে পৰা বৰ্মনে দেউতাকৰ পদাংক অনুশৰণ কৰি নাটকৰ লগত জড়িত হৈ পৰে। পৰৱৰ্ত্তী সময়ত পেচাত এগৰাকী চৰকাৰী চাকৰিয়াল যদিও নাটকৰ সতে সহবাস কৰি সমাজখনলৈ নাট্যবাৰ্ত্তা প্ৰেৰণ কৰিবলৈ সক্ষম হয়। প্ৰথম অৱস্থাত অসমৰ বিভিন্ন ঠাইত একাংকিকা নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বিভিন্ন মঞ্চৰ পৰা বঁটা লাভ কৰিবলৈ সক্ষম হয়। সেয়াই আৰম্ভণি। শ্ৰোতা দৰ্শকৰ পৰা লাভ কৰা বাঃ বাঃ আৰু হাত চাপৰিকে মূলধন আৰু আশীৰ্বাদ স্বৰূপে গ্ৰহণ কৰা বৰ্মনে নাট্য জগত খনত বলিষ্ঠ খোজ পেলাবলৈ সক্ষম হল। পিছলৈ ঘূৰি চাব লগা হোৱা নাই। ইখনৰ পিছত সিখন নাট মঞ্চস্থ কৰি কম দিনৰ ভিতৰতে এটি চিনাকি নাম হৈ পৰিল ধীৰেন কুমাৰ বৰ্মন। সম সাময়িক ভাবে হাইস্কুলীয়া ছাত্ৰ অৱস্থাত বিশিষ্ট নাট্যকাৰ নাৰায়ণ মেধিৰ ঞ্ছ"মুক্তি"ঞ্ছ ৰ যোগেদি পূৰ্ণাংগ নাটত অভিনয় কৰি আজি পৰ্য্যন্ত প্ৰায় চল্লিশ বছৰ ধৰি ধাৰাবাহিক ভাবে নাট্য সাহিত্যৰ সতে জড়িত হৈ আছে।

মঞ্চ অভিনেতা তথা নাট্য সংগঠক ধীৰেন কুমাৰ বৰ্মনৰ জীৱনত অন্য এটা টাৰ্ণিং পইণ্ট হল চ'ক বজাৰত প্ৰতিষ্ঠিত ঞ্ছ"নাটঘৰ"ঞ্ছ । এই নাটঘৰ যোগেদি স্থানীয় অগ্ৰজ অনুজ সকলক লগত লৈ ভালেকেইখন নাট ৰাইজক উপহাৰ দিছে। সদ্য প্ৰয়াত প্ৰদীপ কুমাৰ গোস্বামী সমন্বিতে জ্যেষ্ঠ অভিনেতা মুকুল গোস্বামী , বাণীগোস্বামী, নৱ শৰ্মা,বুবুল নায়ক,পংকজ দাস,হীৰু তালুকদাৰ, বসন্ত কুমাৰ হালৈ,হিমৰাজ গোস্বামী, মামনী দাস,মমী কলিতাকে আদি কৰি সকলো শিল্পীক এক গোট কৰি নাট মনস্থ কৰিছিল। নলবাৰী চক বজাৰৰ ঐতিহ্যমণ্ডিত পাণ্ডাৰ থানত হোৱা শ্ৰী শ্ৰী মহাবিষ্ণু যজ্ঞত নাটক কৰাটো এক প্ৰকাৰৰ নিয়ম হৈ পৰিছিল আৰু এই নাট সমূহৰ অন্যতম গুৰিয়াল আছিল ধীৰেন কুমাৰ বৰ্মন । অকল নাটঘৰৰ যোগেদি চকবজাৰতেই নহয় নলবাৰী নাট্য মন্দিৰ আৰু মুগকুছি মিলন নাট্য গোষ্ঠী আৰু বলোৱা প্ৰগতি সংঘতো বৰ্মনদেৱে অভিনয় কৰিছিল। তেখেতৰ উল্লেখযোগ্য অভিনীত নাট সমূহ আছিল- জতু গৃহত জয়া, মুক্তি, আঘাত, চন্দ্ৰগ্ৰহণ,পবিত্ৰ নিৰ্মালী,মুখ্যমন্ত্ৰী, শকুনিৰ প্ৰতিশোধ, সোনৰ হৰিন,মুকুটা, আঙ্গীকাৰ, জোনবেলী, বলাৎকাৰ, ৰিক্সাৱালা, শৰশয্যা, ও হৰি মোহোহো, স্বাধীনতা, মহানদী গঙ্গা,হেপাহ, দান-প্ৰতিদান, এখন বেয়া নাটক,ৰজনী বিদুৰ ভৈল, বনৰীয়া ফুল,সাগৰৰ সাঁকো, চাং বাংলাৰ মমতাজ, কালমেঘ, ভাগ্য, মই বিয়াত নবহো, নিষিদ্ধ নদীৰ ধল, মোক স্বামী নালাগে, জুই আদি বহুতো।

গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ যোগেদি জতুগৃহত জয়া টেলি ফিল্মখন বহুত বাৰ প্ৰচাৰ হৈছে। তাতো শ্ৰীবৰ্মনে এটা গুৰুত্বপূৰ্ণ আৰু জটিল চৰিত্ৰত অভিনয় কৰিছিল। ভালেকেইখন টেলিফিল্ম, VCD ছবি,চুটি ছবি আৰু পূৰ্ণ দৈৰ্ঘ্য ছবিতো বৰ্মনদেৱে অভিনয় কৰি প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে।

বৰ্মনদেৱে বৰ্ত্তমানে নলবাৰী পৌৰসভাৰ মুখ্য সহায়ক ও কৰ-ডাৰোগা হিচাবে চাকৰিত কাৰ্যনিৰ্বাহ কৰি থকাৰ লগতে সদৌ অসম পৌৰনিকায় কৰ্মচাৰী সন্থাৰ প্ৰচাৰ সম্পাদক দৰে এক গধুৰ দায়িত্ব অৰ্পণ কৰি সন্থাক বিভিন্ন দিশত আগবঢ়াই নিয়াৰ বাবে আপ্ৰান প্ৰচেষ্টা চলাই আছে। লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো ওতঃপ্ৰত ভাবে জড়িত হৈ আছে।

বৰ্মন এগৰাকী অভিনেতাই নহয়, এগৰাকী ভাল আবৃত্তি কাৰকো আছিল। বিভিন্ন মঞ্চত শ্ৰী বৰ্মনে কবিতা আবৃত্তি কৰা আমি প্ৰত্যক্ষ কৰিছো। জ্যেষ্ঠ কনিষ্ঠ সকলোৰে লগত মিলি জুলি কাম কৰিব পৰা গুণটো আছিল বৰ্মনৰ এক মহৎ গুণ। জ্যেষ্ঠ কনিষ্ঠ সকলোৰে লগত মিলি জুলি কাম কৰিব পৰা গুণটো আছিল বৰ্মনৰ এক মহৎ গুণ। তেখেত আছিল নাট্য সাহিত্যৰ এগৰাকী একনিষ্ঠ সেৱক। প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা দিনটোৰ পৰা আজিৰ দিনলৈ এক গতানুগতিক জীৱন পৰিক্ৰমা। কিন্তু বৰ্মনদেৱৰ জীৱনৰ ৰাস্তাটো ইমান মসৃণ নাছিল। নানা ঘাট প্ৰতিঘাট,অভাৱ অনাতনৰ মাজত বৰ্মনে তেখেতৰ জীৱনৰ নাওখন মেলি দিব লগীয়া হৈছিল। লৰালি কালৰ পৰাই কষ্ট আৰু অভাৱে তীব্ৰ বেগেৰে খেদি ফুৰিছিল যদিও তেওঁ ও গতিৰে আগে আগে দৌৰিছিল আৰু শেষত তেওঁ জয়ী হৈছিল। আজিৰ তাৰিখত বৰ্মন এজন সফল ব্যক্তি। নলবাৰী চহৰৰ গাতে লাগি থকা ঐতিহ্যমণ্ডিত চক বজাৰত পাণ্ডাৰ থান



আছিল দক্ষিণ পূব পূব নলবাৰীৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ। বিশেষকৈ নাট্য সাহিত্যৰ ক্ষেত্ৰত চকবজাৰ আছিল নাটকৰ মন্দিৰ। যত মুখ্য পুৰোহিত হিচাবে থিয় দিছিল ধীৰেন কুমাৰ বৰ্মন।

ধীৰেন কুমাৰ বৰ্মনৰ জীৱনৰ অন্যতম দিশ হল মহানতা। আনক সহায় কৰি ভাল পোৱা এজন ব্যক্তি। যেন এডাল মমবাতিহে। মমবাতি ডালে যেনেকৈ নিজে পুৰি পুৰি শেষ হৈ আনক পোহৰ দিয়াত কৃপনালি নকৰে ঠিক তেনেকৈ বৰ্মন দেৱেও আনক সহায় কৰাত কৃপনালি নকৰে। কৰোনা মহামাৰীৰ সময়ত বিভিন্ন জনক আৰ্থিক সাহায্য প্ৰদান কৰাৰ উপৰিও নলবাৰী আৰু ইয়াৰ উপকন্ঠ অঞ্চলৰ প্ৰায় ভাগ সামাজিক,সাংস্কৃতিক অনুষ্ঠান প্ৰতিষ্ঠানৰ আৰ্থিক সাহায্য প্ৰদান কৰি তেখেতে মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে।

অকল যে এগৰাকী নাট্য কৰ্মী হিচাবে জন মানসত প্ৰতিষ্ঠিত হৈছিল তেনে নহয়। সামাজিক দিশতো তেখেতৰ ভূমিকা আছিল অতুলনীয়। বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত হৈ নিজৰ কৰ্ম দক্ষতাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। সমান্তৰাল ভাৱে ধীৰেন কুমাৰ বৰ্মনে ৰাজনীতিতো জড়িত হৈ আহিছে। ফলস্বৰূপে ১৯৯৬ চনত অসম বিধান সভাৰ সাধাৰণ নিৰ্বাচনত ধৰ্মপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতাও কৰিছিল।

সাংসাৰিক জীৱনত এজন সুখী ব্যক্তি বৰ্মনদেৱ। লৰা-ছোৱালী হালক মানুহ কৰাৰ স্বাৰ্থত যথেষ্ট কষ্ট ত্যাগ স্বীকাৰ কৰিব লগীয়া হৈছে। এই ক্ষেত্ৰত সফলো হৈছে তেওঁ।

ব্যৱসায়ৰ ক্ষেত্ৰত শ্ৰী বৰ্মন যথেষ্ট আগ্ৰহী। নলবাৰী চহৰৰ এখন অতি জনপ্ৰিয় হোটেল মনোজ হোটেল। নিজ ভাতৃ মনোজ বৰ্মনে প্ৰতিষ্ঠা কৰা হোটেল খন দুয়ো একেলগে সহযোগিতাৰে চলাই আছে।


মুঠৰ ওপৰত কি সাহিত্য, কি সংস্কৃতি,কি নাট্য সংগঠক,কি নাটক,কি ব্যৱসায়,কি ৰাজনীতি, কি আৰু কি সমাজকৰ্মী সকলোতে বৰ্মনদেৱে আগৰণুৱা। প্ৰকৃতাৰ্থত এজন সফল ব্যক্তি। ভগবানৰ ওচৰত প্ৰাৰ্থনা-বৰ্মনৰ দৰে দেশৰ আৰু দহৰ হকে আত্ম নিয়োগ কৰা ব্যক্তি সকলক সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু প্ৰদান কৰক।

# শক্তি ৰূপেন্ সংস্থিতা আৰু সম্প্ৰীতি

■ মইনুল হক

ফেচবুকত বিভিন্নজনৰ বিভিন্ন বৰ্ণবাদী অভিজ্ঞতাসমূহ পঢ়ি বৰ দুখ পাওঁ। কবলৈ অকণো দ্বিধাবোধ নাই যে সৰুতে আমাৰ আনন্দৰ উৎসৱ আছিল, ঈদ, মহৰম আৰু দুৰ্গা পূজা।

সঁচাকৈয়ে দিনবোৰ সলনি হল নে আমিবোৰ সলনি হলো নাজানোঁ মই তেতিয়া RBP স্কুলৰ ক্লাছ vi ৰ ছাত্ৰ, আমাৰ গাঁওৰ ঘৰৰ পৰা দক্ষিণ শালমাৰা বজাৰ প্ৰায় 5 কি: মি: ৰাতি অকলে যোৱাৰ বজাৰ সাহস নহৈছিল আনকি ঘৰৰ পৰাও যাব দিয়া নাছিল, দুৰ্গা পূজাৰ বতৰ ,স্কুলত পূজাৰ বন্ধৰ আগদিনা বন্ধু পৰিমল দে'ই কলে - দোস্ত আহিবি একেলগে পূজা চাম, এনে বুঢ়ী নাচনী তাতে আকৌ আমন্ত্ৰণ, এইখিনিতে কওঁ যে আমাৰ দুজনৰ মাজত এক অপূৰ্ব মিল আছিল সেয়ে সি আৰু মই দোস্ত পাতিছিলো । এদিন সি মোক তাৰ ঘৰলৈ নি তাৰ মাকৰ আগত চিনাকি কৰাই দিছিল দোস্ত বুলি , মাকে মোৰ নাম ,কাৰ লৰা সুধিলে , মই



দেউতাৰ নাম কোৱাত হাঁহি মুখে কলে "ও আচ্ছা তুমি সেই বেপাৰীৰ ছেলে, তোমাৰ বাবাৰ কাছ থেকেই তো উৎসৱ পাৰ্বনে আমৰা ধান কিনি, মুৰী, খৈ ভাঁজতে " সেই সূত্ৰে তাৰ ঘৰটো মই চিনি পাওঁ পাছত স্কুলৰ টিফিনত কেইবাদিনো তাৰ ঘৰত গৈছিলোঁ মাকে চা বিস্কুট, ফলমূল দৈ, চিৰা আনকি ভাতো খুৱাইছিল সিহঁতৰ ঘৰৰ লগতে আছিল এটা সৰু মন্দিৰ ঘৰ ,ওলোৱাৰ সময়ত বন্ধুয়ে তাত সেৱা এটা কৰিবলৈ পাহৰা নাছিল, বন্ধু এদিন মোৰ ঘৰতো আহিছিল মায়ে সিজোৱা কণী আৰু গাখীৰ দিছিল খাবলৈ আৰু যোৱাৰ পৰত আমাৰ খেতিৰ কেঁচা মৰাপাটৰ শাক আৰু মূলা দিছিলো সিদিনাৰ পৰা আমাৰ ঘৰতো জানিছিল যে পৰিমল মোৰ দোস্ত ।

সঁচা কথা ,দুৰ্গা পূজা আহিলে আমাৰ গাত তত নাছিল, এইটোৱে যেন আমাৰ বাবে মহা সুখৰ উৎসৱ। সমনীয়া হিন্দু বন্ধুৰ সৈতে পূজাৰ মণ্ডপ ঘুৰা, আৰতি চোৱা , জিলাপী খোৱা বেলুন, খেলনা পিষ্টল আদি কিনা, তেতিয়াৰ কথা, আবেলি পৰত বন্ধুৰ কথা ভাবি মনে মনে অকলে দুৰ্গা পূজা চাব গৈছিলোঁ। ভাবিলো বজাৰ কৰিব যোৱা আমাৰ গাঁওৰ মানুহৰ লগ ধৰি সোনকালে ঘৰলৈ উভতিম প্ৰথমে গৈ বন্ধুৰ লগ ধৰি তাৰ ঘৰত প্ৰসাদ আৰু মিঠাই খাই পূজা চাব ওলালোঁ, এক এক কৰি আমি প্ৰায় 7-8 জন বন্ধু একলগে হৈ পূজাৰ মণ্ডপ ঘূৰোতে ৰাতি প্ৰায় 9 টা বাজিল, তেতিয়াহে হুচ আহিল যে ঘৰত কাৰ লগত উভতিম, ঘৰত বা কি ভাবি আছে আজি পিঠি ফালিব, (বজাৰত কঁপাহ মিলৰ ওচৰত আমাৰ ঘৰ আছিল যদিও ৰাতি তাত কোনো নাথাকে তলা মাৰি থয়) ভয় আৰু শংকাত মোৰ চকু কাণ ৰঙা হব ধৰিলে,

বন্ধু পৰিমলক কলো, দোস্ত কি কৰোঁ এতিয়া ... ?

ধেই ! কিহৰ চিন্তা আমাৰ ঘৰত থাকিবি মই মাক কৈ আহিছোঁ তুমি আজি আমাৰ ঘৰত থাকিবা বুলি বলা এতিয়া দুৰ্গাবাৰী মণ্ডপত VDO (VCR) চাওঁ গৈ, VDO চাইছোঁ "প্যাৰ ঝুকতা নাহি " কিন্তু মনটো দুৰু দুৰু কঁপি আছিল, 10 বজাত চিনেমা শেষ হল অলপ বিৰতি. বলা ভাত খাই আহো ইয়াৰ পিছত অমিতাভ অভিনীত " মৰ্দ " VCR লগাব আহি চাম,

তাৰ ঘৰত গৈ খাব বহিছোঁ

সৰু সৰু পাটি পাৰি দিছিল পাকঘৰৰ মজিয়াত ,

ইফালে ঘৰত হুলুস্থুল , ইমান ৰাতি ই কত গল, ইঘৰ সিঘৰ খোজ খবৰ ...গমেই পায় এনে হলে যি যি কৰে আৰু।

খোৱা শেষ হৈছে এনেতে মোক বিচাৰি মোৰ চাচা হাজিৰ।

বন্ধুৰ লগত " মৰ্দ " চিনেমা দেখা নহল।

আমি বহু বন্ধু বান্ধৱী আছিলোঁ যেনে মঞ্জিত দত্ত, মনোজ নিয়োগী, মাণিক পাল, অলকেশ সূত্ৰধৰ, বিশ্বনাথ ৰবিদাশ, উমুৱা চৌধাৰী, ধনজিৎ আগৰৱালা, দুলু বৰ্মন, দীপক পণ্ডিত,,,, আদি কৰি আৰু বহুতো। নাম মনত নহা সকলে দায় দোষ নধৰে যেন প্লিজ !

আমাৰ মাজত কোনো দিনে ধৰ্ম ,বৰ্ণ আদি ক্ৰিয়া কৰা নাছিল।

উল্লেখযোগ্য কথা যে, সেইবাৰ দুৰ্গা পূজা কমিটিৰ সম্পাদক আছিল নুৰল হক যাক আমি নূৰুল দা বুলি মাতো, এখেত ভাল ফুট বলাৰ।10 নং জাৰ্চি পৰিহিত নূৰুল দা' দক্ষিণ শালমাৰা ইয়ং ক্লাবৰ এজন নামী ফুটবলাৰ, নূৰুল দা আজিও আছে পিছে এতিয়া নেখেলে,

কালৰ সোঁতত আজি দক্ষিণ শালমাৰা ব্ৰহ্মপুত্ৰৰ গহ্বৰত , সৰহভাগ মানুহে যাৰ যত সুবিধা থিতাপি ললে পিছে আজিও সেই স্কুলীয়া দিনৰ বন্ধু বোৰৰ কাৰোবাক কৰবাত হঠাৎ লগ পালে আন্তৰিকতাৰ তিলমানো ম্লান পৰিছে দূৰৰ কথা বৰং বাঢ়িছেহে ।

পূজাৰ বতৰত দিনবোৰ আৰু বন্ধু বাৰ্গলৈ বৰকৈ মনত পৰে, আজিৰ দশ কৰ্মাৰ বেল বৰণৰ সন্ধিখনত সমূহ বন্ধু- বান্ধৱীক শুভেচ্ছা আৰু আৰু শুভ কামনা যাচিলোঁ।

ফোন: ৯৯৫৭৮৬০৮৮০

# পদ্মশ্ৰী প্ৰহ্লাদ চন্দ্ৰ তাছা -জীৱন সাহিত্য কৰ্মৰ মূল্যায়ন আৰু অসম সাহিত্য সভাৰ সাংগঠনিক ক্ষেত্ৰত অৱদান — এটি প্ৰাসঙ্গিক আলোকপাত

অসমৰ জাতীয় জীৱন সমৃদ্ধিশালী কৰাত প্ৰতিটো জনগোষ্ঠীৰে অৱদান আছে। অসমৰ জাতীয় জীৱনৰ লগত জীন যোৱা জনগোষ্ঠী সমূহৰ ভিতৰত চাহ জনগোষ্ঠী অন্যতম। অসমীয়া ভাষা সাহিত্যক মনে প্ৰাণে আঁকোৱালি লোৱা এই চাহ জনগোষ্ঠীয় অঞ্চলত চিৰ চেনেহী মোৰ ভাষা জননীৰ প্ৰচাৰ প্ৰসাৰৰ বাবে যি কেইজন সাহিত্যৰ কাণ্ডাৰীয়ে অহোপুৰুষাৰ্থ কৰি আহিছে সেই সকলৰ ভিতৰত বিশিষ্ট কবি সাহিত্যিক অসম সাহিত্য সভাৰ সেৱাত ৫০ বছৰৰো অধিক সময় উৎসৰ্গা কৰা এক সমৰ্পিত জীৱনৰ নামেই হ'ল পদ্মশ্ৰী প্ৰ !াদ তাছা।

২০১৭ চনৰ জানুৱাৰী মাহ। অসমৰ জাতীয় জীৱনৰ বাবে জটিল সন্ধিক্ষণ। অসম সাহিত্য সভাৰ শতবৰ্ষীয় অধিৱেশনৰ প্ৰাকমুহূৰ্তত পদত্যাগ কৰিছিল সভাপতি ড ॰ ধ্ৰুৱজ্যোতি বৰাই। গুৱাহাটীৰ ৰয়েল গ'বেল স্কুলত অনুষ্ঠিত অসম সাহিত্য সভাৰ বিশেষ প্ৰতিনিধি সভাত সভাৰ বিপদৰ মুহূৰ্তত গুৰুদায়িত্ব কান্ধপাতি লৈছিল পদ্মশ্ৰী প্ৰ !াদ চন্দ্ৰ তাছাই।

ঐতিহ্যমণ্ডিত ডিব্ৰুগড় জিলাৰ জামিৰা চাহবাগিছাত ১৯৫২ খ্ৰীষ্টাব্দৰ ২৪ আগষ্টত জন্ম গ্ৰহণ কৰা তাছা দেৱৰ পিতৃৰ নাম লক্ষন তাছা আৰু মাতৃৰ নাম আছিল মুক্তি তাছা। অসম আৰু অসমীয়া জাতিৰ অতন্দ্ৰ প্ৰহৰী অসম সাহিত্য সভাৰ শতবৰ্ষীয় শিৱসাগৰৰ অধিবেশন উদযাপনৰ সময়ত অসম সাহিত্য সভাক সন্মুখৰ পৰা বলিষ্ঠ নেতৃত্ব দি জাতীয় অনুষ্ঠানটোৰ গৰিমা ৰক্ষা কৰা সন্মানীয় শ্ৰী যুত প্ৰ !াদ চন্দ্ৰ তাছা দেৱে অসম সাহিত্য সভাৰেই নহয় শিৱসাগৰৰ সাহিত্য সমাজক ধন্য কৰাৰ উপৰিও শিৱসাগৰৰ ঐতিহ্য ৰক্ষা কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছিল । যিহেতু সেই সময়ত একাংশ অসাধু লোকে অভব্য অসভ্য আচৰণ কৰাৰ ফলত অসম সাহিত্য সভাৰ পতাকা উত্তোলন হ'ব নে নহয় তাৰ নিশ্চয়তা নোহোৱা হৈছিল । তেনে সময়তে অসম সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতিৰ আসনখন গ্ৰহণ কৰি পতাকা উত্তোলনৰ গুৰু দায়িত্ব লৈ শতবৰ্ষীয় অসম সাহিত্য সভাৰ অধিবেশন খন সাফল্য মণ্ডিত কৰি শিৱসাগৰৰ লগতে জাতীয় জীৱনৰ মান ৰক্ষা কৰিছিল । আমাৰ অনুভৱ হয় অসম সাহিত্য সভাৰ সন্মানীয় সভাপতিৰ পদটো নিৰ্বাচনৰ ক্ষেত্ৰত সাহিত্য সভাৰ সমূহ কৰ্মকৰ্তাৰ লগতে অসম বাসীয়ে এই জনা ব্যক্তিৰ কথা বৰ্তমান সময়ত মনত পেলোৱাৰ সময় আহি পৰিছে । ইয়াৰোপৰি সেই সময়ত অসম সাহিত্য সভাক লৈ জনসাধাৰণৰ লগতে সংবাদ মাধ্যম , চছিয়েল মিডিয়া আদিত ব্যাপক ধৰণৰ সমালোচনা হৈছিল । মুঠৰ ওপৰত এক গভীৰ সংকট সাহিত্য সভাৰ সন্মুখলৈ আহিছিল আৰু সেই সংকটৰ সময়ত বহু কেইজন কাণ্ডাৰী আঁতৰি দিছিল সাহিত্য সভাৰ পৰা । আনকি বৰ্তমান যি কেইজনে কাণ্ডাৰীয়ে অসম সাহিত্য সভাৰ সভাপতি পদৰ নিৰ্বাচনত অৱতীৰ্ণ হ'বৰ বাবে আগবাঢ়িছে তেখেত সকলেও কিন্তু সাহিত্য সভাৰ হৈ এষাৰ মাত মতা এই ক্ষেত্ৰত আমি দেখিবলৈ নাপালো । আৰু এই গভীৰ সংকটৰ সময়ত পদ্মশ্ৰী সন্মানীয় শ্ৰী যুত প্ৰ !াদ চন্দ্ৰ তাছা দেৱে কাষত ঠিয় দিছিল অসম সাহিত্য সভাৰ , যিটো কথা অসম সাহিত্য সভাৰ প্ৰতিজন সদস্যই মনত ৰখাটো অতীৱ প্ৰয়োজন বুলি গভীৰ ভাৱে উপলব্ধি কৰো।

তদুপৰি অসমৰ ভাষা সংস্কৃতিৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান হিচাপে পৰিগণিত হোৱা অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি পদৰ বাবে পদ্মশ্ৰী শ্ৰী যুত প্ৰহলাদ চন্দ্ৰ তাছা দেৱ এজন যোগ্য ব্যক্তি বুলি আমি নিজেও অনুভৱ কৰোঁ । তেখেতৰ ব্যক্তিগত জীৱনৰ লগতে সামাজিক জীৱনৰ আৰু সাহিত্যৰ ক্ষেত্ৰত তেখেতৰ অৱদানৰ বিষয়ে চাওঁ তেতিয়া হ'লেও সেই ফালৰ পৰাও তেওঁ যোগ্য সভাপতি আসন খনৰ বাবে । ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া সাহিত্যৰ স্নাতকোত্তৰ শিক্ষাৰে শিক্ষিত প্ৰ !াদ চন্দ্ৰ তাছা দেৱে ১২ বছৰে বিভিন্ন বিদ্যালয়ত শিক্ষকতা কৰি পাছত প্ৰায় ২৮ বছৰ কাল বিদ্যালয়ৰ পৰিদৰ্শক হিচাপে সেৱা আগবঢ়াই অসম চৰকাৰী চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল । ছাত্ৰ অৱস্থাৰ পৰা অসমৰ জাতীয় জীৱনৰ লগত জড়িত থাকি বৰ্তমানে চৰকাৰী পেঞ্চনাৰ



**... অসমৰ ভাষা সংস্কৃতিৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান হিচাপে পৰিগণিত হোৱা অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি পদৰ বাবে পদ্মশ্ৰী শ্ৰী যুত প্ৰহলাদ চন্দ্ৰ তাছা দেৱ এজন যোগ্য ব্যক্তি বুলি আমি নিজেও অনুভৱ কৰোঁ। তেখেতৰ ব্যক্তিগত জীৱনৰ লগতে সামাজিক জীৱনৰ আৰু সাহিত্যৰ ক্ষেত্ৰত তেখেতৰ অৱদানৰ বিষয়ে চাওঁ তেতিয়া হ'লেও সেই ফালৰ পৰাও তেওঁ যোগ্য সভাপতি আসন খনৰ বাবে ...**

সংস্থা অসম , ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা প্ৰহলাদ চন্দ্ৰ তাছা বৰবৰুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি ( ১৯৭২ - ৭৪ ) বৰ্ষৰ আছিল । অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক (১৯৭২) ৰূপে কাৰ্যনিৰ্বাহ কৰা তাছা দেৱৰ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি (১৯৭৩-৭৪) ৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল । জাতীয় জীৱনক মনে প্ৰাণে ভালপোৱা এইগৰাকী সাহিত্যপ্ৰাণ ব্যক্তিয়ে ছাত্ৰ অৱস্থাতে১৯৬৭ চনৰ ১ জানুৱাৰী তাৰিখে ডিব্ৰুগড়ত নকুল চন্দ্ৰ ভূঞাৰ পৌৰহিত্যত অনুষ্ঠিত অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনত ছাত্ৰ প্ৰতিনিধি হিচাপে অংশগ্ৰহণ কৰিছিল। ১৮৯৩ খীষ্টাব্দতে স্থাপিত হোৱা ডিব্ৰুগড় সাহিত্য সভাৰ (১৯৯৫-১৯৯৬) সভাপতিৰ আসন অলংকৃত কৰা তাছাদেৱক জাতীয় জীৱনৰ এগৰাকী নমস্য কাণ্ডাৰী হিচাপে অভিহিত কৰিব পাৰি। অসম অসম সাহিত্য সভাৰ আজীৱন সদস্য এই জনা ব্যক্তিয়ে নিজৰ জন্মস্থান জামিৰাত গঠন কৰা জামিৰা সাহিত্য সভা ডিব্ৰুগড়ৰ প্ৰতিষ্ঠাপক সম্পাদক (১৯৭৩-১৯৭৪) আৰু জামিৰা চাহ বাগিচা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি ৰূপে ১৯৮৭-১৯৮৮) কাৰ্যনিৰ্বাহ কৰিছিল । ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি (২০০০-২০০১ )হিচাপে সেৱা আগবঢ়োৱা তাছা দেৱ অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক (২০০৯-২০১১) ৰূপে আৰু (২০১১-২০১৩) বৰ্ষত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য হিচাপে সেৱা আগবঢ়াইছিল । তদুপৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক (২০১৩-২০১৫) বৰ্ষত আৰু অসম সাহিত্য সভাৰ উপ সভাপতি হিচাপে (২০১৫-২০১৭) বৰ্ষত কাৰ্যনিৰ্বাহ কৰিছিল । ইয়াৰোপৰি অসম সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি (চাৰি মাহৰ বাবে ২০১৭ চনত) হিচাপে সভাপতিৰ আসন অলংকৃত কৰিছিল প্ৰ !াদ চন্দ্ৰ তাছা দেৱে ।

তদুপৰি অসমৰ স্বাৰ্থৰ হকে দ্বিতীয় তেল শোধনাগাৰ আন্দোলনত ১৯৬৯ চনত কাৰাবাস খটাৰ উপৰিও ১৯৮০ চনৰ অসম আন্দোলনত গ্ৰেপ্তাৰ বৰণ হৈছিল । অসমীয়া ভাষা সাহিত্যৰ এইগৰাকী নিৰলস সাধকে চিৰ চেনেহী মোৰ ভাষা জননীৰ বেদীত (১) চাহ শ্ৰমিকৰ সংস্কৃতিৰ ৰূপ ৰেখা (১৯৮১) (২) ঝুমইৰ নৃত্য গীত (১৯৯৭)(৩) অসমীয়া সংস্কৃতি আৰু অন্যান্য (২০১৯) ( ৪) চাহ বাগিচাত শিক্ষাৰ প্ৰসাৰ (১৯৯১) (৫) চাহ বাগিচাৰ গণ স্বাক্ষৰতা (১৯৯৭) (৬) চাহ বাগিচাৰ মানৱ সম্পদ (২০১৭) (৭) শিক্ষা -সমীক্ষা (২০০২) (৮) শিক্ষা-অন্বেষা (২০১১) (৯) সুৱদি সুৰীয়া অসমীয়া ভাষা (২০০৫) (১০) অসমীয়া সাহিত্যৰ আভাস (২০১৬) (১১) অসমীয়া সাহিত্যৰ জিলিঙনি (২০২১) (১২)ব্যক্তিত্বৰ সন্ধানত -জীৱনী গ্ৰন্থ (১৯৮১)

(১৩) তথাপি সাগৰ (২০২২) আৰু (১৪) শতাব্দী কাব্য সংকলন তাছাৰ সাহিত্য কৃতীৰ অন্যতম পৰিচয় বহন কৰিছে। তদুপৰি (১৬) চাহ শ্ৰমিকৰ স্বাস্থ্য- চিন্তা (২০০১ ) (১৭) অসমীয়া বৰ্ণনালাৰ ৰহঘৰা-প্ৰথম খণ্ড (২০১৮) (১৮) অসমীয়া বৰ্ণমালাৰ ৰহঘৰা-দ্বিতীয় খণ্ড (২০২১) (১৮ )প্ৰাসঙ্গিক- অপ্ৰাসঙ্গিক (২০১৯)

(১৯)ভিন্ন বিষয় -ভিন্ন প্ৰসঙ্গ (২০২২)

(২০) শ্ৰী শ্ৰী জগন্নাথ (২০২০)

আদি কৰি প্ৰায় কুৰি খনৰো অধিক গ্ৰন্থ ৰচনা আৰু প্ৰকাশ কৰাৰ সমান্তৰালকৈ ৪খন গ্ৰন্থ সম্পাদিত কৰি অসমৰ সাহিত্য জগতলৈ বিশেষ অৱদান আগবঢ়াই আহিছে । সাহিত্যিক হিচাপে অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন আৰু ভাৰত চৰকাৰৰ পৰা পদ্মশ্ৰী উপাধিৰে বিভূষিত হোৱা প্ৰ !াদ চন্দ্ৰ তাছা দেৱ আকাশ বাণী ডিব্ৰুগড়ৰ অনাতাঁৰ কেন্দ্ৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ সৈতেও জড়িত । পদ্মশ্ৰী প্ৰ !াদ চন্দ্ৰ তাছা দেৱে চাহ জনগোষ্ঠীয় বসতি থকা অঞ্চল বিশেষত অসমীয়া ভাষা সাহিত্য প্ৰসাৰৰ ক্ষেত্ৰত কৰা ত্যাগ অসমবাসীৰ লগতে অসম সাহিত্য সভাই মনত ৰখা উচিত । অসমৰ চাহ জনজাতিৰ লোকক প্ৰতিনিধিত্ব কৰি এটা জনগোষ্ঠীক অসমীয়া ভাষাৰ ক্ষেত্ৰত অৱদান আগবঢ়াবলৈ একত্ৰিত কৰি অসমীয়া ভাষাক সংখ্যাগৰিষ্ঠ ৰূপত প্ৰতিষ্ঠা কৰাৰ বাবে যি অহোপুৰুষাৰ্থ কৰি আহিছে সেই কথা প্ৰতিজন অসমীয়াই মনত ৰখা প্ৰয়োজন । প্ৰ !াদ তাছাৰ সমাজ সেৱা আৰু সাহিত্য সাধনা অব্যাহত থাকক।

**কন্দৰ্প কুমাৰ কলিতা**
ফোন: ৮৬৩৮৮৫৫৮৯৫

## তৃতীয় পৃষ্ঠাৰ পৰা—

## পৰ্যটকৰ বাবে কাজিৰঙা

হোৱাৰ লগে লগেই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিবলৈ বিভিন্নগৰাকী পৰ্যটক কাজিৰঙাত উপস্থিত হয়। কিন্তু, ৰাষ্ট্ৰীয় উদ্যান সম্পূৰ্ণৰূপে মুকলি কৰিবলৈ প্ৰস্তুত নোহোৱাৰ বাবে আজিৰে পৰা ৰাষ্ট্ৰীয় উদ্যানখন আংশিকভাৱে মুকলি কৰাৰ ঘোষণা কৰে কাজিৰঙা কৰ্তৃপক্ষই। মুখ্যমন্ত্ৰীৰ ঘোষণাৰ পিছতেই উদ্যান কৰ্তৃপক্ষই পথ, দলং, দৰ্শনচুড়া আদি মেৰামতি কৰি উদ্যানখনৰ ৩০ % অঞ্চলত বৰ্তমান পৰ্যটকৰ বাবে মুকলি কৰে। কঁহৰা ৰেঞ্জৰ অধীনত মিহিমুখৰ পৰা ডাফলাং হৈ ভেটেৰীৰ বিজুলীলৈকে জীপ ছাফাৰী কৰাৰ বিপৰীতে বাগৰি ৰেঞ্জৰ অধীনত পৰ্যটকে বাগৰি প্ৰৱেশ দ্বাৰ পৰা ডোঙা আৰু বিমলিলৈকে প্ৰৱেশৰ অনুমতি দিয়ে উদ্যান কৰ্তৃপক্ষই। সেই মতেই কোনো ধৰণৰ আনুষ্ঠানিকতা আজি পুৱা ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলি কৰে। ইফালে, আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলিৰ প্ৰথম দিনাই দেশী-বিদেশী পৰ্যটকৰ যথেষ্ট সঁহাৰি পোৱা যায়। কাজিৰঙাৰ বন কৰ্তৃপক্ষই জনোৱা অনুসৰি, আজি কেৱল কাজিৰঙা ৰেঞ্জতেই ৫২২ পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰে। ইয়াৰে তিনিগৰাকী বিদেশী পৰ্যটক। বন বিভাগে জনোৱা মতে, আজি পৰ্যটকৰ পৰা কাজিৰঙা ৰেঞ্জলৈ ১৩ হাজাৰ ১০০ টকা ৰাজহ হিচাপে সংগ্ৰহ কৰাৰ বিপৰীতে বাগৰি ৰেঞ্জলৈ প্ৰায় ৩০০ গৰাকী পৰ্যটকৰ পৰা ৬২ হাজাৰ টকা ৰাজহ হিচাপে সংগ্ৰহ কৰে।

**উখল-মাখল পৰিৱেশৰ মাজেৰে পৰ্যটকৰ বাবে মুকলি হ'ল মানাহ ৰাষ্ট্ৰীয় উদ্যান ঃ অনলাইন বুকিঙেৰে পৰ্যটকে প্ৰৱেশ কৰিব লাগিব মানাহত ঃঃ মানাহৰ বেদখলকাৰীৰ ওপৰত পাথৰৰ খুন্দা মাৰিম ঃ ৰঞ্জিত বসুমতাৰী**

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী ঃ** দেশী-বিদেশী পৰ্যটকৰ বাবে আনুষ্ঠানিকভাৱে আজি পুনৰ মুকলি কৰা হ'ল বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰ। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী ৰেঞ্জৰ মুল প্ৰৱেশদ্বাৰ অৰ্থাৎ চেন্টেল ৰেঞ্জত আয়োজিত এক মাংগলিক অনুষ্ঠানৰ মাজেৰে ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলি কৰে বিটিচিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে। ইয়াৰ পিছতে জীপ-ছাফাৰীৰে পৰ্যটক প্ৰেণী ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশ কৰিবলৈ দিয়া হয়। ইয়াৰ পূৰ্বে বাঁহবাৰী ৰেঞ্জ কাৰ্যালয়ৰ পৰা মুখ্য প্ৰৱেশদ্বাৰলৈ বিহু বাণ্ডকৰ, ঘুমুৰ দলে নৃত্য পৰিবেশন কৰি বিভিন্ন বৰ্ণাঢ্য হাতী সমন্বিতে এক শোভাযাত্ৰাৰে অতিথিসকলক আদৰি অনা হয়। শোভাযাত্ৰাত মানাহৰ সংৰক্ষণ কৰক, প্ৰকৃতিক ৰক্ষা কৰক, মানাহ আমাৰ গৌৰৱ আদি প্লেকাৰ্ড প্ৰদৰ্শন কৰা হয়। পৰ্যটকৰ বাবে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰ মুকলি কৰাৰ পিছতে এক উখল-মাখল পৰিৱেশৰ বিৰাজ কৰে। আয়োজিত নাম-প্ৰসংগেৰে মুখৰিত হৈ পৰে মানাহ। আনন্দত আত্মহাৰা হৈ পৰে বনকৰ্মীৰ লগতে মানাহৰ লগত জড়িত, প্ৰকৃতি ভালপোৱা প্ৰতিজন লোক। মানাহৰ প্ৰৱেশদ্বাৰ মুকলি কৰি বিটিচিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে সংবাদ মাধ্যমৰ আগত কয়— পূৰ্বৰ তুলনাত এইবেলি মানাহত পৰ্যটকৰ সংখ্যা যথেষ্ট হ্ৰাস বৃদ্ধি পাব। মানাহত এতিয়া জীৱ-জন্তুৰ সংখ্যা বৃদ্ধি হৈছে। এতিয়া শান্তি ঘূৰি আহিছে। বিশেষকৈ মানাহৰ দাঁতিকাষৰীয়া অঞ্চলৰ বাইজৰ বাবে আজি মানাহলৈ ভাল দিন আহিছে। যাৰ বাবে মানাহ অঞ্চলৰ অসমীয়া, বড়ো, বেংগালী, মুছলমানকে ধৰি সকলো জনগোষ্ঠীৰ ৰাইজক আন্তৰিক ধন্যবাদ জনাওঁ। মানাহৰ দাঁতিকাষৰীয়া বাইজৰ পৰা আমাৰ সাংবাদিকসকললৈও শিকিব লগা আছে, আমাৰ বিটিআৰ চৰকাৰেও শিকিব লগা আছে আৰু জনসাধাৰণেও শিকিব লগা আছে। ৰঞ্জিত বসুমতাৰীয়ে লগতে পূৰ্বে বিটিআৰলৈ যি এক ৰাতি এক ভয়াত বাহিৰৰ পৰা পৰ্যটক অহা নাছিল এতিয়া আৰু সেই দিন নাই, যাৰ বাবে এইবাৰ চাবিগুণ পৰ্যটক আহিব মানাহলৈ। বিগত বৰ্ষত মানাহলৈ পৰ্যটকৰ পৰা ৰাজহ আহিছিল ১.৫ কোটি টকা। বেদখলকাৰীৰ কবলৰ পৰা মানাহক উদ্ধাৰ কৰা সন্দৰ্ভত সাংবাদিকে শোধা এক প্ৰশ্নত 'পাথৰৰ লগত খুন্দা মাৰিম মই' এইবাৰ বুলি উল্লেখ কৰি দুৰ্গা পূজাৰ পিছতে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বেদখল উচ্ছেদ চলিব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে। আজিৰ মানাহ মুকলি অনুষ্ঠানৰ উপস্থিত থাকে ভূটানৰ পানবাং মহকুমাৰ মহকুমাধিপতি সোনম দৰ্জী, চিএইচডি অনুৰাগ সিং, ক্ষেত্ৰ সঞ্চালক বৈভৱ চি মাথুৰ, উপ-সঞ্চালক দিবাকৰ দাস, সহঃ সঞ্চালক জেচিম উদ্দিন আহমেদ, বিশেষ কৰ্তব্যৰত বিষয়া তথা অসম গৌৰৱ বঁটাপ্ৰাপক ধৰণীধৰ বড়োকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি। উল্লেখ্য যে, সদ্যহতে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বিভাৰ ৰাফটিঙৰ ব্যৱস্থা মুকলি কৰা নাই যদিও উদ্যানখনৰ বাঁহবাৰী, ভূঞাপাৰা, পানবাৰী তিনিওটা ৰেঞ্জতে পৰ্যটকে জীপ ছাফাৰীৰ উপৰি হাতী ছাফাৰী কৰিব পাৰিব। এইবাৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত প্ৰৱেশৰ বাবে দেশী-বিদেশী সকলো পৰ্যটকে অনলাইনযোগে বুকিং কৰাটো বাধ্যতামূলক কৰা হৈছে। ইয়াৰ বাবে মুকলি কৰা হৈছে manasnptr.in ৱেবছাইটটো।

## গুৰুতৰভাৱে অসুস্থ উত্তৰ

কাৰ্যনিৰ্বাহ কৰিছিল। এক বৰ্ণাঢ্য ৰাজনৈতিক জীৱনৰ অধিকাৰী মুলায়মে সিং যাদৱ মাৰ্খো ১৫ বছৰ বয়সৰ পৰা ৰাজনীতিৰ সৈতে জড়িত হয়। সেই সময়তে তেওঁ দেশৰ এক বৰ্ণিল ব্যক্তিত্ব ৰাম মনোহৰ লোহিয়াৰ সান্নিধ্য লাভ কৰে। দলীয় নেতা-কৰ্মীৰ মাজত 'নেতাজী'ৰূপে খ্যাত মুলায়ম সিং যাদৱ ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী হোৱাৰ লগতে বি এড ডিগ্ৰীধাৰীও। মুলায়মৰ একাংশ ঘনিষ্ঠৰ মতে, তেওঁ জীৱনৰ আৰম্ভণিতে মল্লযুঁজাৰু হোৱাৰ সপোন দেখিছিল। সেয়ে তেওঁক 'পালোৱান' বুলিও বহুতে কয়। ৰাম মনোহৰ লোহিয়াৰ জীৱনাদৰ্শৰ দ্বাৰা মুলায়মে প্ৰভাৱিত হৈছিল। লোহিয়াই সমতাৰ ভিত্তিত এখন ভাৰত নিৰ্মাণৰ সপোন দেখিছিল। তেওঁৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ মুলায়মে নিম্নবৰ্গৰ হিন্দু আৰু সংখ্যালঘু তথা মুছলমানসকলৰ অধিকাৰ ৰক্ষাৰ বাবে মাত মাতি আহিছে। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে ১৯৬৭ত মুলায়মে উত্তৰ প্ৰদেশ বিধানসভালৈ নিৰ্বাচিত হয়। সেইবাৰ তেওঁ যশৱন্ত নগৰ সমষ্টিৰ পৰা বিধানসভালৈ নিৰ্বাচিত হৈছিল।

## কৰ্মহীনতা, জটিল সমস্যা

আছিল। তেওঁ কয়— "মানুহে মিছ ইণ্ডিয়া হোৱাৰ পিছত জীৱনটো একেবাৰে সলনি হৈ যায় বুলি ভাবে, কিন্তু বাস্তৱতা এইটো নহয়। দুৰ্ভাগ্য ধৰি মোৰ কোনো কাম নাছিল। হয় ছালৰ ৰং বা আন কোনো কাৰণত, মোক কোৱা হৈছিল যে 'আপুনি বৰ্ক'।" তেওঁক উন্নত বি ছলমানে তেওঁৰ আৰম্ভ কৰে যে এই শ্ব'টোত তেওঁৰ স্ক্ৰিপ্ট পোষ্ট কৰিলে তেওঁ নিশ্চিতভাৱে ভাল কাম পাব আৰু তেওঁৰ বাবে জীৱন বহুত সহজ হ'ব। মানাই লগতে শ্বেয়াৰ কৰে যে তাই দেউতাকক অনুৰোধ কৰিছিল যে তাই য'তেই যাব লাগে তাইক লৈ যাব লাগে। আৰু তাই ছলমানক ৰেম্পত খোজকাঢ়িবলৈও শিকাইছিল। তেওঁৰ উপৰি শ্ব'টোৰ আন প্ৰতিযোগীসকল হ'ল নিমৃত কৌৰ আহলুৱালিয়া, আব্দু ৰজিক, শলিন ভানোট, অৰ্চনা গুপ্তা, প্ৰিয়াংকা চাহাৰ চৌধুৰী, ছুম্বুল টৌকীৰ আৰু বহুতো। 'বিগ বছ ১৬' বহুত প্ৰচাৰিত হয়।

## ধুবুৰীত ভয়ংকৰ নাও দুৰ্ঘটনাত

এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ উদ্ধাৰকাৰী দলে। ২৯ ছেপ্টেম্বৰৰ ভয়ংকৰ নাও দুৰ্ঘটনাত সন্ধানহীন হোৱা ধুবুৰীৰ চক্ৰ বিষয়া সঞ্জু দাসৰ মৃতদেহ আজি ৰাতি পুৱা প্ৰায় ১১ বজাত দুৰ্ঘটনাস্থলীৰ পৰা ৭০০ মিটাৰ নিলগত উদ্ধাৰ কৰিবলৈ সক্ষম হয় এছ ডি আৰ এফ বাহিনীয়ে। ৭০০ মিটাৰ নিলগত লুইতৰ বুকুত ওপঙি থকা অৱস্থাত উদ্ধাৰ কৰে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ উদ্ধাৰকাৰী দলে। আজি উপায়ুক্তকাৰ্যালয়ে সাংবাদিকক জনোৱা মতে, উদ্ধাৰ হোৱা মৃতদেহ ধুবুৰীৰ চক্ৰ বিষয়া সঞ্জু দাসৰ মৃতদেহ বুলি চিনাক্ত কৰা হয়। পিছত মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। জানিব পৰা মতে স্থলপথেৰে স্বগৃহলৈ লৈ যোৱা হ'ব প্ৰয়াত সঞ্জু দাসৰ নশ্বৰদেহ।

## নগাঁৱৰ ৰাজিক নাৰী আৰু

দেৱী মাক দৰ্শন কৰাকে ধৰি পূজা বুলিলেই অলেখ পবিকল্পনা। কিন্তু এনে কিছু শিশু আছে যিসকলে নিজৰ অভিভাৱক তথা পৰিয়ালৰ অভাৱত উৎসৱ-পাৰ্বণ আদিৰ পৰা বঞ্চিত হৈ পৰে। নগাঁৱৰ ৰাজিক নাৰী আৰু শিশু গৃহত আশ্ৰয় লৈ থকা পিতৃ-মাতৃ তথা পৰিয়ালবিহীন শিশুসকলৰ মনতো পূজা চোৱাৰ প্ৰবল ইচ্ছা থাকে। তেওঁলোকৰ মনৰ ইচ্ছাৰ বিষয়ে বিধায়ক শৰ্মাই জানিব পাৰি আজি সপ্তমী পূজাৰ দিনটোত তেওঁলোকৰ কাষত উপস্থিত হয়হি। পৰৱৰ্তী সময়ত ৰাজিক নাৰী আৰু শিশু গৃহৰ বাসিন্দাসকলক লগত লৈ বিধায়কগৰাকীয়ে নগাঁও চহৰৰ আই টি আই পথত কেদাৰনাথৰ আৰ্হিত আটক ধুনীয়াকৈ নিৰ্মাণ কৰা পূজা মণ্ডপত উপস্থিত হৈ দুৰ্গা দেৱীৰ দৰ্শন কৰে। ইয়াৰ পিছত তেওঁলোকক নগাঁও চহৰত অনুষ্ঠিত কেইবাখনো পূজা থলীৰ লগতে ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ কাঠৰ দুৰ্গা প্ৰতিমাৰ পূজা, মহামৃত্যুঞ্জয় মন্দিৰৰ পূজা দৰ্শন কৰি বিধায়কগৰাকীয়ে। পূজাস্থলী দৰ্শনৰ অন্তত বিধায়কগৰাকীয়ে ৰাজিক নাৰী আৰু শিশু গৃহৰ আবাসীসকলক একেলগে দুপৰীয়া এসাজ আহাৰ গ্ৰহণৰ ব্যৱস্থা কৰি দিয়ে। আজি মহাসপ্তমী উপলক্ষে ৰাজিক নাৰী আৰু শিশু গৃহৰ শিশুসকলৰ সৈতে দিনটো অতিবাহিত কৰি অতিশয় সুখী অনুভৱ কৰে লগতে ৰাজিক নাৰী আৰু শিশু গৃহৰ শিশুসকলৰ মনত দেখা পোৱা উৎসাহ আৰু তৃপ্তিৰ হাঁহিয়ে বিধায়ক শৰ্মাক যথেষ্ট সন্তোষ প্ৰদান কৰা বুলি তেওঁ জানিবলৈ দিয়ে।

## ৰাজস্থানত ৩

আন্তঃৰাষ্ট্ৰীয় সীমান্তত শনিবাৰে গভীৰ নিশা এখন পাকিস্তানী ড্ৰোনে অনুপ্ৰৱেশ কৰে। পাকিস্তানৰ ড্ৰোনখন দেখি সীমান্তত নিয়োজিত বি এছ এফৰ জোৱানসকলে গুলীচালনা কৰে। কোৱা হৈছে যে গুলীচালনাৰ পিছতে ড্ৰোনখন নিৰুদ্দেশ হৈছিল। পিছত অনুসন্ধান অভিযানত বি এছ এফৰ জোৱানসকলে তাত এটা পেকেটত হেৰ'ইন উদ্ধাৰ কৰে। বি এছ এফে উদ্ধাৰ কৰা এই পেকেটত আছিল প্ৰায় চাৰে তিনি কিলোগ্ৰাম হেৰ'ইন। গুলীচালনাৰ পিছত ড্ৰোনখন পুনৰ পাকিস্তানৰ সীমান্তলৈ ঘূৰি যায় অথবা ক্ষতিগ্ৰস্ত হৈ ভাৰতীয় সীমান্তত পৰি যায়। ইয়াৰ প্ৰতিয়াও সম্পূৰ্ণৰূপে প্ৰকাশ কৰা হোৱা নাই। ভাৰত-পাক সীমান্ত অঞ্চলত ড্ৰোনৰ সন্ধান অভিযান চলোৱা হৈছে। ভাৰতীয় সীমান্তত ড্ৰোনৰ উপস্থিতিৰ লগে লগে বি এছ এফৰ জোৱানসকলে অধিক সতৰ্কতা অৱলম্বন কৰিছে। উল্লেখ্য যে ভাৰত-পাকিস্তান সীমান্তত পাকিস্তানৰ চোৰাং সৰবৰাহকাৰীয়ে দীৰ্ঘদিন ধৰি ভাৰতলৈ ড্ৰাগছ সৰবৰাহ কৰি আহিছে। এই কামত তেওঁলোকক সহায় কৰে সীমান্ত অঞ্চলত কাম কৰি থকা ভাৰতীয় ড্ৰাগছ সৰবৰাহকাৰীয়ে। স্থানীয় চোৰাং সৰবৰাহকাৰীয়ে ভাৰতীয় ভূখণ্ডলৈ নিক্ষেপ কৰা হেৰ'ইন ড্ৰোন বা অন্য উপায়েৰে পঞ্জাবলৈ সৰবৰাহ কৰে।

## ভাৰত-টাইৱান আধিপত্যবাদৰ

হংকং আৰু গাললান উপত্যকাত চীনে সংঘটিত কৰা কাৰ্যকলাপেই দায়ী বুলি তেওঁ কয়। গেৰেই কয় যে টাইৱানে পেলোচীৰ ভ্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে চীনৰ সামৰিক আক্ৰমণৰ সময়ত টাইৱানক সমৰ্থন কৰা বাবে ভাৰত প্ৰশংসাৰ যোগ্য। উল্লেখ্য, চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিঙে বাৰম্বাৰ সতৰ্কবাণী দিয়াৰ পিছতো আমেৰিকাৰ কংগ্ৰেছৰ হাউচ অৱ ৰিপ্ৰেজেণ্টেটিভছ স্পিকাৰ নেন্সী পেলোচী টাইৱানত উপস্থিত হৈছিল। আনহাতে, চীন চৰকাৰে ইতিমধ্যে জ' বাইডেনক ভাবুকি দিছে যে চীনক উচটনি দিয়া কাৰ্য জুইৰ সৈতে খেলাৰ দৰে হ'ব আৰু ইয়াৰ ভয়াবহ পৰিণতি হ'ব পাৰে। পেলোচীৰ এই ভ্ৰমণ বিগত ২৫ বছৰৰ আমেৰিকাৰ এজন বিষয়াৰ সৰ্বোচ্চ পৰ্যায়ৰ ভ্ৰমণ আছিল।



## আধ্যাত্মিকতা আৰু

কৰে। মুখ্যমন্ত্ৰীয়ে আজি গান্ধী মণ্ডপত পুনৰ নিৰ্মিত সংগ্ৰহালয়টো উদ্বোধন কৰাৰ লগতে এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাতো অংশগ্ৰহণ কৰে।এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গান্ধীজীৰ নীতি আৰু আদৰ্শৰে অনুপ্ৰাণিত হৈ অহিংসাক জীৱনৰ সাৰ কৰি পৃথিৱীত শান্তি-সম্প্ৰীতি, একতা আৰু ভাতৃত্ববোধ সুদৃঢ় কৰাৰ লক্ষ্যৰে আজি বিশ্ববাসীয়ে আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস উদ্‌যাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে দেশৰ দ্বিতীয়গৰাকী প্ৰধানমন্ত্ৰী, স্বাধীনতা সংগ্ৰামী তথা জননেতা লালবাহাদুৰ শাস্ত্ৰীৰ জন্ম দিৱস উপলক্ষেও তেখেতলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰে। মহাত্মা গান্ধীয়ে অতি সাধাৰণ জীৱন-যাপন কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতবৰ্ষৰ আধ্যাত্মিক আৰু নৈতিক জীৱন-যাপনৰ আদৰ্শৰে জাতিৰ পিতা পৰিচালিত হৈছিল। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে গান্ধীজীয়ে নিয়মানুৱৰ্তিতা আৰু এক স্বাস্থ্যসন্মত জীৱন কিদৰে যাপন কৰিছিল সেই বিষয়েও উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৪৬ চনত চতুৰ্থবাৰৰ বাবে অসম ভ্ৰমণলৈ অহা গান্ধীজীয়ে শৰণীয়া পাহাৰত পদাৰ্পণ কৰিছিল। এই ভ্ৰমণকালৰ ঐতিহাসিক গুৰুত্ব ব্যাখ্যা কৰি প্ৰখ্যাত গান্ধীবাদী নেতা নটবৰ ঠক্কৰে উল্লেখ কৰা বিষয় সম্পৰ্কত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ভ্ৰমণ কালতে গান্ধীজীয়ে কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ন্যাসৰ অসম শাখা আৰু এই শাখাৰ অধীনত আৰম্ভ হ'বলগীয়া গ্ৰাম্যসেৱিকা বিদ্যালয় উদ্বোধন কৰিছিল। সমগ্ৰ দেশৰ ভিতৰত গান্ধীজীয়ে উদ্বোধন কৰা এইটোৱে একমাত্ৰ শাখা আছিল। গান্ধীজীয়ে গান্ধীবাদী স্বৰ্গীয় অমলপ্ৰভা দাসক এই শাখাটো পৰিচালনা কৰাৰ দায়িত্ব অৰ্পণ কৰিছিল বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই শৰণীয়া পাহাৰ অমলপ্ৰভা দাসৰ পিতৃ ডাঃ হৰেকৃষ্ণ দাস আৰু তেওঁৰ পৰিয়ালে গ্ৰামসেৱিকা বিদ্যালয় আৰু অন্যান্য কাৰ্যকলাপৰ বাবে দান কৰিছিল। এই পাহাৰটো গুৱাহাটীৰ দৰিদ্ৰ পীড়িত লোকসকলৰ বাসস্থানে আগুৰি আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গান্ধীজীয়ে দৰিদ্ৰ লোকৰ মাজত থাকিব বিচাৰিছিল আৰু সেয়েহে তেওঁৰ বাবে বিশেষভাৱে এটা সৰু কুটিৰ নিৰ্মাণ কৰা হৈছিল। ডাঃ হৰেকৃষ্ণ দাস, গোপীনাথ বৰদলৈ, ডাঃ ভুৱনেশ্বৰ বৰুৱাৰ নেতৃত্বত কংগ্ৰেছৰ সকলো জ্যেষ্ঠ নেতাই হাতে-কামে লাগি বাহৰ কুটিৰটো নিৰ্মাণ কৰিছিল বুলিও তেওঁ কয়। গান্ধীজীলৈ শ্ৰদ্ধা নিবেদনৰ অংশ হিচাপে কালিৰে পৰা গান্ধী মণ্ডপত গুৱাহাটী স্মাৰ্ট চিটী প্ৰজেক্টৰ অধীনত ৰূপায়িত লাইট এণ্ড ছাউণ্ড শ্ব'ৰ শুভাৰম্ভ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গান্ধী মণ্ডপৰ লাইট এণ্ড ছাউণ্ড শ্ব' অসমৰ প্ৰথম হল'গ্ৰাফিক প্ৰজেকশ্যন শ্ব'। 'পূৰ্ব প্ৰভা' নামৰ এই প্ৰদৰ্শনী অসমীয়া ভাষাত আৰম্ভ কৰা হৈছে যদিও পৰৱৰ্তী সময়ত হিন্দী আৰু ইংৰাজীকে ধৰি আন ভাষাতো প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ কয়। এই প্ৰদৰ্শনী সফলতাৰে প্ৰস্তুত কৰি তোলাৰ বাবে মুখ্যমন্ত্ৰীয়ে ট্ৰাই কালাৰ ইণ্ডিয়াৰ সমূহ কৰ্মকৰ্তাৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি প্ৰস্তুত কৰা এই শ্ব'ত অসমৰ গৌৰৱোজ্জ্বল ইতিহাসৰ কেতবোৰ গুৰুত্বপূৰ্ণ অধ্যায় তুলি ধৰা হৈছে। ভগদত্তৰ সময়ৰ পৰা আৰম্ভ কৰি চ্যুকাফাৰ অসম আগমণ আৰু পৰৱৰ্তী ইতিহাস, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান, লাচিতৰ বীৰত্ব, মণিৰাম দেৱানৰ ত্যাগকে ধৰি স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা আৰু গান্ধীজীৰ আগমণে দেশৰ এই প্ৰান্তত অধিক তীব্ৰতৰ কৰি তোলা স্বাধীনতা আন্দোলনৰ ছবি এই শ্ব'ৰ জৰিয়তে তুলি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। এই প্ৰদৰ্শনীয়ে স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা যাউতিযুগীয়া কৰাত নিশ্চিতভাৱে এক উল্লেখযোগ্য বৰঙণি আগবঢ়াব বুলিও মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে গান্ধীজীৰ স্মৃতি বিজড়িত শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপক পৰ্যটকৰ আকৰ্ষণৰ স্থলীৰূপে গঢ় দিয়াৰ উপৰি অসমৰ গৌৰৱৰ এক প্ৰতীক হিচাপে গঢ়ি তুলিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। অনুষ্ঠানত ড° শৰ্মাই কয় যে গুৱাহাটী স্মাৰ্ট চিটি লিমিটেড আৰু লোক নিৰ্মাণ (গৃহ) বিভাগৰ অধীনত গান্ধী মণ্ডপৰ সংগ্ৰহালয়টো পুনৰ নিৰ্মাণ কৰাৰ উপৰি এইটো অধিক তথ্যসমৃদ্ধ কৰি গঢ় দিয়া হৈছে। গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডে এই মণ্ডপ উন্নীতকৰণৰ অৰ্থে দ্বিতীয় পৰ্যায়ত আৰু কেইবাটাও প্ৰকল্প ৰূপায়ণৰ বাবে হাতত লৈছে বুলিও উল্লেখ কৰি তেওঁ কয় যে এই স্থানত ভিউ পইণ্ট, পাৰ্কিং আদিকে ধৰি দৰ্শনাৰ্থীৰ বাবে অনাগত দিনত বহু ব্যৱস্থা কৰা হ'ব। গুৱাহাটী স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনত গীতা মন্দিৰৰ উন্নয়নৰ কাম আৰম্ভ হৈছে আৰু এবছৰৰ ভিতৰত এই কাম সম্পূৰ্ণ হ'ব বুলিও তেওঁ সদৰি কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনত মহানগৰীৰ বাবে ১০০খন চি এন জি বাছ আৰু ২০০খন ইলেক্ট্ৰিক বাছ ক্ৰয়ৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা লৈছে। উজান বজাৰৰ ব্ৰহ্মপুত্ৰৰ নৈৰ পাৰ উন্নয়নৰ বাবে নিবিদা আহ্বান কৰা হৈছে বুলিও তেওঁ কয়। আজিৰ অনুষ্ঠানত নগৰ উন্নয়ন মন্ত্ৰী অশোক সিংহল, সাংসদ কুইন ওজা, জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, জি এম চিৰ উপ-মেয়ৰ স্মিতা ৰয়, কামৰূপ (ম) জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত তথা সচিব কবিতা পদ্মনাভন, স্মাৰ্ট চিটি প্ৰকল্পৰ পৰিচালন সঞ্চালক ড° লক্ষ্মণন এচ, গুৱাহাটীৰ আৰক্ষী আয়ুক্ত হৰমিত সিং আদিকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ উদ্যোগত গান্ধী জয়ন্তী উদ্‌যাপন**

অহিংসাৰ পূজাৰী, জাতিৰ পিতা মহাত্মা গান্ধীৰ পবিত্ৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি আজি মহানগৰীৰ চানমাৰিস্থিত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ উদ্যোগত গান্ধী জয়ন্তী উদ্‌যাপন কৰা হয়। আৰম্ভণিতে সমূহীয়া সূত্ৰ যজ্ঞ, গান্ধী প্ৰাৰ্থনা আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ লগতে গান্ধীজীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। এই উপলক্ষে অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলা কান্ত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত হস্ততাঁত আৰু বস্ত্ৰ শিল্প, ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মাই অহিংসা আৰু মানৱতাৰ পূজাৰী মহাত্মা গান্ধীক সশ্ৰদ্ধাৰে সোঁৱৰণ কৰি কয় যে খাদী পৰিয়ালে আজি এই পূণ্য দিনটোত একগোট হৈ জাতিৰ পিতাগৰাকীক শ্ৰদ্ধা নিবেদন কৰিছে। ভাষণ প্ৰসংগত মন্ত্ৰী ব্ৰহ্মাই লগতে কয় যে মহামানৱ মহাত্মা গান্ধীয়ে স্বাধীনতা আন্দোলনৰ সৈতে স্বাভিমানক গুৰুত্ব দিছিল আৰু এই দুয়োটা মহান উদ্দেশ্য খাদী আন্দোলনৰ জৰিয়তে আগবঢ়াই নিছিল। ইয়াৰ মূল তাৎপৰ্যই আছিল আমি সকলোৱে বিদেশী সামগ্ৰী ব্যৱহাৰ নকৰি থলুৱা বয়-বস্তু ব্যৱহাৰেৰে ভাৰতবৰ্ষৰ স্বতন্ত্ৰ গ্ৰাম্য অৰ্থনীতিৰ ভেটি শক্তিশালী কৰি তোলা। আজিৰ এই অনুষ্ঠানত ব'ৰ্ডৰ উপাধ্যক্ষ হৰেণ দেউৰীসহ বিভাগৰ সচিব দিলীপ কুমাৰ বৰা, ব'ৰ্ডৰ মুখ্য কাৰ্যবাহী বিষয়া বুবুল লেখাৰু প্ৰমুখ্যে অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত আছিল।



# আজি অষ্টমী ঃ মহুৰামুখৰ বিভিন্ন ঠাইত দুৰ্গা পূজাৰ উছাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২ ছেপ্টেম্বৰ ঃ** আজি সপ্তমী। আজি বিভিন্ন প্ৰান্তত লগতে বোকাখাত মহকুমাৰ মহুৰামুখৰ বিভিন্ন ঠাইত উদ্‌যাপন কৰিব লগা দেৱী পূজা স্থানসমূহত দেৱী প্ৰতিমা প্ৰতিষ্ঠা কৰা হয়। ইফালে দুৰ্গতিনাশিনী দুৰ্গা দেৱীৰ থানসমূহতো আজি পূজাৰ পৰ্ব আৰম্ভ কৰে। মহুৰামুখৰ মহুৰামুখ চাৰিআলি, বৰতল তিনিআলি, ৰঙাগড়া ঘাট, ৰাধাবাৰী বাগান, ৰঙাগড়া বাগান আদিৰ লগতে অফলাৰ ঐতিহাসিক ত্ৰি-দেৱ বৃক্ষৰ তলতো মা দেৱীৰ প্ৰতিমা আজি উলহ-মালহৰ মাজেৰে প্ৰতিষ্ঠা কৰা হয়। আটকধুনীয়াকৈ সজাই তোলা পূজা মণ্ডপসমূহত আজিৰ পৰাই দেখা গৈছে জনসাধাৰণৰ সমাগম। ইফালে এলেংমাৰী দুসুঁতি মুখ আৰু বৰতলৰ দৰলা থানতো পৰম্পৰাগতভাৱে বলি-বিধানৰ বাবে সাজু কৰি তুলিছে সমিতিসমূহে।

### ধনশিৰি মহকুমাত ড্ৰাগ্‌ছৰ বিৰুদ্ধে ব্যাপক অভিযানত

# তিনিটা সৰবৰাহকাৰী গ্ৰেপ্তাৰ ঃ পলায়নৰ চেষ্টা ঃ আৰক্ষীৰ শূন্যলৈ গুলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি, ২ অক্টোবৰ ঃ** দুৰ্গোৎসৱত আৰক্ষী প্ৰশাসনৰ ব্যস্ততাৰ সুযোগ গ্ৰহণ কৰি পুনৰ সক্ৰিয় হৈ পৰিছে ড্ৰাগ্‌ছৰ ব্যৱসায়ীসকল। দেওবাৰে নাওজানৰ দুজন ড্ৰাগ্‌ছ ব্যৱসায়ীয়ে প্ৰায় চাৰি লাখ টকাৰ সন্দেহযুক্ত ব্ৰাউন ছুগাৰ সৰুপথাৰৰ কোনো ব্যক্তিক দিবলৈ বুলি আনি থকা অৱস্থাত ধনশিৰি মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞা, সৰুপথাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জিতুমণি ডেকা আৰু উপ-পৰিদৰ্শক নূৰ জাহাংগীৰ আহমেদৰ নেতৃত্বত আৰক্ষীৰ এটা দলে পাণজান নগাজৰী গাঁৱৰ সীমান্তত দুটা ড্ৰাগ্‌ছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নাওজান কৰৈগাঁৱৰ হজৰত আলী আৰু মাৰফৎ আলী নামৰ দুটা ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। বাইকসহ পাণজান অভিমুখে গৈ থকা অৱস্থাত দুয়োটা ব্যৱসায়ীক আৰক্ষীয়ে ৰখাবলৈ চেষ্টা কৰোতেই পলাবলৈ চেষ্টা কৰাত উপ-পৰিদৰ্শক নুৰ জাহাংগীৰ আহমেদে শূন্যলৈ গুলী ফুটাই দুয়োটাকে ধৰিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰ কৰা ড্ৰাগ্‌ছ ব্যৱসায়ী দুটাৰ পৰা প্ৰায় ৪ লাখ টকাৰ বৰ্তমানৰ বজাৰ মূল্যৰ তিনিটাকৈ চাবোনৰ পেকেটত ৩৪ গ্ৰাম হেৰ'ইনসহ দুটা মোবাইল আৰু এ এছ-০৫ আৰ-৩৬৪৩ নম্বৰৰ এখন বাইক জব্দ কৰিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰ কৰা হজৰত আলীয়ে আৰক্ষীক জানিবলৈ দিয়াত কয় যে ড্ৰাগ্‌ছসমূহ চুৰি কৰি আনিছিল কোনো ব্যৱসায়ীৰ পৰা। আনহাতে, অন্য এটা গোপন সূত্ৰত খবৰ অনুসৰি সৰুপথাৰ নগৰৰ মাজমজিয়াৰ মেজিক আস্থানৰ কাষত ডিমাপুৰৰ পৰা সৰুপথাৰলৈ ৰে'লেৰে আহি সৰুপথাৰৰ পৰা বাছেৰে নগাঁৱলৈ যাবলৈ ৰৈ থকা অৱস্থাত চামগুৰিৰ ইমৰাজুল ইছলাম নামৰ অন্য এটা ড্ৰাগ্‌ছ সৰবৰাহকাৰীক সৰুপথাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰ হোৱা ইমৰাজুল ইছলামৰ পৰা প্ৰায় ৪ লাখ টকাৰ ৩৮ গ্ৰাম সন্দেহযুক্ত ব্ৰাউন ছুগাৰ জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য, যে চুবুৰীয়া নাগালেণ্ডত দিন হাজিৰা, গাড়ীচালক-হেণ্ডিমেনৰ কাম কৰিবলৈ যোৱা বহু যুৱকে এতিয়া সহজে ধন ঘটিবলৈ ড্ৰাগ্‌ছৰ ব্যৱসায়ত নামি পৰিছে। অসম-নাগালেণ্ড সীমান্তৰ খটখটি, লাহৰীজান, নাগালেণ্ডৰ ডিমাপুৰ আদি অঞ্চলত সহজলভ্য হৈ পৰিছে ড্ৰাগ্‌ছ। অসম চৰকাৰে সীমান্তৰ এই অঞ্চলসমূহতো অভিযান চলালে ড্ৰাগ্‌ছৰ বহু ঘাটি উচ্ছেদ কৰিবলৈ সক্ষম হ'ব।

## আজমলৰ সমষ্টি কাৰ্যালয় স্থানান্তৰ কৰাক লৈ প্ৰতিক্ৰিয়া

### বিতৰ্কিত লোকক সমষ্টিৰ সভাপতি পতাক লৈ অসন্তুষ্টি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ২ অক্টোবৰ ঃ** দল-গঠনৰ পৰা যমুনামুখ সমষ্টি আজমলৰ দখলত। বৰ আজমলৰ পৰা সৰু আজমললৈ বিধায়ক হিচাপে নিৰ্বাচিত হৈ আহিছে। নিৰ্বাচনত জিকিয়েই বিদেশলৈ গুচি যোৱা আজমলৰ সমষ্টিত ৰাইজৰ ক্ষোভ। নাই কোনো উন্নয়ন। ফলত অহিন অহিন সমষ্টিৰ তুলনাত আজিও সমষ্টি পিছপৰা। এনে ক্ষোভৰ সময়তে এইবাৰ এআইইউডিএফৰ ডবকাস্থিত সমষ্টিৰ কাৰ্যালয় হোজাইলৈ স্থানান্তৰিত কৰাক লৈ সমষ্টিৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াই বিৰাজ কৰিছে। দলীয় কৰ্মীৰ মাজতো এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। এনে প্ৰতিক্ৰিয়াৰ মাজতে আজি দলৰ সমষ্টি কমিটী ঘোষণাৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াই দেখা দিছে। সমষ্টিৰ এটা গুৰুত্বপূৰ্ণ সভাপতি পদত মোৰাঝাৰৰ এগৰাকী বিতৰ্কিত ব্যক্তিক অধিষ্ঠিত কৰাক লৈ দলীয় কৰ্মীৰ মাজত অসন্তুষ্টিয়ে বিৰাজ কৰিছে। কিছুদিন আগত এখন ৰাজহুৱা সভাত জনপ্ৰতিনিধিৰ বিৰুদ্ধে বিতৰ্কিত মন্তব্য দি ৰাইজৰ ৰোষত পৰা আব্দুল মান্নান নামৰ লোকজনক কৰ্মীয়ে মানিব বিচৰা নাই। দলৰ পৰা জিলা পৰিষদ নিৰ্বাচিত হৈ চৰম দুৰ্নীতিগ্ৰস্ত এগৰাকী লোকক আজমলে বৰপীৰা পাৰি দিয়াই প্ৰমাণ কৰে যে আজমলৰ দলে পৰোক্ষভাৱে হ'লেও দুৰ্নীতিক সমৰ্থন কৰে। এতিয়া দলৰ ভিতৰচ'ৰাত আচলতে যোগ্য ব্যক্তিৰ অভাৱ হৈছে নে আজমলৰ ৰাজনীতিৰ প্ৰতি ৰাইজৰ অনীহা ইয়াক লৈয়ো প্ৰশ্ন উত্থাপন হৈছে।

## দলগাঁৱৰ এটা মছজিদত নামাজ পঢ়াক কেন্দ্ৰ কৰি ভয়ংকৰ মাৰপিট

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ২ অক্টোবৰ ঃ** দলগাঁৱৰ দৈপামৰ এটা মছজিদত নামাজ পঢ়াক কেন্দ্ৰ কৰি ভয়ংকৰ মাৰপিট। অভিযোগ মতে, দৰঙৰ দলগাঁও থানাৰ অন্তৰ্গত দৈপাম গাঁৱৰ এটা মছজিদৰ ইমামক কেন্দ্ৰ কৰি দুইপক্ষৰ মাজত সংঘটিত হয় মাৰপিটৰ ঘটনা। উল্লেখ্য যে, গাঁওখনৰ এখন সমাজ দুভাগ হয় যদিও একেটা মছজিদত নামাজ আদায় কৰি আহিছে দুই সমাজৰ ৰাইজে। ১৮ ছেপ্টেম্বৰ তাৰিখে দুপৰীয়া নামাজ আদায় কৰিবলৈ মছজিদত উপস্থিত হয় ৰাইজ। নামাজ পঢ়াক লৈ ইমামক কেন্দ্ৰ কৰি দুইপক্ষৰ মাজত বাদ-বিবাদৰ সৃষ্টি হৈ সংঘটিত হয় ভয়ংকৰ মাৰপিটৰ ঘটনা। গাঁওখনৰ আব্দুল আউৱাল নামৰ এগৰাকী চৰকাৰী শিক্ষকৰ নেতৃত্বত মাৰপিটৰ ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। মাৰপিটত গাঁওখনৰ আব্দুল মুন্নাফৰ মূৰত লাঠিৰে বেয়াকৈ আঘাত কৰাত মূৰ ফাটি যায়। লগে লগে আব্দুল মুন্নাফক খাৰুপেটীয়া সামূহিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়া হয় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ঘটনা সন্দৰ্ভত দলগাঁও থানাত আব্দুল আওৱাল, খাইৰুল ইছলাম, আব্দুল হামিদ, মইদুল ইছলাম, আব্দুৰ ৰহিম, ইচৰ আলী, আব্দুল আজিত, কলিমুদ্দিন আৰু নুৰ ইছলামৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰি সঠিক তদন্তৰ জৰিয়তে কঠোৰ শাস্তি প্ৰদান কৰিবলৈ আৰক্ষী প্ৰশাসনৰ ওচৰত দাবী জনাইছে আব্দুল মুন্নাফৰ পৰিয়ালে।

# সপ্তমীৰ নিশা শিৱসাগৰৰ ২৬খন পূজা মণ্ডপত ৰাইজৰ ব্যাপক উছাহ

### প্ৰতিটো মণ্ডপতেই শাৰী পাতি দেৱী দৰ্শন ঃ আৰক্ষীৰ চি চি কেমেৰাৰ নজৰত ঃ ঐতিহাসিক দেৱী দ'লত সম্পন্ন সৰু বলি

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ আজি সপ্তমী। হেঁপাহ আৰু আদৰৰ উৎসৱ দুৰ্গা পূজাৰ সপ্তমীৰ নিশা শিৱসাগৰ চহৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত পূজা প্ৰেমী ৰাইজৰ ব্যাপক উচাহ পৰিলক্ষিত হয়। বহু বিৰতিৰ অন্তত সম্পূৰ্ণ ক'ভিডমুক্ত পৰিৱেশত হাতে হাত ধৰি দেৱী দৰ্শনৰ বাবে ওলাই অহা জনতাৰ পাৰ ভঙা উচাহে সমগ্ৰ শিৱসাগৰকে উন্মনা কৰি তোলে। শিৱসাগৰ সদৰ থানাৰ অন্তৰ্গত মুঠ ২৬টা স্থানত এইবাৰ দুৰ্গা পূজা অনুষ্ঠিত হৈছে। সকলো পূজা সমিতিয়েই চৰকাৰী এছ অ' পি মানি পূজা মণ্ডপসমূহত পৰ্যাপ্ত পোহৰ, চি চি কেমেৰা, বিশুদ্ধ পানী, জুই নুমুৱা যন্ত্ৰ সাজু কৰি ৰাখিছে। শিৱসাগৰ আৰক্ষীয়েও প্ৰতিটো পূজা মণ্ডপৰ লগতে চহৰ অঞ্চলত বেটেলিয়ন, চিআৰপিৰ সহায়ত কঠোৰ নিৰাপত্তা বেষ্টনী গঢ়ি তুলিছে। আনহাতে, আজি শিৱসাগৰ নগৰৰ শতায়ু পুৰণি দেৱী দৌলত মহাসপ্তমী ৰাইজৰ ব্যাপক অংশগ্ৰহণৰ মাজেৰে সম্পন্ন হয়। সৰু বলিৰ দিনা আজি শ্ৰদ্ধা-ভক্তিৰ প্ৰতীক দেৱী দৌলত ৰাইজে মা দুৰ্গাৰ চৰণত সেৱা লয়। আনহাতে, কাইলৈ সম্পন্ন হ'বলগীয়া মহাঅষ্টমীৰ প্ৰস্তুতিও দৌল সমিতিয়ে সম্পূৰ্ণ কৰিছে। কাইলৈ সম্পন্ন হ'বলগীয়া বৰ বলিৰ বাবে দৌল চৌহদত সম্পূৰ্ণ হৈছে বলিশাল। কাইলৈ এই বলিশালত দেৱী মাক সন্তুষ্ট কৰিবৰ বাবে কোমোৰা, হাঁহ, ছাগলী আদি বলি আগবঢ়োৱা হ'ব। অসমৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লোকে বৰ বলিৰ দিনা এই আহোম যুগৰ দৌলত আগবঢ়োৱা বলি লৈ ভিৰ কৰে। সেয়েহে আয়োজক সমিতিয়ে এই বিধিভাগ সুচাৰুৰূপে চলাই নিবৰ বাবে বলি ভেদে এক মাচুল নিৰ্দিষ্ট কৰি দিছে। ছাগলীৰ বাবে ১০০ টকা, হাঁহৰ বাবে ৫০ টকা আৰু কোমোৰাৰ বাবে ২০ টকাৰ মাচুল নিৰ্ধাৰণ কৰি দিছে সকলো ভক্তপ্ৰাণ ৰাইজক। মাচুল দি পঞ্জীয়ন কৰি শৃংখলিতভাৱে বলি কাৰ্য সম্পন্ন কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ উপৰি কাইলৈ মহাঅষ্টমীৰ দিনা দেৱীদ'লত শতিকা পুৰণি এক পৰম্পৰা পালন কৰা হ'ব। সম্প্ৰীতিৰ নিদৰ্শনৰূপে পৰিচিত এই পৰম্পৰাত মুছলমান দৌল্লা পৰিয়াল আৰু বেতবাৰীৰ বৰপাত্ৰগোহাঁই পৰিয়ালক পূজাৰ শৰাই আগবঢ়োৱা হ'ব। আহোম যুগতে দেৱীদ'লত ঢাক বজোৱাৰ দায়িত্বত থকা দৌল্লা পৰিয়াললৈ এই প্ৰসাদ প্ৰতি বছৰে আগবঢ়োৱা হয়। সেইদৰে আহোম বিষয়া বৰপাত্ৰগোহাঁই পৰিয়াললৈ অনুৰূপ শৰাই আগবঢ়াই অহা হৈছে। কাইলৈ বিয়লি দুই বজাত এই শৰাই প্ৰদানপৰ্ব অনুষ্ঠিত কৰা হ'ব বুলি দৌল উন্নয়ন সমিতিয়ে জানিবলৈ দিছে।

# নগৰবেৰাৰ নতুন বদলা পথাৰত মুখত সোপা, হাত-ভৰি বন্ধা, ডিঙিত ৰছী লগোৱা অৱস্থাত ন-বোৱাৰী ঃ তীব্ৰ চাঞ্চল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২ অক্টোবৰ ঃ** নগৰবেৰাৰ নতুন বদলাত ন-বোৱাৰীক অকথ্য নিৰ্যাতনৰ কাণ্ড। বিয়াৰ প্ৰায় ডেৰ বছৰৰ পিছতেই এলাগি হয় ন-কইনা, হাত-ভৰি বান্ধি, ব্লেকটেপ মাৰি মুখবন্ধ কৰি, ডিঙিত ৰছী লগাই টানি টানি জনশূন্য পথাৰত পেলাই থৈ গ'ল নিৰ্মমভাৱে। জানিব পৰা মতে নগৰবেৰাৰ টুপামাৰী আৰক্ষী চকীৰ অন্তৰ্গত নতুন বদলা গাঁৱৰ জিয়াদ আলীৰ কন্যা ৰেহেনাজ পাৰবীনক (২০) চুবুৰীয়া বদলাপথাৰ আদমচৰত মহিদুল ইছলাম নামৰ এজনৰ স'তে প্ৰায় ডেৰ বছৰৰ পূৰ্বে বিয়া দিয়া হৈছিল। বিয়াৰ পিছৰে পৰা স্বামী আৰু স্বামী পৰিয়ালৰ লোকে বোৱাৰীগৰাকীক অকথ্য শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ। তাৰ মাজতে ৰবিবাৰে পথাৰত গৰখীয়াই প্ৰত্যক্ষ কৰে হাত-ভৰি বন্ধা, ব্লেকটেপ মাৰি মুখ বন্ধ কৰি ডিঙিত জন্তুৰ দৰে ৰছী লগাই থোৱা অৱস্থাত ৰেহেনাজ পাৰবিন নামৰ মহিলাগৰাকীক। মুহূৰ্ততে হুৱাদুৱা লাগে অঞ্চলজুৰি আৰু ডিঙিৰ ৰছী খুলি দিয়াত লৰচৰ কৰিব ধৰে, ততাতৈয়াকৈ মহিলাগৰাকীক চিকিৎসালয়লৈ নিয়াৰ দিহা কৰা হয়। ৰেহেনাজ পাৰবীনৰ পিতৃ পৰিয়ালে ইতিমধ্যে আৰক্ষীত এই সন্দৰ্ভত গোচৰ তৰা বুলিও জানিব পৰা গৈছে। সকলোৱে এয়া এক পৰিকল্পিত হত্যা আৰু স্বামী তথা স্বামী পৰিয়ালৰ লোকৰ দ্বাৰাই এনে জঘন্য কাণ্ড সংঘটিত হোৱাৰ অভিযোগ তুলি অভিযুক্তৰ শাস্তিৰ দাবী জনাইছে। আনহাতে, উত্তেজিত ৰেহেনাজৰ পিতৃ পৰিয়ালে অভিযুক্তৰ ঘৰ ভাঙি চুচুৰ্মৈ কৰে। পিছত ঘটনাস্থলীত টুপামাৰী আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ৰাইজৰ মনলৈ উদ্ৰেক ঘটা স্বাভাৱিক প্ৰশ্ন- যদি সঁচাকে স্বামী জড়িত, তেন্তে মস্তিষ্কৰ কেনে বিকৃতি ঘটিলে স্বামীয়ে নিজ পত্নীক এইদৰে কৰিব পাৰে নিৰ্মম আতিশয্য।

### অবৈধ সম্পৰ্কৰ পৰিণতি

## পিতৃয়ে হত্যা কৰিলে পুত্ৰক

### লগত পত্নী আৰু বন্ধু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ২ অক্টোবৰ ঃ** অবৈধ সম্পৰ্কৰ পৰিণতিতেই সংঘটিত হ'ল নৃশংস, নিষ্ঠুৰ, অমানৱীয় ঘটনা। অবৈধ সম্পৰ্কৰ বাবেই হত্যাৰ বলি হ'ল এজন ব্যক্তি। ঘটনাটো সংঘটিত হৈছে ধনশিৰি মহকুমাৰ বৰপথাৰ থানাৰ অন্তৰ্গত শেনচোৱা গাঁৱত। ২৮ ছেপ্টেম্বৰ তাৰিখে শেনচোৱা গাঁৱৰে বাসিন্দা চম্পক সন্দিকৈৰ (২৮) মৃতদেহ ডিঙিত কাপোৰেৰে মেৰিয়াই থোৱা অৱস্থাত উদ্ধাৰ হৈছিল নিজ গৃহতেই। বাহিৰৰ পৰা তলাবন্ধ অৱস্থাত আছিল কোঠাটো। আনহাতে, সেইদিনাৰ পৰাই পলাতক আছিল মৃত চম্পকৰ পত্নী ৰিকুমণি সন্দিকৈ। ইয়াৰ পিছতে ঘটনাই জোকাৰি গৈছিল সমগ্ৰ অসম। পিতৃ প্ৰদীপ সন্দিকৈয়ে অভিযোগ তুলিছিল— চম্পকৰ পত্নীয়েই হত্যা কৰা বুলি। আনহাতে, বৰপথাৰ থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত আৰম্ভ হৈছিল আৰক্ষীৰ তদন্ত। ইয়াৰ পিছতেই তিনি দিনৰ অন্তত ডিমাপুৰৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'ল মূল অভিযুক্ত মৃত চম্পকৰ পত্নী ৰিকুমণি সন্দিকৈক। ৰিকুমণি সন্দিকৈক গ্ৰেপ্তাৰ কৰাৰ পিছতেই আৰক্ষীৰ সোধা-পোছাত ঘটনাই লয় অন্য মোৰ। পত্নীয়ে স্বীকাৰ কৰিলে আৰু দুজন ব্যক্তিৰ সৈতে লগ লাগি স্বামীক হত্যা কৰাৰ কথা। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে পত্নী ৰিকুমণি সন্দিকৈ (২২), পিতৃ প্ৰদীপ সন্দিকৈ (৬১) আৰু চিন্তু বৰুৱাক (২৭)। এই নৃশংস হত্যাকাণ্ডটো সংঘটিত হ'ল অবৈধ সম্পৰ্কৰ বাবেই। অবৈধ সম্পৰ্কৰ পৰিণতিতেই প্ৰাণ হেৰুৱাবলগীয়া হ'ল চম্পক সন্দিকৈয়ে। মৃত চম্পকৰ পিতৃ ষাঠীৰ উৰ্ধৰ প্ৰদীপ সন্দিকৈৰ সৈতে বোৱাৰীয়েকৰ আছিল অবৈধ সম্পৰ্ক। অকল সেয়াই নহয়, মৃত চম্পকৰ বন্ধু চিন্তু বৰুৱাৰ সৈতেও ৰিকুমণিৰ আছিল দীৰ্ঘদিনৰ পৰা অবৈধ সম্পৰ্ক। চাৰি মাহৰ পূৰ্বে বিবাহপাশত আবদ্ধ হোৱা সত্বেও চিন্তু বৰুৱাই ৰিকুমণিৰ সৈতে অবৈধ সম্পৰ্ক ৰাখি আহিছিল। এই অবৈধ সম্পৰ্কৰ বাবেই পিতৃ, পত্নী আৰু বন্ধুৱে মিলি হত্যা কৰিলে চম্পক সন্দিকৈক। উল্লেখ্য যে ডিমাপুৰত কাম কৰি থকা চম্পক সন্দিকৈ ২৭ ছেপ্টেম্বৰ তাৰিখে নিজ ঘৰলৈ আহিছিল। ঘৰত আছিল আঠবছৰীয়া কন্যা, পত্নী আৰু পিতৃ। আনহাতে, পূৰ্বপৰিকল্পিতভাৱেই সেইদিনা নিশা প্ৰায় এক মান বজাত চিন্তু বৰুৱা চম্পকৰ গৃহলৈ আহে আৰু পত্নী, পিতৃ আৰু বন্ধুৱে মিলি চাদৰেৰে ডিঙি চেপি হত্যা কৰে চম্পক সন্দিকৈক। হত্যাকাণ্ডৰ পিছত পিছদিনা পুৱাই পত্নী ডিমাপুৰলৈ পলাই যায়। আনহাতে, এই সমগ্ৰ ঘটনা পত্নীয়ে সংঘটিত কৰিছে বুলি পিতৃয়ে অভিযোগ তুলি আৰক্ষীক বিপথে পৰিচালিত কৰিব বিচাৰিছিল যদিও ধনশিৰি মহকুমাৰ মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞা আৰু বৰপথাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰেমেশ্বৰ শইকীয়াৰ নেতৃত্বত হোৱা ক্ষিপ্ৰ তদন্তত মাত্ৰ তিনি দিনৰ ভিতৰতে আটাইকেইজন অপৰাধী আৰক্ষীৰ জালত পৰে। ইপিনে সভ্য সমাজক কলংকিত কৰা এই নাৰকীয় ঘটনাই এতিয়া ধনশিৰি মহকুমাৰ লগতে সমগ্ৰ গোলাঘাট জিলাতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। যিখন হাতেৰেই কণমানি অৱস্থাৰ পৰা পুত্ৰক তুলি-টালি ডাঙৰ-দীঘল কৰিলে সেইখন হাতেৰেই জীয়াঁৰীসম বোৱাৰীৰ প্ৰেমত পগলা হৈ পুত্ৰক হত্যা কৰাৰ দৰে ঘৃণনীয়, নৃশংস, নাৰকীয় কৰ্মকাণ্ডই এতিয়া সকলোকে ভবাই তুলিছে। ইপিনে পুত্ৰ, স্বামী তথা বন্ধুক হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰা এনে লোকক ফাঁচীৰ দাবী তুলিছে একাংশই।

## ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ বিধ্বংসী তাণ্ডৱত বিদ্যালয় গৃহ ভাঙি নিৰাপদ স্থানলৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ২ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ বিধ্বংসী তাণ্ডৱ। যোৱা কিছুদিন ধৰি বৰহলৌকান্দাত অব্যাহত আছে ব্ৰহ্মপুত্ৰৰ বিধ্বংসী খহনীয়া। এই খহনীয়াত জাহ গৈছে বৰহলৌকান্দা মজলীয়া বিদ্যালয়। ১৯৬৭ চনত স্থাপিত বিদ্যালয়খনৰ ইতিমধ্যে দুটাকৈ গৃহ খহনীয়াত জাহ গৈছে। বাকী বিদ্যালয় গৃহ ভাঙি নিৰাপদ স্থানত নিয়াৰ ব্যৱস্থা কৰিছে স্থানীয় ৰাইজে। এসপ্তাহ পূৰ্বে স্থানীয় বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰে খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি বিদ্যালয়খন খহনীয়াৰ পৰা ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিছিল যদিও বিধায়কৰ প্ৰতিশ্ৰুতি অসাৰ হ'ল। অৱশেষত খহনীয়াত জাহ গ'ল বিদ্যালয়খন। ইয়াকে লৈ স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে।



# দেৱী দুৰ্গাৰ সৈতে মহিষাসুৰৰ পূজা হয় কিয়?

■ মীনাক্ষী ৰায় ডাকুৱা

ৰম্ভাসুৰ দীৰ্ঘদিন ধৰি পঞ্চাগ্নি সাধনাত ৰত যদিও ভগৱান শিৱৰ কৃপা নোপোৱাত মানসিকভাৱে দুৰ্বল হৈ পৰিল। তদুপৰি ইন্দ্ৰৰ হাতত কৰম্ভৰ মৃত্যুসংবাদ পাই প্ৰচণ্ড দুখ পালে। এই দুই ঘটনাৰ ফলত খং আৰু হতাশাত ৰম্ভাসুৰে নিজৰ মূৰ কাটি অগ্নিত আহুতি দিবলৈ উদ্যত হ'ল। তেতিয়াই ভক্তবাঞ্ছা কল্পতৰু আশুতোষ শিৱ ৰম্ভাসুৰৰ সন্মুখত আৱিৰ্ভূত হৈ ক'লে—

ঈশ্বৰৰ মাতৃভাৱৰ আৰাধনা ভাৰতৰ সনাতন ভাৱনাৰেই প্ৰকাশ। সৰ্বদেৱদেৱী স্বৰূপায়ঃ দেৱীয়েই হ'ল আদ্যাশক্তি মহামায়া। ব্ৰহ্মবৈৱৰ্ত পুৰাণত তেওঁ নাৰায়ণী, এবাৰ মাত্ৰ স্মৰণ কৰিলেই তেওঁ মানুহৰ দুৰ্গতি নাশ কৰে। দুৰ্গা শব্দৰ অৰ্থ অনেক। 'দুৰ্গাসি দুৰ্গ ভৱসাগৰনৌৰসঙ্গা'—দুৰ্গম ভৱসাগৰ পাৰাপাৰত একমাত্ৰ তৰণী, সেয়ে তুমি দেৱী দুৰ্গা। অন্যান্য মত অনুসৰি দুৰ্গ নামৰ দৈত্যক বধ কৰে আৰু জীৱৰ দুৰ্গতি নাশ কৰে বাবেই দেৱীক দুৰ্গা বুলি কোৱা হয়।

দুৰ্গা নামটো সৰ্বপ্ৰথম ঋগ্বেদত পোৱা যায়—"স নঃ পৰ্যদতি দুৰ্গানি বিশ্বাঃ ।" তেৱেঁই আমাক সকলো দুখসাগৰৰ পৰা ত্ৰাণ কৰে। বাল্মীকি ৰামায়নৰ লঙ্কাকাণ্ডত আছে, শ্ৰীৰামচন্দ্ৰ ৰাৱণ বধৰ কামনাত পিতামহ ব্ৰহ্মাৰ পৰামৰ্শত মহামায়া দুৰ্গাৰ পূজা কৰিছিল। মহাভাৰতত দেখা যায় দুৰ্গতিৰ পৰা উদ্ধাৰৰ বাবে প্ৰথমে যুধিষ্ঠিৰ আৰু পিছত অৰ্জুনে দেৱী দুৰ্গাৰ স্তৱ কৰে। সখা আৰু সাৰথি শ্ৰীকৃষ্ণৰ উপদেশত কুৰুক্ষেত্ৰৰ ধৰ্মযুদ্ধত বিজয়ী হোৱাৰ মনস্কামনাত অৰ্জুনে সিদ্ধসেনানী দেৱী দুৰ্গাৰ স্তৱ কৰে—'ভগৱতি, দুৰ্গে, তোমাৰ অনুগ্ৰহত যুদ্ধক্ষেত্ৰত সৰ্বদা মোৰ জয় হওঁক।' তন্ত্ৰসাৰ গ্ৰন্থত দেখা যায় দেৱী কাত্যায়নীক দশভুজা আৰু মহিষাসুৰমৰ্দিনী নামেৰে শৰৎকালত দেৱী দুৰ্গাৰ পূজা হয় শ্ৰীৰামচন্দ্ৰৰ অকাল বোধন অনুসৰণত। মহিষাসুৰ কোন?—কালীবিলাসতন্ত্ৰোক্ত মহিসাসুৰৰ ধ্যানত কোৱা হৈছে—

"মহিষ ত্বং মহাবীৰ, শিৱৰূপঃ সদাশিৱঃ।
অতস্ত্বাং পূজায়িস্যামি ক্ষমস্ব মহিষাসুৰ।

অৰ্থাৎ—'হে মহাবীৰ মহিষাসুৰ, তুমি শিৱস্বৰূপ আৰু সদাশিৱ । গতিকে তোমাক পূজা কৰিম।' ইয়াৰ পৰা বুজা যায় মহিষাসুৰ হ'ল শিৱস্বৰূপ।

পিতামহ ব্ৰহ্মাৰ মানসপুত্ৰ প্ৰজাপতি কাশ্যপ আৰু তেওঁৰ পত্নী দক্ষ প্ৰজাপতিৰ কন্যা দনুৰ তিনিজন পুত্ৰ হ'ল বিপ্ৰচিত্তি, ৰম্ভ আৰু কৰম্ভ। বিপ্ৰচিত্তিৰ একমাত্ৰ কন্যাসন্তান মাহিষ্মতী। ৰম্ভ আৰু কৰম্ভ দুয়োজনেই নিঃসন্তান। ভগৱান শিৱক তুষ্ট কৰি সন্তান কামনাত সিহঁতে কঠোৰ তপস্যা আৰম্ভ কৰিলে। ৰম্ভাই পঞ্চাগ্নিৰ মাজত থিয় হৈ শিৱৰ প্ৰসন্নতাৰ বাবে তপস্যা আৰম্ভ কৰিলে। এই তপঃপ্ৰভাৱত স্বৰ্গ-মৰ্ত্য-পাতালৰ প্ৰাকৃতিক পৰিবৰ্তন হ'ব ধৰিলে। ৰম্ভাসুৰ দীৰ্ঘদিন ধৰি পঞ্চাগ্নি সাধনাত ৰত যদিও ভগৱান শিৱৰ কৃপা নোপোৱাত মানসিকভাৱে দুৰ্বল হৈ পৰিল। তদুপৰি ইন্দ্ৰৰ হাতত কৰম্ভৰ মৃত্যুসংবাদ পাই প্ৰচণ্ড দুখ পালে। এই দুই ঘটনাৰ ফলত খং আৰু হতাশাত ৰম্ভাসুৰে নিজৰ মূৰ কাটি অগ্নিত আহুতি দিবলৈ উদ্যত হ'ল। তেতিয়াই ভক্তবাঞ্ছা কল্পতৰু আশুতোষ শিৱ ৰম্ভাসুৰৰ সন্মুখত আৱিৰ্ভূত হৈ ক'লে, "ৰম্ভা, তোমাৰ তপস্যাত মই তুষ্ট। তুমি বৰ প্ৰাৰ্থনা কৰা।" মহাদেৱৰ দৰ্শন পাই ৰম্ভাসুৰৰ মনত এক দিব্য আনন্দধাৰা প্ৰবাহিত হ'ল। মহাদেৱক প্ৰণাম কৰি ৰম্ভাসুৰে ক'লে, 'হে প্ৰভু, মই অপুত্ৰক। মোৰ কোনো সন্তান নাই। যদি মোৰ ওপৰত সন্তুষ্ট হৈছে তেনেহলে কৃপা কৰি তিনি জন্মত আপুনি মোৰ পুত্ৰ হৈ জন্মগ্ৰহণ কৰক।'

"মম জন্মত্ৰয়ে পুত্ৰো ভবান্ ভৱতু শঙ্কৰ।'

মোৰ এই পুত্ৰ হ'ব সকলো প্ৰাণীকুলৰ অবধ্য। সকলো অৱস্থাত বিজয়ী, চিৰায়ু, যশস্বী, লক্ষ্মীৱান আৰু সত্যপ্ৰতিজ্ঞ হ'ব । দৈত্যৰাজ ৰম্ভৰ প্ৰাৰ্থনা শুনি মহাদেৱে ক'লে, মই তোমাৰ মনস্কামনা পূৰ্ণ কৰিম আৰু তোমাৰ পুত্ৰৰূপেই তিনিবাৰ জন্ম গ্ৰহণ কৰিম।—'ভৱিষ্যামি সুতস্তৱ।' ভগৱান শিৱৰ দৰ্শন আৰু বৰ পাই ৰম্ভাসুৰৰ মনত আনন্দৰ সীমা নোহোৱা হ'ল। সি পৰম নিশ্চিন্ত হৈ নিজগৃহৰ উদ্দেশ্যে ৰাওনা হ'ল।

বৰাহপুৰাণৰ পৰা জনা যায়—সিন্ধুদীপ নামেৰে এক তেজস্বী ঋষি তন্ময় হৈ তপস্যাত মগ্ন আছিল। সেই সময়ত মাহিষ্মতী মহিষীৰ ছদ্মবেশ ধৰি তেওঁক ভয় দেখুওৱাত ঋষিৰ দীৰ্ঘকালৰ তপস্যা ভংগ হয় । পিছত ঋষি সিন্ধুদীপে যোগবলত সেই মহিষী মাহিষ্মতী বুলি জানিব পাৰি খঙত অভিশাপ দিলে—'হে দুৰ্মতি মাহিষ্মতী, যি মহিষীৰ ৰূপ ধাৰণ কৰি মোৰ তপস্যা ভঙ্গ কৰিলি, এতিয়াৰ পৰা তই সেই মহিষীয়েই হৈ থাক।" মাহিষ্মতী মহিষীৰূপত বন-জংগলত ঘূৰি ফুৰা সময়ত ৰম্ভাসুৰ সুন্দৰী বিচিত্ৰবৰ্ণৰ যুৱতী আৰু স্বাস্থ্যৱতী মহিষীজনীক দেখি বিস্ময়ত মুগ্ধ হৈ তাইৰ প্ৰতি কামমোহিত হৈ পৰে । মহিষীৰ সানন্দ সন্মতিত ৰম্ভাসুৰে ভৱিতব্য অনুসাৰে মহিষীৰ লগত সঙ্গম কৰাৰ ফলত মহিষী গৰ্ভৱতী হয়। কালৰ নিয়মত মহিষীৰ গৰ্ভৰ পৰা ভগৱান শিৱৰ প্ৰদত্ত বৰ অনুসৰি ৰম্ভাসুৰৰ অভিলাষিত পুত্ৰ শিৱ অৱতাৰ প্ৰবল পৰাক্ৰমী মহিষাসুৰৰ জন্ম হয়। জন্মৰ পাছৰ পৰাই মহিষাসুৰ প্ৰতিদিন শুক্লপক্ষৰ চন্দ্ৰৰ দৰে বৃদ্ধি পাব ধৰিলে। ৰম্ভাসুৰ পুত্ৰ এই মহিষাসুৰকেই প্ৰধান অসুৰবোৰে ৰাজপদত অভিষিক্ত কৰে। মহিষাসুৰ হয় অসুৰবোৰৰ অধিপতি। এই মহিষাসুৰ সকলো দেৱতা, দানৱ আৰু মানৱৰ অবধ্য আৰু ত্ৰাস হৈ উঠিল।

ৰম্ভাসুৰৰ দৰে মহিষাসুৰো ভগৱান শিৱশংৰৰ আৰাধনা কৰি নিজৰ মনোমত বৰ লাভ কৰিছিল। শিৱৰ বলত বলীয়ান মহিষাসুৰ দেৱভূমি হিমালয়ত ভ্ৰমণ কৰাৰ সময়ত কাত্যায়ন মুনিৰ শিষ্য ঋষি ৰৌদ্ৰাশ্ব কঠোৰ তপস্যা কৰি আছিল। তাকে দেখি মহিষাসুৰে কৌতুকবশতঃ স্ত্ৰীৰূপ ধাৰণ কৰি ঋষিক মোহিত কৰে। নাৰীৰ মোহিনী মায়াত মুগ্ধ হৈ তপভঙ্গ হয় ঋষি ৰৌদ্ৰাশ্বৰ। সেই সময়ত ঋষি কাত্যায়নে নাতিদূৰৰ পৰা ঘটনাটো প্ৰত্যক্ষ কৰি প্ৰিয় শিষ্যৰ মঙ্গলৰ বাবে আৰু মহিষাসুৰৰ ছলনাৰ বাবে মহিষাসুৰক অভিশাপ দিলে, 'যিহেতু তুমি স্ত্ৰীৰূপ ধাৰণ কৰি মোৰ শিষ্যক মোহিত কৰি তপস্যাভ্ৰষ্ট কৰিছা, সেইবাবে স্ত্ৰী জাতিয়েই তোমাক বধ কৰিব।"—

"যস্মাত্বয়া মে শিষ্যোয়ং মোহিতস্তপসশ্চুতঃ।
কৃতস্তয়া স্ত্ৰীৰূপেণ তত্ত্বাং স্ত্ৰী নিহনিষ্যতি।।"

ঋষি কাত্যায়নৰ এই অভিশাপ শিৱৰ বলত বলীয়ান দেৱ, দানৱ, যক্ষ, ৰক্ষৰ পৰা বিজয়ী মহাপ্ৰতাপশালী, বীৰশ্ৰেষ্ঠ অসুৰৰাজ মহিষাসুৰৰ মনত কোনো ৰেখাপাত নকৰিলে। সেয়ে দুই মহাপৰাক্ৰমী আৰু বিশ্বস্ত অনুচৰ চিক্ষুৰ আৰু চামৰক সেনাপতি পাতি প্ৰচণ্ড প্ৰতাপত ৰাজত্ব কৰিবলৈ ধৰিলে। কিন্তু খল স্বভাৱৰ বাবে মহিষাসুৰৰ মনত স্বৰ্গাধিপতি হোৱাৰ ইচ্ছা প্ৰৱল হ'ল । এশ বছৰ ধৰি শক্তি আৰু মদগৰ্বত গৰ্বিত অসুৰসকলৰ লগত দেৱতাসকলৰ এক ভয়ঙ্কৰ যুদ্ধ হ'ল। যুদ্ধত হাৰি ইন্দ্ৰই সকলো দেৱতাৰ সৈতে স্বৰ্গৰাজ্যৰ পৰা বিতাড়িত হৈ মৰ্ত্যত আহি দিন যাপন কৰিব ধৰিলে। অসুৰপতি মহিষাসুৰ স্বৰ্গৰাজ্যৰ অধিপতিৰূপে প্ৰতিষ্ঠিত হ'ল।

চৰম মনোকষ্টৰ মাজত দেৱতাসকলে কোনো উপায় নাপাই আত্ম অনুসন্ধান কৰিব ধৰিলে । অৱশেষত তেওঁলোকে ব্ৰহ্মাক লগত লৈ শিৱ আৰু বিষ্ণুৰ ওচৰলৈ গ'ল। সৃষ্টিকৰ্তা ব্ৰহ্মা, পালনকৰ্তা বিষ্ণু আৰু সংহাৰকৰ্তা শিৱ দেৱতাসকলৰ দুখ-দুৰ্দশাৰ সমস্ত ঘটনা শুনি মহা ক্ৰোধান্বিত হ'ল। সমগ্ৰ মুখমণ্ডল জবাকুসুমৰ বৰ্ণ ধাৰণ কৰিলে আৰু তেজৰ দৰে ৰঙা চকুৰ পৰা হঠাতে এক মহাতেজ মহাবেগে ওলাই আহিল। তাৰ পিছত ইন্দ্ৰাদি সকলো দেৱতাৰ মুখমণ্ডলৰ পৰাও তেজৰাশি ওলাই আহি ঋষি কাত্যায়নৰ হিমালয়ৰ আশ্ৰমৰ ঠিক ওপৰৰ আকাশত পুঞ্জীভূত হ'ব ধৰিলে। ক্ৰমে সেই আলোকোজ্জ্বল তেজৰাশিৰ পৰা সৃষ্টি হ'ল এক নাৰীমূৰ্তি। মহৰ্ষি কাত্যায়নে এই দেৱীমূৰ্তি সৰ্বপ্ৰথম দৰ্শন আৰু পূজা কৰে। সেইবাবে এই দেৱী কাত্যায়নী নামে পৰিচিত হ'ল । সমস্ত দেৱতা এই দেৱীক দৰ্শন কৰাত মনত বল আৰু আশাৰ সঞ্চাৰ হ'ল। তেওঁলোকে দেৱী কাত্যায়নীক নানা বস্ত্ৰ আৰু অলঙ্কাৰাদি দি সজ্জিত কৰিলে। মহাদেৱী কাত্যায়নীৰ সৃষ্টি, অঙ্গসজ্জা আৰু অস্ত্ৰসজ্জাৰ বৰ্ণনা মাৰ্কণ্ডেয় পুৰাণত অতি সুন্দৰভাৱে বৰ্ণিত আছে । শিৱৰ মুখৰ তেজেৰে দেৱী কাত্যায়নীৰ মুখ, যমৰ তেজেৰে কেশ, বিষ্ণুৰ তেজেৰে সকলো হাত, চন্দ্ৰৰ তেজেৰে স্তনদ্বয়, ইন্দ্ৰৰ তেজেৰে মধ্যপ্ৰদেশ, বৰুণৰ তেজেৰে জঙঘা আৰু উৰু, পৃথিৱীৰ তেজেৰে নিতম্ব, ব্ৰহ্মাৰ তেজেৰে দুই ভৰি, সূৰ্যৰ তেজেৰে ভৰিৰ আঙুলি, বসুদেৱৰ তেজেৰে হাতৰ আঙুলি, কুবেৰৰ তেজেৰে নাক, অগ্নিৰ তেজেৰে তিনিটা চকু আৰু বিশ্বকৰ্মা প্ৰমুখ দেৱগণৰ তেজেৰে এইদৰে দেৱীৰ শ্ৰীঅঙ্গৰ সৃষ্টি হয় । ইয়াৰ পিছত দেৱতাসকলে দেৱীক নিজৰ প্ৰধান অস্ত্ৰৰ অনুৰূপ অস্ত্ৰ দিলে —শিৱে দিলে ত্ৰিশূল, নাৰায়ণে চক্ৰ, বৰুণে শংখ আৰু পাশ(ৰচী), অগ্নিয়ে শক্তি, বায়ুৱে ধনু আৰু বাণপূৰ্ণ তূণদ্বয়, ইন্দ্ৰই বজ্ৰ, ঐৰাৱতে গজঘণ্টা, যমৰাজে কালদণ্ড, দক্ষ প্ৰজাপতিয়ে অক্ষমালা, ব্ৰহ্মাই কমণ্ডলু, সূৰ্যঞ্জই দেৱীৰ সকলো ৰোমকূপত নিজৰ ৰশ্মি, কালে দিলে খড়্গ আৰু চৰ্ম, বিশ্বকৰ্মাই বহুত অস্ত্ৰ আৰু অভেদ্য বৰ্ম, কুবেৰে দিলে সুৰাপূৰ্ণ পানপাত্ৰ। এইদৰে সকলোৱে দেৱী কাত্যায়নীক অতি ভয়ানক অস্ত্ৰসজ্জাৰে সজ্জিত কৰিলে। তাৰপিছত হিমালয়ে দেৱীক বাহন হিচাবে দিলে প্ৰৱল শক্তিধৰ সিংহ। ইয়াৰ পিছত যুদ্ধৰ সাজেৰে পূৰ্ণৰূপে সজ্জিতা হৈ দেৱীয়ে অট্টহাস্য কৰি এটি হুঙ্কাৰ দিলে । দেৱীৰ সেই ভয়ঙ্কৰ হুঙ্কাৰত চৈধ্য ভুবন আৰু সাত সমুদ্ৰ কঁপি উঠিল। এই সময়ত অস্ত্ৰসজ্জিত হৈ মহিষাসুৰে তাৰ অসুৰ সৈন্যক লগত লৈ সেই ভয়ঙ্কৰ শব্দৰ উৎসস্থল বিচাৰি গৈ মহাদেৱী কাত্যায়নীৰ দৰ্শন পালে।

মহিষাসুৰৰ অসুৰ সেনাৰ সৈতে মহাদেৱীৰ যুদ্ধ আৰম্ভ হ'ল । ৰথ, হাতী, ঘোঁৰা আৰু পদাতিক বাহিনীৰে সৈতে প্ৰথমে দেৱীয়ে মহিষাসুৰৰ দুই সেনাপতি চিক্ষুৰ আৰু চামৰক সংহাৰ কৰিলে। ইয়াৰ পিছত একে একে বহু পৰাক্ৰমী অসুৰ সসৈন্যে দেৱীৰ লগত যুদ্ধত নিহত হ'ল । এইদৰে স্বয়ং দেৱী আৰু দেৱসেনাৰ হাতত মহিষাসুৰৰ সকলো সৈন্য ধ্বংসপ্ৰাপ্ত হ'ল। এইবাৰ সম্পূৰ্ণ অকলশৰীয়া অৱস্থাত মহিষাসুৰে এক বলবান মহিষৰ ৰূপ ধৰি দেৱীৰ সৈন্যবাহিনী আৰু শিৱৰ প্ৰমথগণক বধ কৰি মহাদেৱীৰ বাহন সিংহক বধ কৰিবলৈ অগ্ৰসৰ হ'ল । তেতিয়া ক্ৰুদ্ধা দেৱীয়ে নিজৰ বাহন সিংহক বচাবলৈ পাশেৰে মহিষাসুৰক বান্ধি পেলালে । মায়াত বিশেষ পাৰঙ্গম মহিষাসুৰে দেৱীৰ পাশৰ পৰা বাচিবলৈ মহিষৰ পৰা সিংহৰূপ ধাৰণ কৰিলে। কিন্তু দেৱী কাত্যায়নীয়ে খড়্গৰ সহায়ত সেই সিংহৰ মূৰটো কাটি পেলালে। তেতিয়া মহিষাসুৰে খড়্গ-চৰ্মধাৰী এক শক্তিমান পুৰুষৰূপে অৱতীৰ্ণ হ'ল । মহাদেৱীয়ে বাণেৰে খড়্গ আৰু ঢালধাৰী সেই পুৰষক সংহাৰ কৰিলে। মহিষাসুৰে আকৌ তাৰ মায়াৰূপ পৰিৱৰ্তন কৰি এক বিৰাট মত্ত হাতীৰ ৰূপ ধাৰণ কৰি গৰ্জন কৰি কৰি শুঁৰেৰে দেৱীৰ বাহন সিংহক আক্ৰমণ কৰাত মহাদেৱীয়ে তৎক্ষণাৎ খড়্গৰে মত্ত হাতীটোৰ শুঁৰ ছেদন কৰিলে।

ৰণক্লান্ত, হতাশ মহিষাসুৰ ৰাতি পৰ্বতগৃহত টোপনিতে এক ভয়ঙ্কৰ সপোন দেখিলে—যেন মহামায়া ভদ্ৰকালীয়ে অতি ভীষণৰূপে মুখ বিস্তাৰ কৰি খড়্গেৰে তাৰ মূৰটো কাটি ৰক্তপান কৰিছে। ৰাতিপুৱা টোপনিৰ পৰা উঠি মহিষাসুৰে সেই মহাশক্তি মহাদেৱীৰ অতি ভক্তি আৰু শ্ৰদ্ধা সহকাৰে আৰাধনা আৰু স্তৱপাঠ আৰম্ভ কৰিলে। মহাদেৱী তাৰ আৰাধনাত প্ৰসন্না হৈ ষোড়শাভুজা ভদ্ৰকালীৰূপে মহিষাসুৰক দৰ্শন দিলে। দেৱীৰ দৰ্শন পাই মহিষাসুৰে অতি ভক্তি আৰু বিনম্ৰভাৱে সেই জগজ্জননী মহামায়াক প্ৰণাম কৰি ক'লে—"হে দেৱী, মই সঁচাকৈয়ে সপোনত দেখিছোঁ যে তুমি মোৰ মূৰ কাটি সেই ৰক্ত পান কৰিছা। হে পৰমেশ্বৰী, এয়া সন্দেহাতীত যে মই তোমাৰ বধ্য আৰু সেইবাবে মোৰ কোনো দুখ নাই । মই দেৱৰাজ ইন্দ্ৰক পৰাজিত কৰি ইন্দ্ৰত্ব পাইছোঁ আৰু ইন্দ্ৰৰ সিংহাসন আজি মোৰ। অখণ্ড ত্ৰিভুৱন ৰাজ্য মই নিৰ্বিবাদে ভোগ কৰিছোঁ আৰু ত্ৰিভুৱনত মোৰ অপ্ৰাপ্ত বাঞ্ছনীয় নাই যাৰ অপ্ৰাপ্তিৰ বাবে মই অনুতাপ কৰিব লাগিব। হে দেৱী দুৰ্গা, মই তোমাৰ আশ্ৰয় ললোঁ। তুমি পুনৰবাৰ জন্মৰ শেষ প্ৰাৰ্থনা পূৰ্ণ কৰা, বাৰে বাৰে মই তোমাক নমস্কাৰ কৰোঁ'—

"তস্মাত্বাং বৈ প্ৰপন্নোহং প্ৰৰ্থ্যং শেষং হি যন্মমা নমো নমঃ ।"

দেৱী দুৰ্গাই ক'লে, "মহাসুৰ, তুমি মোৰ ওচৰত বৰ প্ৰাৰ্থনা কৰা । কোনো সংশয় নকৰিবা । যি বৰ বিচাৰিবা, সেই বৰেই তুমি পাবা"—

"প্ৰাৰ্থনীয়া বৰো যস্তে তং বৃণুস্ব মহাসুৰ।
দাস্যামি তে বৰং প্ৰাৰ্থং সংশয়ো নাত্ৰ বিদ্যতে।।"

জগজ্জননী দেৱী দুৰ্গাৰ অভয়বাণীত মহিষাসুৰে কৰজোৰে দেৱীক ক'লে, "মোৰ ইচ্ছা তোমাৰ অনুগ্ৰহত মঞ্জই যজ্ঞভাগ ভোগ কৰোঁ আৰু যাতে সমস্ত যজ্ঞত পূজ্য হ'ব পাৰোঁ, তেনেকুৱা কৰা। যিপৰ্যন্ত আকাশত সূৰ্যদেৱ বৰ্তমান থাকিব, সেই কাল পৰ্যন্ত মই তোমাৰ পদসেৱা ত্যাগ নকৰিম । এই দুই বৰেই মই প্ৰাৰ্থনা কৰোঁ ।"

"যজ্ঞভাগমহং ভোক্তুমিচ্ছামি তঞ্জৎপ্ৰসাদতঃ ।
যথা মখেষু সৰ্ব্বেষু পূজ্যাহং স্যাং তথা কুৰু ।
ত্বৎপাদসেৱাং ন ত্যক্ষ্যে যাবৎ সূৰ্যঃ প্ৰৱৰ্ত্ততে ।
এবং বৰদ্বয়ং দেহি যদি দেয়ো বৰো মম ।।"

দেৱীয়ে ক'লে, "আগৰপৰাই এটি এটি কৰি সকলো যজ্ঞভাগ দেৱতাসকলক কৰি দিয়া হৈছে, অৱশিষ্ট আৰু একো নাই যি তোমাক দিম । অৱশ্যে তুমি মোৰ হাতত বধ হ'লে কেতিয়াও মোৰ চৰণচ্যুত নহ'বা । এই বিষয়ত কোনো সংশয় নাৰাখিবা, য'তেই মোৰ পূজা হ'ব সেই ঠাইতেই তোমাৰ এই শৰীৰ সাধকৰ চিন্তনীয় আৰু পূজনীয় হ'ব—

"মম প্ৰৱৰ্ত্ততে পূজা যত্ৰ যত্ৰ চ তন্ত্ৰতে ।
পূজ্যশ্চিন্ত্যশ্চ তত্ৰৈব কায়ো যত্তব দানৱ।'

প্ৰসঙ্গত, শাস্ত্ৰৰ পৰা এই কথা জনা যায় যে, ভগৱান শিৱশঙ্কৰ এসময়ত দেৱীক কৈছিল, সিংহৰূপী শ্ৰীহৰি যিজন জগৎ সৃষ্টি আৰু পালনকৰ্তা তেওঁ তোমাৰ ভাৰ বহনত অক্ষম। সেইবাবে মোৰ মহিষ শৰীৰ ভৱিষ্যতে তোমাৰ আন এটি বাহন হ'ব । গতিকে ভোলা মহেশ্বৰৰ ইচ্ছাত মোৰ অসুৰ শৰীৰ তোমাৰ চৰণ স্পৰ্শৰ মাধ্যমত সকলো দেৱতা, ৰাক্ষস আৰু মানুহৰ পূজ্য হ'ব।

দেৱীৰ বৰ লাভ কৰি মহিষাসুৰে অত্যন্ত হৃষ্টচিত্তেৰে দেৱীক ক'লে, হে উগ্ৰচণ্ডী, হে ভদ্ৰকালী, হে দুৰ্গা তোমাক নমস্কাৰ কৰোঁ। সৰ্বত্ৰব্যাপী তোমাৰ বহু মূৰ্তি আছে। গতিকে তুমিয়েই কোৱা, তোমাৰ কোন কোন মূৰ্তিৰ সৈতে মোৰো পূজা হ'ব"—

"উগ্ৰচণ্ডে,ভদ্ৰকালি, দুৰ্গে দেৱী নমোঞ্জস্ততে ।
প্ৰভুতা মূৰ্তয়ো দেৱি ভৱত্যাঃ সকলাত্মিকাঃ ।
কাভিস্তে মূৰ্তিভিঃ পূজ্যো যজ্ঞেহং পৰমেশ্বৰি ।"

দেৱীয়ে ক'লে, "শুনা মহা অসুৰ মহিষ, এতিয়া তুমি মোৰ যি তিনিটা মূৰ্তিৰ নাম কৈছা, সেই তিনি মূৰ্তিৰ সৈতে থাকি তুমিও লোকৰ পূজ্য হ'বা। আদিকালত সৃষ্টিৰ সময়ত উগ্ৰচণ্ডা মূৰ্তিত মই তোমাক বধ কৰিছিলোঁ। দ্বিতীয় সৃষ্টিৰ সময়ত ভদ্ৰকালী মূৰ্তি ধাৰণ কৰি তোমাক নিহত কৰিছিলোঁ । এতিয়া মই তোমাক সংহাৰ কৰাৰ বাবে দুৰ্গা মূৰ্তি ধাৰণ কৰিছোঁ। প্ৰথমতে উগ্ৰচণ্ডা আৰু দ্বিতীয়তে ভদ্ৰকালী মূৰ্তি ধাৰণ কৰি তোমাক নিহত কৰিলেও পদতলত গ্ৰহণ কৰা নাই। এতিয়া তোমাৰ প্ৰাৰ্থনা পূৰণ কৰাৰ বাবে আগৰ দুই মূৰ্তিতো তোমাক পদতলত স্থান দিলোঁ। সেয়ে উগ্ৰচণ্ডা, ভদ্ৰকালী আৰু দুৰ্গা এই তিনি মূৰ্তিৰ পাদলগ্ন হ'বা তুমি আৰু যজ্ঞভাগী হ'বা।'

এই ঘটনাৰ পিছতেই মহিষাসুৰে নিজৰ শৰীৰ দেৱীৰ দ্বাৰা বিনাশৰ বাবে তৎপৰ হ'ল। কাৰণ তেতিয়াহ'লে তাক দিয়া দেৱীৰ কৃপাৰূপ বৰ ফলপ্ৰসু হ'ব। সেয়ে সি আকৌ মহিষ ৰূপ ধাৰণ কৰি মহা আস্ফালন কৰিব ধৰিলে। ইয়াৰ ফলত ত্ৰিভুৱন থৰহৰি কম্পমান হ'ল । বলবীৰ্য-মদোদ্ধত মহিষাসুৰ ভীষণ গৰ্জন কৰি দেৱী চণ্ডিকাৰ উদ্দেশ্যে পৰ্বত নিক্ষেপ কৰিব ধৰিলে। মহাদেৱীয়ে সেইবোৰ চৰম তাচ্ছিল্যৰ সৈতে বাণৰ দ্বাৰা চূৰ্ণ-বিচূৰ্ণ কৰিলে। মদ্যপানত দেৱী চণ্ডিকাৰ মুখমণ্ডল ৰক্তবৰ্ণ ধাৰণ কৰিলে আৰু বাক্যঞ্জও স্পষ্ট উচ্চাৰিত নহ'ল। তেওঁ মহিষাসুৰক ক'লে—"হে মূঢ়, যেতিয়ালৈকে মই মধুপান কৰোঁ, তেতিয়ালৈকে তই গৰ্জন কৰি থাক। মই তোক শীঘ্ৰ বিনাশ কৰিলে দেৱতাসকলে ইয়াত গৰ্জন কৰিব'—

"গৰ্জ গৰ্জ ক্ষণং মূঢ় মধু যাবৎ পিৱাম্যম্।
ময়া ত্বয়ি হতেত্ৰৈৱ গৰ্জিয়্যন্ত্যাশু দেৱতাঃ।

এয়াই মাতৃৰ গুণধৰ্ম। সেইবাবেই তেওঁ দেৱী, তেওঁৰ বাস ভক্তৰ হৃদ্পদ্মত। জগতৰ সকলো নাৰীৰ মাজতেই তেওঁৰ প্ৰকাশ। তেওঁ সকলো বিদ্যাৰ উৎস আৰু সৰ্বকলাযুক্তা। পাপাচাৰী মহিষাসুৰো তেওঁৰ সন্তান। তাৰ কুকৰ্ম আৰু অধৰ্মীয় কামৰ বাবে মহাদেৱীয়ে এফালে তাক কঠোৰ শাস্তি দিছে, আনফালে আকৌ মাতৃস্নেহত বিগলিত হৈ পুত্ৰ মহিষাসুৰক একাধিক বৰঞ্জও দিছে, তাৰ লগতে ত্ৰিজগতৰ মঙ্গলৰ বাবে উপদেশো দিছে...

ইয়াৰ পিছত দেৱী জাঁপ মাৰি মহিষাসুৰৰ কান্ধৰ ওপৰত উঠি নিজ পদদ্বাৰা তাৰ ডিঙি চেপি ধৰি খড়্গৰ আঘাতত ছিন্ন কৰি দিলে। মহিষাসুৰ সেই মহিষৰ মুখৰ পৰা নিজৰ আচল ৰূপ বাহিৰ কৰিব ধৰি দেৱী চণ্ডিকাৰ তেজ দেখি বিস্ময়াবিষ্ট হৈ ৰ'ল। সি বাক্যহাৰা, বাহ্যজ্ঞানহাৰা, স্তম্ভিত। মহিষৰ দেহৰ পৰা মাত্ৰ সি তাৰ অৰ্ধেক শৰীৰ বাহিৰ কৰোঁতেই মহাদেৱীয়ে ত্ৰিশূলৰ আঘাতত তাক সংহাৰ কৰিলে। মহৰ্ষি কাত্যায়নৰ অভিশাপ ফলিয়ালে। মহিষাসুৰ মহাদেৱীৰ হাততেই নিহত হ'ল। নিজৰ এই পৰিণতি দেখি মহিষাসুৰ প্ৰথমে ভয় আৰু একেলগে শোক আৰু মোহপ্ৰাপ্ত হ'ল। কিছুসময় পিছত সি নিজক চম্ভালি লৈ জগজ্জননী দেৱীক শ্ৰদ্ধাৰ সৈতে প্ৰণাম কৰি গদ্গদ্ কণ্ঠেৰে ক'লে—"হে দেৱী, হে মা, তুমি মোৰ প্ৰতি সুপ্ৰসন্না আৰু মোৰ বাবে যজ্ঞভাগৰো ব্যৱস্থা কৰিছা। তুমি মোক আশীৰ্বাদ কৰা মই যেন আকৌ এই ৰূপ নাপাওঁ, দেৱতাসকলৰ সৈতে কোনো শত্ৰুতা নাথাকে আৰু আকৌ যাতে জন্মিবলগীয়া নহয়।" দেৱী কাত্যায়নীয়ে মহিষাসুৰক ক'লে, "দানৱৰাজ, মহাসুৰ, তোমাৰ সৈতে দেৱতাসকলৰ আৰু শত্ৰুতা নাথাকিব আৰু মোৰ পদতলত তোমাৰ শৰীৰ থকা বাবে তুমি যজ্ঞভাগও পাবা। মহাদেৱীৰ পাদস্পৰ্শৰ বাবে তোমাৰ প্ৰাণসকল মোৰেই জীৱাত্মাৰ সৈতে থাকিব । এইবুলি কৈ দেৱী অন্তৰ্ধান হ'ল।

কাত্যায়নী দেৱী দুৰ্গাৰ যি মূৰ্তি বৰ্তমানে পূজা কৰা হয় তাত মাতৃৰ দক্ষিণপদ সিংহৰ কান্ধত আৰু বামপদ মহিষাসুৰৰ কান্ধত থাকে। মহাদেৱৰ অঙ্গসম্ভৱ মহিষাসুৰ আদ্যাশক্তি মহামায়া স্বৰূপ মহাদেৱী কাত্যায়নী দুৰ্গাৰ কৃপা লাভ কৰি ধন্য হৈছে আৰু দেৱীৰ সৈতে যুক্ত থাকি ৰুদ্ৰৰূপে মহাদেৱীৰ লগতেই পূজা গ্ৰহণ কৰে। শ্ৰীদুৰ্গাৰ মূৰ্তিৰ ধ্যানৰ পৰা আৰম্ভ কৰি মহিষাসুৰৰ পূজা নকৰাকৈ দেৱীৰ পূজা সম্পূৰ্ণ নহয়। মহিষাসুৰক বাদ দি পূজা কৰিলে সেই পূজা মহাদেৱীয়ে গ্ৰহণ নকৰে।

সমগ্ৰ ত্ৰিভুৱন হ'ল মহাদেৱীৰ সংসাৰ। তেৱেঁই মহামায়া, তেৱেঁই আদ্যাশক্তি, তেৱেঁই চণ্ডী, তেৱেঁই দেৱী দুৰ্গা । যুগে যুগে ভিন্ন নাম, ৰূপ আৰু প্ৰকৃতিত তেওঁ আৱিৰ্ভূতা হৈছে । দুষ্টৰ দমন আৰু সৃষ্টৰ পালন কৰি পৃথিৱীক ত্ৰাণ কৰিছে, অধৰ্মক মষিমূৰ কৰি ধৰ্মক ৰক্ষা কৰিছে। মহাদেৱী আমাৰ সকলোৰে মাতৃ। 'কুপুত্ৰ জায়তে ক্বচিদপি কুমাতা ন ভৱতি।' পুত্ৰ বেয়া হ'ব পাৰে কিন্তু মাতৃ কেতিয়াও বেয়া হ'ব নোৱাৰে। সেয়ে তেওঁ "সতৰো মা, অসতৰো মা।' সন্তানে ভুল কৰিলে মাতৃয়ে তাক শাস্তি দিয়ে, আকৌ পিছত পৰম স্নেহত বুকুত সাৱটি লয়। এয়াই মাতৃৰ গুণধৰ্ম। সেইবাবেই তেওঁ দেৱী, তেওঁৰ বাস ভক্তৰ হৃদ্পদ্মত। জগতৰ সকলো নাৰীৰ মাজতেই তেওঁৰ প্ৰকাশ। তেওঁ সকলো বিদ্যাৰ উৎস আৰু সৰ্বকলাযুক্তা। পাপাচাৰী মহিষাসুৰো তেওঁৰ সন্তান। তাৰ কুকৰ্ম আৰু অধৰ্মীয় কামৰ বাবে মহাদেৱীয়ে এফালে তাক কঠোৰ শাস্তি দিছে, আনফালে আকৌ মাতৃস্নেহত বিগলিত হৈ পুত্ৰ মহিষাসুৰক একাধিক বৰঞ্জও দিছে, তাৰ লগতে ত্ৰিজগতৰ মঙ্গলৰ বাবে উপদেশো দিছে। ভক্ত মহিষাসুৰৰ অভিলাষ পূৰণ কৰিছে তাক নিজ শ্ৰীচৰণত স্থান দি। তাক নিজৰ লগতেই কৰিছে পূজনীয়।

ফোন ঃ ৮৭৬১৮৬৫৮৮৫

# অৱনমিত হৈছে দুৰ্গোৎসৱৰ গৰিমা

■ বিপ্লৱ কৌশিক কাশ্যপ

ভাৰত তথা সমগ্ৰ অসমৰ ৰাইজৰ অযুত আশা-আনন্দৰ মেটমৰা ভঁৰালটো লৈ আমাৰ মাজলৈ এইবাৰো আহিল দুৰ্গা পূজা। সকলোফালেই এক আড়ম্বৰপূৰ্ণ প্ৰস্তুতিপৰ্ব। সদস্যৰ দীঘলীয়া তালিকাৰে পূজা সমিতিসমূহো গজগজীয়া হৈ উঠিছে। লাখ লাখ টকাৰ বাজেটেৰে এক নদন-বদন অৱস্থাৰ মাজেদি আড়ম্বৰপূৰ্ণ আয়োজনৰ বাবে ব্যস্ত হৈ পৰিছে এচাম দুৰ্গা ভক্ত। প্ৰকৃত সেৱাৰ মানসিকতা লৈ ফুৰাসকলৰ গুৰুত্ব যেন ম্লান হৈ যাব খোজে প্ৰভাৱশালী সদস্যসকলৰ ওচৰত। সেয়ে দুৰ্গা পূজা আমাৰ বাবে এক পূজা হৈ থকাৰ পৰিৱৰ্তে অপশক্তিৰ ক্ষেত্ৰলৈহে প্ৰসাৰিত হৈছেগৈ।

সৰু হৈ থাকোঁতে দুৰ্গা পূজা বুলিলে বুজিছিলোঁ ঢাকৰ তালে তালে আৰতিৰ নৃত্য, নাম, উপাসনা আৰু আজি দুৰ্গা পূজা বুলিলে বুজো কেৱল ডিজে সংগীতৰ তালে তালে ডিস্কো নৃত্য।

হয়তো আমি পাহৰি গৈছো যে দুৰ্গা পূজা এটা 'ধৰ্মীয়' উৎসৱ। কিছু মুক্ত মনৰ সুশীল শ্ৰেণীৰ দৃষ্টিত দুৰ্গা পূজা কেৱল এটা সামাজিক অনুষ্ঠান। তৰ্কৰ খাতিৰত মানি ল'লোঁ যে দুৰ্গা পূজা এটা সামাজিক উৎসৱ, কিন্তু সামাজিকতাৰ নামত অসামাজিক কাৰ্যকলাপ কিমান গ্ৰহণযোগ্য? বছৰত এবাৰ দেৱী মা আহে ধৰালৈ, আনন্দ কৰিব লাগে, এইখিনিলৈকে ঠিকেই আছে। কিন্তু মণ্ডপৰ ভিতৰত বিয়াগোম ছাউণ্ড বক্সত এনে উচ্চস্বৰৰ ইংলিছ-হিন্দী গান বজোৱা আৰু গানৰ তালে তালে বেপেৰোৱাভাৱে নৃত্য কৰা, দেৱী মাৰ প্ৰতিমাৰ ওপৰত নানান ৰঙৰ পোহৰ পেলাই আলোকসজ্জা-লাইটিং কৰাৰ মাজত কোনো ধৰ্মীয় ভাৱগাম্ভীৰ্য বিচাৰি পোৱা যায় নেকি?

এবাৰ চকু বন্ধ কৰি ভাবক দেৱী মাৰ প্ৰতিমাৰ ওপৰত লাইটিং কৰি আমি দেৱী মাক কোন পৰ্যায়লৈ লৈ গৈছোঁ? দেৱী মাৰ প্ৰতিমাৰ ওপৰত আলোকসজ্জা কৰি আমি তেওঁক পণ্য হিচাপে প্ৰদৰ্শন কৰা নাইনে? এনেকৈ যদি প্ৰতিমাৰ ওপৰত লাইটিং কৰা হয় তেনেহ'লে ভক্তি কেনেকৈ জাগ্ৰত হ'ব?

ষষ্ঠীৰ পৰা দশমীলৈকে ধূপ, ধূনা, বন্তিৰ গোন্ধৰ সৈতে জিলাপী, নানান মিঠাইৰ ভজা-পোৰাৰ গোন্ধ মিহলি হৈ কি যে সাংঘাতিক সংমিশ্ৰণ হৈ পৰে পূজাৰ পৰিৱেশ।

হেজাৰ হেজাৰ ইউনিট বিজুলীৰ শৰাধ কৰি পূজাৰ নামত আমি যে কঙাল হৈ পৰোঁহক, আছে জানো এইবোৰৰ প্ৰয়োজনীয়তা?

ছিঃ ছিঃ এইবিলাক ভাবিবলৈকে লাজ লাগিছে। অথচ চহৰৰ অধিকাংশ মণ্ডপত এই দৃশ্য দেখিবলৈ পোৱা যায়। এতিয়া গাঁৱৰ পূজা মণ্ডপলৈ গ'লেও একেই দৃশ্য দেখা পোৱা যায়।

সৰু থাকোঁতে আমি দেখা পূজাত আয়োজকসকলে কোনো ছাউণ্ড বক্স লগোৱা নাছিল বা কোনো লাইটিং কৰা নাছিল। তথাপি পূজাৰ আনন্দ কোনোগুণে কম নহৈছিল। ছাউণ্ড বক্সত গান আমি সদায় শুনো, কিন্তু ঢাক, ঢোল, বৰকাঁহ, ঘন্টাৰ অপৰূপ বাদ্যৰ শব্দই মন পৱিত্ৰ কৰে। দেৱী মাৰ পৱিত্ৰ মুখমণ্ডল আমি বছৰত এবাৰেই তৃপ্তিসহকাৰে দৰ্শন কৰিব পাৰোঁ। লাইটিং কৰি সেই শোভা নষ্ট কৰাৰ প্ৰয়োজনীয়তা আছে নে? লাইটিংটো আমি নৃত্য অনুষ্ঠান নাইবা যিকোনো অনুষ্ঠানতে দেখিবলৈ পাওঁ।

এইবিলাক হোৱাৰ প্ৰধান কাৰণ হৈছে পূজা পৰিচালনাৰ দায়িত্বত কিছুমান নাস্তিক প্ৰকৃতিৰ যুৱকক সুযোগ দিয়া। কেৱল নাস্তিকসকলক দোষ দিলেই নহ'ব। যিসকল ধৰ্মজ্ঞানী ব্যক্তি আছে তেওঁলোকৰ নিস্ক্ৰিয়তায়ো উৎসৱৰ নামত কৰা এইবিলাক বেপেৰোৱামীৰ অন্যতম কাৰণ। এইবিলাক কৰ্ম কৰি আমি অন্যধৰ্মালম্বী সকলৰ দৃষ্টিত নিজ ধৰ্মক ঠাট্টাৰ বস্তুত পৰিণত কৰিছো। তেওঁলোকে হয়তো আমাৰ সৈতে মিলি নাচি-বাগি আনন্দ কৰিব ঠিকেই কিন্তু চকুৰ আৰ হ'লেই আমাকে হাঁহিব আৰু বাস্তৱত এনে হৈয়ো আছে । অন্যধৰ্মালম্বী সকলে কি ক'লে বা নক'লে সেইটো ডাঙৰ কথা নহয়, আমাৰ নিজৰ কি জ্ঞানচকু নাই নেকি ? কোনটো উচিত কাম সেইটো উপলব্ধি কৰাৰ ক্ষমতা নিশ্চয় আমাৰ মাজত আছে।

মূৰ্তিৰ মাধ্যমেৰে উপাসনা হিন্দুৰ লগতে বৌদ্ধ, খ্ৰীষ্টান ইত্যাদি সকলেও কৰে। কিন্তু কেতিয়াবা দেখিছেনে বৰদিন বা বুদ্ধ পূৰ্নিমাত বৌদ্ধযখ্ৰীষ্টানসকলে যিশুযবুদ্ধৰ মূৰ্তিৰ ওপৰত আলোকসজ্জা কৰা বা তেওঁলোকৰ উপসনালয়ত উচ্চস্বৰৰ ডিজে সংগীত বজোৱা?

**শেষত কথা হ'ল—**

১। পূজামণ্ডপৰ ভিতৰত ছাউণ্ড বক্সত ডিজে সংগীত ধৰণৰ গান বজোৱা বন্ধ কৰক। তাৰ পৰিৱৰ্তে ভক্তিমূলক গান বজাওক আৰু ইমানেই যদি নাচ-বাগ কৰাৰ চখ আছে তেন্তে মণ্ডপৰ পৰা দূৰত কৰবাত বক্স বজাই যিমান মন যায় সিমান নাচক মাত্ৰ খেয়াল ৰাখিব তেনে সংগীতৰ শব্দ যেন মণ্ডপৰ ভিতৰত প্ৰৱেশ নকৰে।

২। টকা থাকিলে পূজাৰ পেণ্ডেলত লাইটিং কৰি ভৰাই তোলক। কিন্তু প্ৰতিমাৰ ওপৰত আলোকসজ্জা লগাই নৃত্য কৰাটো কিমান যুক্তিসংগত?

৩। দিনৰ ভাগত দেৱীৰ আগফালে পূজা আৰু নিশাৰ পৰত পাছফালে মদ, জুৱা, ফিল্মৰ আড্ডা কিমান যুক্তিসংগত?

৪। দেৱীৰ আশীৰ্বাদ বিছাৰি অহা ভক্তবৃন্দই এমুঠি বুট-মাহ আৰু খিচিৰিৰ লোভত দবৰা-দবৰি কৰি পূজাৰ পৰিৱেশ বিনষ্ট কৰি পেলোৱাটো কিমান যুক্তিসংগত ?

৫। হাতত ৰছী, সূতা বন্ধাৰ লোভত দেৱী বিসৰ্জন উৎসৱৰ দিনা দেৱীৰ বস্ত্ৰ ফালি-ছিৰি দেৱীক অৰ্ধনগ্ন কৰাটো কিমান যুক্তিসংগত?

এই লেখাটো যিসকলে পঢ়িছে আশা কৰোঁ তেওঁলোকেও নিজ উপলব্ধিৰ পৰা এইবিলাক বেপেৰোৱা মনোভাব বা অশ্লীলতা বন্ধ কৰিবলৈ সচেতন হ'ব। বিশেষকৈ যিসকল ব্যক্তি পূজা উদ্‌যাপন কমিটীত নিযুক্ত হৈ আছে তেওঁলোকে দ্ৰুত পদক্ষেপ লওক। যিসকলে নুবুজে বা বুজিবলৈ ইচ্ছা নকৰে তেওঁলোকক বুজাবলৈ চেষ্টা কৰক।

শেষত শাৰদীয় দুৰ্গা পূজাই সকলোৰে জীৱনলৈ কঢ়িয়াই আনক অনাবিল আনন্দ, সুখ, বিনাশ হওক অপশক্তিৰ তাণ্ডৱ-এয়ে কামনা।

ফোন ঃ ৯৭০৬৯৫৯৫১৯

অণুগল্প

# শাৰদীয় উপহাৰ

■ গৌতম মালাকাৰ

বিগত বছৰ দুটাত প্ৰাণ ভৰি কোনোটো উৎসৱ উপভোগ কৰিব নোৱাৰাৰ বাবে এই বেলি কেউফালে দুগুণ শাৰদীয় উলাহ, উৎসৱৰ মধুগুঞ্জন। কাইলৈৰ পৰা পূজাৰ বন্ধ। সেয়ে আজি সৰহ সংখ্যক বিষয়া-কৰ্মচাৰী পূজাৰ বজাৰ আৰু আনুষংগিক ইটো-সিটো ৰোচক গল্পত মগ্ন। পূজাৰ আগে আগে পোৱা মোটা অংকৰ বোনাচেৰে সকলোৱে ইচ্ছা অনুসৰি বজাৰ কৰি উৎফুল্ল হৈ পৰিছে।



হাতত কেইখনমান শাৰদীয় সংখ্যাৰ আলোচনী লৈ আদবয়সীয়া লোক এজনে ইজনৰ পাছত সিজনৰ কাষলৈ গৈ আলোচনী এখন কিনাৰ বাবে কাকুতি-মিনতি কৰি আছে, 'ছাৰ- বাইদেউ কাবৌ কৰিছোঁ, মাত্ৰ এখন আলোচনী কিনক... মোৰো এহাল সৰু সৰু ল'ৰা-ছোৱালী আছে, পূজা বুলি সিহঁতক মই একো কিনি দিব পৰা নাই, কিতাপ এখন কিনি মোক সহায় কৰক।'

আনন্দ-উলাহত মছগুল কোনোৱে মানুহজনৰ কথালৈ মনোযোগ দিয়াৰ প্ৰয়োজন অনুভৱ নকৰিলে। মানুহজনৰ বুকুখন শোকে খুন্দা মাৰি ধৰিলে। তেওঁ আগবাঢ়ি গৈ ৰমানন্দৰ টেবুলৰ সন্মুখ পালে। আবেগিক হৈ লোকজনে ৰমানন্দকো আলোচনী এখন ল'বলৈ অনুৰোধ কৰিলে, 'ছাৰ, আমাকো জীয়াই থাকিবলৈ দিয়ক।'

ৰমানন্দ সকলোতকৈ পৃথক স্বভাৱৰ, ঈশ্বৰ বা পূজা-পাতালত একেবাৰে বিশ্বাস নকৰা ব্যক্তি। ৰমানন্দই পঢ়ি ভাল পায়, তেওঁ ইতিমধ্যে প্ৰায়বোৰ আলোচনীৰ শাৰদীয় সংখ্যাবোৰ সংগ্ৰহ কৰি লৈছে। তথাপি লোকজনক সহায় কৰাৰ মানসেৰে তেওঁ দুখন আলোচনী কিনি ল'লে। লোকজনৰ চকু দুটা আনন্দত তিৰবিৰাই উঠিল। ওচৰৰ সহকৰ্মী অনুপে আচৰিত হৈ সুধিলে, 'দাদা, আপুনি দেখোন এই দুখন আলোচনী ইতিমধ্যে কিনিছেই, পাহৰিছে নেকি?'

'নাই নাই, পাহৰা নাই, শাৰদীয় উপহাৰ দিবলৈ কিনিছোঁ।'

অনুপে যেন কিবা এটা বুজি পালে। তেওঁ হাঁহি এটা মাৰি মানুহজনক উদ্দেশ্যি ক'লে, 'ডাঙৰীয়া, মোকো দুখন আলোচনী দিয়ক।'

গৌতম মালাকাৰ

ফোন ঃ ৯৪৩৫১৬৮৩৭৮

# ৰামধেনু স্প’ৰ্টছ এছ’চিয়েচনত অনিয়ম

## অনিয়মৰ বিৰুদ্ধে তদন্তৰ ৰাজহুৱা প্ৰস্তাৱ গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, চাবুৱা, ২ অক্টোবৰ ঃ** উঠি অহা প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত কৰি বিভিন্ন খেলত পাৰ্গত কৰি তুলি বিশেষকৈ আৰ্চাৰী খেলবিধত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকাই তোলাৰ উদ্দেশ্যৰে গঠিত হোৱা বৃহত্তৰ চাবুৱা অঞ্চলৰ অন্যতম ক্ৰীড়া অনুষ্ঠান ৰামধেনু স্প’ৰ্টছ এছ’চিয়েচনৰ ভিতৰ চ’ৰাত সংঘটিত এক অনিয়মে সম্প্ৰতি ৰাইজৰ চকু কপালত উঠাইছে। বিশেষকৈ যি মহান উদ্দেশ্য আৰু লক্ষ্যৰে অনুষ্ঠানটি জন্ম হৈছিল সেই সমস্ত লক্ষ্য-উদ্দেশ্যক একাষৰীয়া কৰি এছ’চিয়েচনৰ সভাপতিগৰাকীয়ে নিজ খেয়াল-খুচিমতে এছ’চিয়েচন পৰিচালনা কৰা বুলি এক গুৰুতৰ অভিযোগ ১ অক্টোবৰত চাবুৱাত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ সভাত এছ’চিয়েচনৰ সাধাৰণ সম্পাদক বাবুল গোহাঁয়ে প্ৰকাশ কৰিছে। চাবুৱাৰ আইটিআই প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা সভাখনত সম্পাদক বাবুল গোহাঁয়ে জনোৱা অনুসৰি সভাপতি ভাস্কৰ গোহাঁয়ে নীতি বহিৰ্ভূতভাৱে তথা কোনোধৰণৰ কাৰ্যনিৰ্বাহ বা কোনো সাধাৰণ সভা আহ্বান নকৰাকৈয়ে পূৰ্বৰ সমিতিখন নস্যাৎ কৰি এখন নতুন সমিতি অজ্ঞাতে গঠন কৰি এছ’চিয়েচনটো চলাই নিয়া কাৰ্যক তীব্ৰ গৰিহণা দিয়াৰ লগতে অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানে এছ’চিয়েচনক প্ৰদান কৰা প্ৰথম কিস্তিৰ ৪,৫০,০০০ টকা পূৰ্বৰ সম্পাদকক অৱগত নকৰাকৈ এখন প্ৰস্তাৱ সম্বলিত পত্ৰত সম্পাদক বাবুল গোহাঁইৰ চহী জাল কৰি টকা উলিয়াই অনাৰ অভিযোগ তোলে। ইতিমধ্যে এছ’চিয়েচনৰ সয়ম্ভু সভাপতিয়ে কৰা এনে অনিয়মৰ সন্দৰ্ভত চাবুৱা আৰক্ষী প্ৰশাসন, জিলা উপায়ুক্তৰ লগতে অইল ইণ্ডিয়া লিমিটেডকো অৱগত কৰাৰ কথা সভাত অৱগত কৰে সম্পাদক বাবুল গোহাঁয়ে। ইতিমধ্যে এছ’চিয়েচনটি জন্ম লগ্নৰে পৰা জড়িত বহুকেইগৰাকী ব্যক্তিয়ে সভাপতিগৰাকীয়ে কিদৰে নিজৰ খেয়াল-খুচিৰে চলাই নি নিজৰ স্বাৰ্থ পূৰণৰ হকে ব্যৱহাৰ কৰি আহিছে তাৰ অভিযোগ আনে। আলোচনাৰ শেষত এছ’চিয়েচনত সংঘটিত অনিয়মৰ সন্দৰ্ভত প্ৰশাসনৰ তদন্তৰ যেতিয়ালৈকে সমাপ্ত নহয় সেই পৰ্যন্ত এছ’চিয়েচনৰ সকলো কাম-কাজ বন্ধ ৰখাৰ এক ৰাজহুৱা প্ৰস্তাৱ গ্ৰহণ কৰে। অৱশ্যে চৰকাৰী প্ৰশাসনৰ নিৰপেক্ষ আৰু সঠিক তদন্তৰ ওপৰতে নিৰ্ভৰ কৰিব স্প’ৰ্টছ এছ’চিয়েচনখনত চলা অনিয়ম আৰু ইয়াৰ ভৱিষ্যৎ।




# দিকৰাইৰ গেলাহাটিঙা চাহ বাগিচাত কৰম পৰৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২ অক্টোবৰ ঃ** ভাদ মাহৰ আৰম্ভণিৰে পৰাই চাহ বাগিচা আৰু গাঁও অঞ্চলত প্ৰতিটো নিশাই মাদলৰ শব্দই এক মধুৰ বাতাৱৰণ প্ৰৱাহিত হৈ অহাৰ মাজতে গেলাহাটিঙা চাহ বাগিচাত জাক-জমকতাৰে অনুষ্ঠিত হৈ গ’ল চাহ জনগোষ্ঠীৰ জাতীয় উৎসৱ কৰম পৰৱ। বিশ্বনাথ জিলাৰ অন্যতম বৃহত্তৰ দিকৰাই চাহ বাগিচাৰ গেলাহাটিঙাত যোৱা ৩০ অক্টোবৰৰ দিনা দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে কৰম উৎসৱভাগ। নদুৱাৰ শাখা আটছাৰ উদ্যোগত আৰু গেলাহাটিঙা প্ৰাথমিক আটছা তথা সমূহ ৰাইজৰ সহযোগত উদ্‌যাপিত কৰম পৰৱটিৰ পৰ্ব অনুসৰি পাঁচদিনীয়াকৈ পালন কৰা জাৱা জগোৱা পৰ্বৰ অন্তিম দিনা পুৱা আটছাৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণেৰে আৰম্ভ হোৱা কাৰ্যসূচীৰ সন্ধ্যা কৰম ডাল আমন্ত্ৰণ আৰু কৰম ডাল প্ৰতিষ্ঠা কৰে। ইয়াৰ পিছতে স্থানীয় সাংস্কৃতিৱান ব্যক্তি তথা সমাজ কৰ্মী বিচেস্বৰ কৰ্মকাৰৰ দ্বাৰা কৰম কাহিনী পৰ্ব্ব সম্পন্ন হয়। গেলাহাটিঙা প্ৰাথমিক আটছাৰ চতুৰ্থ বাৰ্ষিক কৰম পৰৱটিৰ এক উচ্চৰ মুখৰ পৰিৱেশত কেন্দ্ৰীয় আটছাৰ প্ৰচাৰ সম্পাদক মিন্টু ভূমিজ,বিশ্বনাথ জিলা আটছাৰ শিক্ষা আৰু সাহিত্য সম্পাদক অবিনাশ ৰাজৱাৰৰ আতিথ্যত ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনোৱাৰ লগতে স্থানীয় জেষ্ঠ সমাজ কৰ্মী তথা একালৰ চাহ শ্ৰমিক নেতা মানিক তাঁঞ্জতী আৰু বিশিষ্ট সমাজ কৰ্মী ৰাজেন বৰাইকক নদুৱাৰ শাখা আটছাৰ হৈ ভাৰপ্ৰাপ্ত সভাপতি ৰাধেশ্যাম তাঁঞ্জতী আৰু সম্পাদক গিৰিন্দৰ কুৰ্মীয়ে বিশেষ সম্বৰ্ধনা জনায়। গেলাহাটিঙা প্ৰাথমিক আটছাৰ সভানেত্ৰী নেহা নায়ক আৰু সম্পাদক কন তচাই আঁঞ্জত ধৰা কাৰ্যসূচীত বিশেষ ভাবে নদুৱাৰ শাখা আটছাৰ অন্যতম বিষয়ববীয়া অৰুণ গোৱালাৰ পৰিচালনাত কৰম উৎসৱটিৰ গীত-নৃত্যৰ আখৰা মুকলি কৰে জেষ্ঠ সমাজ কৰ্মী মানিক তাঁঞ্জতিয়ে সহযোগ আগবঢ়াই নদুৱাৰ আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি অনন্ত কুজুৰ আৰু গেলাহাটিঙা গাঁওসভা সদস্য মঙলা ওৰাঙে।

# টীয়কত ১৯খন মণ্ডপত দুৰ্গা দেৱী পূজাত সেৱাত ব্যস্ত ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা কাকজান, ২ অক্টোবৰ ঃ** যোৰহাট জিলাৰ টীয়ক সমষ্টিত ১৯খন দুৰ্গা প্ৰতিমাৰে দেৱী দুৰ্গাক অৰ্চন-বন্দন কৰিবলৈ সাজু হৈ পৰিছে। টীয়কৰ ৰাইজৰ মাজত যোৱা দুটা বছৰ কভিদ পৰিস্থিতিৰ বাবে দুৰ্গা পূজাৰ পৰিৱেশ ম্লান পৰিছিল যদিও এই বছৰত এখন বিপৰীত ছবি দেখা গৈছে । ৰাইজৰ মাজত দুৰ্গা দেৱীক পূজিবলৈ সৰ্বাতো প্ৰকাৰে ওলায় অহা দেখা গৈছে। কাকজান অঞ্চলৰ অতি পুৰণি চিপাহীখোলা দুৰ্গা মন্দিৰত পূৰ্বৰ তুলনাত ভক্তৰ সমাগম বৃদ্ধি পোৱাৰ লগতে পূজাৰ সামগ্ৰীয়ে ভৰি পৰিছে । মায়াবি শৰতৰ টীয়কৰ চৌদিশে মহিসমৰ্দিনীৰ আৰাধনা স্থান মেলেং, ৰাজৈ, পীড়াকতা,চিপাহীখোলা, টীয়ক,জগদুৱাৰকে ধৰি আজিৰ দেৱী দুৰ্গাৰ আৰাধনাত ব্যস্ত হৈ পৰিছে। যোৰহাট নগৰৰ ভক্তৰ সমাগম অত্যধিক বৃদ্ধি হোৱা পূৰ্বৰ পৰা এক পৰম্পৰা আছিল যদিও তাৰ তুলনাত টীয়কৰ মাজ মজিয়াত আৰু মেলেং চিপাহীখোলা অঞ্চলতো যোৰহাটৰ দৰেই ভক্তৰ সমাগম বৃদ্ধি হ’বলৈ ধৰিছে। ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগত সংলগ্ন হৈ থকা টীয়ক নগৰখনত পূজাৰ বিভিন্ন সামগ্ৰীৰ বিভিন্ন ধৰণৰ খাদ্য সামগ্ৰী ভৰপূৰ হৈ পৰে। সমগ্ৰ টীয়কবাসীৰ লগতে ইয়াত পূজা চাবলৈ দূৰ-দূৰণিৰ ভক্তৰ সমাগম হয়। সেইদৰে মেলেং চিপাহীখোলা ৰাজৈ অঞ্চলত আটাইকেইটা দিনতে ভক্তৰ সমাগম বৃদ্ধি হোৱাৰ লগতে দূৰ-দূৰণিৰ ব্যৱসায় সকল আহি পূজাৰ সামগ্ৰী আৰু খোৱা-বোৱাৰ বস্তুৰে ভৰপূৰ হৈ পৰে। ঠাই বিশেষে বিভিন্ন ধৰণৰ খেল অনুষ্ঠিত কৰা দেখা যায়। এই বছৰৰ দুৰ্গা পূজাত টীয়ক সমষ্টিত দেৱী বন্দনাই মুখৰিত হৈ পৰাৰ লগতে পূজা চাবলৈ ৰাইজ ওলাই আহিছে। আনহাতে সমগ্ৰ, টীয়কতো আৰক্ষী প্ৰশাসনৰ সতৰ্ক দৃষ্টি ৰখা পৰিলক্ষিত হৈছে ।

# ‘শৰতৰ দুপৰীয়া’ অনুষ্ঠানত ড° হবিবৰ ৰহমানক ‘ভাষা-সাহিত্য গৱেষণা বঁটা ২০২২’ প্ৰদান



**দৈনন্দিন বাৰ্তা সেৱাৰ, বকো, ২ অক্টোবৰ ঃ** শনিবাৰে দিনৰ ১০ বজাত আজাৰাৰ স্কেমিও গ্ল’বেল স্কুলত ‘সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ, চতুৰ্থ বৰ্ষৰ ‘শৰতৰ দুপৰীয়া’ অনুষ্ঠানটি বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কেন্দ্ৰীয় যুটীয়া সম্পাদক ড° পৰিতোষ চক্ৰৱৰ্তীয়ে জানিবলৈ দিয়া মতে, গোৱালপাৰাৰ দুকুৰি কবিৰ লগতে সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ কবি-সদস্যসকল আৰু অসমৰ প্ৰথিতযশা ভালেমান কবিৰ কবিতাৰে ‘সাহিত্যম’ নামেৰে এখন কাব্য সংকলন ড° পৰিতোষ চক্ৰৱৰ্তীৰ মুখ্য সম্পাদনা আৰু দেৱেশ দাসৰ সম্পাদনাত প্ৰকাশ কৰে। দিনৰ দহ বজাত ‘সাহিত্য চৰ্চা কেন্দ্ৰ’ৰ সভাপতি কুমাৰ দীপক দাসৰ সভাপতিত্ব অনুষ্ঠানটি বন্তি প্ৰজ্বলনৰে শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত ‘সাহিত্যম’ৰ লগতে ৰঙিয়াৰ জগন্নাথ কলিতাৰ দুখন কবিতা পুথি ক্ৰমে— ‘দুচকুৰ মায়া’ আৰু ‘চন্দ্ৰতাপৰ ছাঁ’ দুখনৰ লগতে ছয়গাঁৰৰ অচ্যুৎ কলিতাৰ কবিতা পুথি- ‘ৰঙা নদীৰ ধল’- উন্মোচন কৰা হয়। উন্মোচন কৰে ক্ৰমে— ড° মঞ্জু দেৱী পেগু, অৱসৰপ্ৰাপ্ত অধ্যাপিকা, কটন বিশ্ববিদ্যালয়, ড° হেমন্ত গোস্বামী, বিশিষ্ট কবি-সাহিত্যিক, নগাঁও; ড° শ্বেইখ হেদায়তুল্লা, অধ্যক্ষ ৰত্নপীঠ মহাবিদ্যালয়, চাপৰ এডৱাৰ্ড ষ্টেডী চাংমা, অধ্যাপক দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জা। অনুষ্ঠানত ‘দেশী জনগোষ্ঠী’ৰ বিশেষ সাহিত্য চৰ্চা আৰু গৱেষণা বিষয়ক বিশেষ অৱিহণা আগবঢ়োৱা বাবে পথমবাৰৰ বাবে ‘ভাষা-সাহিত্য গৱেষণা বঁটা-২০২২ প্ৰদান কৰে জাগীৰোড মহাবিদ্যালয়ৰ অধ্যাপক ড° হাবিবুৰ ৰহমানক। অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধিত হয় গোৱালপাৰাৰ গৌৰৱ, প্ৰথিতযশা গল্পকাৰ তথা বিশেষ সাহিত্যানুষ্ঠান ‘গল্পকথা’ৰ স্ৰষ্টা অতনু ভট্টাচাৰ্য, গোৱালপাৰাৰ জ্যেষ্ঠ সাংবাদিক জিষ্ণু মেধি আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিল্পী মুবিন ৰাভা। এই সভাতেই ঔপন্যাসিক ৰক্তিম শৰ্মাৰ হাতত ‘সাহিত্য বঁটা-২০২২ তুলি দিব বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দৰ সিন্‌হাই। বিশেষ শিল্পী বঁটা-২০২২ আগবঢ়োৱা হ’ব গোৱালপৰীয়া লোক-পৰিৱেশ্য কলাৰ-ওজাশিল্পী (কুষাণ নৃত্যৰ গীদাল) ছহিদ আলীলৈ। অনুষ্ঠানৰ বিশেষ আকৰ্ষণীয় দিশ গোৱালপৰীয়া লোক-পৰিৱেশ্য কলা ‘কুষাণ’ নৃত্য আৰু ‘গোৱালিনী’ নৃত্য। ‘শৰৎ ঋতু আৰু অসমীয়া সাহিত্য’ড° শীৰ্ষক বক্তৃতা প্ৰদান কৰিব নগাঁও জিলাৰ পুৰণিগুডামৰ বিকেবি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এছ’ছিয়েট প্ৰফেছৰ তথা বিশিষ্ট গল্পকাৰ তথা সাহিত্যিক ড° সোমনাথ বৰাদেৱে। বিভিন্নজনৰ দ্বাৰা গীত-নৃত্য প্ৰদৰ্শনৰ লগতে কবিতা পাঠৰ বিশেষ আকৰ্ষণীয় অনুষ্ঠান। অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ভালেমান বিশিষ্ট লোকে যোগদান কৰে। অনুষ্ঠানত উপস্থিত হোৱা সকলো অতিথিকে ধন্যবাদ জনায় সাহিত্য চৰ্চা কেন্দ্ৰৰ বিষয়ববীয়া সকলে।

# বকোত গান্ধী জয়ন্তী উপলক্ষে চাফাই অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২ অক্টোবৰ ঃ** মানৱ জাতিৰ সৰ্বাংগীণ বিকাশ তথা মানৱ সভ্যতাৰ অগ্ৰগতিৰ লক্ষ্যত অহৰহ চেষ্টা চলাই আহিছে ইলোৰা বিজ্ঞান মঞ্চ অসমে। এই ক্ষেত্ৰত অধিক সজাগতাৰে মানৱ সমাজত ইয়াৰ বিষয়ে প্ৰচাৰ আৰু প্ৰসাৰৰ কাম কৰি আহিছে মঞ্চই । আজিও গান্ধী জয়ন্তীৰ দিনা মঞ্চৰ বকো শাখাৰ উদ্যোগত আৰু মঞ্চৰ কৰ্মী তথা বকো সাহিত্য সভাৰ সভাপতি সুৰেণ চন্দ্ৰ কলিতাৰ তৎপৰতাত বকো গান্ধী মৈদামৰ লগতে বকোস্থিত শ্বহীদ বেদীৰ, বকো হাইস্কুল খেলপথাৰ আৰু সুঁৱৰি মঞ্চৰ চৌহদ চাফ-চিকুন কৰি চাফাই অভিযান শুভাৰম্ভ কৰে। ইফালে ‘আহক আমি সকলোৰে মিলি বকো অঞ্চলৰ ৰাজহুৱা স্থানসমূহ চাফ চিকুণ কৰি ৰাখোঁ ‘শীৰ্ষক শ্ল’গানেৰে আজিৰে পৰা আৰম্ভ কৰা চাফাই অভিযানত বকো ভলীবল ক্লাব আৰু বকো হাইস্কুলৰ কৰ্তৃপক্ষয়ো সহযোগ আগবঢ়ায়। ইলোৰা বিজ্ঞান মঞ্চ বকো শাখাৰ সভাপতি গৌৰাংগ ঠাকুৰীয়াৰ লগতে বহুকেইজনো কৰ্মীয়ে কাৰ্যসূচী ৰূপায়ণ কৰে।




## বাহনাত গান্ধী জয়ন্তী পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২ অক্টোবৰ ঃ** যোৰহাট জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ, খোৱাপনী আৰু অনাময় সমিতিৰ উদ্যোগত ‘ঈপমেন একাডেমী’ বাহনাৰ সহযোগত আজি গান্ধী জয়ন্তী পালন কৰা হয়। ‘স্বচ্ছতা হি সেৱা উপলক্ষে বাহনা মহাবিদ্যালয়ৰ ইনড’ৰ ষ্টেডিয়ামত আয়োজন কৰা অনুষ্ঠানত গান্ধীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ঈপমেন একাডেমীৰ সঞ্চালক তথা ৰাষ্ট্ৰীয় খেলুৱৈ এচ এচ সিদ্ধাৰ্থ শইকীয়াই। ইয়াৰ পাছতে ঈপমেন একাডেমীৰ প্ৰশিক্ষাৰ্থী, বাহনাৰ বেডমিণ্টন প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থী আৰু বাহনা উচ্ছ ইংৰাজী বালক বিদ্যালয়ৰ ছাত্ৰ সকলৰ দ্বাৰা এক চাইকেল শোভাযাত্ৰা উদ্বোধন কৰে বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰসন্ন দত্তই। সমাজকৰ্মী তথা স্বচ্ছতাৰ প্ৰহৰী জগন্নাথ অগ্নিবৰাই পৰিচালনা কৰা অনুষ্ঠানটি যোৰহাট জিলা স্বচ্ছভাৰত অভিযানৰ জিলা সম্বন্বয়ক ৰূপক গগৈয়ে উদ্দেশ্য বাখ্যা আগবঢ়ায়।

# অসম-বংগ-বিহাৰক সাঙুৰি বৃহৎ গণতান্ত্ৰিক আন্দোলন আৰম্ভ কৰা হ’ব ঃ কামতাপুৰ প্ৰ’গ্ৰেছিভ পাৰ্টী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২ অক্টোবৰ ঃ** কালি এক প্ৰেছ বিবৃতিত কামতাপুৰ প্ৰ’গ্ৰেছিভ পাৰ্টী (কেপিপি)ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে জনায় যে পৃথক কামতাপুৰ ৰাজ্য পুনৰ্গঠন, কামতাপুৰী ভাষাৰ ৰাষ্ট্ৰীয় স্বীকৃতি, সৰ্বভাৰতীয় পৰ্যায়ত কোচ বা ৰাজবংশীসকলৰ জনজাতিকৰণৰ বিষয়টোক মূল হিচাপে অচিৰেই অসম-বঙ্গ-বিহাৰক সাঙুৰি ৰাষ্ট্ৰীয় পৰ্যায়ত এক বৃহত্তৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ’ব। এই দিশত প্ৰস্তাৱিত কামতাপুৰ অঞ্চলৰ প্ৰতিটো দল-সংগঠনৰ লগত যোগাযোগ আৰু আলোচনাৰ প্ৰক্ৰিয়া চলাই থকা হৈছে। পৃথক কামতাপুৰ বা গ্ৰেটাৰ কোচবিহাৰ ৰাজ্য পুনৰ্গঠনৰ উদ্দেশ্যৰে এখন যৌথ মঞ্চ গঠন কৰিবলৈ ইতিমধ্যে কামতাপুৰ পিপুলছ পাৰ্টী (ইউনাইটেড), গ্ৰেটাৰ কোচবিহাৰ পিপুলছ এছ’চিয়েচন (জিচিপিএ), সদৌ কোচ-ৰাজবংশী ছাত্ৰ সংস্থা ( আক্ৰাছু), সদৌ কোচ-ৰাজবংশী সন্মিলনী, কোচ-কোচ-ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনী, ৰাজবংশী বিকাশ পৰিষদ, দেশী-গৰিয়া-মৰিয়া জাতীয় পৰিষদ, নস্যসেখ উন্নয়ন মঞ্চ আদি সংগঠনৰ লগত আলোচনাৰ প্ৰক্ৰিয়া চলাই থকাৰ কথা প্ৰকাশ কৰে কামতাপুৰ প্ৰ’গ্ৰেছিভ পাৰ্টীৰ সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে। ৰায়ে আৰু কয় যে এই সকলোবোৰ আলাপ-আলোচনা সঠিক দিশত আগবাঢ়ি আছে আৰু ইয়াক বাস্তৱায়িত কৰিবলৈ আগন্তুক শাৰদীয় উৎসৱৰ পিছতে সকলো দল-সংগঠনক একত্ৰিত কৰি এক যৌথ মঞ্চ গঠন কৰা হ’ব। কামতাপুৰ প্ৰ’গ্ৰেছিভ পাৰ্টীৰ সাধাৰণ সম্পাদকগৰাকীয়ে আৰু কয় যে অহা ১১ নৱেম্বৰত পৃথক কামতাপুৰ ৰাজ্য পুনৰ্গঠনৰ দাবীত শিলিগুড়িত এক মহাসমাবেশ অনুষ্ঠিত কৰাৰ কথাও সদৰী কৰিছে বিবৃতিটোত। শিলিগুড়িৰ এই মহাসমাবেশত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে প্ৰস্তাৱিত কামতাপুৰ অঞ্চলৰ প্ৰতিটো দল-সংগঠনৰ লগতে সৰ্বস্তৰৰ জনগণৰ সহায়-সহযোগিতা আমি চিৰতৰে কামনা কৰোঁ। বিবৃতিটোত প্ৰকাশিত অনুসৰি কেপিপিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে জনায় যে পৃথক কামতাপুৰ বা গ্ৰেটাৰ কোচবিহাৰ ৰাজ্য পুনৰ্গঠনৰ বাবে কেন্দ্ৰীয় চৰকাৰক আমি ২০২৪ চনৰ লোকসভাৰ নিৰ্বাচনৰ পূৰ্বে এক সঠিক সিদ্ধান্তত উপনীত হ’বলৈ আহ্বান জনালোঁ। পৃথক কামতাপুৰ বা গ্ৰেটাৰ কোচবিহাৰ ৰাজ্য পুনৰ গঠনৰ বিষয়টোৰ আমি ৰাজনৈতিক সমাধান বিচাৰিছোঁ। আজি দেশ স্বাধীন হোৱাৰ ৭৬ বছৰ পিছতো আমি আমাৰ ভাষা, সংস্কৃতি, ইতিহাস আৰু ঐতিহ্য ৰক্ষাৰ বাবে আমি দীঘলীয়া সময় ৰাজপথত সংগ্ৰাম কৰিবলগীয়া হৈছে। গতিকে আমি ৰাষ্ট্ৰ ব্যৱস্থাৰ পৰা ন্যায় বিচাৰিছোঁ, আমি আমাৰ পিতৃ পুৰুষৰ ঐতিহাসিক গৃহভূমিত আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সুৰক্ষিত হোৱাটো বিচাৰিছোঁ। ২০২৪ চনৰ লোকসভাৰ নিৰ্বাচনৰ পূৰ্বে যদি কামতাপুৰ বা গ্ৰেটাৰ কোচবিহাৰ ৰাজ্য পুনৰ্গঠনৰ বিষয়টোৰ কোনো ৰাজনৈতিক সমাধান নহয়; তেনেহ’লে ভাৰতীয় জনতা পাৰ্টী নেতৃত্বৰ কেন্দ্ৰীয় চৰকাৰক সমাগত লোকসভাৰ নিৰ্বাচনত ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হ’ব। বিবৃতিটোত কেপিপিৰ সাধাৰণ সম্পাদকগৰাকীয়ে উল্লেখ কৰে যে কামতাপুৰী-কোচ-ৰাজবংশী, দেশী সমাজৰ প্ৰভাৱ থকা ভাৰতীয় উপ-মহাদেশত লোকসভাৰ সমষ্টি সমষ্টিসমূহ হ’ল-বিহাৰৰ চাৰিটা লোকসভা-পূৰ্ণিয়া, কিষাণগঞ্জ, আৰাৰিয়া, কাটিহাৰ; উত্তৰবঙ্গৰ আঠটা লোকসভা- মালদহ উত্তৰ, মালদহ দক্ষিণ, বালুৰঘাট, ৰায়গঞ্জ, দাৰ্জিলিং, জলপাইগুৰি, আলিপুৰদুৱাৰ, কোচবিহাৰ, অসমৰ সাতটা লোকসভা-ধুবুৰী, কোকৰাঝাৰ, বৰপেটা, মঙলদৈ, গুৱাহাটী, নগাঁও, তেজপুৰ আৰু মেঘালয়ৰ এটা লোকসভা-তুৰা। সৰ্বমুঠ ২০টা লোকসভাৰ সমষ্টিত আমাৰ নিৰ্ণায়ক ভোটৰ সংখ্যা আছে। গতিকে আমি আশা কৰিছোঁ যে ২০২৪ চনৰ লোকসভাৰ নিৰ্বাচনৰ পূৰ্বে পৃথক কামতাপুৰ বা গ্ৰেটাৰ কোচবিহাৰ ৰাজ্য গঠনৰ বিষয়টোৰ এক ৰাজনৈতিক মীমাংসাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিব লাগে; ইয়াৰ অন্যথা আমি নিৰ্বাচনত এক উপযুক্ত উত্তৰ দিবলৈ প্ৰস্তুত।

# কাবাদী খেলুৱৈ ইৰা দাসৰ বিয়োগত শোক প্ৰকাশ কোচ-ৰাজবংশী সন্মিলনীৰ

## *মৃতকৰ গৃহত পৰিয়ালক সাক্ষাৎ*



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২ অক্টোবৰ ঃ** এগৰাকী সুদক্ষ কাবাদী খেলুৱৈ হিচাপে অসম মাতৃৰ লগতে ভাৰতৰ নাম উজলাই তোলা ইৰা দাসৰ বিয়োগত শোক প্ৰকাশ কৰিছে সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীয়ে। কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত আলেকজাৰী গাঁৱৰ প্ৰতিভাধৰ কাবাদী খেলুৱৈ তথা কোচ-ৰাজবংশী সম্প্ৰদায়ৰ মহিলা ইৰা দাসৰ যোৱা ৩০ ছেপ্তেম্বৰত পৰলোকপ্ৰাপ্তি ঘটে। ইৰা দাসৰ বিয়োগৰ খবৰ পাই অঞ্চলস্থ ৰাইজৰ লগতে ক্ৰীড়া জগতৰ লগত জড়িত সকলোৰে দুখ অনুভৱ কৰে। ইফালে দেশৰ খেলুৱৈৰ তালিকাত শীৰ্ষস্থান দখল কৰা তথা কোচ-ৰাজবংশী সম্প্ৰদায়ৰ মহিলা-সুদক্ষ কাবাদী খেলুৱৈগৰাকীৰ মৃত্যুৰ খবৰ পোৱা মাত্ৰকে কোচ-ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কামৰূপ জিলা সমিতিৰ সাধাৰণ সম্পাদক অনুপম দাস আৰু জিলা সাংগঠনিক সম্পাদক মিলন কুমাৰ দাসৰ তৎপৰতাত সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি-সম্পাদকসহ বিষয়ববীয়াসকলে আহি মৃতকৰ পৰিয়ালৰ শোকৰ সমভাগি হয় আৰু মৃতকৰ চিৰশান্তি কামনা কৰে। উল্লেখ্য যে ছয়গাঁৰৰ আলেকজাৰী গাঁৱৰ ইৰা দাস এগৰাকী সুদক্ষ কাবাদী খেলুৱৈ হিচাপে পৰিচিত আছিল। কাবাদী খেলুৱৈ হিচাপে আৰু খেলৰ জৰিয়তে দেশৰ সন্মান উজলাই তোলা বাবে অসম আৰক্ষী বিভাগত নিযুক্তি লাভ কৰিছিল। কাবাদী খেলৰ জৰিয়তে ৰাজ্যিক পৰ্যায়ত খেলি ভাৰতীয় দলৰ অধিনায়ক হিচাপে পাকিস্তানত কাবাদী খেলি সুনাম অৰ্জন কৰিছিল ইৰা দাসে। পাকিস্তানত ভাৰতৰ কাবাদী খেলৰ দলটিক প্ৰতিনিধিত্ব কৰা ইৰা দাসে খেল খেলি দেশৰ সন্মান উজলাই তুলিছিল। এনে এগৰাকী প্ৰতিভাধৰ খেলুৱৈৰ অকাল মৃত্যুত কোচ-ৰাজবংশী জনগোষ্ঠীৰ লগতে ৰাজ্যৰ অপূৰণীয় ক্ষতি হ’ল। সেয়ে মৃতকৰ আত্মাৰ সদ্‌গতি কামনা কৰি পৰিয়ালবৰ্গক সান্ত্বনা দিবলৈ উপস্থিত হয় সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি কুমাৰ প্ৰণৱ নাৰায়ণ দেৱকে ধৰি বহুকেইগৰাকী সদস্য।

## গান্ধী জয়ন্তীত ছাত্ৰ-ছাত্ৰীক শিক্ষা সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২ অক্টোবৰ ঃ** জাতিৰ পিতা মহাত্মা গান্ধীৰ আজি ওপজা দিনত লাহৰীঘাটৰ অতি ভিতৰুৱা কোচকাটি গাঁৱৰ এটা দম্পতীয়ে গাঁওখনৰ শতাধিক ছাত্ৰ- ছাত্ৰীক আনুষ্ঠানিকভাৱে প্ৰদান কৰিলে অধ্যয়নৰ সঁজুলি। গাঁওখনৰ ফুলেশ্বৰ পাতৰ আৰু তেওঁৰ পত্নী বিন্দিৰা বৰদলৈয়ে নিজৰ পিছপৰা গাঁওখনৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰত প্ৰেৰণা যোগাই যোৱাৰ লক্ষ্যৰে দেওবাৰে মহাত্মা গান্ধীৰ জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰদান কৰিলে বহী, কলম, কাঠপেঞ্চিল ইত্যাদি। কোচকাটি গাঁৱৰ দৰদী ক্লাবৰ প্ৰাঙ্গণত অনুষ্ঠিত এই অনুষ্ঠান ভাগ ছাত্ৰ- ছাত্ৰীসকলৰ কবিতা আবৃত্তিৰে শুভাৰম্ভ কৰা হয়। অনুষ্ঠানটোত গান্ধীজীৰ সন্দৰ্ভত বক্তব্য ৰাখে স্থানীয় সমাজ সেৱক পুলিন মান্তা, ধীৰেন বৰদলৈ আৰু কানুৰাম দেউৰীয়ে। উল্লেখ্য যে ভাষণত বয়োজ্যেষ্ঠ নাগৰিক কানুৰাম দেউৰীয়ে সেইখিনি সময়ত তেওঁলোকে গান্ধীজীক লৈ গাঁৱে গাঁৱে গাই ফুৰা গীতৰ কিছু অংশ গাই স্মৃতি ৰোমন্থন কৰে।

# মৈৰাবাৰীত আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২ অক্টোবৰ ঃ** ১অ’ৈবৰ, আজি বৃহত্তৰ মৈৰাবাৰী অঞ্চলৰ অন্যতম সামাজিক অনুষ্ঠান মৈৰাবাৰী প্ৰেছ ক্লাবৰ উদ্যোগত আৰু শংকৰ-আজান বিদ্যাপীঠৰ সহযোগত মৈৰাবাৰী প্ৰেছ ক্লাবৰ সভাকক্ষত আজান -শংকৰ বিদ্যাপীঠৰ অধ্যক্ষ্য ফৰিদ উদ্দিন আহমেদৰ সভাপতিত্ব এক গাম্ভীৰ্পূণ পৰিৱেশত দুই শতাধিক অৱসৰপ্ৰাপ্ত শিক্ষক, চৰকাৰী বিষয়া, কৰ্মচাৰী আৰু জেষ্ঠ কৃষক ,মিঞা পৰিষদৰ নেতা কৰ্মী আৰু স্থানীয় সংবাদ দাতা সকলৰ উপস্থিতিত আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱস উদযাপনৰ কাৰ্যসুচী সফল ভাৱে ৰূপায়ন হয়। জ্যেষ্ঠ নাগৰিক দিৱস উদযাপন বিষয়ক সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে মৈৰাবাৰী প্ৰেছ ক্লাৱৰসভ কাৰ্যকৰী সভাপতি বদৰুজ জামান আকতাৰে।সভাখনত উপস্থিত থকা প্ৰতিগৰাকী জ্যেষ্ঠ নাগৰিকক এখন ফোলাম গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনোৱা সম্বৰ্ধনা পৰ্ব অনুষ্ঠান পৰিচালনা কৰে মৈৰাবাৰী প্ৰেছ ক্লাবৰ উপ সভাপতি বাহাৰুল উলুম চৌধুৰীয়ে। বিশিষ্ট কবি, সাহিত্যিক হানিফ উদ্দিন, মিঞা পৰিষদৰ প্ৰাক্তন সভা এম জি হাজৰিকা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক তথা মৈৰাবাৰী জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি ৰহম আলী,অৱসৰ প্ৰাপ্ত শিক্ষক নুৰুজ জামান, ৰঅৱসৰ প্ৰাপ্ত শিক্ষক আব্দুল লতিফ চৌধুৰী, ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰাপ্ত অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক আব্দুল গফুৰ,মৈৰাবাৰী প্ৰেছ ক্লাবৰ সভাপতিয়ে জেষ্ঠ্ নাগৰিক দিৱসৰ প্ৰতি সংগতি ৰাখি তথ্য গধুৰ বক্তব্য আগবঢ়ায়। আজিৰ এই গুৰুত্বপূৰ্ণ অনুষ্ঠানটোত অ্ংশ গ্ৰহণ কৰি মৈৰাবাৰী সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত চিকিৎসক আব্দুল ছালামে জ্যেষ্ঠ নাগৰিক সকলৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি সজাগতাৰ দিশত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়াই সভাৰ মন আকৃষ্ট কৰে। এই সভাখনত মৈৰাবাৰী প্ৰেছ ক্লাবৰ সভাপতি মেহবুব মোক্তাৰে প্ৰেছ ক্লাবৰ সভাকক্ষ স্থায়ী ভাৱে কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰিবলৈ মৈৰাবাৰী আন্চলিক জেষ্ঠ নাগৰিক মঞ্চক অনুমতি দিয়াৰ কথা ৰাজহুৱা ভাৱে ঘোষণা কৰাত মঞ্চৰ সভাপতি,সম্পদকে মৈৰাবাৰী প্ৰেছ ক্লাবক ভূয়সী প্ৰশংসা কৰে।

# উত্তৰ গুৱাহাটীৰ বাৰোৱাৰী দুৰ্গা পূজা মন্দিৰ সমিতিৰ ব্যতিক্ৰমী কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২ অক্টোবৰ ঃ** উত্তৰ গুৱাহাটীৰ উত্তৰাঞ্চল বাৰোৱাৰী দুৰ্গাপূজা মন্দিৰ সমিতিৰ সৌজন্যতো আগবঢ়োৱা হৈছে মাঁ-ভৱানীৰ পূজা ভাগ। আলোক সজ্জাৰে সজ্জিত কৰাৰ উপৰিও আকৰ্ষনীয় কৰি তোলা হৈছে ৰভাঘৰ। ভৰপুৰ মনোৰঞ্জনেৰে, উলহ-মালহেৰে দুৰ্গোৎসৱ পালনৰ কৰা হৈছে ব্যৱস্থা। বৈদিক বিধি অনুযায়ী ষষ্ঠী বিহিত পূজা দেৱীৰ বোধন আমন্ত্ৰণ প্ৰসস্ত সময় ৬:৫৩ বজাত অধিবাস কৰা হয়। দেওবাৰে ৰাতিপুৱাৰ ভাগত পুৰ্বাহ্ন সুপ্ৰসস্ত সময়ত দেৱীৰ নৱপত্ৰিকা প্ৰৱেশ তথা সপ্তমী বিহিত পূজা ভাগ সমাপন কৰা হয় লগতে দেৱীৰ বিশেষ সন্ধি পূজা ভাগ ৩:১৬ বজাত সমাপন কৰা হয় বুলি পুৰোহিতে জানিবলৈ দিয়ে। সোমবাৰে মহাষ্টমী দিনাখন প্ৰভাত কালে সুপ্ৰসস্ত সময়ত পুৰ্বাহ্নত দেৱীৰ অষ্টমী বিহিত পূজা ভাগ সমাপন কৰা হ’ব। একেদৰে নৱমী বিহিত পূজা ভাগ মঙলবাৰে ১:৩৩ বজাৰ পূৰ্বে সুপ্ৰসস্ত কালত সমাপন কৰি বুধবাৰে পুৰ্বাহ্ন কালত বিসৰ্জন পৰ্ব সমাপ্ত কৰি সৰ্বমঙ্গলাৰ্থে, বিজয়াৰ্থে অপৰাজিতা পূজাৰে সামৰণি পৰিব। ইফালে পূজা পৰিচালনা সমিতিৰ তৰফৰ পৰা দৰ্শনাৰ্থী সকলক ভক্তি ৰসৰ লগতে মনোৰঞ্জনৰ খোৰাক দিবলৈ সপ্তমীৰ দিনাখন পৰিৱেশন কৰিছিল জনপ্ৰিয় শিল্পী হীৰকজোতি শৰ্মাৰ টোকাৰী গীতৰ শৰাই। মহাষ্টমীৰ দিনাখন সন্ধিয়া জনপ্ৰিয় গায়ক অপুৰ্ব বৰুৱা আৰু আচুৰ্য বৰপাত্ৰৰ সঙ্গীতানুষ্ঠান, মহানৱমীৰ দিনাখন সন্ধিয়া বাপুজী কোৱৰ আৰু তেওঁৰ সঙ্গীবৃন্দৰ দিহানাম পৰিৱেশন কৰিব।

# নাজিৰাত মহামানৱ মহাত্মা গান্ধীৰ ১৫৩সংখ্যক জয়ন্তী উদ্‌যাপন

## ■ আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি নাজিৰা পৌৰসভাৰ বিশেষ আকৰ্ষণীয় সম্বৰ্ধনা অনুষ্ঠান ■

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২ অক্টোবৰ ঃ** সমগ্ৰ দেশৰ লগতে নাজিৰা মহকুমা সদৰতো আজি নাজিৰা মহকুমা প্ৰশাসন আৰু নাজিৰা পৌৰ সভাৰ উদ্যোগত ১৫৩ সংখ্যক গান্ধী-জয়ন্তী নাজিৰাৰ গান্ধী ময়দানত উদ্‌যাপন কৰা হয়। এই জয়ন্তীৰ লগত সংগতি ৰাখি এখনি সৰ্ব-ধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। সভাৰ আৰম্ভণিতে গান্ধীৰ স্মাৰক তথা প্ৰতিমূৰ্ত্তিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে জ্যেষ্ঠ নাগৰিক হিমেন্দ্ৰনাথ বৰুৱাই। তাৰ পিছতে দেশৰ স্বাধীনতাৰ হকে হেলাৰঙে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলক স্মৰণ কৰি শ্বহীদ তৰ্পণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে অতিৰিক্ত উপায়ুক্ত তথা নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপকে প্ৰমুখ্য কৰি উপস্থিত সকলোৱে। বিশিষ্ট নাগৰিক গোপাল বৰুৱাই আঁত ধৰা এই সৰ্বধৰ্ম সভাত মুখ্য কাৰ্যসূচীৰূপে কে’বাগৰাকীও ধৰ্মীয় প্ৰতিনিধি ব্যক্তিয়ে নিজ নিজ ধৰ্মৰ শাস্ত্ৰ পাঠ কৰে। হিন্দু ধৰ্মশাস্ত্ৰ পাঠ কৰে প্ৰণৱ সন্দিকৈ, নৰনাথ কোঁৱৰ আৰু সৰ্বেশ্বৰ চেতিয়াই, কোৰান শ্বৰিফ পাঠ কৰে মহম্মদ আব্দুৰ ৰহমানে, বাইবেল পাঠ কৰে চেমনেই ফুম আৰু শিখ ধৰ্ম গ্ৰন্থ পাঠ কৰে কুলজীত সিঙে। লগতে টুন টুন হাতীকাকতীয়ে গুৰি ধৰা ৰামধুন ভজন উপস্থিত সকলোৱে একেলগে পৰিৱেশন কৰে।মহকুমাধিপতি সব্যসাচী কাশ্যপে নিজৰ বক্তব্যত সৰ্ব-ধৰ্ম প্ৰাৰ্থনাৰ তাৎপৰ্য বৰ্ণনা কৰি কয় যে, “মহাত্মা গান্ধী কেৱল এজন ব্যক্তিয়ে নাছিল, তেওঁ আছিল এজন অনুষ্ঠান। গোটেই জীৱনটো তেখেতে ভাৰতৰ সন্মানৰ হকে নিঃস্বাৰ্থভাৱে নিজৰ সৰ্বোচ্ছ উজাৰিছিল। জাতি-ধৰ্ম নিৰ্বিশেষে সকলো লোককে তেখেতে একতাৰ ডোলেৰে বান্ধি মানুহক উদ্বুদ্ধ কৰিবলৈ, মানুহৰ মাজত জাতীয়তাবোধ আৰু ভাতৃত্ববোধ জগাই তুলিবলৈ সক্ষম হৈছিল। তেখেতৰ আদৰ্শ নীতি বিশ্বৰ আৰ্থসামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটত এক এৰাব নোৱাৰা দলিল, যাৰ কাৰণে ভাৰতৰ নাম বিশ্বৰ মানচিত্ৰত সদায় উজ্জ্বল আৰু চিৰস্মৰণীয় হৈ ৰ’ব। গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি উদ্‌যাপন কৰা আজিৰ সভাৰ এক আকৰ্ষণীয় কাৰ্যসূচী আছিল নাজিৰা পৌৰসভাৰ চাফাই কৰ্মচাৰীসকলৰ সম্বৰ্ধনা অনুষ্ঠান। নাজিৰা পৌৰসভাৰ মুঠ ২৭ গৰাকী চাফাই কৰ্মচাৰীৰ ১১গৰাকী মহিলাক একোখনকৈ শাড়ী আৰু ১৬গৰাকী পুৰুষ চাফাই কৰ্মচাৰীক টি-ছাৰ্ট আৰু বুট জোতা প্ৰদান কৰে মহকুমাধিপতি সব্যসাচী কাশ্যপকে প্ৰমুখ্য কৰি আন আন বিষয়া তথা সমাজকৰ্মীসকলে। কাৰ্যসূচীৰ অন্তত শলাগৰ শৰাই আগবঢ়াই নাজিৰা পৌৰসভাৰ সভানেত্ৰী বৰ্ণালী চেতিয়াই। উক্ত সভাত নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ সভানেত্ৰীদ্বয় ক্ৰমে— বৰ্ণালী চেতিয়া আৰু কবিতা মেচ, নাজিৰাৰ ৰাজহ চক্ৰ বিষয়া ভান লাল লিম্পুইয়া নাম্পুই, সহকাৰী আয়ুক্ত ৰাজীৱ সোণোৱাল, প্ৰীতম গগৈ, নিৰ্বাচনী বিষয়া অংশুলেখা দত্ত পাঠক, মহকুমা আৰক্ষী বিষয়া শুভলক্ষ্মী দত্ত,



খণ্ড উন্নয়ন বিষয়া তন্ময় চেতিয়া, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্ত, কোষাগাৰ বিষয়া মহচিনা নাচৰিন, বিভিন্ন বিভাগৰ মুৰব্বীসকল, নাজিৰা মহকুমা প্ৰশাসনৰ কৰ্মচাৰীসকল, নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ কেইবাগৰাকীও বিষয়া কৰ্মচাৰী উপস্থিত থাকে।

# ৰেজেক আলী ফুটবলত ছানৰাইজ চেম্পিয়ন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নলবাৰী, ২ অক্টোবৰ ঃ** ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদোগত, ঘগ্ৰাপাৰ হাইস্কুল খেলপথাৰত যোৱা ১১ ছেপ্টেম্বৰৰ পৰা চলি থকা ৫৬সংখক ৰেজেক আলী সোঁৰৱণী প্ৰাইজমানী চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেলত অংশগ্ৰহণ কৰি ছানৰাইজ, ডিমাকুছিয়ে ৰঙিয়া জিলা ক্ৰীড়া সন্থাক ৩-০ গ'লৰ ব্যাৱধানত পৰাজিত কৰি চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে। উত্তেজনাপূৰ্ণ খেলখনৰ প্ৰথমাৰ্ধত গ'লশূন্যভাৱে সমাপ্ত হোৱাত দ্বিতীয় অৰ্ধৰ ৯ মিনিটত ডিমাকুছিৰ হৈ হীৰকজ্যোতি ডেকাই ১ গ'ল, ৮০ মিনিটত যতীন চুতীয়াই আৰু ৮২ মিনিটত আমুচ চুচিনে ১টাকৈ গ'ল দি দলক বিজয়ী কৰোৱাত মুখ্য ভূমিকা পালন কৰে। শ্ৰেষ্ঠ খেলুৱৈ আৰু শ্ৰেষ্ঠ গ'ল ৰক্ষকৰ বঁটা লাভ কৰে ডিমাকুছিৰ-ৰোহিত মুছাহাৰী আৰু শশাংক বৈশ্যই। শ্ৰেষ্ঠ দৰ্শকৰ বঁটা লাভ কৰে আব্দুল আলীয়ে। খেলখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। অতিথি হিচাপে উপস্থিত থাকে ভাৰতীয় জনতা পাৰ্টীৰ বড়িগোগ বনভাগ মণ্ডলৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, ক'ভিড যোদ্ধা নাছিকুৰ ৰহমান আদি। খেলখন পৰিচালনা কৰিছিল দুলু তালুকদাৰ, গকুল দাস, আনছাৰউদ্দিন আহমেদ আৰু ধ্ৰুৱজ্যোতি কলিতাই। খেলৰ অন্তত বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকি অসমৰ জনপ্ৰিয় অভিনেতা নয়ন নীলিমৰ গীত আৰু বক্তব্যই শ্ৰোতা-দৰ্শকক আপ্লুত কৰে। উপস্থিত থাকে বঁটা দাতা তাইজউদ্দিন আহমেদ, প্ৰতিবিম্ব লাইভৰ সঞ্চালক তফিকউদ্দিন আহমেদ, মেচ কমিচনাৰ হেমেন্দ্ৰ মহন্ত আদি। অনুষ্ঠানটোৰ আঁত ধৰে ঘগ্ৰাপাৰ ক্ৰীড়া সন্থাৰ সভাপতি তফিকুৰ ৰহমানে। বঁটা বিতৰণী সভাত নলবাৰী ক্ৰীড়া সন্থাৰ ছুপাৰ ডিভিজন ফুটবল লীগত চেম্পিয়ন হোৱা ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলুৱৈসকলক সম্বৰ্ধনা জনোৱা হয়।






*গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টি-২০ ক্ৰিকেট খেলত ক্ৰিকেটপ্ৰেমীৰ ভিৰ, দেওবাৰৰ ছবি*

# দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ভাৰতৰ ২৩৭-৩ ৰাণ

**গুৱাহাটী, ২ অক্টোবৰ ঃ** প্ৰথম মেচৰ চমকপ্ৰদ বিজয়ৰ পাছত ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচতো বেটিং বিক্ৰম প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। আজি গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মেচত টছত হাৰি বেটিং কৰা ভাৰতে ২০ অভাৰত তিনি উইকেট হেৰুৱাই ২৩৭ ৰাণ কৰে। ভাৰতক বিস্ফোৰক আৰম্ভণি দিয়ে দুই অ'পেনাৰ লোকেছ ৰাহুল আৰু ৰোহিত শৰ্মাই। ছয় অভাৰতে দলীয় অৰ্ধশতক পূৰ্ণ কৰে দুই ভাৰতীয় বেটাৰে। কিন্তু শতকীয় যুটি হোৱাৰ পূৰ্বে অধিনায়ক ৰোহিতে ৩৭ বলত ৪৩ ৰাণ কৰি আউট হয়। বিপৰীতে যোৱা মেচত অপৰাজিত অৰ্ধশতক অৰ্জন কৰা ৰাহুলে আজিও চাৰিটা ছিক্সাৰৰে ইনিংছ সজাই ২৮ বলত ৫৭ ৰাণ কৰি পেভিলিয়নমুখী হয়। দুই অ'পেনাৰে ৯৬ ৰাণৰ যুটি কৰাৰ পাছত উইকেটলৈ অহা বিৰাট কোহলি আৰু সূৰ্যকুমাৰ যাদৱে আৰম্ভ কৰে বেটিং তাণ্ডৱ। যোৱা মেচত অপৰাজিত অৰ্ধশতক অৰ্জন কৰা সূৰ্যই আজিও আৰম্ভণিৰ পৰাই বলাৰক প্ৰহাৰ কৰি ইনিংছ আগুৱাই নিয়ে। ১৮ বলতে অৰ্ধশতক পূৰ্ণ কৰা সূৰ্যই ২২ বলত পাঁচটা ছিক্সাৰসহ ৬১ ৰাণ কৰি দুৰ্ভাগ্যজনকভাৱে ৰাণ আউট হয়। কিন্তু বিৰাটৰ লগত ১০২ ৰাণৰ যুটি বান্ধি দলক শক্তিশালী স্থিতি দিয়ে। ইফালে, বিৰাটে এক ৰাণৰ বাবে অৰ্ধশতক কৰিব নোৱাৰিলে। ২৮ বলত অপৰাজিত ৪৯ ৰাণ কৰা কোহলিয়ে কিন্তু আজি বৰ্ষাপাৰত ১৯ ৰাণ কৰাৰ লগে লগে টি-২০ত প্ৰথম ভাৰতীয় হিচাপে ১১ হেজাৰ ৰাণ পূৰ্ণ কৰাৰ গৌৰৱ লাভ কৰে। উল্লেখ্য যে ৩৫৪ খন মেচত ১১ হেজাৰ ৰাণ কৰি দ্ৰুততম বেটাৰ হোৱাৰ সফলতাও লাভ কৰে বিৰাটে। দক্ষিণ আফ্ৰিকাৰ হৈ কেশৱ মহাৰাজে দুটা উইকেট পায়।



# সাঁতোৰত ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি আস্থাৰ সোণ

## ৰূপৰ পদক পালে বিক্ৰমে

**ৰাজকোট, ২ অক্টোবৰ ঃ** চলিত ৩৬সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ খেলুৱৈৰ পদক জয়ৰ গৌৰৱময় সফলতা অব্যাহত আছে। আজি অসমে সাঁতোৰত এটা সোণ আৰু এটা ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ নতুন অভিলেখ গঢ়ি মহিলাৰ ১০০ মিটাৰ ৱাটাৰ ফ্লাইত সোণ লাভ কৰিছে অসমৰ জলপৰী আস্থা চৌধুৰীয়ে। ১.০৩.৩৭ ছেকেণ্ড সময়ৰে শ্ৰেষ্ঠত্ব অৰ্জন কৰে আস্থাই। উল্লেখ্য যে এয়া ৰাষ্ট্ৰীয় ক্ৰীড়াৰ মহিলাৰ ১০০ মিটাৰ ৱাটাৰ ফ্লাইৰ নতুন অভিলেখ। আস্থাই চাৰি ঘণ্টা পূৰ্বে হিটছত গঢ়া নিজৰ অভিলেখে ফাইনেলত ভংগ কৰে। উল্লেখ্য যে হিটছত আস্থাই ১.০৩.৯১ ছেকেণ্ড সময় লৈ ১১ বছৰ পূৰ্বে ঝাৰখণ্ড ৰাষ্ট্ৰীয় ক্ৰীড়াত ৰিছা মিশ্ৰই গঢ়া অভিলেখ আজি ভংগ কৰিবলৈ সক্ষম হয়। ৰিছাৰ সময় আছিল ১.০৪.৪১ ছেকেণ্ড। উল্লেখ্য যে মহিলাৰ ১০০ মিটাৰ ৱাটাৰ ফ্লাইৰ ৰাষ্ট্ৰীয় অভিলেখ অসম কন্যাৰ নামতে আছে। গুৱাহাটীত অনুষ্ঠিত ছিনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰত আস্থাই ১.০৩.০৭ ছেকেণ্ডৰে মহিলাৰ ১০০ মিটাৰ ৱাটাৰ ফ্লাইৰ ৰাষ্ট্ৰীয় অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল। ইফালে, আস্থাৰ সোণৰ লগতে আজি সাঁতোৰত অসমক দ্বিতীয়টো পদক দিয়ে বিক্ৰম চাংমায়ে পুৰুষৰ ১০০ মিটাৰ ৱাটাৰ ফ্লাইত ৰূপৰ পদক লাভ কৰি। ৫৫.৭৩ ছেকেণ্ড সময় লয় বিক্ৰমে। উল্লেখ্য যে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ যিসকল খেলুৱৈৰ পৰা ৰাজ্যবাসীয়ে সোণৰ পদক আশা কৰিছিল তাৰভিতৰত অন্যতম হ'ল সাঁতোৰবিদসকল। উল্লেখ্য যে দীৰ্ঘ সময়ৰ পাছত সাঁতোৰত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় স্তৰত উজ্বলি উঠিবলৈ সক্ষম হৈছে অসম তিনিগৰাকী নৱাগত সন্তৰণবিদ। আস্থা চৌধুৰী, শিৱাংগী শৰ্মা আৰু বিক্ৰম চাংমায়ে বিগত সময়ছোৱাত ধাৰাবাহিকতা ৰক্ষা কৰি ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক অৰ্জনৰে গৌৰৱময় সফলতা লাভ কৰাৰ লগতে অসমৰ ক্ৰীড়াজগত বিশেষকৈ সাঁতোৰক্ষেত্ৰলৈ নতুন আশা লৈ আনিছে। বিগত দুখন খেলো ইণ্ডিয়া গেমছত আস্থা, শিৱাংগী আৰু বিক্ৰমে শ্ৰেষ্ঠত্ব প্ৰদৰ্শনেৰে সোণ লাভ কৰাৰ পাছত এতিয়া ছিনিয়ৰ পৰ্যায়তো অদমনীয় প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। গুৱাহাটীত সদ্য সমাপ্ত ৰাষ্ট্ৰীয় সাঁতোৰ প্ৰতিযোগিতাত আস্থা আৰু শিৱাংগীয়ে নতুন অভিলেখ গঢ়ি সোণ জয় কৰিছিল। অৱশ্যে আঘাতৰ বাবে আজি শিৱাংগীয়ে অংশ ল'ব নোৱাৰিলে। কিন্তু অহা চাৰি অক্টোবৰত শিৱাংগীয়ে খেলিব বুলি অসম সাঁতোৰ সন্থাৰ সম্পাদক ভাস্কৰ দাসে জনাইছে। ইফালে, পদকজয়ী আস্থা আৰু বিক্ৰমক অভিনন্দন জনাইছে অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱাল আৰু সম্পাদক লক্ষ্য কোঁৱৰে।



# ২০০ মিটাৰৰ ছেমিত অম্লান ফাইনেলত হিমা

**গান্ধীনগৰ, ২ অক্টোবৰ ঃ** চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত সোণ অৰ্জন কৰি অসমক প্ৰথমটো পদক দিয়া ভাৰতীয় এথলেটিকছৰ নৱাগত চাঞ্চল্য অম্লান বৰগোহাঁয়ে নিজৰ দ্বিতীয়টো স্বৰ্ণ জয়ৰ লক্ষ্যৰে অহা চাৰি অক্টোবৰত পুনৰ ট্ৰেকত দৌৰিব। উল্লেখ্য যে আজি শীৰ্ষস্থানৰে ২০০ মিটাৰৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে অসম সন্তান অম্লানে। গান্ধীনগৰৰ আই আই টি ক্ৰীড়া প্ৰকল্পত আজি অনুষ্ঠিত হোৱা পুৰুষৰ ২০০ মিটাৰ দৌৰৰ হিটছত অম্লানে ২১.২০ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। অহা চাৰি অক্টোবৰত পুৰুষৰ ২০০ মিটাৰ দৌৰৰ ছেমিফাইনেল আৰু ফাইনেল হ'ব। আজিৰ প্ৰদৰ্শনৰ পৰাই অনুমেয় যে অম্লানৰ জড়িয়তে অসমে এথলেটিকছত আৰু এটা সোণ লাভ কৰাটো প্ৰায় নিশ্চিত। উল্লেখ্য যে ইয়াৰপূৰ্বে কালি পুৰুষৰ ১০০ মিটাৰত অম্লানে ১০.৩৮ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি সোণ অৰ্জন কৰিবলৈ সক্ষম হৈছিল। অম্লানে ২০০ মিটাৰতো ২০.৫২ ছেকেণ্ডৰে চলিত বৰ্ষতে ৰাষ্ট্ৰীয় অভিলেখ গঢ়িছে। ইফালে, অম্লানৰ লগতে আজি হোৱা মহিলাৰ ২০০ মিটাৰ দৌৰৰ হিটছত অংশ লৈ ফাইনেলত স্থান নিশ্চিত কৰিছে অসমৰ হিমা দাসেও। ২৩.৯৮ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি দ্বিতীয় স্থানত থাকি ফাইনেলত প্ৰৱেশ কৰে ধিং এক্সপ্ৰেছে। অহা অহা চাৰি অক্টোবৰত মহিলাৰো ২০০ মিটাৰ দৌৰৰ ফাইনেল হ'ব। উল্লেখ্য যে কালি ১০০ মিটাৰৰ ফাইনেলত হতাশাজনক প্ৰদৰ্শন কৰা হিমাই জীৱনৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লৈছে তথা পদক অৰ্জনৰ বাবে এয়াই হ'ব অন্তিম সুযোগ। অৰ্জন বঁটাৰে সন্মানিত এছিয়ান গেমছৰ পদকজয়ী হিমা ২০০ মিটাৰত শ্ৰেষ্ঠ সময় হ'ল ২২.৮৮ ছেকেণ্ড।



# বৰ্ষাপাৰত বৰষুণ-সাপ

**গুৱাহাটী, ২ অক্টোবৰ ঃ** অঘটন অবিহনে যেন আন্তৰ্জাতিক মেচ নহয় গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত। আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচতো পূৰ্বৰ দৰেই অপ্ৰত্যাশিত ঘটনা ঘটিল গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত। বৰ্ষাপাৰত প্ৰথমে বৰষুণ আৰু তাৰপাছত খেলপথাৰত ওলাল সাপ। মেচ আৰম্ভ হ'বলৈ প্ৰায় ৩০ মিনিট বাকী থকা সময়তে এজাক কিনকিনীয়া বৰষুণে জিপাল কৰিলে বৰ্ষাপাৰা। অৱশ্যে পাঁচ মিনিটৰ ভিতৰতে সমাপ্ত হ'ল। এচিএ আমেৰিকাৰ পৰা অনা ক'ভাৰ দিবলৈ সময়ে নাপালে। তাৰপাছত সময় অনুসৰি মেচ আৰম্ভ হ'ল যদিও সাত অভাৰ সমাপ্ত হোৱাৰ লগে লগে মেচ হঠাতে বন্ধ হৈ পৰিল। সকলো আচৰিত। কি কাৰণত বন্ধ হ'ল মেচ? তেতিয়া উইকেটত ৰোহিত-ৰাহুলৰ বেটিং বিক্ৰম চলি আছিল। কিন্তু দক্ষিণ আফ্ৰিকাৰ পেভিলিয়নৰ বাওফালে থকা ফিল্ডাৰ তিনিজন মাজলৈ দৌৰি আহিল। ষ্টেডিয়ামৰ বিগ এল চি ডিত দেখা গ'ল খেলপথাৰত এটা সাপ। প্ৰায় চাৰি মিনিট মেচ বন্ধ। পাছত গ্ৰাউণ্ডছ মেন আহি সাপ ধৰি লৈ গ'ল। উল্লেখ্য যে এয়া গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত চতুৰ্থ আন্তৰ্জাতিক মেচ। ইয়াৰপূৰ্বে পৰিত্যক্ত ভাৰত-শ্ৰীলংকা মেচত ফুটা উইকেট ক'ভাৰ তথা হেয়াৰ ড্ৰায়াৰৰে ভিজা উইকেট শুকান কৰাৰ ঘটনা সকলোৰে মনত আছে। অষ্ট্ৰেলিয়া দলৰ বাছত শিল গুটি নিক্ষেপৰ ঘটনাও কোনোৱে পাহৰা নাই। বৰ্ষাপাৰাৰ মেচ মানেই অঘটন। এইবাৰো অঘটন মুক্ত নহ'ল।

# ৰেজেক আলী ফুটবলত ডিমাকুছি চেম্পিয়নৰ খিতাপ

**গুৱাহাটী, ২ অক্টোবৰ ঃ** ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ঘগ্ৰাপাৰ হাইস্কুল খেল পথাৰত চলি থকা ৫৬সংখ্যক ৰেজেক আলী সোঁৱৰণী চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ ফাইনেল খেল খনত ডিমাকুছি চানৰাইজ ক্লাবে ৩-০ গলত আৰ ডি এচ এ ৰঙিয়াক পৰাজিত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। খেলৰ অন্তত বিজয়ী দলক নগদ ৩০ হেজাৰ টকা আৰু ট্ৰফীৰ বিপৰীতে বিজেতা দলক নগদ ২০ হেজাৰ টকা আৰু ট্ৰফী প্ৰদান কৰা হয়। ক্ৰীড়া সন্থাৰ সম্পাদক তফিকুৰ ৰহমানে আঁত ধৰা অনুষ্ঠানটিত খেলখন উদ্বোধন কৰে সাংসদ দিলীপ শইকীয়াই। অতিথি হিচাপে উপস্থিত থাকে তফিকউদ্দিন আহমেদ, অভিনেতা নয়ন নীলিম, প্ৰয়াত ৰেজেক আলীৰ বৰপুত্ৰ তাইজুদ্দিন আহমেদ, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা আদিয়ে। খেলখন পৰিচালনা কৰে দুলু তালুকদাৰে। লাইনত সহায় কৰে গকুল কলিতা আৰু আনচাৰ উদ্দিন আহমেদে। চতুৰ্থ ৰেফাৰীৰ আসনত থাকে ধ্ৰুৱ কলিতা। শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে ডিমাকুছি ক্লাবৰ ললিত মুছাহাৰীয়ে । শ্ৰেষ্ঠ গ'ল ৰক্ষকৰ বঁটা লাভ কৰে শশাংক বৈশ্যই।

# বালিসত্ৰত 'বাচা'ৰ ফুটবল প্ৰতিযোগিতাত চামতা ফাইনেলত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ৰঙিয়া, ২ অক্টোবৰ ঃ** ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ স্বীকৃতিপ্ৰাপ্ত বালিসত্ৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত শ্বহীদ টংকেশ্বৰ ডেকা আৰু বুলুপ্ৰভা দাস সোঁৱৰণী একবিংশতিতম 'বাচা' ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি দ্বিতীয়খন ছেমিফাইনেল খেলত চামতা আঞ্চলিক ক্ৰীড়া সন্থাই কলমণি ফুটবল একাদশক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। অভিজ্ঞ খেল পৰিচালক জয়ন্ত মাধৱ দাসে পৰিচালনা কৰা খেলখনৰ সহযোগী পৰিচালকসকল আছিল আনোৱাৰ হুছেইন মজুমদাৰ আৰু হাৰেজুৰ ৰহমান। বালিসত্ৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত অতি উত্তেজনাপূৰ্ণ খেলখন উদ্বোধন কৰে ৰণ্দিয়া (শতদল) সাহিত্য সভাৰ সম্পাদক তথা সমাজ সংগঠক হেমন্ত কলিতাই। উদ্বোধনী অনুষ্ঠানটিত অংশগ্ৰহণ কৰে বিশিষ্ট সমাজসেৱক বিপুল কাকতি আৰু ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ ফুটবল সম্পাদক সুৰেন বড়োৱে। প্ৰথমাৰ্ধত গ'লশূন্যভাৱে শেষ হোৱা খেলখনত দ্বিতীয়াৰ্ধত চামতা ক্ৰীড়া সন্থাৰ হৈ ৰাজ শেখৰে বিজয়সূচক গ'লটি দিয়ে।



# খেলপথাৰতে দুৰ্গা পূজাৰ মহাসপ্তমীৰ আনন্দ ল'লে ক্ৰিকেটাৰে

**গুৱাহাটী, ২ অক্টোবৰ ঃ** মহাসপ্তমীৰ দিনাই গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত টি-২০ মেচ। সেয়ে বৰ্ষাপাৰা ষ্টেডিয়ামতে দুৰ্গা পূজা পালন কৰিলে তিনি ভাৰতীয় প্ৰাক্তন ক্ৰিকেটাৰে। উল্লেখ্য যে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত আজি গুৱাহাটীত হোৱা তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচৰ বাবে ধাৰাভাষ্যকাৰ হিচাপে মহানগৰীলৈ আহিছে তিনি ভাৰতীয় প্ৰাক্তন ক্ৰিকেটাৰ সুনীল গাভাস্কাৰ, ৰবী শাস্ত্ৰী আৰু অজিত আগৰকাৰ। তিনিওজন মাৰাঠী। গণপতি উৎসৱ তেওঁলোকৰ বাবে অধিক আনন্দৰ। কিন্তু দুৰ্গা পূজাৰ সময়ত গুৱাহাটীত মিঠাই খাই মহাসপ্তমীৰ আনন্দ ল'লে গাভাস্কাৰ, শাস্ত্ৰী আৰু আগৰকাৰে।

# ডিচেম্বৰত 'বেংমৰা কাপ' ফুটবল প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, চাবুৱা, ২ অক্টোবৰ ঃ** ১ অক্টোবৰত তিনিচুকীয়াৰ আৰ্বত ভৱনত ষষ্ঠ বাৰ্ষিক 'বেংমৰা কাপ-২০২২' ফুটবল প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে বিশিষ্ট সমাজকৰ্মী বিমল চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত উদ্‌যাপন সমিতি গঠনৰ সন্দৰ্ভত এখনি আলোচনা সভা হৈ যায়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বেংমৰা স্প'ৰ্টছ এছ'চিয়েচনৰ সম্পাদক উজ্জ্বল বৰুৱাই। সভাই সৰ্বসন্মতিক্ৰমে বিমল চন্দ্ৰ বৰুৱাক সভাপতি, শৈলেন কুমাৰ বৰুৱাক কাৰ্যকৰী সভাপতি, চন্দন সন্দিকৈক মুখ্য সম্পাদক, সুলভজ্যোতি শইকীয়া, মানস শইকীয়া, কৃষ্ণকান্ত কাকতিক সম্পাদকত্ৰয়, অৰুণজ্যোতি তাঁতীক স্মাৰণিকা সম্পাদক হিচাপে লৈ এখনি শক্তিশালী আয়োজক সমিতি গঠন কৰে। সভাত বেংমৰা স্প'ৰ্টছ এছ'চিয়েচনৰ সভাপতি মৃদুল ৰাজখোৱা, মটক যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি সত্য গোহাঁই, মটক স্বায়ত্তশাসিত পৰিষদৰ জিএম তুষাৰৰঞ্জন চেতিয়া, সমাজ সেৱক প্ৰাঞ্জল নেওগ উপস্থিত থাকে। ষষ্ঠ বাৰ্ষিক ৰাজ্যিক পৰ্যায়ৰ বেংমৰা কাপ ২০২২ ফুটবল প্ৰতিযোগিতাখনি ডিচেম্বৰ মাহৰ ১১ তাৰিখৰ পৰা তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ কে'বাটিও স্থানত অনুষ্ঠিত হ'ব বুলি জনাইছে আয়োজকে।








*গুৱাহাটীৰ উজান বজাৰ বাৰোৱাৰী দুৰ্গা পূজাত ভক্তৰ পূজা-অৰ্চনা, দেওবাৰৰ ছবি*

# মৰিগাঁৱত গান্ধী জয়ন্তী উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও/ভূৰবন্ধা, ২ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলত অগ্ৰণী সামাজিক অনুষ্ঠান জীৱন জেউতি কৃষক সংঘ, পৰিৱেশ সংৰক্ষণ মঞ্চ, পূবেৰুণ যুৱক সংঘৰ যৌথ উদ্যোগত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে মহামানৱ মহাত্মা গান্ধীৰ জন্ম দিৱস উদ্‌যাপন কৰা হয়। উক্ত দিৱস উপলক্ষে তেওঁলোকে বিভিন্ন অঞ্চলত পুৱাৰ পৰাই চাফাই অভিযান সম্পন্ন কৰাৰ লগতে এজাৰবাৰী গাঁওখনত প্ৰত্যেকজন ব্যক্তিৰ পদূলিয়ে পদূলিয়ে একো একোটা বাঁহৰ ডাষ্টবিন প্ৰদান কৰে। গান্ধীজীৰ স্বচ্ছ ভাৰতৰ সপোনক বাস্তৱায়িত কৰাৰ উদ্দেশ্যে সংঘৰ এক অভিনৱ অভিযান 'মৰিগাঁও গছ গাঁও আমাৰ গাঁও স্বচ্ছ গাঁও।' উক্ত অনুষ্ঠানত গান্ধীজীৰ ফটোত পুষ্পাঞ্জলি প্ৰদানৰ লগতে বন্তি প্ৰজ্বলন কৰাৰ পিছতে এখন মুকলি সভা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত মৰিগাঁও জিলাৰ বিশিষ্ট সমাজকৰ্মী ললিত চন্দ্ৰ পাচনি, ভূৰবন্ধা খণ্ডৰ পথাৰ পৰিচালনা সমিতিৰ সভাপতি ৰাতুল গোস্বামী, দেৱেন দাস তুলসী ডেকাকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে সামাজিক কামত ব্ৰতী থকা সাংবাদিক মণ্টু হাজৰিকাৰ পৰিচালনাত নিৰ্মাণ কৰা তথ্যচিত্ৰ 'ঐতিহ্যৰ বঘৰা তেঁতেলীয়া' শুভ উন্মোচন কৰে এজাৰবাৰী নিপুণ ডেকা মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক শিৱকান্ত ডেকাই। স্মতৰ্ব্য যে তথ্যচিত্ৰখনি শুভ উন্মোচন কৰিবলৈ পাই জিলাখনৰ সহজ-সৰল ৰাইজে উষ্ম আদৰণি জনাইছে। ইপিনে জিলাখনৰ সমীপৱৰ্তী নটুৱাগাঁৱত শ্বহীদ অনিল বৰা স্মৃতি যুৱ সংঘই গান্ধী জয়ন্তী উপলক্ষে গাঁৱৰ ৰাস্তা-ঘাট আদি মেৰামতি কৰাৰ লগতে গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি আবেলিৰ ভাগত এখন সভা অনুষ্ঠিত কৰে। সভাত সভাপতিত্ব কৰে সংঘৰ সভাপতি যোগেশ্বৰ নাথে। সম্পাদক শ্যামন্ত নাথে উদ্দেশ্যে ব্যাখ্যা কৰা সভাত শিক্ষাবিদ পুনাৰাম নাথকে আদি কৰি বহু গণ্যমান্য ব্যক্তিয়ে অংশ লয়।

# মাতৃভাষা ভাওনা নাটৰ পাণ্ডুলিপি প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২ অক্টোবৰ ঃ** মাজুলী জিলা ভাওনা সন্মিলনৰ উদ্যোগত অসমত প্ৰথমবাৰৰ বাবে মাজুলীত অসম ভিত্তিত আয়োজন কৰা মাতৃভাষা ভাওনা নাটৰ পাণ্ডুলিপি প্ৰতিযোগিতাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হয়। আজি মাজুলী ক্ৰিড়া ক্ষেত্ৰ কমলাবাৰীৰ ক্ৰিকেট পেভিলিয়নত ভাওনা সন্মিলনে আয়োজন কৰা সংবাদমেল সম্বোধন কৰি সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকতে ভাওনা নাটৰ পৰম্পৰা, ৰীতি-নীতি, মানবিশিষ্টতা আৰু গুৰুজনা সৃষ্ট ভাওনাৰ আৰ্হি ৰক্ষা কৰি ইয়াৰ মৌলিকতা, উন্নত মান ৰক্ষাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা প্ৰতিযোগিতাখনিৰ ফলাফলসমূহ ঘোষণা কৰে। সেই অনুসৰি মাতৃভাষাৰ ভাওনাৰ নাটৰ পাণ্ডুলিপি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা মুঠ ২১জন নাট্যকাৰৰ নাটৰ পাণ্ডুলিপিৰ ভিতৰত প্ৰতিযোগিতাৰ প্ৰথম স্থান অধিকাৰ কৰিছে কোঁৱৰপুৰ শিৱসাগৰৰ নাট্যকাৰ চন্দ্ৰমণি গগৈৰ নাট শ্ৰীৰাম চন্দ্ৰৰ বৈকুণ্ঠ যাত্ৰা। প্ৰতিযোগিতাৰ দ্বিতীয় স্থান চাৰিং শিৱসাগৰৰ নাট্যকাৰ নিতু গোস্বামীৰ নাট শ্ৰীকৃষ্ণৰ বিৰাট ৰূপ ধাৰণ ভীষ্মৰ প্ৰতিজ্ঞা পূৰণ। প্ৰতিযোগিতাৰ তৃতীয় স্থান লাভ কৰিছে গোলাঘাটৰ নাট্যকাৰ প্ৰয়াত নাৰায়ণ বৰুৱাৰ নাট 'ভৰত বিদায়'। চতুৰ্থ স্থান লাভ কৰিছে যোৰহাট গৰখীয়া দ'লৰ নাট্যকাৰ বিনন্দ বৰুৱাৰ নাট মাল্যৱন্তৰ পাতাল গমন ৰাৱণৰ লংকা বিজয় আৰু পঞ্চম স্থান লাভ কৰে আমগুৰি শিৱসাগৰৰ নাট্যকাৰ উৎপল খনিকৰৰ নাট দুৰ্যোধনৰ অশ্বমেধ যজ্ঞ কুৰ্মৱলীৰ পতন। ইফালে অহা ডিচেম্বৰ মাহৰ মাজভাগত মাজুলীত ভাওনা সংস্কৃতিৰ বিষয়ত অনুষ্ঠিত হ'বলগীয়া মনোজ্ঞ আলোচনা-চক্ৰত নাট পাণ্ডুলিপি প্ৰতিযোগিতাৰ পুৰস্কাৰ বিজেতাসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলি সংবাদ মেলত সন্মিলনৰ সভাপতিগৰাকীয়ে উল্লেখ কৰে। জিলা ভাওনা সন্মিলনৰ সাধাৰণ সম্পাদক জয়ন্ত হাজৰিকাই আঁত ধৰা সংবাদ মেলত গুণেশ্বৰ গায়ন, দীপক বৰুৱা, অৰূপ কুমাৰ বৰা, উৎপল কৌশিক শইকীয়াকে আদি কৰি সন্মিলনৰ বহুকেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

## গোলাঘাট পৌৰসভালৈ পুনৰ স্বচ্ছ সৰ্বেক্ষণ বঁটা

# নতুন দিল্লীত ৰাষ্ট্ৰপতিৰ উপস্থিতিত পৌৰসভাৰ সভানেত্ৰী আৰু কাৰ্যবাহী বিষয়াই গ্ৰহণ কৰিলে বঁটা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ২ অক্টোবৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ে স্বচ্ছতাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা পাৰদৰ্শিতাৰ ভিত্তিত অসমৰ ১৪খন পৌৰসভালৈ ২০২২ চনৰ স্বচ্ছ সৰ্বেক্ষণ বঁটা আগবঢ়াইছে। গোলাঘাট পৌৰসভাই পুনৰ ২০২২ বৰ্ষৰ স্বচ্ছ সৰ্বেক্ষণ বঁটা লাভ কৰিছে। নতুন দিল্লীৰ তালকাটোৰা ষ্টেডিয়ামত কালি অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ উপস্থিতিত অসমৰ আন ১৪খন পৌৰসভাৰ লগতে গোলাঘাট পৌৰসভাক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। গোলাঘাট পৌৰসভাৰ সভানেত্ৰী দুলুমণি বৰবৰা আৰু কাৰ্যবাহী বিষয়া ড° সংগীতা বৰঠাকুৰে এই বঁটা গ্ৰহণ কৰে। উল্লেখ্য যে ২৫ হাজাৰৰ পৰা ৫০ হাজাৰ জনসংখ্যাৰ শ্ৰেণীত গোলাঘাট পৌৰসভাই উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে উদ্ভাৱনী অনুশীলনৰ ক্ষেত্ৰত প্ৰথম স্থান লাভ কৰিছে। গোলাঘাট জিলাৰ উপায়ুক্ত ডাঃ পি উদয় প্ৰবীণ, গোলাঘাট পৌৰসভাৰ সভানেত্ৰী দুলুমণি বৰবৰা, কাৰ্যবাহী বিষয়া ড° সংগীতা বৰঠাকুৰ আৰু পৌৰসভাৰ বিষয়া-কৰ্মচাৰীসকলে এই সাফল্যত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে গোলাঘাট নগৰখনক বিভিন্ন উদ্ভাৱনী কৌশলেৰে পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰিছে।



*সপ্তমীৰ দিনা গুৱাহাটীৰ শিলপুখুৰীত ভক্তৰ দেৱী প্ৰাৰ্থনা*

# ক্ৰিকেটৰ থীম লৈ মণ্ডপ নিৰ্মাণ ডিব্ৰুগড়ৰ ৬৫ বছৰীয়া মাষ্টাৰপাৰা পূজা সমিতিৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২ অক্টোবৰ ঃ** মহিষমৰ্দিনী দেৱী দুৰ্গাৰ আৰাধনাৰে মুখৰিত হৈ পৰিছে ৰাজ্য। দুটাকৈ ক'ভিডসৃষ্ট পৰিৱেশৰ পিছতে স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাৰ লগে লগে উখল-মাখল পৰিৱেশৰ মাজত অনুষ্ঠিত হৈছে শাৰদীয় দুৰ্গোৎসৱ। জাক-জমকতাৰ মাজেৰে অনুষ্ঠিত হৈ থকা শাৰদীয় দূৰ্গোৎসৱৰ পূজা মণ্ডপসমূহৰ মাজত চলিছে এক অঘোষিত প্ৰতিযোগিতা। নিৰ্মাণ কৰা হৈছে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ ব্যয়বহুল পূজা মণ্ডপ। প্ৰতিবাৰেই ব্যতিক্ৰমী পূজা মণ্ডপ নিৰ্মাণেৰে বিশেষ চৰ্চাত থকা ডিব্ৰুগড় চহৰ এলেকাৰ আটাইকেইখন পূজা মণ্ডপতেই সোমাই আছে বিশেষত্ব। নিজস্ব চিন্তাধাৰা আৰু কাৰিকৰী কৌশলেৰে নিৰ্মাণ কৰা হৈছে পূজা মণ্ডপসমূহ। ডিব্ৰুগড় পৌৰসভা এলেকাৰ পূজা মণ্ডপসমূহৰ ভিতৰত এখন ব্যতিক্ৰমী আৰু চকুত লগা পূজা মণ্ডপসমূহৰ ভিতৰত অন্যতম হৈছে মাষ্টাৰপাৰা দুৰ্গা পূজা সমিতি। ৬৫ বছৰ গৰকা এই পূজা সমিতিখনে এইবাৰ সম্পূৰ্ণ ব্যতিক্ৰমী ৰূপত মণ্ডপ নিৰ্মাণেৰে অনুষ্ঠিত কৰিছে শাৰদীয় দুৰ্গা পূজা। ক্ৰিকেটৰ প্ৰতি নতুন প্ৰজন্মক উৎসাহিত কৰাৰ উদ্দেশ্যেৰে নিৰ্মাণ কৰা এই পূজাই দৃষ্টি কাঢ়িছে সকলোৰে। আজি গুৱাহাটীৰ বৰ্ষাপাৰাত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত হ'বলগীয়া টি-২০ খেলৰ পূৰ্বে ক্ৰিকেটৰ থীম লৈ মণ্ডপ নিৰ্মাণ কৰিছে মাষ্টাৰপাৰা পূজা সমিতিয়ে। প্ৰায় ৪ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা পূজা মণ্ডপত মহা সপ্তমীৰ দিনা সোঁত বৈছে হাজাৰ হাজাৰ দৰ্শক আৰু ক্ৰিকেট অনুৰাগীৰ। মণ্ডপত আছে ইণ্ডিয়ান ক্ৰিকেট লীগৰ দহটাকৈ দলৰ প্ৰতীক। তদুপৰি দহজনৰো অধিক ক্ৰিকেটৰ মহাতাৰকাৰ ফটোৰে সজাই তোলা হৈছে মণ্ডপৰ প্ৰৱেশস্থানত। মণ্ডপত সজাই তোলাই হৈছে ক্ৰিকেটত ব্যৱহৃত বেট, বল, খেলপথাৰৰ পিটচ, ষ্টাম্প, গ্লভছ, জাৰ্চি, হেলমেট, গাৰ্ড আদিকে ধৰি বিভিন্ন সা-সামগ্ৰী। ইফালে, ভাৰতীয় ক্ৰিকেট দল আৰু আই পি এলৰ প্ৰতীকে বিশেষভাৱে দৃষ্টি আকৰ্ষণ কৰিছে দৰ্শকক। প্ৰতি বছৰে বিশেষ থীম লৈ মণ্ডপ নিৰ্মাণেৰে বিশেষ চৰ্চাত থকা চহৰখনৰ মাষ্টাৰপাৰা পূজা সমিতিখন এইবাৰো বিশেষভাৱে চৰ্চাত আছে।









শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি